# সোণালী

## সোণাৰি মহাবিদ্যালয় বাৰ্ষিক আলোচনী

২০১৪-১৫ বৰ্ষ




সম্পাদক ঃ ভৈৰৱ বৰগোহাঁই

মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা - ২০১৪-১৫ বৰ্ষ



ইংৰাজী বিভাগ



শিক্ষা বিভাগ




মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়' ২০১৪-১৫




উদ্ভিদ বিজ্ঞান বিভাগ



প্ৰাণী বিজ্ঞান বিভাগ

155.2 personality. 0922

# ২৭

সংখ্যক আলোচনী

# সোণালী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী
২০১৪-১৫ বৰ্ষ

সম্পাদক ঃ ভৈৰব বৰগোহাঁই

## 'সোণালীৰ'

<u>সম্পাদনা কক্ষত</u>

**সভাপতি ঃ**
শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা

**উপদেষ্টা ঃ**
ড° ৰাণা কোঁৱৰ
শ্ৰীযুতা বীণা বৰঠাকুৰ
ড° অনিতা কোঁৱৰ

**সম্পাদক ঃ**
ভৈৰৱ বৰগোহাঁই

**সদস্য/সদস্যা ঃ**
শিৱা তাচা
দেৱশীষ গগৈ
কুমাৰ চানু পাতিৰি
সমীৰণ গগৈ

**বেটুপাত আৰু স্কেচ ঃ**
সুভম শেন

**প্ৰকাশক ঃ**
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা- ২০১৪-১৫ বৰ্ষ

**অক্ষৰ বিন্যাস ঃ**
পংকজ গগৈ
পলাশ বুঢ়াগোহাঁই




**মুদ্ৰণ ঃ**
বিনায়ক অফচেট, শংকৰ মন্দিৰ পথ
শিৱসাগৰ


## মহাবিদ্যালয়ৰ সংগীত

ৰচনা, সুৰ ঃ শ্ৰী ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদূৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।



# কৃতজ্ঞতা


সোণাৰি মহাবিদ্যালয় বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশৰ ক্ষেত্ৰত উৎসাহ আৰু অনুপ্ৰেৰণা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা চাৰলৈ আৰু অসমৰ শিক্ষামন্ত্ৰী শ্ৰীযুত শৰৎ বৰকটকী ডাঙৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত তপন কুমাৰ ডাঙৰীয়ালৈ আমাৰ কৃতজ্ঞতা থাকিল।

মহাবিদ্যালয়ৰ আলোচনীখনলৈ যিসকল লেখক-লেখিকাই লেখা প্ৰেৰণ কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকললৈ আৰু সহায় সহযোগ আগবঢ়োৱা সকলো বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতাসভা

# উছৰ্গা



প্ৰয়াত ড° আবুল পাকিৰ জইনাল আবেদ্দিন আব্দুল কালাম

জন্ম ঃ ১৫ অক্টোবৰ ১৯৩১ চন।

মৃত্যু ঃ ২৭ জুলাই, ২০১৫ চন।


# শ্ৰদ্ধাঞ্জলি



বিশিষ্ট সংগীত শিল্পী
প্ৰয়াত খগেন মহন্ত



বিশিষ্ট ৰাজনীতিবিদ
প্ৰয়াত বিজয় কৃষ্ণ সন্দিকৈ



বিশিষ্ট অভিনেতা
প্ৰয়াত ইন্দ্ৰ বনিয়া



**Principal : Mr. Arpon Kumar Boruah**



**Vice-Principal : Mrs Ranu Mohan**

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়াসকল-২০১৪-১৫ বৰ্ষ


শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা
সভাপতি


দেবাশীষ বৰগোহাঁই
উপ-সভাপতি


সমীৰণ গগৈ
সাধাৰণ সম্পাদক


দ্বীপজ্যোতি বৰুৱা
সহঃ সাধাৰণ সম্পাদক


দেবাশীষ গগৈ
গুৰু খেল বিভাগৰ সম্পাদক


সুৰজ চেত্ৰী
লঘু খেল বিভাগৰ সম্পাদক


ভৈৰৱ বৰগোহাঁই
আলোচনী বিভাগৰ সম্পাদক


মানসজ্যোতি বৰগোহাঁই
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক


শান্ত চাংমাই
সাংস্কৃতিক বিভাগৰ সম্পাদক


জ্যোতিৰেখা তাঁতী
তৰ্ক বিভাগৰ সম্পাদিকা


ৰুম্পী গগৈ
সাহিত্য বিভাগৰ সম্পাদিকা


জুনমণি গগৈ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা


দ্বীপজ্যোতি ভৰালী
সংগীত বিভাগৰ সম্পাদক


দ্বীপজ্যোতি গগৈ
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক


দ্বীপজ্যোতি প্ৰধান
সমাজসেৱা বিভাগৰ সম্পাদক


শিৱা তাচা
ছাত্ৰ সদস্য


কুমাৰ চানু পাতিৰি
ছাত্ৰ সদস্য

**শ্ৰীশৰৎ বৰকটকী**
মন্ত্ৰী,
শিক্ষা, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ, অসম
দিশপুৰ, গুৱাহাটী- ৭৮১০০৬

দূৰভাষ ঃ ০৩৬১-২২৩৭০০৮ (কাৰ্য্যালয়)
০৩৬১-২২৬১২৬৯ (নিবাস)
০৩৭৭২-২৫৬৭৩৭ (সোণাৰি)

তাৰিখ ঃ ..............................



দিনাংকঃ ৩১-০৮-২০১৫

## শুভেচ্ছা বাণী

শিৱসাগৰ জিলাৰ সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী "সোণালী-২০১৪-১৫" প্ৰকাশ কৰিবলৈ আয়োজন কৰা বুলি জানিবলৈ পাই অতি আনন্দিত হৈছো। ছাত্ৰ-ছাত্ৰী সকলৰ মননশীল ৰচনাৰে প্ৰকাশ কৰিবলৈ লোৱা "সোণালী-২০১৪-১৫" লেখনিসমূহ সকলোৰে সমাদৃত হোৱাৰ লগতে প্ৰকাশিতব্য আলোচনীখনৰ সৰ্বাংগসুন্দৰ ৰূপ আৰু প্ৰকাশৰ উদ্দেশ্য সফল তথা সাৰ্থক হোৱাৰ কামনা কৰিলো।

মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়া তথা ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰিলো।

(শৰৎ বৰকটকী)

# সদৌ অসম ছাত্ৰ সন্থা
## ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014


প্ৰসংগ ঃ দিনাংক ঃ ৩১/০৮/২০১৫



## শুভেচ্ছাবাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' ২০১৪-১৫ প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি আনন্দিত হৈছো। আশা ৰাখিছো প্ৰকাশ পাব লগা লিখনি সমূহে শৈক্ষিক সমস্যাৱলীৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষাগুৰু সকলোলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনালো।

(তপন কুমাৰ গগৈ)
উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা।

## সম্পাদকীয়.........................





*"মহা মহা পুৰুষৰ চানেকীয়ে জীৱনৰ*
*আমিও কৰিব পাৰো জীৱন গঢ়িত*
*অতিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে*
*থৈ যাব পাৰো খোজ সময়ৰ বালিত।"*

সময়ৰ বালিত খোজৰ চিন থৈ যাবলৈ আমিও কৰিব লাগিব কৰ্ম। কৰ্মই হৈছে মানুহৰ ধৰ্ম, ভাল কৰ্মৰাজিৰ বাবে মানুহে বিখ্যাত হ'ব পাৰিছে আমিও জানো নোৱাৰিম। ছাত্ৰ জীৱনেই হ'ল জীৱনৰ মূল ভেঁটি। আজিৰ ছাত্ৰ বা ছাত্ৰী গৰাকীয়েই হ'ল কাইলৈৰ দেশৰ ভৱিষ্যত।

আজিৰ নৱ প্ৰজন্ম সামুহিকভাৱে মানসিক উদ্বিগ্নতাৰ মহাৰোগী তাৰ মূল কাৰণটোৱেই হ'ল অধ্যয়ন। বৈদিক যুগত যেতিয়া শিক্ষা গ্ৰহণ হৈছিল মুখস্থ বিদ্যাৰ জৰিয়তে। আনহাতে বৰ্তমান সময়ত শিক্ষা গ্ৰহণৰ ব্যৱস্থা ডিজিটেলাইজেশ্যন হৈছে। বৰ্তমান সময়ত শিক্ষা গ্ৰহণ কৰিবলৈ অতি সুবিধা হৈছে ইন্টাৰনেটৰ যোগেদি। কোনো বিষয়ত অধিক তথ্য জানিবলৈ (Google) ত বিচাৰিলেই সম্পূৰ্ণ তথ্য পাব পৰা যায়।

সাহিত্য চৰ্চা এটা ভাল বিষয়। সাহিত্য চৰ্চাৰ বহুতো ভাল দিশ আছে। সাহিত্য চৰ্চাৰ যোগেদি মানুহে শব্দৰ ভাণ্ডাৰ বৃদ্ধি কৰাৰ উপৰিও লেখনিবোৰ সুন্দৰ আৰু সুশীল হয়। ইয়াৰ জৰিয়তে মনৰ সৃজনীশীলতা বৃদ্ধি হয়।

বৰ্তমান সময়ত যান্ত্ৰিকতাৰ যুগত আমাৰ ছাত্ৰ-ছাত্ৰীসকল যান্ত্ৰিকতাৰ সোঁতৰ কবলত পৰি উটি ভাঁহি যাবলৈ ধৰিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চা, নাট্য চৰ্চা, সংগীত চৰ্চা ইত্যাদিবোৰ কৰিবলৈ সময় নোহোৱা হৈছেগৈ। বতমান সময়ত যান্ত্ৰিক শিক্ষা ব্যৱস্থা হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে অন্যান্য

দিশবোৰত সময় দিবলৈ আহৰি নোহোৱা হৈছে। তদুপৰি মোবাইল, ইণ্টাৰনেট ব্যৱহাৰেও ছাত্ৰ-ছাত্ৰীসকলক এই দিশবোৰৰ পৰা আঁতৰ কৰি ৰাখিছে। বৰ্তমান সময়ত দেখা পোৱা যায় খুউব কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে কিতাপ পঢ়ে। মোবাইল, কম্পিউটাৰ, দূৰদৰ্শনে যিমানেই আমাক আনন্দ নিদিয়ক ই এখন কিতাপৰ পৰিপূৰক হ'ব নোৱাৰে। এক শক্তিশালী চাপমুক্ত সহজ মনৰ বিকাশৰ বাবে কিতাপৰ বাদে আন একো হ'ব নোৱাৰে। সেয়েহে "কিতাপ পঢ়াৰ পৰম্পৰা ৰক্ষাৰ্থে এই আলোচনীৰ জৰিয়তে ক্ষুদ্ৰ প্ৰয়াশ কৰিছো।"

বহুজন বন্ধু, দাদা-বাইদেউ অতি কম সময়তে একোটা ভাৱ উদ্বেগিককাৰী লেখা আমাৰ হাতত দিছে। স্থানাভাৱত সেই সকলো আমি সংকলনলৈ আনিব পৰা নাই। তাৰ বাবে সম্পাদনা সমিতি ক্ষমা প্ৰাৰ্থী।

মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰত্যয়' আৰু বাৰ্ষিক আলোচনী 'সোণালী'খনৰ প্ৰস্তুতৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা, ড° ৰাণা কোঁৱৰ, ৰীণা বৰঠাকুৰ, ড° অনীতা কোঁৱৰ বাইদেউ সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলো। আনহাতে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰস্তুতকৰণৰ প্ৰতিটো মুহূৰ্তত সহায় কৰা বন্ধু শিৱা তাচা, সমীৰণ গগৈ, মাধুৰ্য্য বৰগোহাঁই আৰু দেৱাশীষ গগৈলৈ মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ দিনৰে পৰা বৰ্তমানলৈকে সকলো ফালৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকল হৈছে— অভিনৱ লাহন, অভিনৱ কলিতা, কল্যাণ গগৈ, শচীন, জিতুল, ৰাকেশ, শিৱা, বিকী, সমীৰণ, লক্ষী, জ্যোতিৰেখা, নবীন, অচ্যুৎ নন্দন, সৌভৰজ্যোতি, পূজা বা, কাশ্মিৰী বা, ভবেন, চুমী বা, গণেশ, ৰুহিত, অভিজিৎ দা সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলো। অৱশেষত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো।

*ভৈৰৱ বৰগোহাঁই*
আলোচনী সম্পাদক
সোণালী-২০১৪-১৫

***Principal's Column -***

# Higher Education Scenario and NAAC

**Arpan Kr. Baruah**
**Principal, i/c**

Higher Education includes 18+ age group of students who studied both technical and non-technical and general degree institutions. The GER of such students is very low in countries like India in comparison to developed countries of the world. Government give more emphasis to increase the GER, now a days, but it is far behind from the desired aim. In 2015, there are about 768 Universities including all central, state, deemed and private universities in the country . In 2014 there were about 40,000 colleges, 10,48,925 teachers and 2,37,64,960 students in the country. Still GER i.e. entry rate in higher education was only 18%. So to increase the GER up to 30% by 2020 MHRD / UGC etc. give more importance to increase the number of higher education institutions in the country.

**Higher Education and NAAC :**

Though the number of higher education institutions have been increasing year after year, but quality education is not possible to meet the need of the changing world. So many youth with a certificate of higher education are unable to get absorbed in any job to earn their livelihood. To provide adequate quality of Higher Education the National Policy on Education 1986 and the Programme of Action 1992 suggested the establishment of an independent national accreditation agency. Consequently the National Assessment and Accreditation council (NAAC) was established 1994. It is an autonomous institution of University Grants commission. Upto 31st March,2014 NAAC accredited 5350 college, out of which about 1460 for cycle II and about 68 for cycle 3.

Accredited colleges are given some grade by NAAC which is known as Cumulative Grade Point Average (CGPA). The college with a CGPA of 3.01-4.00 is A grade or very good, CGPA of 2.01 - 3.00 is in B grade or good, CGPA of 1.51 - 2.00 is in C grade or satisfactory and below CGPA of 1.05 is in D grade or unsatisfactory or not accredited institutions. Accredited institutions with 2(f) or 12(b) or both under UGC regulation will be able to get financial aid from UGC for infrastructure development, opening of new courses etc. It also help to establish Internal Quality Assurance Cell (IQAC) to ensure that the quality attained is continued and sustained.

**Deficiencies of Higher education :**

" Inadequate infrastructural facilities
" Not up to date laboratory equipments and facilities
" Inadequate and inappropriate teachers
" Poor qualities of teaching and learning process
" Lack of skill based curricula in Higher Education

" Lack of entrepreneurship based curricula
" Lack of curricula on Human values
" No personality development aspect curricula
" Poor employability of graduates
" Delinking research standards.
" Unmotivated students.
" Overcrowded classroom
" Widespread geographic, income, gender and ethnic imbalances
" Inadequate and diminishing financial support for higher education from the government and from society.

So curriculum Planning should consider the following -

" Relevance to Indian Economy
" Faculty feedback on curriculum
" Students feedback on curriculum
" Employers' feedback on curriculum
" Skill base in the on curriculum and
" Entrepreneurship based development and

**Qualitative Academic Infrastructure :**

In the recent past, most Quality assurance agencies in the world consider quality of an institution from two standpoints: fitness for purpose and fitness of purpose. The fitness for purpose considers whether an institution is successfully achieving its own stated mission and objective. Fitness of purpose verifies the responsiveness of an institution to national socio-economic needs. This criterion is more difficult to assess, but the idea here is to see whether the institution has in place adequate mechanisms to respond to national requirements and that it is not functioning in a vacuum.

**Achievements of NAAC :**

Due to accreditation of higher educational institutions by an external review body under UGC's guidance witnessed the transformation of higher education in the country from elite to a mass system. Formerly education institutions are running in a traditional system of learning and they were not accountable. But, this accreditation process make the institutions accountable to the monitoring and accrediting bodies. It also improves Quality of learning process. Hundreds of seminars organized by the NAAC throughout the country have created awareness among the stakeholders on quality related issues.

The publication programme of the NAAC has ensured effective dissemination of information about assessment and accreditation.

To address the issue of Quality the ISO family of quality management systems standards is designed to help or organisations ensure that they meet the needs of customers and other stakeholders while meeting statutory and regulatory requirements related to a product. ISO 9000 deals with the fundaments of quality management systems including the eight management principles upon which the family of standards is based. ISO 9000 deals with the requirements that organisations wishing to meet the standard must fulfill.

The available human resource in the country should be so designed such that it can meet the needs of the changing world. Government must spend a lot of money to earn quality and excellence in higher education. But, The government both central and state reduce the education budget in last few years. There is a high gap between teacher-student ratio. Government give least importance to appoint permanent faculties in Higher education institutions. To get the desired result of higher education a complete change is necessary in management, research, teacher training, job opportunities to the youths etc.

# —ঃ সূচীপত্ৰ ঃ—

**প্ৰৱন্ধ ঃ**


- তিনিটা প্ৰশ্ন ✍ ড° ৰীতা দত্ত/ ১৩
- ইন্টাৰনেট-ফেচবুক বনাম অধ্যয়ন-সাহিত্য চৰ্চা ✍ শ্ৰী টঙ্কেশ্বৰ বৰুৱা/ ১৬
- হাইজেনবাৰ্গৰ দৃষ্টিত প্ৰকৃতি আৰু প্ৰকৃতি সম্পৰ্কীয় বৈজ্ঞানিক ধাৰণাৰ একত্ৰিকৰণ ✍ ড° ৰাণা কোঁৱৰ/১৮
- গোলকীয় উষ্ণতা বৃদ্ধি জীৱকুলৰ প্ৰতি ভাবুকি ✍ সুশীল কুমাৰ চুঁড়ী/ ২২
- ধ্বনি উপধ্বনি আৰু বৰ্ণ- এটি পৰিচয় ✍ ৰেখামণি গগৈ/ ২৪
- প্ৰেৰণাৰ উৎস ঃ মালালা ✍ পল্লৱী ফুকন/ ২৪
- পৰিৱৰ্তনশীল সমাজৰ দিশত এখোজ ✍ এনিশা শৰ্মা/ ২৮
- নাৰী জাতি সুৰক্ষিতনে? ✍ কবিতা গগৈ/ ৩০
- বিস্ময়কৰ বৃক্ষ বাখৰবেঙেনা ✍ বিতুমণী বুঢ়াগোহাঁই/ ৩১
- বৰ্তমান সমাজত নাৰীৰ অৱস্থিতি ✍ গীতামণি বৰুৱা/ ৩২
- অসমীয়া বিষয়ৰ প্ৰয়োজনীয়তা ✍ মলয়া গগৈ/ ৩৪
- সুখী জীৱনৰ উপকৰণ ✍ শচীন কুৰ্ম্মী/ ৩৫


**গল্প ঃ**


- ডেউকা ✍ বিজয়লক্ষী গগৈ/ ৩৭
- তুমি এক মিঠা সুৱাস ✍ ৰেখা মিলি/ ৪০
- মুখা ✍ বিতুপন বৰুৱা/ ৪২
- মৃধ্যা নামৰ ছোৱালীজনী ✍ মাধুৰ্য্যা গগৈ/ ৪৪
- প্ৰাপ্তি ✍ উপাসনা গগৈ/ ৪৬
- সময়ৰ অপেক্ষাত ✍ ৰিংকী বাউৰী/ ৪৭
- ক্ষুধা ✍ উষামণি নেওগ/ ৪৯
- মৰহা বকুলৰ সুৱাস বিচাৰি ✍ পূবালী কোঁৱৰ/ ৫১
- এপ্ৰিল ফুল ✍ প্ৰসেনজিৎ দাস/ ৫৩
- নিষ্ঠুৰ সময় ✍ নিকিতা চেতিয়া/ ৫৪
- জীৱনৰ ৰং আৰু প্ৰশ্ন ✍ কাজল গগৈ/ ৫৮
- হৃদয়ৰ স্বপ্নত আছুতীয়া কোণত ✍ জুপিতৰা/ ৬০
- সু-খবৰ ✍ দীপাংকৰ গগৈ/ ৬২
- মমতাৰ টুকুৰা জীয়া ঘা ✍ মৌচুমী দেউঘৰীয়া/ ৬৭
- নিশাৰ সপোন ✍ অঞ্জন বুঢ়াগোহাঁই/ ৬৯

কবিতা ঃ/ ৭৭-৯৬


- কবিতাৰ বাবেই জীয়াই আছোঁ ✍ কাজল গগৈ
- প্ৰেমৰ বিশ্বাস ✍ নমিতা থাপা
- সপোন ✍ জয়িতা চক্ৰবৰ্তী
- জীৱন ✍ জুপিতৰা বড়া
- তোমাতেই ✍ নৱজ্যোতি চেতিয়া
- অনুভৱৰ কবিতা ✍ দ্বীপশিখা গগৈ
- তুমি মোৰ চিৰসখী ✍ মনালিচা কোঁৱৰ
- টোপনিত চহৰখন ✍ অনিমা বৰগোহাঁই
- কন্যাৰ বিননি ✍ পল্লৱী নায়ক
- এয়েতো জীৱন ✍ মৌচুমী বৰুৱা
- ভালপোৱাৰ প্ৰতিবিম্ব ✍ অশ্বিনী গগৈ
- এটা নতুন দিনৰ ঠিকনা ✍ দিপল শইকীয়া
- মা ✍ মৌচুমী দেউঘৰীয়া
- কবিতা ✍ পল্লৱী ফুকন
- মোৰ সেই প্ৰিয় সখী ✍ পবিত্ৰ গগৈ
- পিয়ানুত ভাঁহি অহা বিষাদৰ সুৰ ✍ বনশ্ৰী গগৈ
- ৩০ অক্টোবৰৰ কলা দিনটো ✍ সোণমণি পেগু
- শূণ্যতা ✍ অভিনৱ কলিতা
- জীৱন ✍ এনিশা শৰ্মা
- ভাল লাগে ফাগুন আহিলে ✍ অমল হাতীমূৰীয়া
- তাই এই ৰাস্তাটোৰেদি ✍ নৱজিৎ চেতিয়া
- সোঁৱৰণি ✍ ৰশ্মি চাংমাই
- নদী হৈ বৈ যাম ✍ আৰতি কছাৰী
- সেউজীয়াৰ আক্ষেপ ✍ নীলিমা গগৈ
- শৰৎ ✍ লভিতা হাজৰিকা
- জীপাল অনুভূতি ✍ চিমি গগৈ
- বন্ধুলৈ অনুভৱ ✍ শান্ত চাংমাই
- মোৰ অনুভৱৰ উপদেশ ✍ প্ৰেৰণা শইকীয়া
- দুবৰিৰ দেহত মুকুতা ✍ প্ৰাঞ্জল নেওগ
- হৃদয় ✍ নিতু চাংমাই
- ব'হাগ আহিছে চোৱা ✍ কবিতা জৰাধৰা
- তোমালৈ বুলি ✍ দধি গগৈ
- তোমাৰ অবিহনে ✍ ঋতুপৰ্ণা লাহন


ভ্ৰমণ কাহিনী ঃ


- আন্দামানত চাৰিটা দিন ✍ ৰীণা বৰঠাকুৰ/ ৯৭


অনুভৱৰ শিতান ঃ


- মোৰ অনুভৱত সোণাৰি মহাবিদ্যালয় ✍ কেশৱী ভূঞা/ ৭১
- চিঠি - এক অবুজ শিহৰণ ✍ চয়নিকা বৰগোহাঁই/ ৭৩
- হোষ্টেলৰ এটা মিঠা অনুভৱ ✍ নিহাৰীকা গগৈ/ ৭৪
- জীৱন জীয়াই থকাৰ মন্ত্ৰ হওঁক ✍ পূজা দেৱ/ ৭৬


English Section :


- Waste & Nuclear Hazards as Environmental Pollutant ✍ Jyoti Prasad Phukon/ ১০১
- Needs of User Education in College Libraries : An Analysis ✍ Dr. Nijumoni Changmai/ ১০৪
- Application of Mathematics in Economics ✍ Manuranjan Konwar/ ১০৭
- A Portait of Mughal Painting in Medieval India ✍ Dolly Chutia/ ১০৯
- Development of Indian English Drama ✍ Nabajyoti Dutta/ ১১১
- Give Value to Relationship ✍ Jyotirakha Tanti/ ১১৪
- Problems are like Babies, The more you Nurse them, the Bigger they Grow ✍ Rinky Gogoi/ ১১৫
- Awareness begins at Home ✍ Sachin Rai/ ১১৬

সম্পাদকীয় প্ৰতিবেদন/ ১১৭-১৩৬






# তিনিটা প্ৰশ্ন

ড° ৰীতা দত্ত
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

প্ৰস্তাৱনা ঃ সময় 'পাখি লগা কাঁড়ৰ দৰে।' অবিৰাম ভাৱে গৈ থকাই যাৰ ধৰ্ম। সময় মানুহৰ অমূল্য ধন। এই ধন কোনো মূল্যৰ বিনিময়ত পাব নোৱাৰি। আজিৰ দিনটো আজিয়েই কালৰ বুকুত বিলীন হৈ যাব- তাক কালিলৈ কেতিয়াও বিচাৰি পোৱা নাযায়। কেৱল কৰ্মৰ দ্বাৰাহে এই সময়ক ধৰি থ'ব পৰা যায়। যেতিয়াৰ যিটো কাম তাক তেতিয়াই সম্পাদন কৰি তাৰ মূল্যেৰে আমি সময়ৰ মূল্য নিৰূপন কৰিব পাৰোঁ। যি সময়ত যি কাম কৰা হয়; সিয়ে হয় সময়ৰ মূল্য।

সময়ক মূল্য দিব নাজানিলে জীৱনত বিপৰ্যয় ঘটে, জীৱনলৈ ব্যৰ্থতা আহে। জীৱনক সফল কৰাৰ বাবে এজন ৰজাই তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰি কেনেকৈ উত্তৰ বিচাৰি পালে তাকেই টলষ্টয়ে নিম্নোক্ত কাহিনীটোৰ দ্বাৰা ক'ব বিচাৰিছে। শিক্ষাৰ্থী বা জ্ঞান পিপাসু পৰিশ্ৰমী লোকৰ বাবে টলষ্টয়ৰ এই সাধুটো আগবঢ়োৱা হ'ল।

বিষয়বস্তু ঃ

তিনিটা প্ৰশ্ন

'The Question' হৈছে এটি ইংৰাজী পাঠ। পাঠটিত এজন ৰজাৰ বিষয়ে কোৱা হৈছে- যিজনে তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰি ফুৰিছিল আৰু তেওঁ ভাবিছিল যে যদি তেওঁ এই তিনিটা প্ৰশ্নৰ উত্তৰ জানিব পাৰে তেতিয়া তেওঁ জীৱনত কেতিয়াও অসফল নহয়। তেওঁৰ প্ৰশ্ন কেইটা আছিল এনেধৰণৰ —

a) What is the right time to begin something?

b) Which people should be listen to?

c) What is the most important thing for him to do?

অৰ্থাৎ তেওঁ জানিব বিচাৰিছিল যে যিকোনো এটা কাম আৰম্ভ কৰাৰ সঠিক সময় কি, তেওঁ কাৰ কথা শুনা উচিত, তেওঁৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কাম কি?

ৰজাৰ এই তিনিটা প্ৰশ্ন সকলো শ্ৰেণীৰ মানুহে নিজেই নিজক এবাৰ হ'লেও কৰি চোৱা উচিত। বিশেষকৈ শিক্ষাৰ্থী বা কৰ্মী অথবা প্ৰশাসনৰ দায়িত্ব লোৱা লোকসকলৰ বাবে ই অতিশয় গুৰুত্বপূৰ্ণ। এই উত্তৰসমূহ যথাযথ ভাৱে অনুধাৱন নকৰাৰ বাবেই মানুহে জীৱনৰ যিকোনো ক্ষেত্ৰত সফলতা লাভ নকৰিব পাৰে।

ৰজাই সেয়ে ৰাজ্যত প্ৰশ্নসমূহ ঘোষণা কৰিলে আৰু শুদ্ধ উত্তৰ দিব পৰা জনলৈ শকত অংকৰ টকা তথা পুৰস্কাৰ দিব বুলি প্ৰতিজ্ঞা কৰিলে। ভিন ভিন জ্ঞানী লোকৰ উত্তৰবোৰো ভিন ভিন হোৱাত ৰজাৰ এটা উত্তৰো মনঃপুত নহ'ল। কোনোৰে ক'লে - ৰজাই এখন 'Time Table' প্ৰস্তুত কৰি ল'লে প্ৰথম প্ৰশ্নৰ উত্তৰ পাব। লগতে ৰুটিনখন কঠোৰ ভাৱে মানি চলি সঠিক সময়ত সঠিক কাম আৰম্ভ কৰিবলৈও পৰামৰ্শ যাচিলে। কোনোৰ মতে কাম কৰাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰাটো অসম্ভৱ। কোনোৰ মতে ৰজাই জ্ঞানী লোকৰ দ্বাৰা গঠিত এখন কাউন্সিলৰ সহায় লোৱা উচিত।

আন আন লোকৰ মতে কোনো কোনো কামৰ গুৰুত্ব কেতিয়াবা বেছি হৈ যায়। তেতিয়া কোনটো আগত কৰিব লাগিব তাৰ বাবে সিদ্ধান্তলৈ বাট চাব নোৱাৰি। এই সময়ত ভৱিষ্যতৰ কথাহে প্ৰথমে ভাবিব লাগিব। যাদুকৰৰ বাদে আন কোনেও এই কাম কৰিব নোৱাৰে। সেয়ে ৰজা যাদুকৰৰ ওচৰলৈ যোৱা উচিত।

দ্বিতীয় প্ৰশ্নৰ উত্তৰতো মানুহে ৰজাক হয় কাউন্সিল, নহয় সাধু, হয় চিকিৎসক নহয় সৈনিক- এই সকলোৰে কথা শুনা উচিত বুলি মন্তব্য কৰিলে।

তৃতীয় প্ৰশ্নৰ উত্তৰতো কোনোৱে বিজ্ঞান, কোনোৱে যুদ্ধ আৰু কোনোৱে ধৰ্মীয় অনুষ্ঠানৰ কাষ চাপিবলৈহে পৰামৰ্শ দিলে।

ৰজা একোতে সন্তুষ্ট নহ'ল আৰু কাকো পুৰস্কৃতও নকৰিলে।

ৰজাই এইবাৰ এজন নিঃসঙ্গ আৰু সৰল জীৱন যাপন কৰা লোক (HERMIT)ক লগ ধৰিবলৈ সিদ্ধান্ত ললে। তেওঁক লগ ধৰিবৰ বাবে ৰজাই নিজেও সাধাৰণ পোছাক পিন্ধি ল'লে আৰু তেওঁক লগ পোৱাৰ আগতেই তেওঁৰ ঘোঁৰা আৰু দেহৰক্ষীক এৰি দিলে। ৰজাই এইবাৰ সাধাৰণ মানুহৰ দৰেই হাৰমিটৰ ওচৰলৈ আগবাঢ়িল।

ৰজা যেতিয়া হাৰমিটৰ কাষ পাইছিল গৈ, তেওঁ কোৰেৰে একান্তমনে মাটি খান্দি আছিল। তেওঁ ৰজাক সম্ভাষণ জনালে আৰু মাটি খন্দাত ব্যস্ত হৈ থাকিল। তেওঁ এজন বুঢ়া আৰু দুৰ্বল লোক আছিল আৰু সেয়ে কাম কৰোতে ঘন ঘনকৈ উশাহ লৈ আছিল।

ৰজাই লাহেকৈ তেওঁ অহাৰ উদ্দেশ্য ব্যক্ত কৰিলে। প্ৰশ্নবোৰ শুনি হাৰমিটে একো নক'লে। ৰজাই হাৰমিটৰ কামটো নিজেই কৰিব বিচাৰিলে। কাৰণ বৃদ্ধজনে ফোপাইছিল, কিন্তু কাম কৰিয়েই আছিল। ধন্যবাদ সহকাৰে হাৰমিটে কোৰখন আগন্তুকলৈ আগবঢ়াই দি মাটিতে বহি পৰিল। দুচাৰমান মাৰিয়েই ৰজাই পুনৰ প্ৰশ্নকেইটা আগবঢ়ালে। তেতিয়া হাৰমিটে একো নক'লে আৰু কোৰখনৰ বাবে হাত আগবঢ়াই আগন্তুকক হে জিৰাবলৈ ক'লে। ৰজাই কিন্তু কোৰ মাৰি থাকিল।

বেলি মাৰ যাবৰ হ'ল। ৰজাই পুনৰ প্ৰশ্নৰ উত্তৰ বিচাৰিলে আৰু যদি উত্তৰ নাই - তেন্তে তেওঁ উভটি যাব বিচাৰিলে।

হঠাতে সেইফালে এজন মানুহ দৌৰি অহা হাৰমিটে প্ৰত্যক্ষ কৰিলে। মানুহজন আঘাতপ্ৰাপ্ত। লোকজনৰ পেটৰ পৰা ৰক্তক্ষৰণ হৈ আছিল। তেওঁ ৰজাৰ প্ৰায় ওচৰতে আহি ঢলি পৰিল। ৰজা আৰু হাৰমিটৰ দুয়োজনে মানুহজনৰ কাপোৰ-কানি সলাই দিলে। ৰজাই নিজৰ ৰুমালেৰে তেওঁক চাফা কৰি দিলে। কিন্তু তেজ নৰয়হে নৰয়, তেতিয়া ৰজাই পুনৰ বেণ্ডেজ বান্ধি দিলে। অৱশেষত ৰক্তক্ষৰণ বন্ধ হ'ল।

মানুহজনে পানী খাব বিচাৰিলে। ৰজাই নিজেই পৰিস্কাৰ পানী আনি তেওঁক খুৱাই দিলে। ইতিমধ্যে সূৰ্য ডুব গৈছিল আৰু চতুৰ্দিশ আন্ধাৰে আৱৰি ধৰিছিল। দুয়োজনে আঘাতপ্ৰাপ্ত লোকজনক কাষৰ জুপুৰীটোলৈ ডাঙি লৈ গ'ল আৰু বিচনাত শুৱাই দিলে। ৰজাই খোজকাঢ়ি আৰু কাম কৰি ভাগৰিছিল, গতিকে তেৰোঁ মজিয়াতে শুই পৰিল। যেতিয়া তেওঁ সাৰ পালে অলপ সময় তেওঁ ক'ত কেনেকৈ ৰাতিটো কটালে ভাবি থাকিল।

ৰজাই সাৰ পোৱাৰ পিছত আঘাত প্ৰাপ্ত লোকজনে দুৰ্বল কণ্ঠেৰে ৰজাক ক্ষমা বিচাৰিলে। ৰজাই ক'লে - "I do not know you and have nothing to forgive you for."

তেতিয়া লোকজনে ৰজাক ক'লে যে ৰজাই তেওঁক নেজানিব পাৰে, কিন্তু তেওঁ ৰজাক জানে। কাৰণ ৰজাই তেওঁৰ ককায়েকক হত্যা কৰিছিল আৰু সকলো সম্পত্তি বাজেয়াপ্ত কৰিছিল। গতিকে ৰজাক হত্যা কৰাৰ উদ্দেশ্যৰেহে তেওঁ আহিছিল। কিন্তু এইজন ৰজাৰ হাততেই তেওঁৰ প্ৰাণ ৰক্ষা পৰিল। গতিকে তেওঁ চিৰদিন ৰজাৰ বিশ্বাসী ভৃত্য হৈ থাকিব বিচাৰিলে আৰু সন্তানবোৰকো ভৃত্য হৈ থাকিবলৈ অনুৰোধ কৰাৰ ইচ্ছা ব্যক্ত কৰিলে। ৰজা বৰ সুখী হ'ল, তেওঁ অনায়াসে শত্ৰুকো জয় কৰিব পাৰিলে। ৰজাই তেওঁৰ ভৃত্য আৰু ব্যক্তিগত চিকিৎসকক তেওঁৰ শুশ্ৰূষাৰ বাবে প্ৰেৰণ কৰাৰ প্ৰস্তাৱো আগবঢ়ালে। লগতে ৰজাই সম্পত্তি ঘূৰাই দিব বুলিও প্ৰতিজ্ঞা কৰিলে।

ৰজা ঘূৰি যাবলৈ ওলাল আৰু যোৱাৰ আগতে হাৰমিটলৈ পুনৰ প্ৰশ্ন আগবঢ়ালে। হাৰমিটে কাম কৰি কৰিয়েই কৈ উঠিল 'You have already been answered' ৰজাই ইয়াৰ অৰ্থ বিচাৰিলে 'You mean?' হাৰমিটে ক'লে 'আপুনি দেখা নাইনে? কালি আপুনি মোক সহায় নকৰি উভতি যোৱা হ'লে শত্ৰুৱে আপোনাক মাৰিলেহেঁতেন আৰু মোৰ লগত আপোনাৰ থকাও নহ'লহেঁতেন। গতিকে digging কৰাটোৱেই আছিল সেই মুহূৰ্তত আপোনাৰ বাবে Important কাম। অন্যহাতে ময়েই আপোনাৰ অতি গুৰুত্বপূৰ্ণ মানুহ হ'লো আৰু মোক সহায় কৰাটোৱেই আপোনাৰ কাম হৈ পৰিল। পিছত যেতিয়া সেই মানুহজন আহিল তেতিয়া আপোনাৰ কাম হৈ পৰিল তেওঁক শুশ্ৰূষা কৰাটো, নহ'লে তেওঁ হয়তো নাবাচিলেহেঁতেন। আপোনাৰ ওপৰত তেওঁৰ ক্ষোভ থাকিয়েই গ'লহেঁতেন। সেয়ে তেৱেঁই তেতিয়া অতি প্ৰয়োজনীয় মানুহ হৈ পৰিল আপোনাৰ বাবে।

গতিকে 'Remember then there is only one time that is important and that time is now.' গতিকে সবাৰে বাবে 'বৰ্তমানেই হৈছে কাম কৰাৰ উপযুক্ত সময়।'

যাৰ লগতেই সময় কটোৱা যায় তেৱেঁই সেই মুহূৰ্তৰ বাবে প্ৰয়োজনীয় ব্যক্তি। কাৰণ কোনেও নেজানে ভৱিষ্যতে তেওঁৰ কি হ'ব বা পুনৰ তেওঁৰ সৈতে মুখামুখি হ'ব নে নহয়। সেই ব্যক্তিজনৰ ভালৰ বাবে কাম কৰাটোৱেই উপযুক্ত কাম। কাৰণ তেওঁক তেওঁৰ বাবেই পৃথিৱীলৈ পঠোৱা হৈছে।

টলষ্টয় (Leo Tolstoy)ৰ এই কাহিনীটোৰ পৰা জীৱনবোধৰ জ্ঞান লাভ কৰিব পাৰি।

<u>সামৰণি</u> ঃ


সময়ৰ অপব্যৱহাৰে জীৱনলৈ দুৰ্বিসহ বিপৰ্য্যয় নমাই আনিব পাৰে। ইংলিছ চেনেল আক্ৰমণ কৰাত পাঁচ মিনিট পলম হোৱাৰ বাবে নেপোলিয়নে ট্ৰাফালগাৰ যুদ্ধত পৰাজিত হৈছিল। কামত হেমাহি কৰা মেমায়েকক লাচিতে মাৰি নেপেলোৱা হ'লে ৰাতিৰ ভিতৰতে গড় সম্পূৰ্ণ হৈ নুঠিলহেঁতেন। ফলত মোগলৰ হাতত পৰাজিত হ'ব লগা হ'লহেঁতেন। সময়ৰ গুৰুত্ব বুজাবলৈ অসমীয়া ভাষাত বহুত প্ৰবাদ প্ৰবচন আছে। যেনে- 'শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে', 'বতৰ চাই কঠিয়া পাৰিব লাগে', 'চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি', 'সময়ৰ শৰ সময়ত নেমাৰিলে শৰ পহুৰ মাংস খাব নোৱাৰি' - ইত্যাদি।

ছাত্ৰ জীৱনৰ সময় অতি মূল্যৱান। কেৱল সময়মতে পঢ়া-শুনাই নহয়, আহাৰ-পানী খোৱা, সময়মতে শোৱা, পুৱা সোনকালে উঠা, দিনৰ পাঠ দিনে পঢ়া ইত্যাদি সু-অভ্যাস গঢ় দি সময়ক ধৰি ৰখাৰ কৌশল ছাত্ৰৱস্থাতেই আয়ত্ব কৰিব লাগে। এলাহ আৰু দীৰ্ঘসূত্ৰিতা জীৱনৰ অন্তৰায়। শেষত গণশিল্পী খগেন মহন্তৰ গীতেৰেই ক'ব খোজো —

'আজি তোমাৰ বোলে  
সময় নাই,  
কালি তোমাৰ বোলে  
সময় নাই  
সময় তোমাৰনো কাহানি হ'ব  
সময় যে নাই  
সময় যে নাই  
সময়চোন চাওঁতেই  
পাৰ হৈ যায়।

# ইণ্টাৰনেট-ফেচবুক বনাম অধ্যয়ন-সাহিত্য চৰ্চা

শ্ৰী টঙ্কেশ্বৰ বৰুৱা
সহযোগী অধ্যাপক, সোণাৰি মহাবিদ্যালয়



সাম্প্ৰতিক সময়ত আমাৰ সমাজখনৰ চাৰিওফালে শিক্ষিত যুৱ সমাজৰ মাজত কিছুমান ভয়ানক পৰিবৰ্তনে গা কৰি উঠা দেখা গৈছে। সমাজৰ এই চামটোৱে ভোগ-বিলাসৰ দৌৰত নিমজ্জিত হৈছে তাৰ ফলত উচ্ছৃংখলতাই সমাজ চানি ধৰিছে। যুৱ সমাজৰ এই উচ্ছৃংখলতাৰ প্ৰধান কাৰণ হৈছে বৰ্তমান যুগৰ আধুনিকতাবাদ। এই আধুনিকতাবাদৰ লগত জড়িত হৈ আছে ইণ্টাৰনেটৰ দৰে তথ্য প্ৰযুক্তি অথবা তাৰেই অংশ ফেচবুকৰ দৰে ছচিয়েল নেটৱৰ্কিং চাইট আদিৰ অত্যাধিক ব্যৱহাৰ। যাৰ ফলস্বৰূপে যুৱক-যুৱতীসকল অধ্যয়ন তথা সাহিত্য চৰ্চাৰ দৰে কৰ্মৰ পৰা আঁতৰি আহিব ধৰিছে। ইয়াৰ প্ৰভাৱত পৰি আজিৰ যুৱ সমাজৰ মাজত মানৱীয় প্ৰমূল্যবোধ, নৈতিকতা, সামাজিক দায়িত্ববোধ হেৰাই গৈছে। সমাজৰ অধিক সংখ্যক যুৱক-যুৱতীয়ে চুকাফা, শংকৰদেৱ, বিষ্ণুৰাভা, জ্যোতি প্ৰসাদ, লক্ষ্মীনাথ বেজবৰুৱাক চিনি নোপোৱা হৈছে। অন্যহাতেদি অপৰাধজনিত কাৰ্য, ৰাগিয়াল দ্ৰব্য সেৱনকে ধৰি নানা অপকৰ্মত নিমজ্জিত হৈ পৰিছে। বৰ্তমান সমাজত শিপাবলৈ ধৰা উগ্ৰবাদ তাৰেই পৰিণতি বুলিলেও অত্যুক্তি কৰা নিশ্চয় নহ'ব।

কিতাপ পঢ়া তথা সাহিত্য চৰ্চাই মানুহৰ জ্ঞানৰ ভঁৰাল চহকী কৰি তুলে আৰু জ্ঞান আলোকৰ বাট দেখুৱাই নতুনক সৃষ্টি কৰি তুলে য'ৰ পৰা মানুহে সৎ পন্থা ল'বলৈ বা সৎ পথত আগুৱাই যাবলৈ সক্ষম হয়। বিশ্বায়ন অথবা গোলকীকৰণৰ প্ৰভাৱত পৰি আজি সমাজখনে কিতাপৰ লগত সম্পৰ্ক হেৰুৱাই পেলাইছে, এয়ে হৈ গৈ থাকিলে গ্ৰন্থ অধ্যয়ন কৰা লোকৰ সংখ্যা কমি আহি থাকিব আৰু সমাজ সুশিক্ষাৰ পৰা আঁতৰি পৰিব। ফলস্বৰূপে উচ্ছৃংখলতা বৃদ্ধি পাব। পৰিণতিত সমাজখনেই সামাজিক দায়বদ্ধতা আৰু ভাৱসাম্যতা হেৰুৱাই পেলোৱাৰ উপক্ৰম হ'ব।

এনে প্ৰেক্ষাপটত নতুন প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰাটো জৰুৰী হৈ পৰিছে। এই ক্ষেত্ৰত নতুন প্ৰজন্মৰ প্ৰতি অভিভাৱকসকলৰ দায়বদ্ধতা আহি পৰিছে। অভিভাৱকসকলৰ মানসিকতাৰ যদি পৰিবৰ্তন নঘটে তেন্তে নতুন প্ৰজন্ম সৃষ্টিত সদায় হেঙাৰ থাকিব। যিহেতু প্ৰতিটো শিশুৰেই জীৱনৰ প্ৰথম পাঠ আৰম্ভ হয় নিজৰ ঘৰখনত। ঘৰখনৰ সকলো সংস্কাৰ আৰু পৰম্পৰা শিশুৱে নিজৰ জীৱনৰ বাবে গ্ৰহণ কৰে। কিতাপৰ লগত সম্পৰ্ক ৰখা এটা পৰিয়ালত জন্ম গ্ৰহণ কৰা শিশুৱে সহজে কিতাপক নিজৰ বন্ধু হিচাপে গ্ৰহণ কৰিবলৈ শিকে। সাধাৰণতে তেনে পৰিয়ালৰ শিশুৰ ভৱিষ্যত জীৱন সুস্থ ৰুচিবোধৰ হ'বলৈ বাধ্য হয়, এই ক্ষেত্ৰত সহায় কৰে কিতাপে।

আধুনিকতাবাদৰ লগত মিলি গৈ বহুতেই কিতাপৰ লগত সম্পৰ্ক নথকাটো ব্যস্ত জীৱনৰ পৰিচায়ক বুলি ভাবিবলৈ লৈছে। এনে পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী অত্যন্ত মেধাৱী হ'লেও কিতাপৰ লগত সম্পৰ্ক নৰখাৰ ফলত তেওঁলোকে জীৱনৰ প্ৰকৃত স্বাদ গ্ৰহণ কৰিব নোৱাৰে আৰু সমাজৰ পৰা অন্য দিশত ধাৱমান হয়।

এখন ঘৰৰ পাচতে এটা শিশুৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰে বিদ্যালয়ে। বিদ্যালয়তে শিশু এটাৰ আচল পথ নিৰূপিত হয়। বিদ্যালয়সমূহৰ গুৰুত্ব হ'ল শিশুসকলক ঘৰখনে দিব নোৱাৰা অথচ জীৱনৰ বাবে প্ৰয়োজনীয় পথসমূহৰ নিদেৰ্শনা ইয়াত দিব পাৰে, কাৰণ প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যন্ত একোগৰাকী ছাত্ৰ বা ছাত্ৰীৰে শিক্ষকৰ তত্বাৱধানতে জীৱন পৰিচালিত হয়। গতিকে শিক্ষকে কিতাপ পঢ়াৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তুলিব পাৰে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰভূত উন্নতিৰ দিনত বিভিন্ন দিশত চাকৰিৰ দুৱাৰ খোল খাইছে, যুৱ সমাজে সেইবোৰৰ প্ৰতি আকৰ্ষিত হৈছে অথবা সুবিধা লৈছে সঁচা কিন্তু একে সময়তে তেওঁলোক সাহিত্য চৰ্চাৰ প্ৰতি বিমুখ হৈ পৰা দেখা গৈছে। তেওঁলোকৰ মানসিকতাত ঠাই পাইছে যে নতুন মডেলৰ পেণ্ট-চোলা, গাড়ী বাইক, নানা তৰহৰ খোৱা বস্তুৱেহে জীৱন ধুনীয়া কৰে। আকৌ এটা চামে প্ৰকৃত ৰাজনীতিকৰ উৰ্দ্ধত গৈ সম্পত্তিৰ বিৰাট পাহাৰ গঢ়াত নিমজ্জিত হোৱাটো সম্প্ৰতি স্বাভাৱিক কথা যেন হৈ পৰিছে। এইটো ঠিক যে কিতাপৰ লগত সম্পৰ্ক নৰখা মানুহে আধুনিক কালত নিজৰ জীৱনটো দেশ আৰু জাতিৰ বাবে দৰকাৰী কৰি গঢ়ি তুলিব নোৱাৰে। গতিকে কেৱল ইণ্টাৰনেট ফেচবুকৰ ব্যৱহাৰৰ জৰিয়তে নহয় এইবোৰৰ সদব্যৱহাৰ কৰিও নিয়মিত গ্ৰন্থ অধ্যয়ন তথা সাহিত্য চৰ্চাৰ মাজেদিহে নতুন প্ৰজন্মৰ মাজৰ পৰা একোজন সু-নাগৰিক আৰু একোখন সুস্থ সমাজ গঢ়াটো সম্ভৱ।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

# হাইজেনবাৰ্গৰ দৃষ্টিত প্ৰকৃতি আৰু প্ৰকৃতি সম্পৰ্কীয় বৈজ্ঞানিক ধাৰণাৰ একত্ৰিকৰণ

ড° ৰাণা কোঁৱৰ
সোণাৰি মহাবিদ্যালয়

গেলিলিওৱে যেতিয়া ওপৰৰ পৰা বস্তু তললৈ সৰি পৰাৰ নিয়ম আৱিষ্কাৰ কৰিছিল আৰু যি সময়ত কেপ্‌লাৰে গ্ৰহসমূহৰ গতি অধ্যয়ন কৰিছিল, সেই সময়ত বিজ্ঞানসম্মত



নহ'লেও মানুহৰ প্ৰকৃতি সম্বন্ধে একক সামগ্ৰিক ধাৰণা এটা আছিল। তেতিয়াও জগতখনক পবিত্ৰ গ্ৰন্থসমূহৰ অতি প্ৰাকৃত বিশ্বাসেৰে ব্যাখ্যা কৰা হৈছিল। সেই সময়ত বিজ্ঞানীসকলে ভাবি লৈছিল যে প্ৰকৃতিত ভগৱানে সংঘটিত কৰা ক্ৰিয়া কৰ্মবোৰ চিনাক্ত কৰি সেইবোৰক বৈজ্ঞানীক উপায়েৰে অনুধাৱন কৰাটোৱেই তেওঁলোকৰ দায়িত্ব। গেলিলিও অথবা কেপ্‌লাৰ, এওঁলোকৰ এজনেও ধাৰণা কৰা নাছিল যে তেওঁলোকৰ আৱিষ্কাৰে কেতিয়াবা সেই সময়ৰ প্ৰচলিত ধৰ্মীয় ধ্যান-ধাৰণাসমূহৰ সৈতে মৌলিক সংঘাতৰ সন্মুখীন হ'ব। কাৰণ স্বয়ং কেপ্‌লাৰেও এইটো ভাবি লৈছিল যে পৃথিৱী সম্পৰ্কে আৱিষ্কাৰ কৰা তেওঁৰ তৃতীয় সূত্ৰটোও ভগৱানৰ সৃষ্টি কৰ্মৰ এক ফলশ্ৰুতিৰ ব্যতিৰেকে আন একো নহয়। কেপ্‌লাৰৰ ভাষাত— "I have endeavoured to gain for human reason, aided by geometrical calculation, an insight into his way of creation; may the creator of the heavens themesleves, the father of all reason, to whom our mortal senses own their existence, may he who is himself immortal... keep me in his grace and guard me from reporting anything about his work which cannot be justified before his magnificance or which may misguide our powers of reason, and may he cause us to aspire to the perfection of his works of creation by the dedication of our lives..." এনে গভীৰ বিশ্বাসেই প্ৰাচীন বৈজ্ঞানীক দৃষ্টিভংগীৰ ভেটি আছিল।

অৱশ্যে ইয়াৰ একমাত্ৰ কেইটামান দশকৰ পাছতেই বিজ্ঞানীসকলৰ বৈজ্ঞানিক ধাৰণাৰ মৌলিক পৰিৱৰ্তন ঘটিছিল আৰু প্ৰাকৃতিক পৰিঘটনাসমূহৰ গাণিতিক ব্যাখ্যা দিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছিল। ওঠৰ শতিকাৰ প্ৰাক্‌মুহূৰ্তৰ বিজ্ঞানী এজনে কেপ্‌লাৰৰ দৰে ভগৱানৰ সৃষ্টি ৰহস্য অনুধাৱন কৰি উন্মুক্ত হৈ পৰা পবিত্ৰ বেদী পূজাৰ অৰ্ঘ্যৰে সজাবলৈ বৈ থকা নাছিল। তেওঁ কোনো এক অজান মুলুকৰ সীমনাত থিয় হৈ সিপাৰৰ অসীম প্ৰান্তলৈ কৌতুহলী দৃষ্টি প্ৰসাৰিত কৰি দিছিল। এই পৰিৱৰ্তিত দৃষ্টি ভংগীৰ স্বৰূপ বেছি স্বচ্ছভাৱে প্ৰকাশ কৰিব পৰা যায় নিউটনৰ সেই বিখ্যাত উক্তিৰ পৰা — "I donot know what I may seem to the world. But as to myself I seem to have been only like a boy playing on the seashore and diverting myself in now and then finding a smoother pebble or prettier shell than ordinary, whilst the great ocean of truth lay all undiscovered before me."

বিৱৰ্তনৰ সেই সময়ছোৱা আছিল নতুন চেতনাবোধৰ এক গৌৰৱোজ্জ্বল অধ্যায়। সেই সময়ছোৱাতেই প্ৰকৃতিৰ বিভিন্ন প্ৰক্ৰিয়াৰ ওপৰত পৰীক্ষা চলিছিল; আৱিষ্কৃত নতুন নতুন নিয়মসমূহ গাণিতিক ভাষাৰে সংজ্ঞাবদ্ধ হৈছিল। অৱশ্যে ভৌতিক পৰীক্ষাৰ আওঁতাত পৰা অধিকাংশ প্ৰক্ৰিয়াক নিউটনীয় বল বিদ্যাৰ দ্বাৰা সাঙুৰিব পৰা হ'ল যদিও পোহৰ বিজ্ঞান, জীৱ-বিজ্ঞান আদি ইয়াৰ পৰিসৰৰ বাহিৰত ৰৈ গৈছিল। অৰ্থাৎ সকলো বৈজ্ঞানিক পদ্ধতি নিয়ন্ত্ৰণ কৰিবৰ বাবে এই বল বিজ্ঞান স্বয়ং সম্পূৰ্ণ নাছিল।

ইয়াৰ পৰৱৰ্তী শতিকাবোৰত কিন্তু এই দিশত যথেষ্ট সফলতা লাভ কৰিব পৰা হৈছিল। ১৮ শতিকাত ৰসায়ন বিজ্ঞানৰ ভেঁটি ৰচিত হোৱাৰ লগতে জীৱ বিজ্ঞানৰ প্ৰণালীবদ্ধ অধ্যয়ন সম্পন্ন হৈছিল। ১৯ শতিকাত হোৱা তাপ আৰু বিদ্যুৎ চুম্বকীয় জ্ঞানৰ প্ৰসাৰে বিজ্ঞানৰ সামগ্ৰিক অধ্যয়নৰ বিপৰীতে অধ্যয়নৰ বিশেষীকৰণৰ গুৰুত্ব বৃদিধ কৰিলে আৰু একোজন বিজ্ঞানীয়ে এক নিৰ্দিষ্ট বিষয়ৰ গৱেষণাত ব্ৰতী হ'বলৈ ধৰিলে। অৱশ্যে নিৰ্ভুল বা সঠিক বিজ্ঞান (Exact science)ৰ চূড়ান্ত লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত সাধাৰণ আৰু যথোপযুক্ত পন্থা হিচাপে নিউটনীয় বল বিজ্ঞান তেতিয়াও প্ৰাসংগিক হৈ আছিল। বিজ্ঞানীসকলৰ ধাৰণা আছিল যে তাত্ত্বিকভাৱে হ'লেও চলমান প্ৰকৃতিক প্ৰায় সকলো ক্ষেত্ৰতে ব্যাখ্যা কৰিব পৰা যায়। যুক্তি নিৰ্ভৰ সেই ধাৰণাক সংক্ষিপ্ত ভাৱে প্ৰকাশ কৰিবলৈ লাপ্‌লাচৰ কল্পিত চয়তানটোৰ উদাহৰণ লব পাৰি যাৰ হাতত পৃথিৱীৰ বৰ্তমান অৱস্থাৰ সকলো তথ্য মজুত আছে, যাৰ সহায়ত সি পৃথিৱীৰ ভৱিষ্যত ৰচনা কৰিব পাৰে। অৰ্থাৎ বিজ্ঞানীসকলৰ লক্ষ্য আছিল কেনেকৈ প্ৰকৃতিৰ সকলো নিয়মক সাঙুৰি বল-বিজ্ঞানৰ একেটা সৌধ নিৰ্মাণ কৰিব পৰা যায়। অৱশ্যে নিউটনীয় বল বিজ্ঞানে কেৱল সঠিক বিজ্ঞানৰ নীতিসমূহহে একত্ৰিত কৰিব পাৰিছিল।

ইতিমধ্যে বিজ্ঞানীসকলৰ মনত সজীৱ প্ৰকৃতি (living nature)ৰ ধ্যান ধাৰণাই ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ আগৰ ধাৰণা আছিল যে জৈৱিক প্ৰক্ৰিয়াসমূহ পদাৰ্থ বিজ্ঞানৰ নিয়মানুসৰি সংঘটিত নহয়। ৰসায়ন বিজ্ঞানীসকলেও বিশ্বাস কৰিছিল যে নিৰ্জীৱ প্ৰকৃতিৰ উপাদানসমূহ সংশ্লেষণ কৰিব পৰা যায় আৰু ইহঁতৰ গঠন জৈৱিক প্ৰক্ৰিয়াৰে সৃষ্টি হোৱা উপাদানৰ গঠনৰ পৰা সম্পূৰ্ণ পৃথক। বিজ্ঞানীসকলে জীৱিত জগতৰ প্ৰক্ৰিয়াৰ নিয়মসমূহ নিৰ্জীৱ জগতৰ প্ৰক্ৰিয়াৰ নিয়ম (যেনে জ্যোতি বিজ্ঞানৰ) সমূহৰ সৈতে সংযোগ ঘটাবলৈ প্ৰয়াস কৰিছিল। কিন্তু এই ৰমণ্যাসিক প্ৰয়াসে সঠিক বিজ্ঞানৰ পদ্ধতিগত নিশ্চয়তা আৰু স্বচ্ছতা প্ৰদান কৰিবলৈ সক্ষম হোৱা নাছিল।

ঊনবিংশ শতিকাৰ মাজ ভাগত Wohler নামৰ বিজ্ঞানী এগৰাকীয়ে অজৈৱ পদাৰ্থৰ পৰা জৈৱ পদাৰ্থ সংশ্লেষণ কৰাৰ পদ্ধতি আৱিষ্কাৰ কৰিলে। ইয়াৰ পৰা প্ৰতীয়মান হ'ল যে জীৱজগতৰ ৰাসায়নিক বিক্ৰিয়াসমূহ অজৈৱ পদাৰ্থৰ নীতি অনুসৰি সংঘটিত হয়। লগে লগে মৌলিক কণিকাৰ আন্তঃ ক্ৰিয়াসমূহ বিজ্ঞান চৰ্চাৰ ভেঁটি হৈ পৰিল। ইতিমধ্যে ডাৰউইনৰ 'অৰিজিন অব স্পেচিছ' নামৰ গ্ৰন্থই জীৱ বিজ্ঞানত আলোড়ন সৃষ্টি কৰাৰ লগতে উল্লিখিত আন্তঃক্ৰিয়াৰ কাৰ্য - কাৰণ বিশ্লেষণৰ গুৰুত্ব বৃদ্ধি কৰিলে। এনে মৌলিক ধ্যান ধাৰণাৰ জৰিয়তে ক্ৰমান্বয়ে বিভিন্ন বৈজ্ঞানিক দৃষ্টি ভংগীৰ সমন্বয় ঘটিবলৈ ধৰিলে।

সেই সময়ৰ এক সামগ্ৰিক ধাৰণা অনুযায়ী পাৰমাণৱিক পৰ্যায়ত হোৱা ক্ৰিয়া- প্ৰতিক্ৰিয়াৰ দ্বাৰা স্থান কাল সাপেক্ষে (Spatio-temporal) প্ৰকৃতিৰ পৰিৱৰ্তন ঘটে। এই ধাৰণাত স্থান আৰু কালক স্বতন্ত্ৰ বুলি বিবেচনা কৰা হৈছিল আৰু ইয়াত হোৱা পৰিঘটনাবোৰ আছিল সম্পূৰ্ণ নৈব্যক্তিক (objective)। প্ৰকৃতিৰ এনে আৰ্হিৰ ওপৰতেই নিউটনীয় বল বিজ্ঞানৰ ভেঁটি স্থাপন হৈছিল। কিন্তু এই আৰ্হিয়ে বিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ সম্পূৰ্ণ একত্ৰিকৰণ

কৰিব পৰা নাছিল। উদাহৰণস্বৰূপে পাৰ্থিৱ বস্তুৰ পৰ্যবেক্ষণত উদ্ভূত ৰাসায়নিক ধাৰণাসমূহৰ যান্ত্ৰিক ব্যাখ্যা নাছিল। জীৱ বিজ্ঞানীসকলেও জীৱৰ বৃদ্ধি, বংশগতি, বিপাক আদি প্ৰক্ৰিয়াবোৰক সুকীয়া দৃষ্টিকোণেৰে বিবেচনা কৰিছিল। প্ৰকৃতিৰ এই আৰ্হিয়ে মানসিক প্ৰক্ৰিয়াসমূহ সাঙুৰি থকা বাস্তৱতা (Reality)ৰ ধাৰণা দিবলৈ সক্ষম হোৱা নাছিল।

লাহে লাহে ঊনবিংশ শতিকাৰ একপক্ষীয় বৈজ্ঞানিক দৃষ্টিভংগীৰ ঠাই বিংশ শতিকাৰ নতুন চিন্তা চৰ্চাই অধিকাৰ কৰিলে। বিংশ শতিকাৰ মাজ ভাগৰ দুটা উল্লেখনীয় পৰিঘটনা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি —

(১) কোনো এটা বস্তুৰ ওপৰত প্ৰয়োগ কৰা তাপ বৃদ্ধি কৰিলে বস্তুটোৰ মৌলিক উপাদান কণিকাবোৰৰ গতি বৃদ্ধি পায়। অৰ্থাৎ তাপ শক্তি আৰু যান্ত্ৰিক শক্তিৰ মাজত এক নিকট সম্পৰ্ক আছে যাৰ দ্বাৰা দুয়োবিধকে একেটা ভৌতিক বাস্তৱতাৰ অভিব্যক্তি হিচাপে প্ৰকাশ কৰিব পৰা যায়।

(২) মেক্সৱেলৰ বিখ্যাত তত্ত্বই দেখুৱালে যে পোহৰ প্ৰকৃততে বিদ্যুত চুম্বকীয় তৰংগ। ইয়াৰ লগে লগে পোহৰ তত্ত্বই পদাৰ্থ বিজ্ঞানৰ সুকীয়া শাখা হিচাপে থকা স্বতন্ত্ৰতা হেৰুৱাই সাধাৰণ প্ৰযুক্তিৰ এটা অংশলৈ ৰূপান্তৰিত হৈ পৰিল। এনেধৰণৰ পৰিঘটনা আৰু ব্যাখ্যাই সেই সময়ৰ বৈজ্ঞানিক সমাজখনত পদাৰ্থ বিজ্ঞানৰ মৌলিক জগতখনৰ গুৰুত্ব বৃদ্ধি কৰিলে। পাৰমাণৱিক পদাৰ্থ বিজ্ঞানত আদিতে পদাৰ্থৰ সকলো আচৰণ আৰু ধৰ্মৰ কাৰণ ইয়াৰ ক্ষুদ্ৰতম উপাদান, পৰমাণুৰ চলন বুলি বিবেচনা কৰা হৈছিল। কিন্তু পদাৰ্থৰ স্থূল অৱস্থাত দৃশ্যমান হোৱা বৰণ, কঠিনতা, ধাৰণ ক্ষমতা আদি ধৰ্মবোৰ সূক্ষ্মতম পৰ্য্যায়ত অনুভূত নহয়; হোৱা হ'লে আমি একেটা পদাৰ্থকে কেইবাটাও প্ৰাৱস্থাত (যেনে পানীৰ বৰফ, পানী আৰু ভাপ) নেপালোহেঁতেন।

পৰমাণুৰ ধাৰণাৰ পাছতেই অণুৰ ধাৰণাই হ'ল ঊনবিংশ শতিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সফলতা। পৰমাণু লগ লাগি অণু গঠন হয় আৰু অণুৱেই হ'ল ৰাসায়নিক যৌগৰ আটাইতকৈ ক্ষুদ্ৰতম অংশ যাৰ ওপৰতে পদাৰ্থৰ ৰাসায়নিক ধৰ্ম নিৰ্ভৰ কৰে। গুৰুত্বপূৰ্ণ কথা হ'ল যে একে পদাৰ্থৰ ৰাসায়নিক ধৰ্মবোৰে বিভিন্ন প্ৰতিকূল পৰিৱেশতো নিজৰ স্থায়িত্ব বজাই ৰাখে। সোণক যি পদ্ধতিৰেই নিষ্কাশন নকৰক, ইয়াৰ ৰঙচুৱা বৰণৰ পৰিৱৰ্তন নহয়। বহিঃধৰ্মৰ এনে স্থায়িত্ব নিউটনীয় ব্যৱস্থাত সম্ভৱ নহয়। সূৰ্য্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰা কোনো গ্ৰহৰ কক্ষপথক কোনো ধুমকেতুৱে ক্ষণিকৰ বাবে হ'লেও স্পৰ্শ কৰি গ'লে সেই কক্ষপথ পুনৰ পূৰ্বৰ অৱস্থালৈ ঘূৰি যাব নোৱাৰে; অৰ্থাৎ তাৰ স্থায়ী পৰিৱৰ্তন ঘটে। এনে স্থায়িত্বক বল বিদ্যাৰ দ্বাৰা ব্যাখ্যা কৰিবৰ বাবে পৰমাণুৰ আচৰণ সম্বন্ধে কিছুমান অদ্ভুত পূৰ্ব্বানুমানৰ প্ৰয়োজন হৈছিল।

এনে অসুবিধা দূৰ কৰিবলৈ সক্ষম হৈছিল ১৯০০ চনত মেক্স' প্লাংকে আৱিষ্কাৰ কৰা কোৱাণ্টাম তত্বই। পৰমাণুৰ পৰা কিছুমান বিছিন্ন গোট হিচাপে শক্তি নিৰ্গত হোৱা ধাৰণাৰে গঢ় লৈ উঠা এই তত্ত্বৰ আধাৰতেই নীলচ্‌ব'ৰে পৰমাণুৰ গঠনৰ সঠিক ব্যাখ্যা দিবলৈ সক্ষম হ'ল। লগে লগে পদাৰ্থৰ সকলো ধৰণৰ ধৰ্ম নিৰ্ণয় কৰাৰ ক্ষেত্ৰত গাণিতিক জটিলতাই সৃষ্টি কৰা বাধা আঁতৰিল। কিন্তু ইয়াৰ বিপৰীতে বাস্তৱতা বা (Reality)ৰ সম্পৰ্কে থকা নিউটনীয় ধ্যান ধাৰণা এৰিব লগা হ'ল। ইয়াৰ কাৰণ হ'ল কোৱাণ্টাম জগতত পৰমাণু, ইলেক্ট্ৰন আদি ক্ষুদ্ৰ কণিকাবোৰৰ আচহুৱা আচৰণ। কোনো বহিঃকাৰকে ক্ৰিয়া নকৰালৈকে ইহঁতে কোনো ধৰ্মকে প্ৰদৰ্শন নকৰে। ইয়াৰোপৰি পৰমাণুৰ এটা ধৰ্ম নিৰ্ণয় কৰাৰ সময়ত অন্য এটা ধৰ্ম লোপ খাই যায়। ইয়াৰে কিছুমান ধৰ্ম যদি যান্ত্ৰিক হয় অন্য কিছুমান হয় ৰাসায়নিক; আৰু দুয়োবিধ ধৰ্ম পৰস্পৰ বৰ্হিভূৰ্ত (mutually exclusive)। কোৱাণ্টাম তত্ত্বৰ সহায়ত পৰমাণুৰ অযান্ত্ৰিক ধৰ্মসমূহৰ স্থায়িত্বৰ ব্যাখ্যাৰ লগতে ইহঁতৰ ওপৰত নিৰ্ভৰশীল স্থূল পদাৰ্থৰ সম্পৰ্কে জ্ঞান আহৰণ কৰাটো সম্ভৱ হৈ উঠিল। দেখা গ'ল যে এক বহিঃকাৰকৰ ক্ৰিয়াৰ জৰিয়তে পৰমাণু এটা পৰ্যবেক্ষণ কৰিব পৰা যায়; কিন্তু কেৱল পৰ্যবেক্ষণৰ ফলাফলে কিছু পৰিমাণেহে ইয়াৰ নৈৰ্ব্যক্তিক (Objective) স্বৰূপৰ আভাস দিয়ে।


পূৰ্বতে পদাৰ্থ বিজ্ঞানে আমাৰ বোধগম্য (বা অনুভূত) ঘটনাসমূহ ব্যুৎপাদিত বুলি ধৰি লৈছিল আৰু পাৰমাণৱিক পৰ্য্যায়ত ব্যাখ্যা দিয়াৰ চেষ্টা কৰিছিল। কিন্তু





পৰিমাণৱিক পৰ্যায়ত ঘটা ঘটনাসমূহ প্ৰায়েই ব্যক্তি সাপেক্ষে (Subjective) হয় আৰু এনে অৱস্থাত পদাৰ্থ বিদ্যাই ৰসায়নবিদ্যাৰ সমন্বয়ত একত্ৰিত বিজ্ঞানলৈ ৰূপান্তৰিত হয়। এই একত্ৰিকৰণৰ ফলত পাৰমাণৱিক পদাৰ্থবিজ্ঞানৰ দ্বাৰা ৰসায়নৰ মৌলিক প্ৰশ্নৰ সমাধান সম্ভৱ হৈ উঠিল। কিন্তু এই সমাধানত উদ্ভৱ হোৱা গাণিতিক জটিলতাৰ মাত্ৰাধিক্যৰ বাবে ৰসায়ন বিজ্ঞানৰ বিশেষ কিছু ক্ষেত্ৰতহে পাৰমাণৱিক পদাৰ্থ বিদ্যাৰ প্ৰয়োগ সীমিত হৈ থাকিল।

অন্যহাতেদি জীৱ বিজ্ঞানৰ ক্ষেত্ৰত বহুদিনলৈকে দুটা পৰস্পৰ বিপৰীত ধাৰা দেখা গৈছিল। প্ৰথম ধাৰা (Vitalism) মতে জৈৱিক প্ৰক্ৰিয়াসমূহ পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ নিয়মানুসৰি সংঘটিত নহয়। দ্বিতীয় ধাৰা (mechanistic)মতে যিহেতু পদাৰ্থৰ সকলো ধৰ্ম পদাৰ্থ বিদ্যা আৰু ৰসায়নবিদ্যাৰ দ্বাৰা নিৰ্ণয় কৰা হয়, সেয়ে জীৱ বিজ্ঞানৰ নিজস্ব নিয়ম থকা কথাটো ভিত্তিহীন। পাছৰ সময়ছোৱাত দেখা গ'ল যে জীৱৰ অৰ্ন্তভাগত হোৱা তাপ শক্তিৰ বিনিময়, স্নায়ুতন্ত্ৰত পৰা বৈদ্যুতিক প্ৰভাৱ, হৰমনৰ ৰাসায়নিক ক্ৰিয়া প্ৰতিক্ৰিয়া আদি জৈৱিক প্ৰক্ৰিয়াসমূহৰ ভৌত ৰাসায়নিক ব্যাখ্যা দিয়াটো সম্ভৱ। এই ব্যাখাসমূহ সুকীয়া সুকীয়া ভাবে দিব পৰা গ'লেও জীৱৰ বৈশিষ্ট্যপূৰ্ণ সামগ্ৰিক প্ৰক্ৰিয়াৰ ব্যাখ্যা দিয়াৰ ক্ষেত্ৰত অসম্পূৰ্ণতাই দেখা দিলে।



ধ্ৰুপদী পদাৰ্থবিদ্যা আৰু ৰাসায়নিক ধাৰণাৰ মাজতো এনে বিৰোধ দেখা গৈছিল। ৰাসায়নিক ধাৰণাৰে ব্যাখ্যা দিয়া কোনো বিশেষ অৱস্থাৰ ধ্ৰুপদী বল বিদ্যা সম্পৰ্কীয় ব্যাখ্যা নাছিল। ইয়াৰ কাৰণ হ'ল - পৰ্যবেক্ষণৰ সময়ত হোৱা পৰ্যবেক্ষিতৰ পূৰ্বৰ ধৰ্মৰ পৰিৱৰ্তন। এটা কোষ জীৱিত বুলি ক'বলৈ হ'লে কোষটোৰ ভৌতিক গঠন নিৰ্ণয় কৰা সকলো চৰ্ত জনাটো প্ৰয়োজন। কিন্তু ইয়াক জানিবৰ বাবে কৰা পৰ্যবেক্ষণত (যেনে X-rayৰ ব্যৱহাৰ আদি) কোষটো ধ্বংস হৈ যায়। কোৱাণ্টাম তত্ত্বৰ এই পদ্ধতিগত উদাহৰণৰ পৰা ক'ব পৰা যায় যে চেতনাযুক্ত প্ৰকৃতিৰ কোনো পৰিৱৰ্তন নঘটোৱাকৈ ভৌত ৰাসায়নিক প্ৰক্ৰিয়াবোৰ চলি থকাৰ ধাৰণা আৰু জীৱন বৃত্তৰ নিজস্ব নীতি থকাৰ ধাৰণাৰ মাজত কোনো যুক্তিনিষ্ঠ বৈপৰীত্য নাই। অৱশ্যে এই সিদ্ধান্ততো সমস্যাৰ স্থায়ী সমাধান পোৱা নগ'ল।

ইয়াৰ পাছৰ কেইবাটাও দশকত ওপৰৰ ধাৰণা দুটাৰ মাজৰ সীমাত থাকিব পৰা সমাধান সূত্ৰৰ অন্বেষণত গৱেষণা চলিল। জীৱ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ এনে সীমামূৰীয়া পৰিঘটনাসমূহ হ'ল জীৱৰ বৃদ্ধি, কোষ বিভাজন, ক্ৰ'মজম আৰু জিন সংখ্যা পৰিৱৰ্তন ইত্যাদি। জিনীয় গৱেষণাত দেখা গ'ল যে বিশেষ অৱস্থাত পাৰমাণৱিক পৰ্যায়ত হোৱা এটি সৰু পৰিঘটনাইও (যেনে ক্ৰম'জমত হোৱা ৰাসায়নিক সংযোগ) জীৱ একোটাৰ পৰৱৰ্তী বিকাশৰ আমূল পৰিৱৰ্তন ঘটাব পাৰে। এনেকুৱা ক্ষেত্ৰত জীৱৰ আচৰণৰ ওপৰত কোৱাণ্টাম তত্ত্বৰ পৰিসংখ্যিক নীতিসমূহৰ ব্যৱহাৰিক মূল্য যথেষ্ট।

যিয়েই নহওঁক বিংশ শতিকাৰ বিজ্ঞানৰ অগ্ৰগতিয়ে জীৱ বিদ্যা, পদাৰ্থ বিদ্যা আৰু ৰসায়ন বিদ্যাক বহু পৰিমাণে ওচৰ চপাই আনিলে। কিন্তু এই পদ্ধতিগত একত্ৰিকৰণক ধাৰণাৰ একত্ৰিকৰণ বুলি ক'ব পৰা নাযায়। কাৰণ সেই সময়ৰ ধ্ৰুপদী বলবিদ্যাই কোনো প্ৰাকৃতিক পৰিঘটনাৰ নৈৰ্ব্যক্তিক বাস্তৱতাকহে প্ৰকাশ কৰিছিল; পৰ্যবেক্ষকৰ মনোজগতৰ ক্ৰিয়া প্ৰতিক্ৰিয়াক সেই বাস্তৱতাৰ লগত জড়িত কৰিব পৰা নাছিল। কালক্ৰমত পৰ্য্যবেক্ষণৰ উন্নত পদ্ধতিৰ দ্বাৰা গঢ় লৈ উঠা মানুহৰ ধনাত্মক দৃষ্টিভংগীয়ে বিজ্ঞানৰ মৌলিক তত্ত্ব সমূহক সংশোধিত ৰূপত পুনৰ বিবেচনা কৰিবলৈ চেষ্টা কৰিলে। এনে প্ৰচেষ্টাত ভৌতিক জগতখনৰ বিপৰীতে অন্য এখন বিমূৰ্ত জগত উন্মোচিত হ'ল য'ত মানসিক প্ৰক্ৰিয়াই নৈৰ্ব্যক্তিক বাস্তৱতাক ব্যক্তি সাপেক্ষ বাস্তৱতালৈ ৰূপান্তৰিত কৰিলে।

# গোলকীয় উষ্ণতা বৃদ্ধি জীৱকুলৰ প্ৰতি ভাবুকি

সুশীল কুমাৰ চুঁড়ী
বুৰঞ্জী বিভাগ

সাম্প্ৰতিক সময়ত মানুহে সন্মুখীন হোৱা সমস্যাসমূহৰ ভিতৰত ভূমণ্ডলীয় উষ্ণতা বৃদ্ধি হৈছে আটাইতকৈ ডাঙৰ সমস্যা। বায়ুমণ্ডলত ক্ৰমান্বয়ে বাঢ়ি অহা গ্ৰীণ হাউছ গেছ অৰ্থাৎ কাৰ্বন-ডাই-অক্সাইড, অজন, মিথেন, নাইট্ৰাছ অক্সাইড আৰু ক্লৰ'ফ্লৰ কাৰ্বনৰ ভিৰ বেছি হৈ আহিছে। গ্ৰীণ হাউছ এফেক্ট হৈছে বায়ুমণ্ডলত সংঘটিত হোৱা এক স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া নথকা হ'লে পৃথিৱীখনৰ তাপমাত্ৰা জীৱৰ বাসপোযোগীৰ অনুকূল নহ'লহেঁতেন। গ্ৰীণ হাউছ গেছ বুলিলে সাধাৰণতে কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড আৰু ক্লৰ'ফ্লৰ কাৰ্বনক বুজা যায়। ফৰাচী পদাৰ্থ বিজ্ঞানী Jean Baptist Joseph Fourier ১৮২৭ চনত এই প্ৰাকৃতিক পৰিঘটনাৰ প্ৰথমে বৰ্ণনা কৰিছিল। তেওঁৰ মতে এই গ্ৰীণ হাউছ গেছৰ এটা আৱৰণে পৃথিৱীখনক এখন চাদৰৰ দৰে ডাঠ চামনিৰে ঢাকি ৰাখিছে। এই চামনিটো নথকা হ'লে পৃথিৱীখনৰ তাপমাত্ৰা বৰ্তমানতকৈ ৩১° চেলচিয়াচৰ কম হ'লহেঁতেন। এই গেছৰ পৰিমাণ শতকৰা হিচাপত কাৰ্বন-ডাই-অক্সাইড ৫৫ ভাগ, মিথেন ১৫ ভাগ, নাইট্ৰাছ অক্সাইড ৬ ভাগ আৰু ক্লৰ'ফ্লৰ কাৰ্বন ২৪ ভাগ। কাৰ্বন-ডাই-অক্সাইডৰ মূল উৎস হ'ল জীৱ জগতৰ শ্বাস-প্ৰশ্বাস, কয়লা আৰু পেট্ৰলিয়ামৰ দহন কাৰ্য, ক্ৰান্তিয় বলয়ত বনাঞ্চলৰ দহন আৰু আগ্নেগিৰিৰ উত্তপ্ত লাভা। ইয়াৰে উদ্ভিদ জগতে সালোক সংশ্লেষণ প্ৰক্ৰিয়াৰ যোগেদি ১৯৪ গিগাটন পৰিমাণৰ (এক গিগাটন হ'ল ১০০০ মিলিয়ন টন) বায়ু শোধন কৰে। প্ৰাকৃতিক ভাৱে উত্তপ্ত হোৱা দূষিত বায়ু সংশোধিত হয় কিন্তু কয়লা, পেট্ৰলিয়াম পদাৰ্থ, কৃষি কাৰ্যত ব্যৱহৃত সাৰ আৰু জৈৱ পদাৰ্থৰ দহনৰ পৰা নাইট্ৰাছ অক্সাইড, ৰেফ্ৰিজাৰেটৰ আৰু ফোমৰ পৰা অহা ক্ল'ৰফ্লৰ কাৰ্বনে যি মুঠতে ২৪ ভাগ বায়ু দূষিত কৰে সেয়া অসংশোধিত অৱস্থাত থাকি যায়। ফলস্বৰূপে বায়ুমণ্ডলৰ তাপ বাঢ়ে। বিজ্ঞানীসকলে মত প্ৰকাশ কৰিছে বৰ্তমানৰ দৰে তাপমাত্ৰা যদি বাঢ়ি থাকে তেতিয়া ২১০০ চনত প্ৰায় স্বাভাৱিক অৱস্থাৰ পৰা ১.৮ৰ পৰা ৪° চেলচিয়াচলৈকে তাপমাত্ৰা বাঢ়িব।



আনহাতে বিলাসী জীৱনত বিভোৰ মানুহে ৰেফ্ৰিজাৰেটৰ আৰু এৰ'চল চালিত চালন চক্ৰাদি উৰ্দ্ধমুখী ব্যৱহাৰ কৰাৰ ফলত বায়ুমণ্ডলৰ ওপৰত থকা ষ্ট্ৰেট'স্ফেয়াৰত ক্লৰ'ফ্লৰ' কাৰ্বনৰ মাত্ৰা ক্ৰমে বঢ়াইছে ফলত সৌৰ ৰশ্মি ভাঙি অ'জন স্তৰৰ ক্ষতি সাধন কৰিছে— সৃষ্টি হৈছে অ'জন গাঁতৰ। অ'জন স্তৰ ভাঙি গ'লে সূৰ্যৰ অৱলোহিত ৰশ্মি অ'জন গাঁতৰ মাজেদি পৃথিৱীৰ ওপৰত পৰে— যাৰ বাবে পৃথিৱীৰ উষ্ণতা দ্ৰুতগতিত বাঢ়িছে। লগতে এই ৰশ্মিয়ে সামুদ্ৰিক উদ্ভিদ উৎপাদনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বহু সামুদ্ৰিক জীৱৰ মৃত্যু ঘটিছে, এক সমীক্ষা মতে প্ৰতি কুৰি মিনিটৰ ভিতৰত একোটাকৈ জীৱ প্ৰজাতিৰ মৃত্যু ঘটিছে।

গোলকীয় উষ্ণতা আৰু জলবায়ু পৰিবৰ্তনৰ ফলত অনাগত দিনত কৃষিকাৰ্য আৰু বিশুদ্ধ খোৱা পানীৰ ক্ষেত্ৰত গুৰুত্বৰ প্ৰভাৱ পেলাব বুলি বিজ্ঞানীসকলে ধাৰণা কৰিছে। জলবায়ু পৰিবৰ্তনৰ ফলত ভাৰতকে আদি কৰি দেশবোৰত ঘেঁহু, ধান আৰু মাহ জাতীয় শস্যৰ উৎপাদন নিম্নগামী কৰিব যাৰ ফলত শস্য উৎপাদনত স্বাৱলম্বী দেশবোৰত আকালে দেখি দিব, খাদ্য অভাৱৰ বাবে বিভিন্ন ধৰণৰ আৰ্থ-ৰাজনৈতিক সমস্যাৰ সৃষ্টি হ'ব।

আনহাতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বৰফবোৰ গলিব, হিমালয়ৰ দৰে বৰফৰ গ্লেচিয়াৰবোৰ গলিলে ভূ-গৰ্ভৰ মাটিৰ পৰিমাণ কমি যাব- ধাৰণা কৰা হৈছে ২০২০ চনত আফ্ৰিকাতে (উদাহৰণ স্বৰূপে) ৭৫ৰ পৰা ২৫০ মিলিয়ন মানুহ স্থানান্তৰিত হ'ব। সাগৰৰ পৃষ্ঠভূমি বাঢ়িলে সাগৰীয় তীৰৱৰ্তী ঠাইত বসবাস কৰা লোকসকল প্ৰভাৱিত হ'ব, এচিয়া মহাদেশৰ ঢাকা, কলিকতা, চাঙ্‌হাই আদি জনবসতিপূৰ্ণ চহৰবোৰ সামুদ্ৰিক বানপানীত বাধাগ্ৰস্ত হ'ব আৰু আন্তগাঁঠনিৰ পতন ঘটিব। তাৰোপৰি ভাৰত বাংলাদেশৰ মাজত অৱস্থিত সুন্দৰবন বনাঞ্চল যি ৰয়েল বেংগল টাইগাৰৰ বাবে বিখ্যাত সেয়া ডুব যাব আৰু লগে লগে জৈৱ বৈচিত্ৰতাৰে পৰিপূৰ্ণ এটা অঞ্চল পৃথিৱীৰ মানচিত্ৰৰ পৰা নাইকিয়া হ'ব। আনকি ইয়াৰ মুঠ ১০২টা দ্বীপৰ ভিতৰত ইতিমধ্যে দুটা ডুব গৈছে। বৰফ গলাৰ ফলত পৃথিৱীৰ সিংহভাগ নদীৰ পানী উৎস নাইকিয়া হৈ তৰাং হৈ পৰিব ফলত জীৱকুলৰ বিশুদ্ধ খোৱাপানীৰ অভাৱ ঘটিব। গোলকীয় উষ্ণতাৰ ফলত বৰষুণ আৰু জলবায়ুৰ ব্যাপক খেলিমেলিৰ সৃষ্টি কৰিব ফলত বানপানী, খৰাং, দুৰ্ভিক্ষ, লুৰ বতাহ-ধুমুহা, হাৰিকেন, টৰনেডু আদি বিধবংসী দুৰ্যোগবোৰ সঘনাই ঘটিব। তাৰোপৰি সমগ্ৰ পৃথিৱীত ভৌতিক (Physical) আৰু জৈৱ বৈচিত্ৰতাৰ প্ৰভাৱ পৰিব, উভচৰ প্ৰাণীবোৰৰ দ্ৰুত পতন ঘটিব- বিজ্ঞানীসকলে মত প্ৰকাশ কৰিছে যে অহা ২০৫০ চনৰ ভিতৰত চাৰি ভাগৰ এক অংশ জীৱ আৰু উদ্ভিদৰ পতন ঘটিব।

গোলকীয় উষ্ণতা নিয়ন্ত্ৰণ কৰিবলৈ দেশসমূহৰ মাজত IPCC (Inter Govermental Panal on Climate Change) নামৰ এটা সংস্থাৰ জন্ম হৈছে। এই সংস্থাৰ প্ৰধান ৰাজেন্দ্ৰ কুমাৰ পাচৌৰিক এই বিষয়টিৰ ওপৰত বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰি জনচেতনতা বৃদ্ধিত সহায় কৰা কাৰণে ২০০৭ চনৰ শান্তিৰ ন'বেল বঁটা আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি এল গ'ৰৰ লগত যুটীয়াভাৱে দিয়া হৈছে— এই সংস্থাই স্পষ্ট ভাবে কৈছে যে- গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণে মানুহেই প্ৰধানকৈ জগৰীয়া। লাভ সৰ্বস্ব অৰ্থনীতিৰ বাবেই পৰিবেশৰ দ্ৰুত অবনতি ঘটিছে - নিতৌ মানুহে বনাঞ্চল ধ্বংস কৰিছে, উন্নয়নৰ নামত মানুহে 'নিজ হাতৰ কুঠাৰ ভৰিত মাৰিছে'- সেয়ে পৃথিৱীখন বচাবলৈ মানুহ মাত্ৰেই সমান দায়িত্ব ল'ব লাগিব- চাহ বাগিচাত আৰু গাঁওত বসবাস কৰা সকলো লোকেই গোলকীয় উষ্ণতাৰ প্ৰতি সচেতন হ'ব লাগিব। প্ৰদূষণ হ'ব পৰা যিকোনো কামৰ পৰা আঁতৰি থাকিব লাগিব। বনাঞ্চলৰ গছ-গছনি কটাৰ পৰা বিৰত থাকিব লাগিব। ৰন্ধন প্ৰকৰণত কম খৰি পুৰিব লাগে আৰু প্ৰেচাৰ কুকাৰ ব্যৱহাৰ কৰিব লাগে। কয়লা আৰু পেট্ৰলিয়াম পদাৰ্থ দহনৰ পৰা পৰাপক্ষত বিৰত থাকিব লাগে আৰু বাগিচাৰ পতিত মাটিবোৰত প্ৰচুৰ পৰিমাণে গছ-গছনি ৰুব লাগে। অযথা বিদ্যুৎ শক্তিৰ ক্ষয়ৰ পৰা আঁতৰি থাকিব লাগে। কাৰণ বিদ্যুৎ উৎপাদনত যথেষ্ট তাপ বিকিৰিত হয়। LED বাল্ব ব্যৱহাৰ কৰিব লাগে, সৌৰশক্তি চালিত প্ৰকৰণ ব্যৱহাৰ কৰিব লাগে। যাতে কাৰ্বন নিৰ্গমন বন্ধ কৰিব পাৰি। মানৱ সভ্যতা ৰক্ষা কৰিবলৈ প্ৰথমে আমি পৃথিৱীখন ৰক্ষা কৰিব লাগিব সেয়ে আহক আমি সংকল্পবদ্ধ হওঁ আমাৰ অতি মৰমৰ সেউজীয়া পৃথিৱীখন ভৱিষ্যত প্ৰজন্মৰ বাবে সুৰক্ষিত কৰোঁ।

# ধ্বনি উপধ্বনি আৰু বৰ্ণ - এটি পৰিচয়

ৰেখামণি গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

বাক্ শক্তিৰ অধিকাৰী মানুহে মনৰ ভাৱ প্ৰকাশ কৰে ভাষাৰ জৰিয়তে। এই ভাষাৰ ক্ষুদ্ৰতম একক হ'ল ধ্বনি। সাধাৰণতে 'ধ্বনি' শব্দটো ইংৰাজী 'Sound' শব্দৰ সমাৰ্থক ৰূপ যদিও ভাষাৰ ব্যৱহৃত ধ্বনি কেৱল Sound নহয়, বৰঞ্চ মানুহৰ বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত নিম্নতম শ্ৰুয়মান এককটোৱেই ধ্বনি।

ধ্বনি উচ্চাৰণৰ বাবে প্ৰয়োজন হোৱা সমগ্ৰ অঙ্গ-প্ৰত্যঙ্গক একেলগে বাগিন্দ্ৰিয় বা বাগ্‌যন্ত্ৰ বুলি কোৱা হয়। অৰ্থাৎ ধ্বনি উচ্চাৰণ যন্ত্ৰটোৰ নাম বাগ্‌যন্ত্ৰ বা বাগিন্দ্ৰিয়। যেনে - ওঁঠ দুটা, দাঁত দুপাৰি, জিভাখন, উপজিভা, ঘটিকা, স্বৰতন্ত্ৰী, খাদ্যনলী, গলকোষ, নাসিকাবিবৰ তালুকা। এই বাগিন্দ্ৰিয়ৰ অন্তৰ্গত কিছুমান অংগক আমি নিজ ইচ্ছা অনুসৰি সঞ্চালন কৰিব পাৰো আৰু কিছুমান সঞ্চালন কৰিব নোৱাৰোঁ। এই সঞ্চালন কৰিব পৰা অংগবোৰক উচ্চাৰণকৰণ (Articulation) বোলে। যেনে - ওঁঠ দুটা (বিশেষকৈ তলৰ ওঁঠ), জিভাখন। আনহাতে যিবোৰ অংগক ইচ্ছানুসৰি সঞ্চালন কৰিব নোৱাৰো সেই অংগবোৰক উচ্চাৰণৰ স্থান (Point of Articulation) বোলা হয়। যেনে- তালুকা, দাঁত ইত্যাদি।

মানুহে কথা-বতৰা পাতোতে বাগিন্দ্ৰিয়ৰ সহায়ত অলেখ ধ্বনি উচ্চাৰণ কৰে। এই ধ্বনি সৃষ্টিৰ বাবে প্ৰয়োজন হোৱা বায়ুপ্ৰবাহ কেতিয়াবা হাওঁফাওঁৰ পৰা বাহিৰলৈক ওলাই আহি মুখবিবৰৰ বিভিন্ন ঠাইত স্পৰ্শ কৰি কিছুমান নাদৰ সৃষ্টি কৰে। আকৌ কেতিয়াবা কেৱল জিভাৰ তিনিটা অংশতহে সামান্য ঘঁহনি খাই কিছুমান নাদৰ উৎপন্ন হয়। গতিকে বায়ুপ্ৰবাহৰ এই গতি পথৰ ওপৰত ভিত্তি কৰি সমগ্ৰ ধ্বনি সম্ভাৰক দুভাগত ভাগ কৰিব পাৰি।

১) অৰ্ন্তগামী ধ্বনি (Implosive phone) আৰু (২) বৰ্হিগামী ধ্বনি (Explosive phone) মানুহে গ্ৰহণ কৰা বায়ু প্ৰবাহৰ গতি পথৰ ওপৰত ভিত্তি কৰি অৰ্থাৎ উশাহত শুহি লোৱা বায়ু প্ৰবাহে মুখ বিবৰৰ বিভিন্ন ঠাইত স্পৰ্শ কৰিলে যিবোৰ ধ্বনি উৎপন্ন হ'ব, তেনে ধ্বনিক অৰ্ন্তগামী ধ্বনি আৰু নিশাহত এৰি দিয়া বায়ুপ্ৰবাহে মুখবিবৰৰ বিভিন্ন ঠাইত স্পৰ্শ যি নাদৰ সৃষ্টি কৰিব সেয়া বৰ্হিগামী ধ্বনিৰ অন্তৰ্গত। উল্লেখযোগ্য যে অসমীয়া ভাষাত কেৱল বৰ্হিগামী ধ্বনিহে আছে। বৰ্হিগামী ধ্বনিক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে- (১) স্বৰধ্বনি আৰু (২) ব্যঞ্জনধ্বনি।

বাগ্‌ধ্বনিৰ নিজা অৰ্থ নাই। কেৱল শ্ৰুতিগোচৰহে হয়। সুৰ প্ৰয়োগৰ ফলত হে বাগ্‌ধ্বনিৰ অৰ্থ নিৰ্গত হয়। যেনে - 'ই'। প্ৰথম অৱস্থাত ই এটা বাগ্‌ধ্বনি। কিন্তু এই বাগ্‌ধ্বনিটোত সুৰলহৰৰ প্ৰয়োগেৰে অৰ্থ আৰোপ কৰিব পৰা যায়। এনেদৰে মানুহে উচ্চাৰিত বাগ্‌ধ্বনিৰ সহায়ত মনৰ ভাৱ ইজনে সিজনলৈ ব্যক্ত কৰে। গতিকে ভাৱক ধ্বনিলৈ ৰূপান্তৰ কৰা প্ৰক্ৰিয়াক বানীবদ্ধকৰণ (encoding) আৰু ধ্বনিক ভাৱলৈ ৰূপান্তৰ কৰা প্ৰক্ৰিয়াক ৰোৱা হয় বানী উদ্ধাকৰণ (decoding) অৰ্থাৎ দুজন ব্যক্তিৰ মাজত পৰস্পৰ ভাৱ সম্প্ৰসাৰণ কৰিবলৈ হ'লে বক্তাৰ মনত উদয় হোৱা মনৰ ভাৱ ধ্বনিৰ জৰিয়তে বাণীবদ্ধ কৰিব লাগিব তাৰ পাছত সেই ধ্বনি শ্ৰোতাৰ কাণত পৰাৰ লগে লগে প্ৰতিক্ৰিয়াৰ দ্বাৰাই মানুহৰ মনৰ ভাৱ প্ৰকাশিত হয়, আৰু যাক কোৱা হয় ভাষা। ধ্বনি কেৱল শ্ৰুতি গোচৰহে হয়। সেয়ে এই ধ্বনিক দৃষ্টিগোচৰ কৰিবৰ বাবে যি চিন ব্যৱহাৰ কৰা হয়, সেয়াই বৰ্ণ বা আখৰ। বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত সকলোবোৰ বাগ্‌ধ্বনিক বৰ্ণৰ মৰ্য্যদা দিয়া নহয়। প্ৰত্যেক ভাষাৰ বৰ্ণৰ সংখ্যা সেই ভাষাত উচ্চাৰিত ধ্বনিৰ সংখ্যাতকৈ কম। উদাহৰণস্বৰূপে, আমাৰ অসমীয়া ভাষাত ১১টা স্বৰবৰ্ণৰ বা আখৰৰ তুলনাত বিশিষ্ট স্বৰধ্বনি ৮ টা। সেইকেইটা হ'ল - অ', অ', আ, ই, উ, এ, ঐ, ও। ইয়াৰ দ্বাৰা এটা কথা প্ৰমাণিত হ'ল যে ধ্বনিবোৰৰ পৰা বিশিষ্ট ধ্বনি নিৰ্বাচন কৰাৰ উপায় কি? এক কথাত বিশিষ্ট ধ্বনিক বৰ্ণ বুলিও কোৱা হয়। আচলতে বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰণত সকলোবোৰ ধ্বনি বক্তা আৰু শ্ৰোতাৰ কাণত বাজি নুঠে। আনহাতে আকৌ কিছুমান ধ্বনি উচ্চাৰণত বক্তা আৰু শ্ৰোতা উভয়ে সজাগ হয়। এতেকে ভাষাত উচ্চাৰিত ধ্বনিবোৰৰ একক গোটেই হ'ল বৰ্ণ বা বিশিষ্ট ধ্বনি (phoneme)। উদাহৰণস্বৰূপে, কুশ, শব্দ, শ্লীল - এই তিনিটা শব্দত ব্যৱহৃত 'শ' ধ্বনিটো উচ্চাৰণ কৰোঁতে তিনিওটা শব্দত ব্যৱহৃত 'শ' তিনিটা। যদিও আমি 'শ' এটা ধ্বনি বুলিয়েই কৈছোঁ। গতিকে শব্দ, কুশ, শ্লীল, ৰ 'শ' টো একেটা ধ্বনি বুলি ভবাৰ মূলতে হ'ল এই ধ্বনি তিনিটাৰ প্ৰকৃতিগত লক্ষণ। আনহাতে তিনিওটা উচ্চাৰণৰ যি ভিন্নতা আমাৰ কাণত পৰিছে সেয়া প্ৰায়োগিক ক্ষেত্ৰত কথা। 'শব্দ' ৰ শ আদিস্থান, 'কুশ' ৰ শ টো শেষ স্থান আৰু 'শ্লীল' ৰ শ লগত যুক্তৰূপত ব্যৱহৃত হৈছে। গতিকে এই তিনিওটা 'শ' আচলতে এটা মূল 'শ' ধ্বনিৰে উচ্চাৰণ বৈচিত্ৰ্য। সেয়ে 'শ' ধ্বনিটোক কোৱা হয় বিশিষ্ট ধ্বনি বা বৰ্ণ (phoneme)।

গতিকে বৰ্ণ হৈছে কিছুমান সদৃশ ধ্বনিৰ একোটা গোট। বৰ্ণটো যিবোৰ সৃশ ধ্বনিৰ দ্বাৰা গঠিত হৈছে সেই ধ্বনিবোৰকেই কোৱা হয় উপধ্বনি (Allophone)। বৰ্ণত অৰ্ন্তনিহিত হৈ থকা উপ-ধ্বনিবোৰ কিছুমান বিশেষ পৰিৱেশত ব্যৱহাৰ হয় আৰু বক্তা আৰু শ্ৰোতাৰ কাণত অবিশিষ্ট ধ্বনিবোৰ বাজি নুঠে। এটা ধ্বনিয়েও এটা বৰ্ণ হ'ব পাৰে বা তাতোকৈ অধিক ধ্বনি লগ লাগিও একোটা বৰ্ণ হ'ব পাৰে। সেইবাবে বৰ্ণক ধ্বনিৰ পৰিয়াল 'family of sound' বুলিও কোৱা হয়। অসমীয়া ভাষাত 'ভাল' আৰু 'লাভ' শব্দ দুটাৰ ভ আদি স্থানত আৰু পদান্তত পোৱা গৈছে। এতেকে 'ভ' আৰু 'ভ' ধ্বনি দুটা লগ লগাই এটা বৰ্ণগোট কৰা হয়। আৰু এই বৰ্ণগোটৰ অন্তৰ্গত ভ আৰু ভ প্ৰত্যেকেই একোটাহঁত উপধ্বনি।

শেষত ক'ব পাৰি যে, ধ্বনি, বৰ্ণ, উপধ্বনি প্ৰত্যেকেই ভাষাৰ উপাদান। আৰু প্ৰত্যেকটো উপাদানৰ লগত পৰস্পৰে পৰস্পৰৰ সম্পৰ্ক আছে। গতিকে ভাষাৰ গঠন সম্পৰ্কে পুঙ্খানুপুঙ্খ অধ্যয়ন কৰিবলৈ হ'লে এই উপাদানবোৰৰ বিষয়ে জ্ঞাত হ'ব লাগিব।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

# প্ৰেৰণাৰ উৎস ঃ মালালা

পল্লৱী ফুকন
প্ৰথম বৰ্ষ

মালালা ইউচুফজাই। এগৰাকী ১৭ বছৰীয়া কিশোৰী। যাৰ হাতত সঁপি দিয়া হ'ল দেশৰ শান্তি বৰ্তাই ৰখাৰ গুৰু দায়িত্ব। পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ অসামৰিক সন্মান বুলি বিবেচিত নবেল বঁটা লাভ কৰিবলৈ সক্ষম হ'ল এই গৰাকী কিশোৰীয়ে। বিশ্বৰ কনিষ্ঠতম নবেল বঁটা বিজয়ীৰ অভিলেখো ৰচিলে মালালাই।

মালালাৰ জন্ম হৈছিল ১৯৯৭ চনৰ ১২ জুলাই তাৰিখে পাকিস্তানৰ উত্তৰ খাইবাৰ পখটুনখাৱাৰ শ্বাট জিলাত এটি চুন্নী মুছলমান পৰিয়ালত। তেওঁৰ পৰিয়ালত মাক-দেউতাক আৰু দুই ভায়েক। পিতৃৰ নাম জিয়াউদ্দিন আৰু মাতৃ টোৰ পেকাই। চাৰিওফালৰ সেউজীয়া মনোৰম দৃশ্যাৱলীৰে আগুৰা শ্বাট উপত্যকাত মালালাই বাল্যকালৰ দিন কটাইছিল। মাত্ৰ ১১ বছৰ বয়সৰ পৰাই মালালাই কন্যা সন্তানৰ শিক্ষা, মহিলাৰ অধিকাৰ আৰু উগ্ৰবাদৰ বিৰুদ্ধে মাত মাতি আহিছে। পাকিস্তানৰ দৰে এখন দেশ য'ত ধৰ্মই প্ৰধান ভূমিকা লয়, য'ত স্ত্ৰী শিক্ষাৰ ওপৰত বাধা আৰোপ কৰা হয়, ধৰ্মৰ দোহাই দি মহিলা-যুৱতীসকলক চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰখা হয়, তেনে এখন দেশতেই যেন সমাজ সংস্কাৰৰ বাবে মালালাৰ জন্ম হয়। মালালাৰ ইংৰাজী, উৰ্দু আদি কেইবাটাও ভাষাতে দখল আছে আৰু প্ৰত্যেক ভাষাতে সলসলীয়াকৈ কথা ক'ব পাৰে।



গোটেই সমাজখনৰ বিপৰীতে কিন্তু মালালাৰ ঘৰুৱা পৰিৱেশ ৰক্ষণশীলতাৰ বেষ্টনীৰ পৰা বহু দূৰৈত আছিল। তেওঁৰ পিতৃ এজন কবি। তেওঁৰ Khusal Public School নামেৰে এখন স্কুল আছে। তেওঁ শিশুৰ শিক্ষাৰ অধিকাৰৰ হকে মাত মাতি আহিছে। তেওঁ কেতিয়াও মালালাক এটি সাধাৰণ সন্তান হিচাপে ডাঙৰ কৰা নাছিল। শিক্ষাৰ অধিকাৰক লৈ তেওঁ যিদৰে কাম কৰি আহিছিল, নিজ কন্যাকো একেটা পথেদিয়েই আগবঢ়াই মালালাক তেওঁ ৰাজনীতি বিজ্ঞানৰ আদিপাঠ শিকাইছিল। এইবোৰৰ বাবেই হয়তো তেওঁৰ বাল্য মনটো খুব সোনকালে পৰিপক্ক হৈ পৰিছিল। শিশুৰ অধিকাৰৰ কথা মালালাই ক'বলৈ আৰম্ভ কৰিছিল মাত্ৰ এঘাৰ বছৰ বয়সৰ পৰাই।


প্ৰতিমূহূৰ্তত সন্ত্ৰাসবাদ আৰু হিংসাই আৱৰি ৰখা দেশখনত এয়াৰ বছৰ বয়সতে ছোৱালীৰ শিক্ষাৰ অধিকাৰকে আৰম্ভ কৰি সমাজৰ বিভিন্ন কথাত মাত মতাটো সঁচাই বিস্ময়কৰ। কবি পিতৃ জিয়াউদ্দিন ইউচুফজাইৰ প্ৰেৰণা আৰু সাহসত মালালা সংস্কাৰী আৰু প্ৰতিবাদী হৈ উঠিছিল। ২০০৮ চনৰ চেপ্তেম্বৰ মাহত পিতৃ জিয়াউদ্দিনে তেওঁক পেচোৱাৰৰ স্থানীয় প্ৰেছ ক্লাৱত ভাষণ দিবৰ নিমিত্তে লৈ গৈছিল। তাত তেওঁ তলিবান সংগঠনক মুকলিকৈ প্ৰত্যাহবান জনাইছিল আৰু তালিবানে নাৰীৰ ওপৰত জাৰি কৰা বিভিন্ন ফতোৱাৰ বিৰোধিতা কৰি অংগুষ্ঠ প্ৰদৰ্শন কৰিছিল। তেওঁ অতি সাহসেৰে তালিবানী সেনাক প্ৰশ্ন কৰিছিল — 'মোৰ প্ৰাথমিক শিক্ষাৰ অধিকাৰ খৰ্ব কৰাৰ অধিকাৰ তালিবানীয়ে ক'ত পালে?' তাত উপস্থিত থকা ৰাইজ তথা বাতৰি কাকত, টেলিভিশ্যনৰ বাবে এইটো বৰ ডাঙৰ তথা সাহসী প্ৰশ্ন আছিল। এঘাৰ বছৰীয়া বয়সৰ এটি শিশুৱে এই কথাষাৰ কোৱাৰ সাহস ক'ত আৰু কেনেকৈ পালে।





এয়াই আছিল মালালাই দিয়া প্ৰথমটো ভাষণ। তালিবানৰ নিষেধাজ্ঞা অৱজ্ঞা কৰি পিতৃয়ে স্থাপন কৰা পাব্লিক স্কুলত মালালাই অধ্যয়ন কৰিবলৈ লয় আৰু আন ছোৱালীবোৰকো স্কুললৈ যাবলৈ অনুপ্ৰাণিত কৰিবলৈ ধৰে। ২০০৮ চনৰ পৰাই মালালাই গুল মাকাই নামৰ ছদ্ম নামেৰে তালিবানৰ অমানুষিক অত্যাচৰৰ বিৰুদ্ধে উৰ্দু বেৱচাইটৰ ব্লকত লিখিবলৈ লয়। লগতে তালিবানৰ প্ৰতিটো অযুক্তিকৰ কাম উদঙাই দিয়ে। ২০০৯ চনৰ ১৯ আগষ্টত কেপিটেল টোকাত ৰাজহুৱাকৈ ভুমুকি মাৰি মালালাই ছোৱালীৰ হকে মাত মাতে। সেই বছৰৰে ডিচেম্বৰত তেওঁ বি.বি.চি.ৰ ব্লগ সম্পৰ্কত ৰাজহুৱা কৰে আৰু সঘনে টি.ভি. চেনেলবোৰত নাৰী শিক্ষাৰ হকে প্ৰচাৰ চলাবলৈ ধৰে। ২০১১ চনত দক্ষিণ আফ্ৰিকাৰ আৰ্কবিছপ ডেছমাণ্ড টুটুৱে মালালাক আন্তৰাষ্ট্ৰীয় শিশু শান্তি বঁটাৰ বাবে মনোনীত কৰে। এই সুবাদতে মালালাক পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইউচুফ ৰাজা গিলানীয়ে ৰাষ্ট্ৰীয় যুৱ শান্তি বঁটা প্ৰদান কৰে। মালালাৰ অনুৰোধত পাক প্ৰধানমন্ত্ৰী গিলানীয়ে স্বাত উপত্যকাত 'স্বাত ডিগ্ৰী কলেজ ফৰ ৱমেন'ৰ লগতে এটা আইটি (IT) কেম্পাছ নিৰ্মাণৰ নিৰ্দেশ দিয়ে আৰু এখন মাধ্যমিক বিদ্যালয় মালালাৰ নামত নামাকৰণ কৰে।

এই জনপ্ৰিয়তাই মালালাৰ বাবে ভাবুকি কঢ়িয়াই আনিবলৈ ধৰিলে। তালিবানে মুকলিকৈ মালালাক হত্যাৰ ভাবুকি দিলে। আৰু ২০১২ চনৰ ৯ অক্টোবৰত বিদ্যালয়ত পৰীক্ষা দি স্কুল বাছত উভতি অহাৰ সময়ত সন্ত্ৰাসবাদীয়ে মালালাৰ ওপৰত গুলীবৰ্ষণ কৰে। মূৰত গুলি লগা মালালাক প্ৰাথমিক চিকিৎসাৰ অন্তত লণ্ডনলৈ নি তাতে জটিল অস্ত্ৰোপচাৰ কৰা হয়। সমগ্ৰ বিশ্বই তেওঁৰ আৰোগ্যৰ বাবে বন্তি জ্বলায় তথা এই ঘটনাক ধিক্কাৰ দিয়ে। প্ৰায় তিনিমাহ জোৱা চিকিৎসাৰ অন্তত তেওঁৰ শাৰীৰিক অৱস্থা উন্নত হয় আৰু ২০১৩ চনৰ অক্টোবৰ মাহৰ ১১ তাৰিখে আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাই পত্নী-কন্যা সহিতে তেওঁক লগ ধৰে। তিনিটাকৈ গুলি লৈ জীৱন মৃত্যুৰ যুঁজত মালালাই শান্তি সম্প্ৰীতিৰ হকে দিয়া যুঁজখন আৰম্ভ কৰিছিল ১১ বছৰ বয়সতে। প্ৰাণযোৱাৰ ভয়ে তেওঁক টলাব পৰা নাছিল। বৰঞ্চ মনৰ দৃঢ়তা বাঢ়ি আহিছিল। কিছুসময় শংকাৰ ডাৱৰে দেশ বিয়পি থকাৰ সময়তে তেওঁ জনসাধাৰণক সাহ প্ৰদান কৰিছিল। তদুপৰি তেওঁ মাত মাতি আহিছে কন্যা শিক্ষাৰ হকে। তেওঁৰ এই সাহসিকতাই তেওঁলৈ কঢ়িয়াই আনিলে ২০১৪ বৰ্ষৰ শান্তিৰ নবেল বঁটা। ৰাষ্ট্ৰসংঘৰ মজিয়াত জন্মদিন পালন কৰাৰ গৌৰৱৰ অধিকাৰী হ'ল মালালা।



মনৰ দৃঢ়তাই যে ডাঙৰ ডাঙৰ বিপদকো নেওচা দি আগবঢ়াই নিব পাৰে তাৰেই উদাহৰণ হ'ল মালালা ইউচুফজাই। এইগৰাকী কিশোৰীৰ জীৱন গাঁথাই নিশ্চয় আমাৰ সকলোকে অনুপ্ৰেৰণা দি আগবাঢ়ি যোৱাত সহায় কৰিব। মালালা জীৱন যুদ্ধত যেন জয়ী হৈ পৰিল। বিশ্বই মালালাক চিনি পালে। মালালাৰ ভাষাত, মালালা আগতকৈয়ো ভয়হীন আৰু শক্তিশালী হ'ল।

# পৰিৱৰ্তনশীল সমাজৰ দিশত এখোজ

এনিশা শৰ্মা
স্নাতক দ্বিতীয় ষাণ্মাষিক

**সময় আৰু পৰিৱৰ্তন ঃ** সময় পৰিৱৰ্তনশীল। সময়ৰ লগে লগে সমাজো পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীল সমাজৰ নিৱাসী প্ৰত্যেকজন ব্যক্তিৰ জীৱনো সমানেই পৰিৱৰ্তনশীল। আজিৰ পৰিৱৰ্তনশীল সমাজে প্ৰত্যেকজন ব্যক্তিৰ দেহ-মন স্পৰ্শ কৰিছে আৰু পৰিৱৰ্তনশীল সমাজৰ দিশে অগ্ৰসৰ হ'বলৈ বাধ্য কৰাইছে। কিন্তু লক্ষ্যণীয় যে আজি সময়ৰ লগে লগে সমাজৰ এই পৰিৱৰ্তনে এটা দিশত যদি নতুনত্বৰ সুবাস ছটিয়াই দিছে তেন্তে আনটো দিশত ধ্বংসৰ শুভাৰম্ভ কৰিছে। ভাল বেয়া দুয়োটা দিশৰ সংযোগেই প্ৰকৃততে এখন পৰিৱৰ্তনশীল সমাজ গঢ়ি তুলিছে।

**যুৱ-প্ৰজন্মৰ মানসিকতা ঃ** আজিৰ প্ৰজন্ম কাইলৈ দেশৰ নাগৰিক। এখন দেশৰ দায়িত্ব যুৱ-প্ৰজন্মৰ হাততেই ন্যস্ত থাকে আৰু তেওঁলোকেই পৰৱৰ্তী পৰ্যায়ত সেই দেশখনক সুচাৰুৰূপে চলাই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈ পৰে। কিন্তু আজিৰ সমাজৰ আটাইতকৈ ডাঙৰ সমস্যাৰূপে পৰিগণিত হৈছে যুৱ প্ৰজন্মৰ উচ্ছৃংখলতা, তেওঁলোকৰ মাজত দায়িত্ব বোধৰ অভাৱ আৰু এখন সুস্থ সৱল সমাজ গঢ়াত যুৱ-প্ৰজন্মৰ প্ৰতিনিধি সকলৰ ব্যৰ্থতা। এই সমস্যাবোৰে আজিৰ দিনত ভাৱাক্ৰান্ত কৰি তুলিছে সমাজৰ প্ৰত্যেকজন গণ্য মান্য তথা জ্যেষ্ঠ ব্যক্তিক। আৰু ইয়াৰ সমাধানস্বৰূপে বহুজনে আগবঢ়াই গৈছে বিভিন্ন দিহা-পৰামৰ্শ আৰু কৰি গৈছে আলোচনা-সমালোচনা। কিন্তু প্ৰকৃতাৰ্থত এই দিহা-পৰামৰ্শ আৰু আলোচনা-সমালোচনাই পৰিৱৰ্তন কৰিব পাৰিছেনে যুৱ প্ৰজন্মৰ মানসিকতা? এয়া হৈছে আজিৰ সমাজখনৰ আটাইতকৈ ডাঙৰ প্ৰশ্ন।

**আশাভৰা প্ৰতিচ্ছবি ঃ** ময়ো এগৰাকী যুৱ-প্ৰজন্মৰ প্ৰতিনিধি। আৰু মইয়ো বিশ্বাসী আজিৰ পৰিৱৰ্তনশীল সমাজৰ নতুন পথটোক লৈ। কিন্তু এই পৰিৱৰ্তনশীল দিশটোৰ এগৰাকী প্ৰতিনিধি হিচাপে এই কথাও অনুভৱ কৰিছো যে যুৱ-প্ৰজন্মৰ প্ৰতিনিধি সকলৰ মাজত বহু আদৰ্শৱান, নিষ্ঠাৱান তথা দায়িত্বশীল যুৱক-যুৱতী আছে যিসকলে দুচকুত নীলিম সপোনৰ ৰেখা আঁকি সততাৰে স্পৰ্শ কৰিব খোজে আকাশৰ বিশালতা, যিসকলৰ লক্ষ্য উদ্দেশ্যৰ পথত সমাজৰ ধ্বংসাত্মক দিশটোৰ প্ৰভাৱ নপৰে আৰু তেওঁলোকে নিজৰ প্ৰেৰণা আৰু উৎসাহৰ অনন্য বাৰ্তাৰে সলনি কৰি দিব পাৰে সমাজৰ প্ৰতিচ্ছবি। এনে বহু যুৱক-যুৱতী আছে যাৰ দুহাতৰ মুঠিত সোমাই থকা তেওঁলোকৰ সপোনবোৰক মুকলি আকাশৰ তলত স্বতন্ত্ৰভাৱে এৰি দিব বিচাৰে আৰু বাস্তৱত এই সপোনাবোৰক সম্পূৰ্ণ কৰিবলৈ কঠোৰ পৰিশ্ৰম, সাধনা কৰে। জীৱন যুঁজৰ প্ৰত্যাহ্বান প্ৰতিহত কৰি বহুতেই আত্মবিশ্বাস, সাহসিকতা আৰু ধৈৰ্য্য তথা একাগ্ৰতাৰ বলত কঢ়িয়াই আনে সাফল্যৰ সুখানুভূতি এই সকল যুৱ-প্ৰজন্মৰ প্ৰতিনিধি নিশ্চয়কৈ সমাজৰ সমস্যাৰ বিপৰীতে এখনি উজ্বল প্ৰতিচ্ছবি।

**সমালোচনাত্মক দৃষ্টিভংগী ঃ** যেতিয়া সমাজৰ সভ্য আৰু শিক্ষিত ব্যক্তিসকলে যুৱ-প্ৰজন্মৰ উচ্ছৃংখলতাৰ ওপৰত আলোকপাত কৰে আৰু সম্পূৰ্ণ দোষ যুৱ-প্ৰজন্মৰ ওপৰত জাপি দিয়ে তেতিয়া যুৱ-প্ৰজন্মৰ এগৰাকী প্ৰতিনিধি হিচাপে মইও আহত হওঁ। কাৰণ, আজিৰ যুৱ-সমাজ যিদৰে ধ্বংসমুখী ঠিক একেদৰে নতুন প্ৰতিভাৰে প্ৰতিভাত আৰু পৰিৱৰ্তনমুখীও। যুৱ প্ৰজন্মৰ বহুতেই দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি উদাসীন কিন্তু বহুতেই তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য পালনত সদা সচেতন। আমি সকলোৱে মিলি এই ধ্বংসমুখী সমাজ গঢ়োতা সকলক পৰিৱৰ্তনশীল এখন সভ্যতা সংস্কৃতিময় সমাজ গঢ়োতালৈ সলনি কৰিব নোৱাৰোনে? এই ধ্বংসশীলতাৰ মাজত সুপ্ত হৈ থকা সৃষ্টিশীলতাৰ ভাৱনাক





বিকশাই তুলি নোৱাৰোনে নৱ পুৱাৰ নৱ কিৰণেৰে উজ্বলি উঠা এখন সমাজ গঢ়িব? হয়তো এখন সংস্কৃতিময় সমাজ গঢ়ি তোলাৰ হেঁপাহ অগ্ৰজ ব্যক্তিসকলৰ পৰা আৰম্ভ কৰি অনুজসকলৰ মাজলৈকে প্ৰৱাহিত হৈ আছে, মাথোঁ আমি এই আশাবোৰক এডাল সুদৃঢ় এনাজৰীৰে বান্ধি ৰখাত অক্ষম। সকলোৱে দুহাতত এখন সুন্দৰ সমাজ গঢ়াৰ বাবে থকা ক্ষমতাক কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰাত ব্যৰ্থ। আমি পৰিৱৰ্তনশীল সমাজৰ সপোন ৰচোঁ, কিন্তু এই সমাজ গঢ়াত সমানে দুখোজ আগুৱাই যাবলৈ আমাৰ মাজত আন্তৰিকতা আৰু সাহসিকতাৰ অভাৱ।

আজিৰ সমাজৰ সচেতন প্ৰত্যেকজন নাগৰিকে উচ্ছৃংখল যুৱ-প্ৰজন্মৰ প্ৰতি দৃষ্টি দিয়ে আৰু এই উচ্ছৃংখলতা ৰোধ কৰাৰ বাবে আলোচনাৰ মাধ্যমেৰে পৰামৰ্শ দিয়ে। কিন্তু এই নাগৰিকসকলৰ মাজৰ কিমানজনে যুৱ-প্ৰজন্মৰ মাজত সুপ্ত হৈ থকা প্ৰতিভাসমূহৰ প্ৰতি দৃষ্টি দি সেই প্ৰতিভাসমূহ বিকশাই তোলাত যুৱক-যুৱতীসকলক প্ৰেৰণা বা উদ্‌গণি দিয়ে? এয়া হয়তো মানৱ জাতিৰ মাজত থকা স্বভাৱসুলভ প্ৰবৃত্তি। ভাল কামৰ প্ৰশংসা কৰা আৰু বেয়া কামৰ সমালোচনা কৰাৰ মাজত বহুজনৰ মনত বহু পাৰ্থক্য বৈ যায়। আজিৰ যুৱ-সমাজৰ ধ্বংসাত্মক মনোভাৱ, নিজ সভ্যতা সংস্কৃতিৰ পৰা আঁতৰি পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ অনুকৰণ, উচ্ছৃংখল জীৱন-যাপন, দায়িত্ব আৰু কৰ্তব্যক পাহৰি আধুনিকতাত উটি ভাঁহি যোৱাৰ মনোভাৱ, আধুনিকতাৰ নামত নিজ আদৰ্শ, কৃষ্টি-সংস্কৃতিৰ অপমান আদি কৰ্মৰ বাবে কেৱল যুৱ সমাজেই দায়ীনে? এনেবোৰ কৰ্মৰ বাবে এফালে যিদৰে যুৱ-প্ৰজন্ম দায়ী আনফালে আমাৰ অভিভাৱকসকল তথা সমাজৰ জ্যেষ্ঠ ব্যক্তিসকলো দায়ী।

**পৰিৱৰ্তনৰ কাৰণ ঃ** আজিৰ যুৱ সমাজৰ মাজত বিৰাজ কৰা স্বতন্ত্ৰতাৰ মনোভাৱ এই যুৱ মানসিকতাৰ পতনৰ অন্যতম কাৰণ। যুৱক-যুৱতীসকলে তেওঁলোকৰ ঘৰুৱা পৰিৱেশতেই হওক বা বাহিৰৰ পৰিৱেশতেই হওক তেওঁলোকে লাভ কৰা স্বতন্ত্ৰতাই তেওঁলোকক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াত বহু পৰিমাণে সহায়ক হয়। সেয়ে এইক্ষেত্ৰত অভিভাৱক সকলৰ অলপ কঠোৰ শাসনৰ নিতান্তই প্ৰয়োজন। কিন্তু এই শাসনে যুৱক-যুৱতী সকলৰ ইচ্ছা আকাংক্ষাক প্ৰতিহত কৰাটো নহয় বৰঞ্চ তেওঁলোকৰ ভুল পদক্ষেপত শুদ্ধতা অনা, তেওঁলোকক উচিত অনুচিত আদিৰ জ্ঞান দিয়াহে আৱশ্যক। আমাৰ উচ্ছৃংখল আৰু ধ্বংসমুখী যুৱ প্ৰজন্মক সৃষ্টিমুখী তথা এখন সমাজৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিবলৈ ত্ৰাণকৰ্তা হিচাপে আমাৰ অগ্ৰজ সকলেই ল'ব লাগিব প্ৰথম পদক্ষেপ। আমাৰ অগ্ৰজ সকলেই দেখুৱাব লাগিব আমাক আমাৰ জীৱনৰ এ‌‌ং উচিত পথ। আৰু আমি যুৱ-প্ৰজন্মৰ অংশীদাৰ সকলেও আমাৰ অগ্ৰজসকলৰ সৈতে গঢ়িব লাগিব পোহৰেৰে আলোকিত এটা নতুন জীৱন তথা এখনি নতুন সমাজ। কিন্তু এই সমাজ গঢ়াৰ ক্ষেত্ৰত আমিও বিচাৰিব লাগিব সৃষ্টিশীল একো একোজন সুস্থ সৱল মানসিকতাৰ সহযাত্ৰী। আৰু এই সহযাত্ৰীসকল হয়তো আমাৰ যুৱ-প্ৰজন্মৰ মাজৰেই একো একোজন প্ৰতিনিধি। যিসকল প্ৰতিনিধি সৃষ্টিশীল সমাজ গঢ়াৰ ক্ষেত্ৰত সংকল্পবদ্ধ আৰু হৃদয়ত কঢ়িয়াই ফুৰে একো একোখন নতুন পৰিৱৰ্তনশীল সমাজৰ প্ৰতিচ্ছবি। মাথোঁ এই প্ৰতিচ্ছবিখনিত তুলিকাৰে ৰং বুলোৱাৰ সময় এতিয়া সমাগত।

**প্ৰতিজ্ঞাৰ একলম ঃ** নতুন পৰিৱৰ্তনৰ ঢৌৰে ধুৱাই নিয়া আৰু নতুনত্বৰ পৰশেৰে জীপাল হৈ উঠা এখন সমাজ গঢ়াৰ ক্ষেত্ৰত আহা আমি সকলোৱে সংকল্প লওঁ। আগবাঢ়ি যাওঁ এখন নতুন সমাজ গঢ়াৰ দিশেৰে। সলনি কৰি তোলো আহা আমাৰ যুৱ-প্ৰজন্মক ধ্বংসাত্মক পথত লৈ যোৱা প্ৰত্যেকটো দিশ আৰু নৱ প্ৰেৰণা বুটলি আমিও গঢ়ি তোলা এখনি নিষ্ঠাৱান, আদৰ্শৱান, মান-মৰ্যাদাৰে পৰিপূৰ্ণ সভ্যতা সংস্কৃতিৰ আলোকেৰে উজ্জীৱিত নতুন সমাজ।

পৰিৱৰ্তন পথত যুৱ প্ৰজন্মৰ সপোন ৰচোঁতা সকল। তোমালোকৰ আশাবোৰ প্ৰেৰণাৰ সমল হওক সৃষ্টিকামী প্ৰত্যেকজনৰ বাবে। এই প্ৰেৰণাৰেই নতুন দিগন্তৰ সূচনা হওক, নৱ আলোকেৰে উজ্বলি উঠক এখন নতুন সমাজ য'ত আহা আমি সকলোৱেই প্ৰতিশ্ৰুতিবদ্ধ হওঁ আধুনিকতাৰ উপশম ঘটাই কৃষ্টি সংস্কৃতিৰ ৰহণ বুলাই দিবলৈ। পৰিৱৰ্তনৰ পথত আহা আমি সকলোৱে আগুৱাই যাওঁ আৰু এখোজ।

(পৰিৱৰ্তনশীল সমাজৰ দিশত এখোজ আগুৱাই গৈ সৃষ্টিৰ পথাৰত সপোন ৰচা প্ৰত্যেকজন যুৱ-প্ৰজন্মৰ হাতত, নতুন আশা, সংকল্প, প্ৰেৰণা আৰু এমুঠি হেঁপাহেৰে...)

# নাৰী জাতি সুৰক্ষিতনে?

কবিতা গগৈ
স্নাতক দ্বিতীয় যান্মাষিক

নাৰীক শাস্ত্ৰত উচ্চতম স্থানত দিয়া হৈছে। যদিও সত্যযুগৰ পৰা আৰম্ভ কৰি বৰ্তমান যুগলৈকে নাৰীৰ লগত উচিত ব্যৱহাৰ কৰা হোৱা নাই। আজিৰ যুগৰ কেইজনমান স্বাৰ্থপৰ পুৰুষে নাৰীক পাকঘৰত সোমাই থকা ব্যক্তিৰ বাহিৰে একো বুলিয়েই নাভাৱে, তেওঁলোকৰো যে কিছুমান সপোন, হেঁপাহ থাকে তাক মূল্য নিদিয়ে। সত্যযুগৰ দ্ৰৌপদ্ৰীৰ অত্যাচাৰ, সীতাৰ অগ্নিপৰীক্ষা, জয়মতীৰ ওপৰত চলোৱা অত্যাচাৰকে আদি কৰি এতিয়ালৈকে নাৰীৰ কোনো সুৰক্ষা নাই। কৌৰৱৰ দ্বিতীয়জন দুঃশাসনে নিজৰ নবৌয়েক অৰ্থাৎ দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ নিচিনা নীচ আৰু ঘৃণনীয় অপৰাধ কৰোতে তাত থকা গুণী-জ্ঞানী ব্যক্তিসকলেও তাক বাধা দিয়া নাছিল। একমাত্ৰ স্বয়ং বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণই দ্ৰৌপদ্ৰীক সেই অত্যাচাৰ পৰা ৰক্ষা কৰিছিল। সেই নাৰীয়ে চিঞৰি চিঞৰি তেওঁলোকৰ ওচৰত ভিক্ষা আজিও মাগে, আজিও দুঃশাসনৰ দৰে নৰপিশাচ আছে, কিন্তু এই অত্যাচাৰৰ পৰা ৰক্ষা কৰা ভগৱান শ্ৰীকৃষ্ণ নাই। এই স্বাৰ্থপৰ সমাজখনৰ বাবে সীতাৰ দৰে এজনী আদৰ্শস্বৰূপ নাৰীয়ে অগ্নি পৰীক্ষাৰ দ্বাৰা নিজৰ সতীত্বৰ প্ৰমাণ দিলে। এইখন সমাজত পদে পদে ভুল কৰা পুৰুষে কেতিয়াও নিজৰ ভুল স্বীকাৰ নকৰে, বৰঞ্চ তাৰ ফল ভোগে ভুক্তভোগী নাৰীয়ে। আগৰ পৰা নাৰীয়ে নিজৰ স্বামীৰ পৰা অশেষ অত্যাচাৰ সহ্য কৰি আহিছে, বৰ্তমানো বহুতো এনে অভাগিনী নাৰী আছে যি সদায় স্বামীৰ হাতৰ মুঠিত আৰু তেওঁ কোৱা মতেই উঠা বহা কৰে, কিন্তু কোনো নাৰীয়ে নিজৰ স্বামীৰ বিপক্ষে মাত মাতিবলৈ আগবাঢ়ি নাহে; কাৰণ যদি তাইক সীতাৰ দৰে বনবাস খাটিবলৈ খেদি দিয়ে!

ভাৰতীয় সমাজত নানান কু-প্ৰথা প্ৰচলিত তাৰ ভিতৰত বাল্যবিবাহ, যৌতুক প্ৰথা। বৰ্তমান যুগতো প্ৰচলিত প্ৰথা হ'ল যৌতুক প্ৰথা। এই যৌতুক প্ৰথা সমাজৰ বাবে এক অভিশাপস্বৰূপ যিয়ে সমাজখনক ঘূণীয়া কৰিছে। আগৰ দিনত যৌতুক অভিভাৱকে স্ব-ইচ্ছাৰে দিছিল, কিন্তু বৰ্তমান ই বাধ্যতামূলক হৈ পৰিছে। দুখীয়া অভিভাৱকৰ বাবে ছোৱালীক বিয়া দিয়াটো এক সমস্যা হৈ পৰিছে। এই যৌতুক দিব নোৱাৰাৰ বাবে বহুতো ছোৱালীৰ বিয়া পৰ্যন্ত নহয় আৰু যদিও অভিভাৱকে মাটি বন্ধকত দি হ'লেও ছোৱালীক বিয়া দিয়ে তথাপিও মাৰ ধৰ কৰি বহুতক হত্যা কৰি পেলোৱা হয়। তাৰোপৰি এজনী ছোৱালী এখন ঘৰলৈ ন-বোৱাৰী হৈ যোৱা দিনৰ পৰা আৰম্ভ কৰি তাইৰ ওপৰত চলা শাৰীৰিক মানসিক অত্যাচাৰতো চলেই; ই ভিতৰুৱা, যাক বাহ্যিকত প্ৰকাশ নকৰে।

বৰ্তমান যুগত পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই, যি কাম পুৰুষে কৰিব পৰা নাই সেই কাম নাৰী শক্তিয়ে কৰি দেখুৱাইছে। আজিৰ যুগত নাৰীয়ে পুৰুষৰ লগত সমানে খোজ মিলাই আগবাঢ়ি গৈছে। কল্পনা চাওলাৰ দৰে সাহসী নাৰী ভাৰতবৰ্ষৰ গৌৰৱ। নাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰতিবাদ হিচাপে বহুতো নাৰী সংস্থা গঢ় লৈ উঠিছে। কিন্তু প্ৰত্যক নাৰীয়ে যদি তেওঁলোকৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰতিবাদ নিজেই কৰে তেনে নাৰী জাতি সুৰক্ষিত। নাৰীয়ে প্ৰতিবাদ কৰিলে এই অত্যাচাৰী, স্বাৰ্থপৰ সকলে ভয়খাব আৰু যদি নীৰৱে সহ্য কৰি থাকে তেনে নাৰী জাতি কেতিয়াও সুৰক্ষিত হৈ থাকিব নোৱাৰে। যদি নাৰীয়ে নিজৰ ধৈৰ্য্য, মনোবলেৰে আগবাঢ়ে তেতিয়া কোনো অসম্ভৱ কাম নাথাকে।





# বিস্ময়কৰ বৃক্ষ বাখৰবেঙেনা

বিতুমণী বুঢ়াগোহাঁই
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

এই পৃথিৱীত অলেখ সৰু-বৰ বিভিন্ন প্ৰকাৰৰ গছ আছে। যাৰ বহুতৰে নাম আমি শুনাই নাই। কিন্তু পৃথিৱীত এনে কিছুমান গছো আছে যিবোৰৰ প্ৰজাতি আন কতো নাই। তাৰ ভিতৰতে এজোপা হ'ল 'বাখৰ বেঙেনা'। আপোনালোক বহুতেই হয়তো এইজোপা গছৰ নাম শুনা নাই। ঐতিহাসিক শিৱসাগৰ জিলাৰ বকতা মৌজাত এইজোপা গছ আছে। বাখৰ বেঙেনা বুলি ক'লেই সাধাৰণতে আমি সচৰাচৰ দেখা পোৱা বেঙেনা গছবোৰৰ কথাই আমাৰ মনলৈ আহে। সেয়ে বহুতে বাখৰ বেঙেনাৰ আকাৰ সাধাৰণ বেঙেনা গছৰ দৰেই বুলি ভাবে। কিন্তু এইটো নহয়। বাখৰ বেঙেনা এজোপা সৰু আঁহত গছৰ সমান ডাঙৰ আৰু পাতবোৰ আমগছৰ পাতৰ দৰে। যেতিয়া বকতা অঞ্চলত আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাই ৰাজত্ব কৰিছিল তেতিয়াই এই গছজোপা হৈছিল বুলি বহুতে কয়। গছজোপাৰ আনুমানিক বছৰ ৫৮০ বছৰ বুলি ধৰা হৈছে। তাৎপৰ্যৰ কথা যে বাখৰ বেঙেনা আজি বহুদিন ধৰি একেই আছে। অকণো বৃদ্ধি বা হ্ৰাস হোৱা নাই। ইয়াত সৰু সৰু বগা বাখৰৰ দৰে বেঙেনা সদৃশ গুটি লাগে বাবে ইয়াৰ নাম বাখৰ বেঙেনা ৰখা হয়। ইয়াৰ বৈজ্ঞানিক নাম ৰেনডিয়া ইউলিজিনচা।

এসময়ত বাখৰ বেঙেনা যত অৱস্থিত তাত অটব্য অৰণ্য আছিল। মানুহবোৰে গছবোৰ কাটি ঠাইডোখৰ মোকলালে যদিও বাখৰ বেঙেনা জোপা কিয় নাকাটিলে সেইটো আজিও এক ৰহস্য। হয়তো তেতিয়া তেওঁলোকে এই গছজোপাৰ পৰা কিছু ঔষধি গুণ আৱিস্কাৰ কৰিছিল। সেয়ে হয়তো তেওঁলোকে এইজোপা কটা নাছিল।

বৰ্তমান বাখৰ বেঙেনাৰ ওপৰত বহুতো দেশী-বিদেশী বৈজ্ঞানিকে গৱেষণা চলাই আছে। গছজোপাৰ অংশ জাপান, জাৰ্মেনী, ৰছিয়া আদি দেশলৈ লৈ গৈ বংশবৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা চলাই আছে যদিও এই পৰ্যন্ত কোনো সফল হোৱা নাই। ভৱিষ্যতে এইজোপা গছৰ পৰা মানুহৰ বিভিন্ন কামত আহিব পৰা দ্ৰব্য আহৰণ কৰিব পাৰিব বুলি বিজ্ঞানীসকলে আশা আৰু প্ৰচেষ্টা কৰিছে।

প্ৰকৃততে বাখৰ বেঙেনা দুজোপা গছ হৈ আছে। ইয়াৰ চাৰিওকাষে নানা ধৰণৰ গছ আছে যদিও বাখৰ বেঙেনা পুলি কতো সৃষ্টি হোৱা নাই। এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত বাখৰ বেঙেনা অৱস্থিত।

ইয়াৰ ওচৰে পাজৰে মানুহৰ বসতি নাই যদিও অলপ দূৰত ইয়াৰ চাৰিওকাষে বহুতো গাঁও আছে। বাখৰ বেঙেনাক ঘূৰণীয়াকৈ ঘেৰি লৈ ধনেখনা নামৰ এটা জান বৈ গৈছে। বৰ্তমান ইয়ালৈ বহুতো দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিছে। বাখৰ বেঙেনাক ওচৰৰ পৰা চাবলৈ যাবৰ বাবে জানটোৰ ওপৰত এখন দলং নিৰ্মাণ কৰি দিছে বকতা অঞ্চলৰ প্ৰসিদ্ধ সমাজসেৱক শ্ৰীযুত সুৰেন ফুকনদেৱে। তাৰোপৰি বাখৰ বেঙেনাক সুৰক্ষিত কৰি ৰখাত সহায় কৰিছে বকতাৰ স্থানীয় 'লাচিত সংঘৰ' কৰ্মচাৰীসকলে।

ইতিহাসপ্ৰসিদ্ধ বকতা অঞ্চলৰ লগতে সমগ্ৰ দেশৰ গৌৰৱ দুষ্প্ৰাপ্য বাখৰ বেঙেনাৰ পৰা বৰ্তমান বিজ্ঞানে বহুত আশা কৰিছে। ইয়াৰ নামানুসাৰে তাৰ এখন হাইস্কুল, ডাকঘৰ আদিৰ নামাকৰণ কৰা হৈছে। বাখৰ বেঙেনাক লৈ বিজ্ঞানীসকলে যি আশাশুধীয়া প্ৰচেষ্টা কৰিছে সি যেন সফল হয়।

# বৰ্তমান সমাজত নাৰীৰ অৱস্থিতি

গীতামণি বৰুৱা
স্নাতক দ্বিতীয় যান্মাষিক

মানৱ জাতিৰ সৃষ্টিৰ মূলতেই হ'ল নাৰী। তথাপি নাৰী আৰু পুৰুষ উভয়েই পৰিপূৰক। নাৰী জাতিৰ অবিহনে এই পৃথিৱীত পুৰুষ জাতিও অস্তিত্বহীন। সেউজীয়া ধৰাত সৃষ্টিৰ সমল হৈছে একমাত্ৰ নাৰী। নাৰীয়েই জন্মদাত্ৰী, কেৱল এটা পৰিয়াল বা এখন ঘৰৰ প্ৰাণকেন্দ্ৰ নহয় বৰঞ্চ নাৰী জাতি সমগ্ৰ সমাজৰেই জীৱন দায়িনী। পৃথিৱীৰ সমস্ত শক্তিৰ অৰ্ধেকখিনি যেনেদৰে পুৰুষৰ হাতত তেনেদৰে অৰ্ধেকখিনি বৰ্তি আছে নাৰীৰ হাতত।

বৈদিক শিক্ষা ব্যৱস্থাত নাৰীয়ে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। শিক্ষাই মনৰ অজ্ঞানতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতো প্ৰকাৰ মংগলৰ বাবে নিজকে যোগ্যৱান কৰি তোলাৰ একমাত্ৰ মাধ্যম হ'ল শিক্ষা। সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উত্তীৰ্ণ কৰে। সেয়ে শিক্ষা পুৰুষ নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি আৱশ্যকীয়। শিক্ষাৰ জগতখনে দুগুণে পোহৰাইছে আজিৰ সমাজখনক। আৰু নাৰীয়েও পুৰুষৰ সমানেই খোজত খোজ মিলাই সমতাৰ পৰিচয় দিছে। সেয়ে এই বাক্যশাৰীৰ ওপৰত ভিত্তি কৰি জৱাহৰলাল নেহেৰুৱে কৈছিল - 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা; কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালৰ সকলোকে শিক্ষিত কৰি তোলা।'



কিছুমান পৌৰাণিক নীতি-নিয়মৰ চাৰিবেৰৰ মাজত আৱদ্ধ নাৰীৰ মন আজি সঁজাত বন্দী হৈ থকা আৰু হঠাতে সঁজাৰ পতা মুকলি হৈ আকাশৰ তলত উৰি ফুৰা এজনী পক্ষীৰ মনৰ দৰেই স্বাধীনতাৰ সুৱাসত উৰি ফুৰিব পাৰিব। ইয়াৰ মূলতেই হ'ল সমাজত পৰা শিক্ষাৰ আলোক। অতীতত ভাৰতীয় নাৰীৰ স্থান উচ্চ আছিল। নাৰীৰ বাবে শিক্ষা অতি আৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। ব্ৰাহ্মণ সমাজৰ ছোৱালীক বৈদিক শিক্ষা আৰু ক্ষত্ৰিয় সমাজৰ ছোৱালীক ধনু কাঁড়ৰ ব্যৱহাৰ শিকোৱা হৈছিল। সেইবাবে সেই সময়ত শিক্ষিতা নাৰীক সমাজৰ এক উচ্চ আসন দিয়া হৈছিল। আৰু তেওঁলোকক 'দেৱী' স্বৰূপে গণ্য কৰা হৈছিল। প্ৰতিগৰাকী নাৰী যিদৰে মৰম, স্নেহৰ এনাজৰীৰে বান্ধ খাই থাকে তেনেদৰে তেওঁ সেই এনাজৰীৰে সমাজৰ প্ৰত্যেকজন ব্যক্তিকেই বান্ধি ৰাখে। প্ৰত্যেক গৰাকী নাৰীয়েই মাতৃ, ভগ্নী, সন্তান, পত্নী আদি সম্বন্ধবোৰৰ মাজেৰে আৱৰি ৰাখে সমগ্ৰ সমাজক। শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটি সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। সেয়ে ভাৰতৰ গণতন্ত্ৰয়ো পুৰুষ-মহিলা উভয়ে শিক্ষিত হোৱাটোত গুৰুত্ব প্ৰদান কৰিছে। এখন দেশৰ নাৰী সকল শিক্ষিতা হলেহে দেশৰ সৰ্বাংগীন উন্নতি হ'ব। ঊনবিংশ শতিকাৰ





তৃতীয় চতুৰ্থ দশকটোত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ৰাজত্ব সুদৃঢ় হৈ অহাৰ লগে লগে পশ্চিমীয়া শিক্ষা ভাৰতত সাম্প্ৰসাৰিত হ'ল। ভাৰতলৈ অহা 'ইষ্ট-ইণ্ডিয়া কোম্পানী'ৰ জেনেৰেল হিচাপে লৰ্ড উইলিয়াম বেণ্টিংকে স্ত্ৰী শিক্ষা প্ৰচলন, বাল্যবিবাহ আৰু সতীদাহ প্ৰথা নিবাৰণৰ ওপৰত গুৰুত্ব দিছিল। কলা, বিজ্ঞান, বাণিজ্য, সুকুমাৰ কলা যেনে- সংগীত, নৃত্য, চিত্ৰকলা, অভিনয়, ৰাজনীতি আদি সকলো দিশতে ভাৰতীয় নাৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ লগতে জল, স্থল আৰু মহাকাশতো বিশেষ ব্যুৎপত্তি দেখুৱাবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপ সতী জয়মতী, মূলা গাভৰু, ঝান্সীৰ ৰাণী লক্ষ্মীবাই কনকলতা আদি মহীয়সী নাৰী সকলৰ নাম উল্লেখ কৰিব পাৰি।

মহান আদৰ্শৰে উজ্জীৱিত নাৰীসকলক লৈ আমাৰ সমাজত পালন কৰা হয় বিভিন্ন দিৱস। ২০০১ চনত চৰকাৰে 'মহিলা সৱলীকৰণৰ ৰাষ্ট্ৰীয় নীতি' গ্ৰহণ কৰিছিল। ১৯১৩ চনত ৰাছিয়ান মহিলাসকলে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস পালন কৰে। ইয়াৰ পিছত ১৯৭৭ চনত ৰাষ্ট্ৰ সংঘৰ সাধাৰণ সভাই ৮ মাৰ্চ তাৰিখটো আন্তঃ ৰাষ্ট্ৰীয় মহিলা দিৱস হিচাপে পালন কৰাৰ বাবে প্ৰস্তাৱ দিয়ে।

নাৰী শিক্ষাৰ জাগৰণৰ অবিহনে সমাজ তথা দেশৰ প্ৰগতি অসম্ভৱ। ভাৰতীয় সংবিধানত পুৰষ আৰু নাৰী সমান বুলি ঘোষণা কৰিছে। সংসদ আৰু বিধান সভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কৰিছে। বহুজাতিক পাশ্চাত্যৰ সংস্থাবোৰৰ উৎপাদিত বিলাসী সামগ্ৰীবোৰ সহজ লভ্য কৰি দিয়াত এফালে ভোগবাদী সংস্কৃতিয়ে এচাম নাৰীক পণ্যলৈ ৰূপান্তৰিত কৰিছে। ইয়াৰ বিপৰীতে এচাম নাৰীয়ে সামান্যতম শিক্ষাৰ পৰাও বঞ্চিত হৈ হাড়ভগা পৰিশ্ৰম কৰিও প্ৰাপ্য অৰ্থ নাপাই ক্ষুধাত দিন কটাইছে। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ সময়তে ভাৰতৰ বিভিন্ন চুকে-কোণে সতীদাহ, ডাইনী হত্যা, ধৰ্ষণ, বলাৎকাৰ, যৌতুকৰ বাবে বোৱাৰী হত্যা আদি পৰিঘটনা সঘনাই ঘটিব ধৰিছে।

নাৰীয়ে ভোগ কৰি অহা এই নেতিবাচক দিশবোৰৰ বিপক্ষে থিয় হ'বলৈ প্ৰতি গৰাকী নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব লাগিব। প্ৰাপ্তবয়স্ক শিক্ষা নীতিৰ জৰিয়তে বয়স্ক মহিলাসকলে প্ৰাথমিক শিক্ষাৰ আদি পাঠ লৈ আত্ম সহায়ক গোটৰ জৰিয়তে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱাৰ পথ সম্প্ৰতি প্ৰশস্ত হৈছে। ঘৰুৱা কামতে নিজক আৱদ্ধ নাৰাখি প্ৰতি গৰাকী নাৰীয়ে স্ব-আৰ্জিত শিক্ষাৰ জৰিয়তে সমজুৱাভাৱে শিল্প বাণিজ্যত মনোনিবেশ কৰি অৰ্থনৈতিক স্থিতি সবল কৰাৰ লগতে সমাজৰো উন্নতি ঘটাইছে। এই সকলোবোৰৰ বিষয়ে প্ৰচাৰ মাধ্যমৰ জৰিয়তে সজাগতা বৃদ্ধি কৰিব পাৰি। সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক দিশত কাম কৰাৰ পথ নাৰীৰ বাবে মুক্ত ৰাখিব লাগিব। তেতিয়া নাৰীৰ প্ৰাসংগিকতা প্ৰকৃতাৰ্থত সফল হ'ব। সেই দিনাই এই পৃথিৱীত এক নৱযুগৰ আৰম্ভণি হ'ব আৰু য'ত পুৰুষ-নাৰী উভয়েই সমান খোজৰে আগুৱাই যাবলৈ সক্ষম হ'ব।

চৰকাৰ তথা উৰ্দ্ধতম কৰ্তৃপক্ষ, শিক্ষা বিষয়া, প্ৰাথমিক, মাধ্যমিক, মহাবিদ্যালয়ৰ বিষয়ববীয়া, সমাজৰ অগ্ৰণী লোকসকলে চালি জাৰি চাই এটা ইতিবাচক সিদ্ধান্তলৈ আহিব পাৰিলেহে নাৰীৰ শিক্ষাৰ প্ৰকৃত মূল্যায়ন হ'ব। পুৰুষৰ লগতে নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে সমাজ, দেশ, জাতিৰ সৰ্বতোপ্ৰকাৰ উত্তৰণ সম্ভৱ। লগতে নৱযুগৰ মূল নেতৃত্ব বহন কৰিব নাৰী সমাজে যি যুগত নাৰী সমাজেই দেশৰ মাটিত নিজ অধিকাৰেৰে সম্পূৰ্ণ স্বতন্ত্ৰতাৰে, নিজ যোগ্যতাৰে নিজৰ নাম সোণালী আখৰেৰে লিপিৱদ্ধ কৰিব পাৰিব।

# অসমীয়া বিষয়ৰ প্ৰয়োজনীয়তা

**মলয়া গগৈ**
**স্নাতক প্ৰথম ষান্মাষিক**

এতিয়া আমি সকলো ব্যস্ত নিজৰ জীৱনক লৈ। জীৱনত কিবা এটা কৰাৰ মানসেৰে আমি আগবাঢ়িছো জীৱনৰ কোবাল নদীৰ সোঁতত। আৰু এই কোবাল সোঁতত কোনোৱে ডুবি মৰাৰ ভয়ত পাৰত ৰৈ নদীৰ সোঁত কমালৈ বাট চাই আছে আৰু আন কোনোৱে নদীৰ তলি ভাগলৈ সাহসেৰে সোমাই গৈ মণি মুকুতা ৰূপী মাছ কাছ লগত লৈ বিশাল সাগৰত পৰাৰ অপ্ৰাণ চেষ্টা কৰিছে আৰু এনেদৰেই পাৰ হৈছে আমাৰ সময়। সময়ৰ সতে আমি খোজ মিলাই বহুদুৰ আগবাঢ়িলো আৰু এৰি আহিছো বহু অমূল্য সম্পদ।

আজি আমি আমাৰ একমাত্ৰ সম্পদ আমাৰ ভাষাক হেৰুৱাইছো। আমি কি জ্ঞানেৰে দীক্ষিত হ'লো...? আনৰ কথা নকওঁ আমাৰ ছাত্ৰ সমাজৰ কথাই কওঁ। আজি আমি ছাত্ৰ-ছাত্ৰীসকলেও ভাল পথ এটা পোৱাৰ আশাতেই হওঁক বিভিন্ন বিষয় বাছি লৈছো। সেইবাবেই আমি অসমীয়া পঢ়াৰ প্ৰয়োজন নাই মাত্ৰ উত্তীৰ্ণ হ'ব পাৰিলেই হ'ব। এইয়া আমাৰ সম্পূৰ্ণ ভুল ধাৰণা। আমি এবাৰ নিজকে সুধিব লাগিব যে আমি কোন? আমি অসমীয়াৰ একোৱেই নাই; আছে মাথো ভগ্নপ্ৰায় অসমীয়া ভাষাটো। তাকো যদি আমি অৱহেলা কৰোঁ তেন্তে আৰু নো কি থাকিব আমাৰ বাবে? অসমীয়া ভাষা কোৱা সকলেই যে অসমীয়া, এনে নহয়; অসমত বাস কৰা প্ৰত্যেক জন মানুহেই অসমীয়া। আজি ছাত্ৰ সমাজে কয় যে যি সকলে অসমীয়া বিষয়টো সন্মান হিচাবে বাছি লৈছে তেওঁলোকে পঢ়ক; আমাৰ অসমীয়া বিষয় সন্মান নহয় সেইবাবে আমাৰ প্ৰয়োজন নাই। এইটো যোল্ল অনাই ভুল ধাৰণা। অসমত অসমীয়াই যদি অসমীয়া নপঢ়োঁ তেন্তে কোনে পঢ়িব? অসমীয়া বুলি থাকিবই বা কি? কাক অসমীয়া বুলি ক'বা...? অসমীয়া হিচাবে অসমীয়া ভাষাটো জীয়াই ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্যও। যি গৰাকী মাতৃয়ে আমাক জন্ম দিলে তেওঁক আমি নিজৰ সুখৰ বাবে অথাই সাগৰত ডুবাই থৈ নিজে সাগৰৰ পাৰৰ নিলগত থকা ৰাজকাৰেঙৰ ঐশ্বৰ্য্য বিভূতিৰ মাজত শান্তিৰ উশাহ লব পাৰিম জানো? আৰু উশাহ ল'ব পাৰিলেও সেই উশাহ বিশুদ্ধ নহ'ব। হে বন্ধু আমি সকলোবোৰ সন্তানে পণ কৰো আহা আমাৰ মাতৃ ভাষাক আকাশৰ শুভ্ৰ ডাৱৰৰ মাজত জিলিকি থকা ধ্ৰুৱ তৰাটো কৰি তোলাৰ। আমাক সকলো লাগে কিন্তু তাৰ মাজতো জাতিৰ স্বাৰ্থত জন্মভূমিৰ স্বাৰ্থত, মাতৃৰ গৰ্ভৰ সন্তান হোৱাৰ স্বাৰ্থত আমি আমাৰ ভাষা জিলিকাই তুলিম। এইয়া প্ৰত্যেক সন্তানৰ গুৰু দায়িত্ব।







# সুখী জীৱনৰ উপকৰণ

**শচীন কুৰ্ম্মী**
**স্নাতক চতুৰ্থ ষান্মাষিক**

সুখী জীৱন শব্দ দুটা ধুৱঁলী-কুঁৱলী আৰু বিভ্ৰান্তিকৰ। শব্দ দুটা ধুঁৱলী কুঁৱলী আৰু বিভ্ৰান্তিকৰ বাবেই সুখী জীৱন বোলা হয়। কথাযাৰো ৰহস্যময়। কাৰণ এই পৃথিৱী সুখৰো, দুখৰো। সুখ-দুখেৰে ভৰা পৃথিৱী। সময়ে সময়ে সুখ-শান্তিয়ে লগ দি জীৱনক যিদৰে উপভোগ্য কৰি তুলে, ঠিক সেইদৰে সময়ে সময়ে সংঘাতে জীৱনক থাউনি নোপোৱা অৱস্থাত পেলাই জীৱন যন্ত্ৰণাময় কৰি তোলে। তথাপিও মানুহে সুখ-শান্তি কামনা কৰে। এক শ্ৰেণী মানুহ থাকে, যিটো শ্ৰেণীয়ে সঁচা কথাৰ বাহিৰে মিছা ক'ব নোৱাৰে। এনে প্ৰবৃত্তিৰ মানুহে সৎ জীৱন যাপন কৰিহে শান্তি পায়। কিন্তু সাধু জীৱন যাপন কৰা মানুহ শ্ৰেণীৰ বিপৰীতে অসৎ মানসিকতাৰ মানুহো আছে। বৰং এই শ্ৰেণীৰ মানুহ সংখ্যাত বেছিহে।

অসাধু মানুহৰ মন আৰু মানসিকতা পৰিচালিত হয় নানান প্ৰকাৰৰ কুচিন্তাৰে। প্ৰৱঞ্চনা, আত্মঅভিমান, স্বাৰ্থপৰতা, ঈৰ্ষা আদি অনেক কু-প্ৰবৃত্তিৰে অসৎ মানুহৰ মন আৰু মানসিকতা এনেদৰে আৱৰি থাকে যে, তেনে মানুহৰ মন আৰু মানসিকতা চয়তানৰ লীলাভূমি সদৃশ হৈ পৰে।

মানুহৰ সুখানুভুতি নিৰ্ভৰ কৰে প্ৰবৃত্তিৰ স্বৰূপটোৰ ওপৰত। অসৎ প্ৰবৃত্তিৰ মানুহে ভাল কাম কৰি প্ৰশংসা পালেও সুখী নহয়। বৰং বেয়া কাম কৰি নিন্দা আৰু ভৰ্ৎসনা পালে শান্তি পায়। অসৎ কাৰ্যতহে শান্তি পায় বাবে অসাধু মানুহে সততে আনৰ অনিষ্ট কৰিব পৰা দুঃচিন্তাত ব্ৰতী হয় আৰু আনৰ বেয়া দেখিলে তাকে খুচৰি আনৰ আগত কৈ

ফুৰে। অৰ্থাৎ তেওঁলোকে তেনেধৰণৰ কাম কৰিয়ে শান্তি পায়।

সকলো মানুহেই সুখী জীৱন যাপন কৰিব খোজে। অৰ্থাৎ সুখী হ'ব খোজে। কিন্তু জীৱনত সুখী হ'ব খোজাটো আচল কথা নহয়। কেনেকৈ অৰ্থাৎ কেনেধৰণৰ মাধ্যম গ্ৰহণ কৰি সুখ অনুভৱ কৰা হৈছে আৰু সুখানুভৱৰ স্বৰূপটো কেনেকুৱা সেইটোহে আচল কথা। সুখানুভৱেই জীৱনৰ শেষ কথা নহয়। যি সুখানুভৱে জীৱনক শান্তি নিদিয়ে, গতি নিদিয়ে, সেই সুখানুভৱ ভ্ৰান্তিমাত্ৰ। মানুহক বিশালতাৰ ফালে, গভীৰতাৰ ফালে, ওপৰৰ ফালে আৰু মনুষ্যত্বৰ ফালে যি সুখ বা সুখানুভৱে নিব নোৱাৰে, তেনে সুখানুভৱ কুকুৰে জন্তুৰ শুকান হাড় চোবাই তৃপ্তি অনুভৱ কৰাৰ সৈতে একে।

আনৰ প্ৰতি কৰা হিংসা অন্যায়, প্ৰৱঞ্চনা আদি অসাধু কাৰ্যবোৰে মানুহৰ মন কলুষিত কৰে, কলুষিত মনে চিত্ত-বৃত্তিক অসুস্থ কৰে, অসুস্থ চিত্ত-বৃত্তিয়ে উৰ্দ্ধমুখী চিন্তাৰ পথ বন্ধ কৰে, ৰুচিবোধ নিম্নগামী কৰে আৰু মানুহ বা মনুষ্যত্বৰ পৰা আঁতৰাই আনি পশুত্বলৈ অৱনমিত কৰে। সেয়ে আমি সুখী হোৱাটো আচল কথা নহয়, কিহেৰে, কেনেকৈ সুখী হৈছো আৰু কেনেধৰণৰ সুখী হৈছোঁ সেইটোহে আচল কথা।

সেয়েহে মন আৰু মানসিকতাৰ সুস্থতা, চিত্ত বৃত্তিৰ পৱিত্ৰতা, চিন্তাৰ সততা আৰু জীৱনবোধৰ গভীৰতাই সুখী জীৱনৰ উপকৰণ। আনৰ অন্যায় কৰি অসৎ মানুহে তৃপ্তি পায়। আনক অপকাৰ কৰি অসাধু মানুহে জীৱনক অধোমুখী কৰি তোলে। পৃথিৱীৰ মানুহ দুটা শ্ৰেণীত বিভক্ত। এটাই উৰ্দ্ধমুখী গতি কৰে আৰু আনটো অধোমুখে গতি কৰে। দুয়োটা শ্ৰেণীয়ে কিন্তু সুখী। সুখ শান্তি অনুভৱ কৰি দুয়োটা শ্ৰেণীয়ে গতি কৰে যদিও সৎ শ্ৰেণীটোৰ গতিত থাকে অমৃত আৰু অসৎ শ্ৰেণীৰ গতিত থাকে গৰল। সেই বাবে সৎ শ্ৰেণীৰ গতি জীৱনদায়িনী আৰু অসৎ শ্ৰেণীৰ গতি আত্মঘাতি। এটাৰ গতি অগ্ৰগামী আৰু আনটো স্থবিৰ।

সি যি কি নহওঁক এই খিনি কেৱল মোৰেই কথা বুলি মই নেভাবোঁ। কম বেছি পৰিমাণে সকলো মানুহৰে অনুভৱ। জীৱনটো এনেয়ে জটিল; তেনে স্থলত আমি হিংসা, প্ৰতাৰণা আদিৰ আঘাত সহি সহিয়ে মনৰ দৃঢ়তা আনিব লাগিব আৰু অধিক গতিশীলতাৰে জীয়াই থাকিব লাগিব।





# ডেউকা

**বিজয়লক্ষ্মী গগৈ**
**অসমীয়া বিভাগ**

গহীন দুপৰ নিশা। সদা ব্যস্ত কংক্ৰিটৰ মহানগৰখনে যেন ক্ষন্তেক জিৰাইছে। তাৰ মাজতো আন্ধাৰ ফালি ৰাজপথৰ ওপৰেদি পাৰ হৈ যোৱা মালবাহী ট্ৰাকৰ শব্দই যেন নিশাটো অধিক গহীনহে কৰি তুলিছে। কৰিঅ'গ্ৰাফাৰ আকাশে বিচনাতে আৰু এটা বাগৰ সলালে, নাই তাৰ আজি আৰু টোপনি নাহে। 'প্ৰিয়দৰ্শিনী' নামৰ ধাৰাবাহিকখনৰ চেট্‌ত থাকোতেই আকাশলৈ এটা ফ'নকল আহিছিল। ফ'নৰ সেই ধাতৱ শব্দই তালৈ কঢ়িয়াই আনিছিল আনন্দৰ সেউজ বাস্তৱ। ফ'নটোৱে কঢ়িয়াই অনা সেই আনন্দৰ বতৰাটো আকাশে কাৰো লগত 'চেয়াৰ' নকৰি চুটিংৰ 'মেক-আপ' কৰি ঘৰলৈ ঘুৰি আহিছিল। তাৰ পিছৰ পৰাই সি বাৰে পতি যেন গুচি যাব বিচাৰিছিল তাৰ অতি হেঁপাহৰ গাঁওখনলৈ, সি পঢ়া 'কলেজ'খনলৈ য'ত সি ৰূপন কৰিছিল তাৰ সপোনৰ টুকুৰা টুকুৰ সাজবোৰ।

আকাশ বৰুৱা, তাৰ ঘৰ আছিল শিৱসাগৰ জিলাৰ এখন সৰু গাঁও 'পদুমতলিত'। অভাৱগ্ৰস্থ এখন ঘৰ। সিহঁত ককাই-ভাই আছিল পাঁচোটা আৰু একমাত্ৰ ভণ্টি আকাশৰ অতি হেপাহৰ 'লুকিমা'। সৰুতেই দেউতাকক হেৰুৱাই সিহঁত কেইটাই বৰ কষ্ট কৰি ডাঙৰ হৈছিল। আজলী মাকজনীয়ে কাপোৰ বৈ, আনৰ পথাৰত ধান দাই, ভুঁই ৰুই সিহঁতক কেনেকৈ যে ডাঙৰ কৰিছিল। সিহঁতে মাকক সহায় কৰিবলৈ যৎপৰোনাস্তি চেষ্টাও কৰিছিল, কিন্তু ইমান অভাৱ। চাৰিওফালে কেৱল নাই আৰু নাই। সিহঁতৰ যিকন খেতি-মাটি তাৰ ধানে ছমাহো নগৈছিল। ভগৱানৰ ওপৰত যেন বিশ্বাস হেৰাই গৈছিল। মাকে কষ্ট কৰি গধূলি যেতিয়া জুহালত ভাত ৰান্ধিবলৈ গৈছিল লুকিমা মাকৰ লগে লগে ফুৰিছিল - মাকৰ কেতিয়াবা ইমান যে খং উঠিছিল আৰু লুকিমাকে ঃ তইনো কিয় জন্ম হৈছিলি বুলি তাইক গতিয়াই দিছিল। পিছত জুহালৰ কাষত বহি তেওঁ নিজে উচুপি উচুপি কান্দিছিল।

লুকিমা আকাশৰ বৰ মৰমৰ ভনীয়েক। মাকৰ কষ্ট হয় বুলি আকাশে তাইৰ কামবোৰ নিজে কৰিবলৈ লৈছিল আৰু লুকিমাইও 'গুন্তিদা' গুন্তিদাকৈ তাৰ পিছে পিছে ঘুৰি ফুৰিছিল। কাৰণ কাৰোবাৰ সহায় নোহোৱাকৈ লুকিমাই যে এখোজো দিব নোৱাৰিছিল - তাই যে জন্মান্ধ। ঘৰখনৰ একমাত্ৰ ছোৱালী তাই। পাঁচোটা ককায়েক পিছৰ আদৰৰ ভনীয়েকজনীৰ মুখলৈ চাই আকাশ উচুপি উঠে। বাৰেপতি ভগৱানক প্ৰশ্ন কৰে আমি কি পাপ কৰিছিলো প্ৰভু, কিয় তাইৰ চকুৰ জেউতি দিয়াত তুমি কৃপনালি কৰিলা?

লুকিমা লাহে লাহে ডাঙৰ হ'বলৈ ধৰিলে। ক'ব নোৱাৰাকৈয়ে আকাশে তাইৰ সমস্ত কাম নিজে কান্ধ পাতি লয় আৰু দুয়োটা ককায়েক ভনীয়েক হ'লেও বন্ধুৰ দৰে হৈ পৰিল। কাৰণ তাইৰ আন কোনো বান্ধৱী নাছিল, তাই অন্ধ বাবে কোনেও তাইৰ লগত খেলিবলৈ নাহিছিল। সেয়েহে আকাশে লুকিমাৰ লগত ছোৱালীয়ে খেলা খেলবোৰ খেলে, তাইক সংগ দিবৰ বাবে। দৰা-কইনা, হেতালিগুটি খেলে, তাইৰ চুলি আচুৰি দিয়ে। প্ৰাণহীন চকু দুটিত কাজল আঁকি দিয়ে আৰু দুয়োটাই ঘৰৰ চোতালত বিহু গাই নাচে। এনেকৈয়ে একলা দুকলাকৈ সিহঁত ডাঙৰ হ'বলৈ ধৰে। ককায়েক কেইটাই আধাতে পঢ়া-শুনা এৰি সৰু-সুৰা কাম কৰিবলৈ ধৰে। নহ'লে যে ঘৰখন নচলে। আকাশেও মাকৰ লগত তাঁত বোৱা, হাতৰ চিলাই কৰা কামবোৰত সহায় কৰে। সৰুৰে পৰা মাক আৰু লুকিমাৰ লগত লাগি থাকোঁতে থাকোঁতে আকাশে এই কামবোৰহে বেছি ভালকৈ কৰিব পৰা হ'ল। সি বনোৱা তিলপিঠা, নাৰিকলৰ লাৰু, ঘিলাপিঠা সকলোবোৰে ভালপোৱা হ'ল। ইমান কষ্টৰ মাজতো কিন্তু

*ঃ 'যা শুন্তি যা। তই লুকিমাৰ কথা চিন্তা নকৰিবি। তই তাইৰ বাবে বহুত কৰিলি এতিয়া তই তোৰ কথা চিন্তা কৰ।' আৰু লুকিমাই... তাই আনন্দত অধীৰ হৈ উঠিল। কাৰণ তাই জানে তাইৰ ককায়েকৰ সপোন, তাৰ আশা, হেপাঁহবোৰ, তাই চিঞৰি উঠিলঃ যা শুন্তি দা তই যা- তই শিকাই শিকাই মোক বহুত কাম নিজে কৰিব পৰা কৰিলি— মই পাৰিম শুন্তিদা তোৰ চকুৰে মই তোৰ সপোনৰ জগতখন জুমি জুমি চাম।*

---

আকাশে পঢ়া এৰি দিয়া নাছিল। সি যেতিয়া ঘৰৰ সকলো কাম কৰি, ভনীয়েকক ধুৱাই-পখলাই স্কুল পাইছিলগৈ তেতিয়া সদায় স্কুলৰ শ্ৰেণী প্ৰায় আৰম্ভ হৈছিল। তাৰবাবে সি বহুবাৰ শাস্তি পাইছিল। কিন্তু সি যে সময় উলিয়াব নোৱাৰে কাৰণ ভগৱানে লুকিমাক চকুৰ জেউতিহে নিদিলে বয়স বাঢ়ি অহাৰ লগে লগে তাই নাৰীৰ প্ৰত্যেকটো পৰ্যায়েই পাৰ কৰিলে আৰু সি... তাই সকলো কামেই কৰি দিব লগীয়াত পৰিল। এনেকৈ মাক আৰু ভনীয়েকৰ লগত অনবৰতে লাগি থকাৰ বাবে তাৰ স্বভাৱলৈও সি নজনাকৈ কিছু পৰিৱৰ্তন আহিছিল। স্কুলত যেতিয়া তাক চবেই ছোৱালী ছোৱালী কৈ জোকাইছিল তাৰ প্ৰথমে খং উঠিছিল কাৰণ দস্তুৰমত সি এটা পুৰুষ। কিন্তু সি কথাকিটা শুৱলাকৈ কৈ ভাল পাইছিল, নাচি ভাল পাইছিল, এই সকলোৰে মাজত, অভাৱ আৰু ব্যস্ততাইও তাক টলাব নোৱাৰিছিল, সি পঢ়িছিল, 'সত্ৰীয়া' নৃত্যৰ শিক্ষা লৈছিল। সি দৃঢ় প্ৰতিজ্ঞ হৈছিল ঃ মই যিহেতু নৃত্য ভালপাওঁ ইয়াৰ মাজেদিয়েই মই মোৰ চিনাকি গঢ়ি তুলিম।

সঁচাকৈয়ে, তাৰ সেই সিদ্ধান্তই তাক এক নতুন উদ্যম দিছিল। সেই সপোন বুকুত লৈ পাৰ কৰিছিল বিদ্ৰূপ তামাচাৰ তাৰ সময়বোৰ। আৰু এনেকৈয়ে সি এদিন সত্ৰীয়া নৃত্যৰ 'বিশাৰদ' লৈছিল। নিজৰ পঢ়া খৰচ উলিয়াবলে এবাৰ নে দুবাৰ ভ্ৰাম্যমান থিয়েটাৰতো নৰ্তকীৰ ভূমিকা লৈছিল। সপোনৰ বোকোচাত উঠি আকাশে এদিন তাৰ গাঁৱৰ ওচৰৰ একমাত্ৰ কলেজখনত নামভৰ্তি কৰিছিল। তাতো তাক সকলোৱে ছোৱালীৰ দৰে কথা ক'ব, নাচ বুলি জোকাইছিল। কিন্তু তেতিয়ালৈকে তাক সেই বিদ্ৰূপবোৰে চুব নোৱাৰিছিল। কলেজ সপ্তাহৰ প্ৰতিটো অনুষ্ঠানত সি জিলিকি উঠিল তাক জোকোৱা কেইটাইও সি মঞ্চত উঠিলে চাপি-কুচিয়াহি তাক উৎসাহ দিয়া হ'ল। তাৰ যেন সপোনবোৰে পাহ মেলি উঠিল- এনেকুৱাবোৰ দিনতে সি পঢ়া কলেজখনলৈ - 'নিউজ লাইভ' নামৰ বাতৰি প্ৰচাৰক চেনেলটোৰ বিখ্যাত অনুষ্ঠান 'দেওবৰীয়া আড্ডা' নামৰ অনুষ্ঠানটি অহাৰ যো-জা হ'ল। চাৰিওফালে উখল-মাখল... অনুষ্ঠানটিৰ 'এংক'ৰ জ্যেষ্ঠ সাংবাদিক অনুপম চক্ৰৱৰ্তীয়ে বা কি সোধে - আকাশৰ মন উগুল-থুগুল তাক অন্য এক পৰিচয় দিয়া তাৰ এই মৰমৰ কলেজখনে বাৰু 'নিউজ লাইভ'ৰ দৰ্শকক প্ৰভাৱান্বিত কৰিব পাৰিবনে?

সেইদিনা আগষ্ট মাহৰ ১২ তাৰিখ। কলেজলৈ দেউবৰীয়া আড্ডা নামৰ অনুষ্ঠানটি আহিল। সকলোৱে নাচি, কথা পাতি গাই অনুপম চক্ৰৱৰ্তীক মুগ্ধ কৰাৰ লগতে সমগ্ৰ দৰ্শকক ছাত্ৰ-ছাত্ৰীসকলে সন্মোহিত কৰিলে। তাৰ মাজত আকাশ জিলিকি উঠিল। সি নাচিলে, বিহু গালে, আৰু জাউৰিয়ে জাউৰিয়ে বিয়া নাম গাই সি সকলোৰে পৰিচিত হৈ পৰিল। সেই অনুষ্ঠানটোৰ পিছতে তাৰ জীৱনে গতি ল'লে। গুৱাহাটী মহানগৰৰ এজন প্ৰযোজকে আকাশক অনুষ্ঠানত দেখি তাক গুৱাহাটীলৈ মাতি পঠালে। তাৰ মনত বহুত চিন্তাই জুমুৰি দি ধৰিল। সি সিমান দূৰলৈ কেনেকৈ যাব। লুকিমাৰ কি হ'ব? তাইক গা কোনে ধুৱাব? তাইৰ প্ৰাত্যাহিক কামখিনিত কোনে সহায় কৰি দিব? আনহাতে তাৰ জীৱনলৈ অহা সুযোগটোও সি হেৰুৱাব বিচৰা নাই। ইতিমধ্যে অৱশ্যে তাৰ ককায়েকহঁতে সৰু সুৰা কাম বন কৰি ঘৰখন টনকিয়াল কৰিছে। মাকে আগৰ দৰে আনৰ ঘৰলৈ ধান দাবলৈ, ভূঁই ৰুবলৈ যাব নালাগে, সি মাকক লাহেকৈ তালৈ অহা সুযোগটোৰ কথা ক'লত মাকে একে আষাৰে ক'লে—

ঃ 'যা শুন্তি যা। তই লুকিমাৰ কথা চিন্তা নকৰিবি। তই তাইৰ বাবে বহুত কৰিলি এতিয়া তই তোৰ কথা চিন্তা কৰ।' আৰু লুকিমাই... তাই আনন্দত অধীৰ হৈ উঠিল। কাৰণ তাই জানে তাইৰ ককায়েকৰ সপোন, তাৰ আশা, হেপাঁহবোৰ, তাই চিঞৰি উঠিলঃ যা শুন্তি দা তই যা- তই শিকাই শিকাই মোক বহুত কাম নিজে কৰিব পৰা কৰিলি— মই পাৰিম শুন্তিদা তোৰ চকুৰে মই তোৰ সপোনৰ জগতখন জুমি জুমি চাম।

তাৰ পিচত আকাশ গুচি আহিছিল গুৱাহাটীলৈ বুকুত হাজাৰ সপোন, মনত সংশয়, প্ৰথম অৱস্থাত তাৰ অলপ দিগদাৰ হৈছিল, কাৰণ এইখন জগত তাৰ পৰিচিত নহয়, গ্লেমাৰ সৰ্বস্ব এই জগতখনত সি উজুটিও খাইছিল কিন্তু তাৰ সপোনে তাক সাহস দিছিল। মাক, ককায়েক আৰু ভনীয়েকৰ অভয়ে তাক অভয় প্ৰদান কৰিছিল। এতিয়া সি সকলোৰে বাবে পৰিচিত, ব্যস্ত কৰিঅ'গ্ৰাফাৰ আকাশদ্বীপ বৰুৱা। তাৰ হাতত বহুত কাম। সি লাহে লাহে গুৱাহাটীত এটি সৰুকৈ ফ্লেট ল'লে আৰু তাৰ মাক আৰু ভনীয়েকক লৈ আহিল। লুকিমাক দেৰিকৈ হ'লেও 'ব্ৰেইলি' শিকালে। কামৰ ব্যস্ততাৰ পাচত যেতিয়া সি ঘৰলৈ ঘূৰি আহি মাকে যতনাই দিয়া ভাত কেইটা খায়, সি যে আগৰ আকাশটো হৈ পৰে।

ঃ দাদা। সি চক্ খাই উঠিল, সি কেতিয়া আহি বেলকনি পালেহি সি ক'বই নোৱাৰে, লুকিমাই মাতিলতহে টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে খপজপাই উঠিল। লুকিমাই ক'লে —

ঃ শুন্তিদা - যা আক' ৰেডি হ'গৈ, আজি তোৰ বাবে, আমাৰ বাবে কিমান যে ডাঙৰ দিন। তোক আজি প্ৰাগ্‌চিনে এৱাৰ্ডে এই বছৰৰ শ্ৰেষ্ঠ কৰিঅ'গ্ৰাফাৰ সন্মানেৰে সন্মানিত কৰিছে - সচাঁই কালি 'প্ৰিয়দৰ্শিনী'ৰ চেটত ড° উজ্বল হাজৰিকাই তাক ফ'নত এই খবৰটো দিয়াৰে পৰা এতিয়ালৈকে সি যেন বেলেগ এখন জগতত বিচৰণ কৰিছিল। সি লুকিমাৰ কপাঁলত চুমা এটা আঁকি দিলে আৰু আৰু লৰালৰিকৈ গা-ধুই গোসাঁইঘৰত সেৱা কৰিবলৈ গৈ দেখে মাকে একান্ত মনে চাকি বন্তি দি প্ৰাৰ্থনা কৰি আছে। সি গৈ ভগৱানৰ আগতে মাকক সেৱা কৰিলে। মাকে তাৰ মুৰত হাতখন থৈ উচুপি উঠিল ... আৰু আটাই কেইটাই খৰধৰকৈ ব্ৰেকফাষ্ট কৰি তাৰ মৰমৰ 'ছুইফট ডিজায়াৰ'খনত মাক আৰু ভনীয়েকক উঠাই আগবাঢ়িল গুৱাহাটীৰ 'মাছখোৱা সাংস্কৃতিক প্ৰকল্পলৈ...।'

# তুমি এক মিঠা সুৰাস

ৰেখা মিলি
ৰাজনীতি বিজ্ঞান বিভাগ

মাথোঁ দিয়া এমুঠি নিভাঁজ মৰম য'ত নাথাকে অকণো কৃত্রিমতাৰ প্রলেপ। বহুত দেখুৱালা সপোনৰ বালিঘৰ। কিন্তু কিয় দি গ'লা প্রেমৰ দুৰ্যোৰ প্ৰতাৰণা, প্ৰতিশ্ৰুতি...। যি প্ৰতিশ্ৰুতিয়ে মোহাৰি নিয়ে হৃদয় আৰু ই ৰূপান্তৰিত হয় এক অনামী ৰোগত। যাৰ কোনো নিৰ্মলৰ ঔষধ নতুবা চিকিৎসক নাই। মাথো মানসিক দৃঢ়তাই ইয়াৰ উপায়।

ৰুমী এজনী মহাবিদ্যালয়ত পঢ়ি থকা সহজ-সৰল ছোৱালী। ঘৰৰ আৰ্থিক দিশত জুৰুলা যদিও ৰুমী পঢ়া শুনাত অত্যন্ত মেধাবী। মাক-দেউতাকে হাড় ভঙা পৰিশ্ৰম কৰি তাইৰ বাবে পঢ়াৰ খৰচৰ যোগাৰ কৰে। তেওঁলোকেৰ বাবে তাই হৈছে জীৱনৰ পোৱা-নোপোৱাৰ সকলো। তেওঁলোকৰ বাবে আশাৰ ৰেঙনি তথা পোহৰৰ জোনাকী পৰুৱা। নোপোৱাৰ বেদনাকো কাটি কৰি তাইক লৈ যেন কিবা এটা পোৱাৰ আশা কৰিছিল। সেয়াই ছাগে মাক-দেউতাকে আশা কৰে সন্তানৰ সাফল্য। চাব বিচাৰে উচ্চৰ পৰা উচ্চতম শিখৰত পেলোৱা সাফল্যৰ খোজ।

দুদিনমানৰ পিছৰে পৰা ক্লাছবোৰ আৰম্ভ হ'ব। গতিকে ৰুমী ক্লাছ কৰিবৰ বাবে গুচি আহিল মৰমৰ ঘৰখন, হেপাঁহৰ মাক-দেউতাকক এৰি হোষ্টেললৈ বুলি...। তেওঁলোকৰ কষ্ট সাৰ্থক কৰিবলৈ খুব একাগ্ৰতাৰে পঢ়া শুনা কৰিবলৈ ধৰিলে।

হোষ্টেলৰ এটাই মাথো লেণ্ড লাইনৰ টেলিফোন। তাৰ যোগেদিয়ে সকলো আৱাসীয়ে যোগাযোগ কৰে ঘৰখনৰ লগতে আত্মীয়জনৰ লগত। দিনটো সকলো কলেজতেই ব্যস্ত। আবেলি সময়কণেই সিহঁতৰ বহুত আনন্দৰ সময়। কিয়নো এই সময়কণতেই কাৰোবাৰ ফোন আহে মাক-দেউতাকৰ নতুবা কাৰোবাৰ ফোন আহে প্ৰেমিক বন্ধুৰ। এই সময়ছোৱা ৰুমীৰ মনটো উকা উকা যেন লাগি থাকে। দিন হাজিৰা কৰা মাক-দেউতাকে তাইলৈ ফোন কৰিবলৈ আহৰিয়ে নাপায়। তাইক যেন নিসংগতাই আক্ৰমণ কৰি থাকে আৰু তাই যেন বাৰে বাৰে পৰাজিত হয়। তাইৰ অনুভৱ হয় তাই বাৰু প্ৰেমিক বন্ধুৰ সহাৰি বিচাৰিব নেকি? নাই নাই কেতিয়াও কাৰো প্ৰেমত পৰিব নিবিচাৰে। তাইৰ ভয় হয় কিজানি মাক-দেউতাকে মনত আঘাত পায়।

ছেমিষ্টাৰৰ পৰীক্ষাসমূহ হৈ আছে। তাই প্ৰতিটো ছেমিষ্টাৰতে ভালদৰে পাছ কৰি আহিছে। এইবাৰ তৃতীয় ছেমিষ্টাৰ। অধিক মনোযোগে পঢ়া-শুনা কৰিবলৈ ধৰিলে। তাই যেন পঢ়া-শুনা কৰাটোৱেই একমাত্ৰ কৰ্তব্য বুলি ভাবে। কাৰণ তাইৰ সপোন, আশা-আকাঙ্খ্যা তাৰ লগতেই জড়িত হৈ আছে।

কিন্তু তাই যেন আজি কালি এক অনামী আকাঙ্খাত ডুবি থাকে। সুৱাস যেন লগা এক অনুভৱ। কাৰোবাৰ যেন মায়া লগা চাৱনি আৰু হৃদয় খুলি খুলি খোৱা এটি মিচিকীয়া হাঁহি...। সঁচাকৈয়ে তাই বন্ধু অবিনাশৰ প্ৰেমত পৰিছে নেকি? কিয় তাক দেখিলেই তাইৰ ভাল লাগি যায়। আৰু সিও তাইক চাবলৈ কেনণ্টিন, লাইব্ৰেৰী আদি সকলোতে ভুমুকিয়াই ফুৰে। সিহঁতৰ ফাইনেল ইয়েৰ পাইছেহি; ভালদৰে দুয়োৰে পঢ়া-শুনা কৰিবলৈ ধৰিলে। আৰু এদিন দুয়ো সুখ্যাতিৰে বি.এ. পাছ কৰিছিল। কলেজৰ পৰা সিহঁত ওলাই গ'ল কিন্তু কোনেও যেন কাকো মনৰ কথাটি কোৱা নহ'ল। মনৰ মাজতেই থাকি গ'ল দুয়োৰে হাজাৰ ভাৱনা...।

ইতিমধ্যে তাইৰ ঘৰত বিয়াৰ প্ৰস্তাৱ আহিছে। তাই মাক-দেউতাকৰ হিয়াৰ আমঠু যদিও এখন ভাল ঘৰৰ এজন উপযুক্ত ল'ৰাৰ বিয়াৰ প্ৰস্তাৱ আহিছে। তেওঁলোকে তাইৰ বিয়াৰ কথা ইমান সোনকালে চিন্তা কৰা নাছিল যদিও মাক-দেউতাকে আৰ্থিক দিশত অসুবিধাত পৰি বিয়া দিবলৈ মান্তি হৈছিল। সৰুৰে পৰা তাই অভাৱৰ মাজতেই ডাঙৰ হৈছে আৰু মাক-দেউতাকৰ অসীম কষ্টৰ কথা দেখি আহিছে। সেয়ে তেওঁলোকৰ কথা মতে বিয়াত বহিবলৈ ৰাজী হৈছিল।

কন্যাৰ ঘৰত তামোল পাণ পেলোৱাৰ দিনা বিছনাত পৰি হিয়া ঢাকুৰি কান্দিছিল। অবিনাশৰ মুখখন তাইৰ চকুতে বাৰে বাৰে ভাহি থাকিল। তাই সেই ধুনীয়া হাঁহিটো, মায়াবী মায়াবী সেই চকুৰ চাৱনিটোৱে তাইক খাবলৈ, শুৱলৈ নিদিয়া হ'ল। তাই বাৰু অবিনাশক ক'ব দিব নেকি? তাইৰ প্ৰস্তাৱ জানো সি গ্ৰহণ কৰিব? যদি নকৰে? যদি সি তাইৰ কথাটো মানি লয় তেন্তে তাইতো তালৈ চিৰদিনৰ কাৰণে গুচি যাব লাগিব। মাক-দেউতাকৰ মান সন্মানক গছকি মুহুৰি পেলোৱা হ'ব। গতিকে তাই কেতিয়াও মাক-দেউতাকৰ মনত আঘাত দিব নোৱাৰে। তাইৰ বাবে অবিনাশৰ স্বপ্ন অসম্ভৱ।

আজি ৰুমীৰ আঙঠি পিন্ধাই থৈ যোৱাৰ কথা তাইৰ মনটো প্ৰচণ্ড উচ-পিচনিত যেন লুকা-ভাকু মেলি আছে। হৃদয়খন বেদনাসিক্ত হৈ পৰিছে। হৃদয়খন যেন উকা উকা লাগি আছে। তাই যেন অবিনাশক চিৰ দিনৰ বাবে হেৰুৱাব। তাই আৰু কোনোদিনে অবিনাশৰ নহয়। তাৰ কথা ভাবি ভাবি তাইৰ হৃদয়খন আইনাখন দৰে ভাঙি চূৰ্ণবিচূৰ্ণ হৈ গ'ল।

হঠাৎতে অপত্যাশিতভাৱে এটা খবৰ আহিল। হবলগীয়া ভাবী স্বামীৰ পথ দুৰ্ঘটনা। ইতিমধ্যে তেওঁক মেডিকেলত ভৰ্তি কৰোৱা হৈছে। তাইক অতি সোনকালে মাতি পঠালে। ল'ৰাটো অতি সংকটজনক অৱস্থাৰ সৈতে যুজি আছিল মাথোঁ তাইৰ শেষ হাঁহিটো চাবলৈ। মেডিকেলত গৈ পাইয়ে যেন তাই মূৰত আকাশখন চপৰা চপৰকে খহি পৰা যেন লাগিল। তাইৰ হৃদয়খন জহি খহি গ'ল। তাই ক'ব নোৱাৰাকৈ মূৰ গুৰাই পৰিল। তাইৰ যেন হবলগীয়া মনৰ মানুহজন আন কোনো নহয়। তাইৰ প্ৰেমিক, অবিনাশ বৰুৱা অবিনাশ বৰুৱা এই পৃথিৱীৰ পৰা একেবাৰে গুচি গ'ল চিৰদিনৰ বাবে...। কিমান যে দুৰ্ভগীয়া ৰুমী। শিৰত সেন্দুৰ নৌদিওঁতেই শিৰৰ সেন্দুৰ মচ খাই গ'ল চিৰদিনৰ বাবে...।

নিয়ৰ টোপাল সৰিব যিদৰে
চকুৰ পানী পৰিব তেনেদৰে অনন্ত কাললৈ
তুমি যদি আঁতৰি যোৱা চিৰদিনৰ বাবে...।

# মুখা

**বিতুপন বৰুৱা**
**পদাৰ্থ বিজ্ঞান বিভাগ**

পথাৰৰ সিটো মূৰৰ ডুব যাব খোজা বেলিটিৰ সেন্দুৰবুলীয়া ৰঙটো ঘৰমুৱা শৰালি হাঁহ কেইজনীৰ পিঠি কেইখনত ছিটিকি পৰিছে। গাঁৱৰ এমূৰীয়া নামঘৰটোৰ বৰডবা কেইটাৰ শব্দৰ ভক্তিৰ মোহছন্দই, সেন্দুৰবুলীয়া ৰঙবোৰ যেন বেছি উজ্জ্বল কৰি তুলিছে। এক বুজাব নোৱাৰা উৎফুল্লিত মাদকতাবোৰ সুৰ হৈ, একেথৰে নঙলা কেইডালত ধৰি বেলিটিলৈ চাই ৰোৱা নিমাতীৰ কাষেদিয়ে পাৰ হৈ গ'ল। আনন্দমিশ্ৰিত ভক্তিৰ শিহৰণত মনটো যেন একেবাৰেই পৱিত্ৰ হৈ পৰিল।

সুখ-আনন্দ ভাল পাই নিমাতীয়ে। এমোকোৰা মৰমীয়াল হাঁহিৰে বিলীন হৈ যাব খোজে সেউজীয়া গানৰ মাজত, সপোন ৰচে, নাচে...। কিন্তু বাৰে বাৰে তাই থমকি ৰ'ব লগা হয় নাজানে কিয় সেই অসাৰ্থকতা, নাজানো কিয় তাই লক্ষ্যভ্ৰষ্ট দিক্‌হীন পক্ষী...। সেই অতীত, এই বৰ্তমান সকলোৱেই তাইৰ বাবে বিৰোধী, তাই যেন অপদাৰ্থ।

আজি ন বছৰে নিজৰ তেজটোপা আৰু পোনাকনটোৰ বাহিৰে কাকোৱে বিশ্বাস কৰা নাই তাই। বিশ্বাসৰ থিয় গৰাত থিয় দি পিছল পৰাৰে পৰা, সকলো বিশ্বাসৰ বান্ধোন যে অস্তিত্বহীন হৈ গ'ল। সেয়ে হয়তো আজি এই নন্দনীয় আনন্দময় মূহূৰ্ততো বাৰে বাৰে মনলৈ আহিছে ভাঙি যোৱা সপোন আৰু আশাৰ দুখুৰীয়া পৃষ্ঠা।

ক'ব নোৱাৰাকৈয়ে দুচকুৰ লোতকবোৰ বাহৰি পৰিল নিমাতীৰ। আনন্দৰ মাজত সঘনেই উপস্থিত হয়হি তাইৰ ভয়ংকৰ অতীত। কিয় জানো সোঁৱৰিব নোখোজা অতীতটোৱে বাৰে বাৰে দোমোজা দি ধৰেহি তাইক...। হাজাৰ পাহৰিব খুজিও পৰা নাই। আনন্দই দি যোৱা মূল্যায়ন...। মাজে মাজে তাইৰ বিদ্ৰোহী হৈ উঠে। বিদ্ৰোহ কৰিব তাই সেই বৰ্বৰতা, সেই নিষ্ঠুৰ বিশ্বাসঘাতকতাৰ ওপৰত সঘনেই উথলি উঠে তাই। সমাজত তাই নিজকে স্বীকৃতি দি পৰিচয় দিব যে তাই মানুহ। কিন্তু হঠাৎ যেন স্মৃতিৰ কলংকিত পৃষ্ঠাবোৰে জঠৰ কৰি পেলায়। তাই যদি পুনৰ বিশ্বাসঘাতকতাৰ চিকাৰ হয়। তাই আন্দোলন কৰিব, যুঁজ দিব সঁচা, কিন্তু কাৰ সাহসত, কাৰ প্ৰেৰণাত, কাৰ উৎসাহত...? পুনৰ যদি তাই বিশ্বাসঘাতকতাৰ বলি হয় তেন্তে তাইৰ জীয়াই থকাৰ অৰ্থ, সকলো হেৰুৱাইও নতুনকৈ গঢ়িব খোজা জীৱনটোৰ মূল্য, পোনাকণটোৰ ভৱিষ্যত...।







বহুতো সপোন আৰু আশাৰ টোপোলা বান্ধি প্ৰথমবাৰ গান গোৱাৰ এটি প্ৰৱল ইচ্ছাৰে মঞ্চত ভৰি দিছিল। তেতিয়া তাইৰ বয়স ১৫ বছৰ। কোমল দৰদী কণ্ঠৰে সকলোৰে মন মুহি সবাৰে আগত জিলিকি উঠিল। জনতাৰ হৃদয় জিনি তাইৰ সপোন দলিচাত প্ৰথমটো খোজ সফলতাৰে পাৰ কৰিলে। তাইৰ বিশ্বাস যেন গভীৰ হৈ পৰিল তাই গান গাব, জনতাৰ বাবে গাব, দেশৰ বাবে...।

তাইৰ সুখ্যাতি সকলোতে বিয়পি পৰিছিল। তাই পঢ়া বিদ্যালয়ৰ তৰফৰ পৰা তাইক বছৰৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মান দিয়া হৈছিল। কিন্তু দৰিদ্ৰতাৰ কঠোৰ গ্ৰাসত যেন তাইৰ সকলো সপোন ভাঙি ছিঙি থান-বান হৈ হ'ল। সৰুতেই ঘাটমাউৰা হোৱা নিমাতীৰ আপোন বুলিবলৈ মোমায়েকৰ বাহিৰে আৰু কোনোৱে নাছিল। সাধাৰণ খেতিয়ক মোমায়েকে তাইক গান গাবলৈ প্ৰয়োজন হোৱা নূন্যতম সুবিধাকনো দিব পৰা নাছিল। তাই যে দৰিদ্ৰতাৰ কবলত পৰি দিকহাৰা হৈ পৰিছিল। দয়াৰ পৰৱশ ঈশ্বৰৰ চকু যেন নিমাতীৰ কণ্ঠত বিৰাজ কৰিলে। তাইৰ অধ্যয়নত স্কুলৰে বিজ্ঞান শিক্ষাজনে তাইক সহায় কৰিবলৈ আগবাঢ়ি আহিল। তাই যিদিনা আনন্দত, আত্মহাৰা হৈ পৰিছিল। তাইৰ সপোনে নতুনকৈ পোলা মেলিছিল। আশাবোৰ যেন সজীৱ হৈ পৰিছিল।

এদিন নগৰমুখী হ'ল তাই। বহুকেইটা এলবামৰ লগতে মঞ্চত গীত পৰিবেশন কৰি জনপ্ৰিয় গায়িকা হৈ পৰিছিল তাই। ঈশ্বৰ যেন সেই শিক্ষকজনক তাই সকলোতকৈ শ্ৰেষ্ঠ ব্যক্তি বুলি সন্মান কৰিছিল। যিজনৰ উৎসাহ আৰু সাহসত তাই আজি এই পৰ্যায় পালেহি তেওঁ তাইৰ বাবে ঈশ্বৰ তুল্য—। ধন্য মহাশয়, তাই যেন বাৰে বাৰে তাকেই সোঁৱৰিছিল।

কিন্তু ক'ব নোৱাৰাকৈয়ে যেন চকুৰ লোতকবোৰ বাগৰি আহিছে— অতীতৰ ভয়ংকৰ শিহৰণত। কিয় জানো সোঁৱৰিব নোখোজা অতীতটোৱে বাৰে বাৰে দোমোজা দি ধৰেহি তাইক? হাজাৰ পাহৰিব খুজিও পৰা নাই আনন্দই দি যোৱা ফলাফল।

কিন্তু সেই সফলতাই কাল হৈ পৰিল তাইৰ বাবে। মহান গুৰু যেন সেই চিৰ শুভকাংক্ষীৰে কামনাৰ বলি হ'ব লগা হ'ল। কল্পনাৰো অগোচৰ, যাক তাই ঈশ্বৰ যেন জ্ঞান কৰিছিল, যাক তাই সকলোতকৈ ভাল পাইছিল, সেই গুৰুৰে কামনাৰ তীব্ৰতাই তাইক চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে। তাই ধৰ্ষিতা হ'ল। তাই অপবিত্ৰ হ'ল—।

নগৰ এৰি গাঁৱলৈ গুচি আহিল তাই। কথাটো তাই লুকুৱাই ৰাখিব খুজিলেও যেন বিধাতাই নিদিলে তাইক। সেইদিন ধৰি সেই পিশাচ-ৰূপী মানুহটো যে বিলীন হৈ গ'ল ক'ৰবাত। এদিন তাই মাক হ'ল, এই সন্তানৰ। নোহোৱা নোপোজা অবৈধ্য সন্তানৰ মাতৃ নিমাতীক গাঁৱত কোনোৱে গ্ৰহণ নকৰিলে, আনকি মোমায়েকেও। এঘৰীয়া কৰি দিলে নিমাতীক।

সকলো সপোন ভাঙি থান-বান হৈ গ'ল তাইৰ। একমাত্ৰ সন্তানটোক লৈ দিন হাজিৰা কৰি পেট প্ৰৰ্বতোৱা আজি ন বছৰ হ'ল। তথাপিও তাই আশাবাদী, তাই সমাজত নিজকে স্বীকৃতি দিব। তাই গান গাব—। কিন্তু, নাই, তাই সংগ্ৰাম কৰিব। কঠোৰ, সংগ্ৰাম, 'সংগ্ৰাম..., সেই কঠোৰ সংগ্ৰাম কৰিম...।' কান্দি কান্দি স্বতঃস্ফুত ভাবেই চিঞৰি উঠিল নিমাতীয়ে।

# মৃধ্যা নামৰ ছোৱালীজনী

মাধুৰ্য্যা গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

ঘড়ীত তেতিয়া ১১ টাৰ ঘণ্টা পৰিছে। ঘণ্টাৰ মাতত সচকিত হ'ল মৃধ্যা। ভাত খাই উঠি কিমান সময় যে টেবুলত কিতাপ মেলি আত্মবিভোৰ হৈ আছিলে ঘড়ীত ঘণ্টা পৰাতহে অনুমান কৰিব পাৰিছে তাই। হঠাৎ কিবা ভাবি টেবুলৰ ড্ৰয়াৰৰ পৰা অতদিনে আধা লিখা হৈ থকা তাইৰ ডায়েৰীখন উলিয়াই ল'লে। তাইৰ খং অনুভূতি, ভাৱনা সকলো আৱদ্ধ কৰি ৰখাৰ একমাত্ৰ মাধ্যম। হৈছে তাইৰ ডায়েৰীখন। ডায়েৰীখনেও নীৰৱতাৰে সহ্য কৰি থাকে খণ্ডত দিয়া তাইৰ কলমৰ হেঁচা, উপচি পৰিব ধৰা মুকুতামণি সদৃশ চকুপানীৰ টোপালবোৰ। কিন্তু কোনোদিনেই সম্পূৰ্ণতা লাভ নকৰে তাইৰ ডায়েৰীৰ পৃষ্ঠাবোৰে। সেয়েহে আজি সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি লৈছে যেন তাই, মনৰ মাজত। প্ৰায়বোৰ কামৰে তাইৰ অসম্পূৰ্ণতা, অৱহেলা এইবোৰ আজি তাইৰ পথৰ হেঙাৰ হ'ব নোৱাৰে। আজি যদি তাই পিছহুহোকে তেন্তে মৃধ্যা হৈ থকাটো তাইৰ পক্ষে কষ্টকৰ হ'ব। হয়তো কোনোদিন তাই মৃধ্যা হৈ তিষ্ঠি থাকিব নোৱাৰিব। কেনেকৈ পাৰিব? সাধাৰণ নাৰীৰ স্বাভাৱিক প্ৰকৃতিৰ দৰে এদিন এজনী মধ্যবৃত্ত ঘৰৰ জী হিচাপে সমাজৰ লগত খাপ খোৱাকৈ থাকিব লাগিব, এদিন কাৰোবাৰ ঘৰৰ বোৱাৰী হৈ সন্মান ৰক্ষা কৰিব লাগিব আৰু এদিন কোনো অজ্ঞান সন্তানৰ মাতৃ হৈ, সন্তানৰ সুখত সুখী, দুখত দুখী হৈ পৰিব লাগিব। পাৰিব জানো তাই এই সকলোবোৰৰ উৰ্ধত কেৱল মৃধ্যা হৈ থাকিব? তিষ্ঠি থাকিব জানো তাইৰ নিজৰ অস্তীত্ব? তাইৰ নিজস্বতা বুলি কিবা এটা? এই প্ৰশ্নই আজিৰ আগতে কাহানিও তাইৰ মনত থিতাপি লোৱা নাছিল। থিতাপি ল'বলৈ সুযোগেই পোৱা নাছিল হয়তো। আজি হঠাতে কোনটো সুৰুঙাই দিনো আহি এই প্ৰশ্নই তাইৰ মনত আলোড়নৰ সৃষ্টি কৰিলেহি তাই গমেই নাপালে।

আজি ১৩ ছেপ্তেম্বৰ আৰু মাত্ৰ এঘণ্টা সময় বাকী তাইৰ জীৱনৰ ওঠৰতা বছৰ পৰা কৰি উনৈশৰ দুৱাৰ দলিত থিয় দিবলৈ আৰু ওঠৰৰ এই শেষ নিশা তাইৰ মনৰ সকলো কথা, ডায়েৰীত লিখি মনটো পাতলাব বিচাৰিছে; যাতে প্ৰতিটো পুৱাই সৃষ্টি কৰা এখন নতুন যুদ্ধত তাই মনে মনে থাকিব পাৰে। কাৰণ তাই ভালদৰে জানে তাইৰ প্ৰতিবাদ, তাইৰ বিপৰীত ভাবনা, মন্তব্যই ঘৰত অশান্তিৰ বাদে একো নিদিয়ে। কেৱল নিজৰ সুপ্ত খং, অনুভূতিবোৰ ব্যক্ত কৰিবলৈহে ডায়েৰীখনৰ সহায় বিচাৰিছে তাই। আৰু ডায়েৰীখনেও অন্তৰংগ বন্ধুৰ দৰে মৌনতাৰে তাইৰ অনুভৱবোৰ সংৰক্ষণ কৰি গৈ আছে।

মৃধ্যা বৰ্তমান এজনী পূৰ্ণ যৌৱনা, চঞ্চলা, ছোৱালী। যৌৱনৰ বৈশিষ্ট্য তাইৰ দেহ মনত ভালকৈ ফুঁটি উঠিছে। সেয়েহে হয়তো তাই নিজকে সৰু বুলি ভাবিলেও আনে সৰু বুলি নেভাবে। নভবাটোৱেই স্বাভাৱিক। তাই ডাঙৰ হৈছে দৈহিক আৰু মানসিক দুই দিশে। সেয়েহে তাইক সৰু বুলি গ্ৰহণ নকৰা হৈছে কোনেও।

যৌৱন'... মৃধ্যাৰ মূখৰ পৰা নিজে নিজে সৰি পৰিল শব্দটো। পুনৰ সোমাই পৰিল তাই পূৰ্বৰ গভীৰতাৰ গৰ্ভত। পুনৰ আৰম্ভ কৰিলে লিখনিৰ গতি।

কিমান যে পোৱা হেৰুওৱাৰ কাল, এহাতে দৃঢ় বন্ধুত্ব, নিজস্ব চিন্তা, আত্মবিশ্বাস আৰু লগতে এক নতুন অনুভৱ, মনত নতুনকৈ জাগ্ৰত হোৱা এক অজান শিহৰণ লাভ আৰু আনহাতে ঘৰৰ মানুহৰ সন্দেহ আৰু অবিশ্বাসৰ চাৱনিৰ সন্মুখীন। কেৱল ঘৰৰে নহয়, সমাজৰ প্ৰায়বোৰ লোকৰ। সমাজৰ প্ৰায়বোৰ কথাৰে ভ্ৰক্ষেপ নকৰে মৃধ্যাই। কাৰণ সমাজেতো তাইক ভালদৰে নাজানে, সমাজৰ সকলো ব্যক্তিয়েতো জন্ম দিয়া নাই তাইক, জন্ম দিছে তাইৰ মাক-দেউতাকে। কিন্তু সমাজৰ বাবেহে জন্ম যেন তাইৰ, সকলোৰে। সমাজ বিৰোধী নহয় তাই, কিন্তু সমাজৰ প্ৰতিটো কথাৰে বাধ্যও নহয়। সমাজৰ কোনো ব্যক্তিৰ সন্দেহৰ চাওনি, মন্তব্যলৈ ভ্ৰক্ষেপ নকৰে তাই। ভ্ৰক্ষেপ কৰে মাক-দেউতাকৰ সন্দেহ আৰু ভয় বিলীন চাৱনি ঘুৰিৰ। আহ!! কি যে মাৰাত্মক এই দৃষ্টি। কিমান যে অসহ্যকৰ... তাইৰ অন্তৰখন দহি পুৰি যায় যেন। চিঞৰি চিঞৰি প্ৰশ্ন কৰিব খোজে তাইৰ হৃদয়ে, কিয় এই অবিশ্বাসৰ চাওনি তাইলৈ? তাই জানো মাক-দেউতাকৰে এটা অংগ নহয়? জীৱনৰ জটিল সময়ত সঠিক পথক বিচাৰি উলিয়াবলৈয়ে জানো তাইৰ এই ওঠৰ বছৰৰ শিক্ষা যথেষ্ট নহয়? তাইক সন্দেহ কৰা মানে জানো মাক-দেউতাকৰ নিজৰ ওপৰত সন্দেহ কৰা নুবুজায়? ঘৰখনে ইমান দিনে দিয়া সেই শিক্ষাৰ অবিশ্বাস যোগ্য নহয়?? আৰু যে কিমান প্ৰশ্নই তাইক আৱৰি ধৰে। কাঁইটে বিন্ধা দি কেনেকৈ যে তাইক বিন্ধে এই প্ৰশ্নবোৰে। কেতিয়াবা ধৈয্যৰ বান্ধ চিঙি উলাই পৰিব খোজে মনত সাঁচি খোৱা তাইৰ আক্ষেপসমূহ; কিন্তু ঘৰৰ মানুহৰ বিপৰীত অনুভৱ, মন্তব্যই পুনৰ ঠেলি পঠিয়াই তাইক পূৰ্বৰ অৱস্থালৈ। মনটো যেন চাটি মাৰি ধৰে এখন কলা আৱৰণে। মৌনভাৱে বৈ যায় তাইৰ লগতে তাই প্ৰকাশ কৰিবলৈ লোৱা সকলো অনুভূতি। চূৰ্ণ-বিচূৰ্ণ হৈ পৰে তাইৰ আত্মবিশ্বাস... ।

ৰাতিৰ গভীৰতাত গভীৰ হৈ পৰিল মৃধ্যা। চলচলীয়া হৈ পৰিল তাইৰ সৰু চকু ঘৰি। অলপ আগতে খণ্ডত একো নজনা হৈ পৰা মৃধ্যা এতিয়া যেন আৱেগিক হৈ পৰিছে। সাক্ষী হৈ ৰৈছে ডায়েৰীৰ প্ৰতিখিলা পৃষ্ঠা।

হয়! মৃধ্যা আগতকৈ চঞ্চল হৈছে, মাজে সময়ে মিছা কথা ক'ব লগাত পৰিছে, কলেজৰে এটা ল'ৰাৰ বাবে অনুভৱ কৰিব লৈছে এক বিশেষ আৱেগ... যাক চাবলৈ তাইৰ চকু আৰু মন নিতৌ ব্যাকুল হৈ পৰে। তাই জনা মতে এইটো বয়সতে তাইৰ মাক-দেউতাকো বান্ধ খাইছিল প্ৰেম নামৰ এক এনাজৰীৰ বান্ধোনত, তেন্তে তাই জানো প্ৰকৃতিৰ এই সত্যতাৰ ব্যতিক্ৰম হ'ব পাৰিব? সময় পৰিৱৰ্তন হৈছে, ল'ৰা-ছোৱালীয়ে নতুন সমস্যাৰ, নতুন পৰিস্থিতিৰ সন্মুখীন হৈছে। কিন্তু এই সমস্যাসমূহৰ সমাধানসমূহ জানো ল'ৰা-ছোৱালীক দিয়া শিক্ষাৰ ওপৰত নিৰ্ভৰশীল নহয়? মাক-দেউতাকৰ দেহৰ অংগৰ দৰে মাক-দেউতাকৰ চিন্তা, অনুভৱ, দৃষ্টিৰো অংগ নহয় জানো সন্তান? মাক-দেউতাকৰ কৰ্ম, ভাবনাৰেটো প্ৰতিফলিত ৰূপ সন্তান...। মহাভাৰতত পাণ্ডু আৰু ধৃতৰাষ্ট্ৰৰ ভাৱনা, দৃষ্টিৰ যৎকিঞ্চিত হ'লেও প্ৰভেদ থকাৰ বাবেই জানো কৌৰৱ আৰু পাণ্ডৱৰ মাজত ইমান বৃহত্তৰ ব্যৱধান দেখা নগৈছিল।

মৃধ্যাক তাইৰ ঘৰখনে বহুত দিছে... উপযুক্ত শিক্ষা, মৰম, অনুশাসন সকলো হিচাপ মতেই পাইছে তাই। ঘৰৰ শিক্ষাৰ বাবেইতো তাই চঞ্চল হ'লেও সকলো চালি জাৰি চাব পৰা হৈছে। সন্মুখীন হোৱা কিছুমান সমস্যাত ধৈৰ্য্যসহকাৰে সিদ্ধান্ত লব পৰা হৈছে। তাই বহু পৰিমাণে কৃতজ্ঞ তাইৰ ঘৰখনৰ। সেইবাবেই প্ৰতিবাদৰ বিপৰীতে মৌনতাৰ পথ অৱলম্বন কৰি ভাল পাইছে।

ঘৰৰ পৰা একো বিশেষ নিবিচাৰে তাই। সকলোৱেই পাইছে তাই। মাথো হেৰুওৱা বিশ্বাসকণ ঘোৰাই বিচাৰে। তাই সেইটো দিনলৈ আশা কৰি আছে যিদিনা তাইৰ দৃষ্টিক ঘৰখনেক গ্ৰহণ কৰিব। অবিশ্বাসৰ চাৱনিৰ পৰিৱৰ্তে গঢ় লব এক নতুন চাৱনি, গৌৰৱৰ চাৱনি। তাইৰ বিশ্বাস, সেই দিনটোলৈ আৰু বেছি ক্ষণ নাই।

হঠাৎ ঘড়ীত ১২টাৰ ঘণ্টা বাজি উঠিল। এটা নতুন দিনৰ আৰম্ভ হ'ল। মৃধ্যাই জীৱনৰ ১৮টা বছৰ অতিক্ৰম কৰি উনৈশ বছৰত ভৰি দিছে। আৰু লগতে আৰম্ভ কৰিছে যেন এক নতুন যাত্ৰাৰ, এক নতুন আশাৰ...।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

# প্ৰাপ্তি

উপাসনা গগৈ
স্নাতক দ্বিতীয় ষান্মাসিক

ৰংপুৰ গাঁৱৰ ধনীৰাম বৰুৱা মাষ্টৰৰ ছোৱালী আছিল নীলা বৰুৱা। নীলাই গুৱাহাটী কলেজৰ পৰা বি.এ. পাছ কৰি আহি এতিয়া ঘৰৰ ওচৰৰ এল.পি.স্কুল এখনতে চাকৰিত সোমাইছে। তাই যেতিয়া গুৱাহাটীত পঢ়ি আছিল তেতিয়া তাই চহৰৰ যিটো পৰিবেশ সেই পৰিৱেশৰ লগত খাপখোৱা যিবোৰ ফেচন আৰু মডেলৰ সাজপাৰ সেইবোৰ পৰিধান কৰিছিল। তাই দেখিবলৈও সিমান বেয়া নাছিল। যিকোনো ৰঙৰ পিন্ধিলেও তাইক ধুনীয়াই দেখে। কিন্তু সেয়া চহৰৰ পৰিৱেশ আছিল। তাইটো এতিয়া চহৰত নাই, এতিয়া তাই গাঁৱৰ স্কুলত মাষ্টৰণী কৰে। নীলাই সদায় স্কুললৈক যাওঁতে দোকান এখনৰ আগেৰে যায়। সেই দোকানখন গাঁৱৰে ডেকা ৰমেনৰ হয়। কিন্তু কিছুদিনৰ পৰা সি নীলাক লক্ষ্য নকৰাও নহয়। কিন্তু, কিয় জানো? নীলাক আজিলৈকে কোনেও ভালপোৱাৰ প্ৰস্তাৱ দিয়া নাই। তাইটো একো ফালেই বেয়া নাছিল, তাই সকলো দিশতে আগবঢ়া আছিল। ৰমেনে দোকানখন খুলি থলে, কেতিয়াবা ওচৰৰ ল'ৰাবিলাক গোটখাই বহি থাকে। যদি কেতিয়াবা নীলা সেইফালে যায়, তেতিয়া তাইক ল'ৰা বিলাকে নোজোকোৱাও নহয়। কিন্তু ৰমেনে সেইবোৰ ভাল নাপায় আৰু সেইবোৰৰ পৰা দূৰত থাকে। নীলাই সদায় বৰ সাজি কাচি স্কুললৈ আহে। তাই ওঠত লিপচ্টিক, কাজল, আইলিনাৰ আৰু মেক্আপ কৰি বিভিন্ন মডেলৰ ড্ৰেচ আদি পিন্ধি যায়। তাই দৰে ষ্টাইল আৰু মডেলৰ সাজপাৰ পিন্ধা ছোৱালী সেই গাঁৱত আন কোনোৱেই নাছিল। তাই আঁচলতে নিজকে লৈ বৰ আন্তঃগৌৰৱ কৰে সেই ক্ষেত্ৰত। তাই সাধাৰণতে জাক-জমক আৰু আলস্যৰ জীৱন বৰ ভাল পায়। তাই সদায় তেনেদৰেই গোটেই জীৱন অতিবাহিত কৰিব বিচাৰে। নীলা যদিও গাঁওৰ ছোৱালী তাইক মাক-দেউতাকে বৰ আলসত ডাঙৰ-দীঘল কৰিছে। এইবোৰ মাজত থাকি তাই দুখ বেদনা, অভাৱ অনাটন একোকে চিনি নাপায়। আচল কথাত ক'ব গ'লে যদি মানুহে জীৱনত দুখ-কষ্ট, অভাৱ অনাটন, দয়া-মমতা, মৰম-স্নেহ, শ্ৰদ্ধা আদিৰ মূল্য বুজি নাপায়, সিহঁতে ইয়াকো নাজানে যে জীৱননো আঁচলতে কি বস্তু? মানুহে এই সকলোবোৰ অৱস্থাৰ সন্মুখীন হ'লেহে সঁচা জীৱনৰ অৰ্থ বুজি পাব।

এদিন হঠাৎ এটা আচৰিত ঘটনা ঘটিল। নীলাই আজি এযোৰ ধুনীয়া মেখেলা চাদৰ পিন্ধি স্কুললৈ আহিছিল। আনদিনাৰ দৰে আজিও তাইক ৰমেনে চাইছিল। ৰমেন আছিল দুখীয়াঘৰৰ ল'ৰা। সি মানুহৰ দুখ-সুখ বুজি পাই। কিন্তু ৰমেনে তাইৰ কথা সকলোবোৰ জানিও কিয় জানো সেইদিনা তাৰ হৃদয়ত নীলাৰ প্ৰতি এক বুজাব নোৱাৰা ভাৱৰ জাগ্ৰত হ'ল। ৰমেনে নীলাক ভালপোৱাৰ প্ৰস্তাৱ দিলে। তাই সেইদিনা একোকে উত্তৰ দিব নোৱাৰিলে। তাই ভাবিছিল নে, যে তাইক ৰমেনে ভালপোৱাৰ প্ৰস্তাৱ দিব বুলি? মানুহৰ জীৱনত কি হ'ব? কি ঘটিব? কোনে ক'ব পাৰিব? যিদিনা ৰমেনে তাইক ভালপোৱাৰ প্ৰস্তাৱটো দিছিল সেইদিনা তাই আচৰিত হৈছিল। তাইটো কেতিয়াও ভৱা নাছিল যে তাইক ৰমেনে ভালপোৱাৰ প্ৰস্তাৱ দিব বুলি। সেই দিনায়ে তাই ঘৰত আহি গোটেই ৰাতিটো একেটা কথাকে বাৰে বাৰে ভাবি থাকিল।

মানুহক মডেলিঙৰ ফেচন আদি সাজপাৰ পৰিধান কৰিলে ধুনীয়া দেখি। কিন্তু য'ত যিটো পৰিৱেশৰ লগত যিটো সাজপাৰ পৰিধান কৰিলে শোভাবৰ্দ্ধন হয় আৰু থলুৱা সমাজৰ গ্ৰহণযোগ্য হয় তাত সেইটোহে সাজপাৰ পৰিধান কৰিব লাগে। নীলা যিহেতু গাঁৱৰ স্কুলৰ মাষ্টৰণী। গতিকে, তাইক সেই মেখেলা চাদৰযোৰতে ৰমেনে ধুনীয়া দেখিছিল।








# সময়ৰ অপেক্ষাত

ৰিংকী বাউৰী
স্নাতক দ্বিতীয় ষান্মাসিক

বহুদিনৰ মূৰত নন্দিনীয়ে আজি অতীতলৈ ঘূৰি চাইছে। তাই তেতিয়া অষ্টম শ্ৰেণীত। তাইৰ জীৱনলৈ আহে এগৰাকী বান্ধৱী বৰ্ষা। কিন্তু নন্দিনীৰ সেই বৰ্ষা অহা দিনৰে আগৰে পৰা এজনৰো আগমণ হয়, বন্ধু অভি। সেই অভি ক্লাছ ফাইভৰে পৰা তাৰ বন্ধু কিন্তু কিদৰে সময়ে সলনি কৰিলে বন্ধুত্বৰ এনাজৰী তাই ধৰিব নোৱাৰিলে। লাহে লাহে দুয়ো নন্দিনী আৰু বৰ্ষা প্ৰিয় বান্ধৱী হ'বলৈ ধৰিলে। দুয়ো একে লগে স্কুললৈ যোৱা, খোৱা সকলো কৰিবলৈ ধৰিলে। আগতে নন্দিনী আছিল একেবাৰে সাধাৰণ ছোৱালী কিন্তু বৰ্ষা অহাৰ পাছত তাই প্ৰসাধনৰ প্ৰতি আগ্ৰহী হ'ল। তাই প্ৰসাধন, কথা কোৱাৰ ভংগীসকলো সলনি হ'বলৈ ধৰিলে। তাই পঢ়া-শুনাত ভাল হ'বলৈ ধৰাত ঘৰতো তাইৰ এই পৰিবৰ্তনত বিশেষ একো নক'লে। কিন্তু প্ৰকৃততে বৰ্ষা নন্দিনীয়ে ভাযাৰ দৰে নাছিল। তাৰ সম্পূৰ্ণ বিপৰীত। এই কথা নন্দিনীৰ বন্ধু অভিয়ে জানিছিল কিন্তু নন্দিনীয়ে বেয়া পাব বুলি কোৱা নাছিল। সি কেৱল অপেক্ষা কৰিছিল নন্দিনীৰ উপলব্ধিৰ দিনলৈ। এদিন সেই সময় আহিল বৰ্ষা পাৰিবাৰিক কন্দলৰ বাবে বেলেগ ঠাইলৈ যাবলৈ ওলালে কিন্তু নন্দিনীক এবাৰো

কোৱা নাছিল। তেতিয়া তাই দশম শ্ৰেণীত পাইছিল। নন্দিনীক ক্লাছত বাইদেৱে সোধাত তাই একো কব নোৱাৰিলে। স্কুলৰ সকলোৱে জানিছিল বৰ্ষা-নন্দিনী প্ৰিয় বান্ধৱী কিন্তু যেতিয়া বৰ্ষাই যাবলৈ থিৰ কৰাৰ পাছতো নন্দিনীক নকলে তাই বৰ দুখ পালে। কিন্তু অভিয়ে এই সকলোবোৰৰ বাবে যেন আগৰ পৰাই সাজু হৈ আছিল। নন্দিনীয়ে প্ৰিয় বান্ধৱী হেৰুৱাৰ দুখত মানসিকভাৱে ভাগি পৰিছিল। তেতিয়া সেই দিনৰ পৰা অভিয়ে নন্দিনীক সহায় কৰিবলৈ ধৰিলে। নন্দিনীয়ে গম নোপোৱাকৈ তাইৰ সকলো বন্ধুবৰ্গই বিভিন্ন ধৰণেৰে সহায় কৰিব ধৰিলে। তাইৰ অকলশৰীয়া বুলি অনুভৱ নহ'ল। সকলো সময়তে অভিয়ে সহায় কৰে। সকলো বন্ধুবৰ্গই মিলি শিক্ষামূলক ভ্ৰমণলৈ গ'ল। সকলোৱে ব্ৰহ্মপুত্ৰৰ পাৰৰ দৃশ্য উপভোগ কৰিলে। নন্দিনীয়ে যি বিচাৰিছিলে সকলো যেন পালে। কিন্তু এদিন হঠাৎ দুয়োৰে ধেমালিত কাজিয়া হল আৰু সেই কাজিয়াই নন্দিনী অভিৰ ফাঁট মেলিলে, কিন্তু এমাহৰ পাছত দুয়ো পুনৰ একেলগ হ'ল। এনেদৰে কৰোঁতে কৰোঁতেক দুয়ো হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ল। এসময়ত ৰিজাল্ট ওলাল দুয়ো উত্তীৰ্ণ হ'ল। দুয়োজনে মহাবিদ্যালয়ত পঢ়িবলৈ ল'লে। কলেজত পোৱাৰ পাছত দুয়োৰে বন্ধুত্ব আৰু গঢ় হৈ পৰিল। এদিন অভিয়ে নন্দিনীক ক'লে, 'নন্দিনী আমাৰ ক্লাছৰ এজনী ছোৱালী চাইছো, তাইৰ নাম নিশিতা। ছোৱালীজনী খুব ভাল লাগিছে। নন্দিনীয়ে ক'লে, 'ঠিক আছে। তুমি প্ৰস্তাৱ দিয়া।' অভিয়ে তাৰ পাছত নিশিতাক প্ৰস্তাৱ আগবঢ়ালে আৰু এই প্ৰস্তাৱত নিশিতাই সন্মতি জনালে। দুয়োৰে প্ৰেম ধাৰে ধীৰে আগবাঢ়ি গ'ল। এসময়ত নন্দিনীৰ বৰ্ষা তাইৰ প্ৰিয় বান্ধৱী আছিল সেই কথা অতীতত হেৰাই গ'ল। তাইৰ প্ৰতি যি আনুগত্য আছিল অভিয়ে এদিন সকলো নন্দিনীক কোৱাত নন্দিনীয়ে সেই দিনৰ পৰা বৰ্ষাক ভাল নোপোৱা হ'ল। এসময়ত দুয়ো হায়াৰ ছেকেণ্ডেৰী পৰীক্ষাত অৱতীৰ্ণ হ'ল। এইবাৰ নন্দিনী বেছি আগবাঢ়ি গ'ল আৰু অভি বহু পিছ পৰি গ'ল সেই বাবে অভিয়ে নন্দিনীৰ ওচৰত আহিবলৈ বেয়া পাইছিল। তাইৰ অনুভৱ হ'ল যে তাইৰ সকলো পুৰণা বন্ধু তাইৰ ওচৰৰ পৰা আঁতৰি গৈছে। কিন্তু সময় যোৱা লগে লগে সকলো ঠিক হৈ গ'ল। এসময়ত নন্দিনী আৰু অভি স্নাতক মহলাত নাম ভৰ্ত্তি কৰিলে আৰু নিশিতা বেলেগ ঠাইলৈ পঢ়িবলৈ গ'ল। তেতিয়া নন্দিনীয়ে অভিক সহায় কৰিছিল। এসময়ত অভিয়ে বেলেগ ঠাইলৈ পঢ়িবলৈ গ'ল। কিন্তু নিশিতাই যে প্ৰকৃততে অভিক বিশ্বাসঘাতক কৰিব সেই কথা গম পালে নন্দিনীয়ে কিন্তু তাই অভিক নকলে কাৰণ যদি এই কথাই সিহঁতৰ বন্ধুত্বও প্ৰভাৱ পেলায়। অভি যোৱাৰ পাছত লাহে লাহে অভিয়ে যেন কিছু সলনি হ'বলৈ ধৰিলে আৰু নন্দিনীৰ পৰা যেন দূৰত্ব বজাই ৰাখিব চেষ্টা কৰিলে। সেই কথা নন্দিনীয়ে লক্ষ্য কৰা নাছিল কিন্তু তাইৰ যেতিয়া অনুভৱ হ'ল তাই অন্য বন্ধুৰ পৰা অতীতত যি আঘাত পাইছিল যেন বহু দিনৰ মূৰত আকৌ পালে। তাই এতিয়া কেৱল অপেক্ষা কৰিছে যে অভিয়ে নিজৰ ভুল বুজক আৰু পুনৰ সুখী হ'ব পাৰে তাৰেই কামনাৰে নন্দিনীয়ে সময়ৰ অপেক্ষা কৰিছে।





# ক্ষুধা

উষামণি নেওগ
স্নাতক দ্বিতীয় ষান্মাসিক

শেষৰ ক্লাছটোৰ ঘণ্টা বজাৰ লগে লগে চাৰিওজনী উৰি অহাদি আহি কলেজৰ গেটৰ মুখ পালেহি। সদায় থকাৰ দৰে ফুচ্‌কাৰ থেলাখন দেখি ইতিমধ্যে মুখলৈ আহি থকা পানীখিনি আৰু অলপ উজাৰি আহিল।

ৰেবা, তৃষা, নীলিমা আৰু কাঞ্চন। সিহঁত এল.পি. স্কুলৰে পৰা একেলগে পঢ়া। এতিয়া ডিগ্ৰীৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰী সিহঁত। কিন্তু সৰুকালৰ চঞ্চলতা এতিয়াও যোৱা নাই। উৎপতীয়া স্বভাৱৰো পৰিৱৰ্তন হোৱা নাই। ৰেবাই মুখখন বাৰে ৰকম ভাঁজ দি যুক্তি দিলে—

'হেবৌ আইহঁত, কিমান খাৱ। আজি নাখালে নহয়নে? ইমান লেতেৰা, ঘৃণ লাগে দেই।'



'হ'ব আইদেউ, বৰ চফা হৈ দেখুৱাব নালাগে। মোদীৰ স্বচ্ছতা অভিযানৰ ঢৌ কেতিয়াবাই আঁতৰিল, এতিয়া স্বচ্ছ হৈ দেখুৱাই লাভ নাই, ব'ল... ব'ল।'

কাঞ্চনে ভেকাহি মাৰি ক'লে। ৰেবাই কিবা এটা ক'বলৈ মুখ মেলোঁতেই তৃষাই তাইৰ মুখত সোপা দি একেকোবে ফুচ্‌কা থেলাখনৰ ওচৰ পোৱালেগৈ। সিহঁতে তন্ময় হৈ ফুচ্‌কাৰ সোৱাদ ল'বলৈ ধৰোঁতেই হঠাতে নীলিমাই ঘূৰি চাই দেখিলে এটি দহ বাৰ বছৰীয়া ল'ৰাই তাইৰ আগত হাত পাতি থিয় হৈ আছে। গাত ফটা ছিটা কাপোৰ। শুদা ভৰি, চকু দুটাত হতাশাৰ চিন। ইতিমধ্যেই মুখলৈ নিয়া ফুচ্‌কাটো চোবাই চোবাই নীলিমাই কৈ উঠিল—

'চোৱা ভাইটি, তুমি এতিয়া ডাঙৰ হৈছা। কিবা এটা কৰিয়েই দেখোন তুমি খাব পাৰা, নহয় জানো? সৌকেইখন যে লাইন হোটেল দেখিছা, তাতে তোমাৰ নিচিনা বহুত ল'ৰাই কাম কৰে। তুমিও সুধি মেলি চাবাচোন। এতিয়া মোৰ ওচৰত তোমাক দিবলৈ একোৱেই নাই। গতিকে ...।'

নীলিমাৰ কথা শেষ হোৱাৰ আগতেই ল'ৰাটো লাহে লাহে তলমূৰ কৰি আঁতৰি গ'ল। সকলোৱে এপলক ল'ৰাটোলৈ চাই পুনৰ খোৱাত লাগিল।

'ল'ৰাটোলৈ বেয়াই লাগিছে। কিন্তু আমিনো কি কৰিম, ইপিনে টি.ভি. ডালত এডভাৰটাইজ দেখিয়েই থাকো। বোলে প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ। ধুৰ, কাম নাই। প্ৰাথমিক শিক্ষা দূৰৰ কথা, থাকিবলৈ এটা ঘৰ; খাবলৈ এমুঠি ভাতকো পাবলৈ নাই। মন্ত্ৰীবোৰৰ যিহে কথা যেন এতিয়াই অসমখন ৰামৰাজ্য কৰি পেলাব। নিজৰ পকেট গৰম কৰি থকাতকৈ এই মন্ত্ৰীবোৰে দুখীয়া দৰিদ্ৰৰ ভাতমুঠিও যোগাৰ কৰিব নোৱাৰেনে?

নীলিমাই ল'ৰাটোলৈ চাই হুমুনিয়াহ কাঢ়িলে। 'হ'ব আৰু নীলিমা; এতিয়া থ' এইবোৰ। বহুত সময় হ'ল ঘৰ গৈ পাওঁতে গধূলি হ'ব। তহঁত যা, কাইলৈ লগ পাম।' তৃষাই ফুচ্‌কাবালাটোক পইচা দি দি ক'বলৈ ধৰিলে। ৰেবা আৰু

নীলিমাক বিদায় দি তৃষা কাঞ্চনৰ সৈতে আগবাঢ়িল।

'সঁচাকৈ, এই সৰু ল'ৰা-ছোৱালীবোৰৰ কিবা এটা সংস্থাপন হোৱা হ'লে!'

'ঠিক কৈছ, লোকৰ ঘৰত কাম কৰি ঔ-কিল খাই কিমানযে দুখ-কষ্টৰে দিন নিয়াইছে, ভাবিলে নিজকে স্বৰ্গত থকাৰ দৰে লাগে।' কাঞ্চনে দুখেৰে ক'লে।

এনেদৰে কথা পাতি গৈ থাকোতে এটি দৃশ্য দেখি কাঞ্চনৰ মুখৰ মাত সৰিল।

'ঐ কাঞ্চন, থৰ লাগিলি যে?'

'সৌ মানুহজনীলৈ চাচোন।' কাঞ্চনে আঙুলি টোৱাই টোৱাই প্ৰায় চিঞৰি কোৱাদি ক'লে।

অবিন্যস্ত কাপোৰেৰে এগৰাকী গাভৰু। শেঁতা মুখ, আউলি-বাউলি চুলি, সৰ্বসাধাৰণৰ ভাষাত পাগলী।

'আই ঐ কি খাইছে এইজনীয়ে।'

তৃষাৰ উকালি আহিবলৈ অলপহে বাকী।

মানুহজনীয়ে এটি প্লাষ্টিকৰ পলিথিন তৃপ্তিৰে চুপি আছে। ওচৰতে আৱৰ্জনাৰ এটি পাহাৰ সদৃশ দ'ম।

'ঘুগুনিৰ পেকেট আছিল হয়টো; আই ঐ দেহি, কেনেকৈ চেলেকিছে চাচোন।' কাঞ্চনে দুখ মনেৰে ক'লে।

'বহুত দিন হয়টো তাইৰ পেটত খুদকণ এটাও পৰা নাই।' তৃষাই কৈ কৈ কাঞ্চনৰ হাতখন চেপি ধৰিলে।

'মোৰ ওচৰত টফি দুটামান আছে। দি দিওঁ নেকি? কাঞ্চনে বেগটো খুচৰি খুচৰি ক'লে।

'টফি কেইটাইনো কি ভোক গুচাব। তথাপি দিবলৈ একো নাই যেতিয়া সেইকেইটাকে দিবি ব'লা।'

তৃষা আৰু কাঞ্চন আগবাঢ়ি গ'ল। মানুহজনী তেতিয়াও জাবৰৰ দ'মত নিজৰ খাদ্য সন্ধানত ব্যস্ত যেন মৰুভূমিৰ মাজত এটুপি পানীৰ সন্ধান। ছোৱালী দুজনীলৈ মানুহজনীয়ে কেৰেপকে নকৰিলে, আনকি কেৰাহিকৈও নাচালে। বহুতবাৰ মাতিও একো সমিধান নাপাই দুয়োজনী উভতি আহিল।

দুয়োজনীৰ মনটো মৰা। ঘৰলৈ অহাৰ গোটেই পথছোৱা কোনেও 'টু' এটাও উচ্চাৰণ নকৰিলে। গোটেই বাটটো সিহঁতৰ মনত কিছুমান কথাই অগা দেৱা কৰি থাকিল।

বৰ্তমান পিয়ন, চকীদাৰৰ পৰা ডাঙৰ মন্ত্ৰীলৈকে সকলো দুনীতিত লিপ্ত। সাধাৰণ মানুহৰ দুখ দুৰ্গতিৰ কথা ভাবিবলৈ আহৰিয়েইবা ক'ত? মন্ত্ৰীৰ মুখে মুখে আঁচনিৰ সংবাদ। কিন্তু কাৰ্যকৰী নহয়গৈ। দৰিদ্ৰসকলে সকাহ পাইছেনে নে চৰকাৰৰ দ্বাৰা শোষিত হে হৈছে। ক'ত দৰিদ্ৰ পিতৃ মাতৃয়ে নিজৰ কণমানি পুত্ৰ কন্যাক জীৱিকাৰ অৰ্থে দূৰ-দূৰণিলৈ পঠাবলৈ বাধ্য হৈছে। ক'ত লোক ক্ষুধা নিবাৰণ কৰিবলৈ গৈ পথভ্ৰষ্ট হৈ অপৰাধ কৰিছে; কিন্তু সেই অপৰাধৰ প্ৰধানতঃ দায়ীয়েইবা কোন? তাৰ উত্তম ফট্‌ফট্‌কৈ উলাই থকা স্বত্বেও আজি সকলো নিৰুত্তৰ। সকলোৰে যেন মুখখন বন্ধা। কোনেও কাৰো কথা ভাবিবলৈও সময় নাই। এয়াই যেন আজিৰ স্বৰূপ, এয়াই যেন আজিৰ স্বাৰ্থপৰ পৃথিৱী।





# মৰহা বকুলৰ সুবাস বিচাৰি



পুবালী কোঁৱৰ
স্নাতক ষষ্ঠ যান্মাসিক

"..... কাৰোবাক নিজৰ প্ৰাণতকৈও বেছি ভাল নাপাবা।

কাৰোবাৰ ভাৱনাত কেতিয়াও উজাগৰে নকটাবা।

দি যাব মাথোঁ চিৰজীৱনৰ বাবে অন্তৰত বেদনা....।"

— হঠাৎ ৰিণীয়ে ম'বাইলৰ স্ক্ৰিণৰ বান্ধৱী অদিতীয়ে পঠোৱা এছ.এম.এছ.টো পঢ়িবলৈ পালে। গভীৰ টোপনিৰ পৰা সাৰপাই ৰিণীয়ে দেখে তেতিয়া নিশা বাৰ বাজিছে। এছ.এম.এছ. টো পঢ়াৰ লগে লগে ৰিণীৰ মনত অতীতৰ স্মৃতিবোৰে দোলা দিব ধৰিলে। সঁচাকৈ, অতীতৰ এটা সময়ত ৰিণীয়ে কাৰোবাক অন্তৰ ভৰি ভাল পাই পেলাইছিল। যৌৱনৰ ৰঙীন দলিছাত খোজ দিওঁতে হোৱা এইয়াই আছিল ৰিণীৰ বাবে জীৱনত প্ৰথম প্ৰেম। কোনেও নজনাকৈ ৰিণীয়ে ভাল পাই পেলাইছিল দুদিনৰ চকুৰ চিনাকী পলাশ নামৰ এজন ল'ৰাক। যিটো বয়সত ৰিণীয়ে নিজকে ভালদৰে নিয়ন্ত্ৰণ কৰিব নাজানিছিল। তেনে এটা কোমল বয়সত জীৱনত প্ৰথম প্ৰেমৰ প্ৰস্তাৱ পাই সেই প্ৰস্তাৱক মানি লবলৈ তাই সন্মত হৈছিল। তথাপি ভয় আৰু সংকোচেৰে ৰিণীয়ে পলাশৰ প্ৰেমৰ প্ৰস্তাৱটি গ্ৰহণ কৰিছিল।

সেই সময়ত ৰিণী আছিল স্নাতক প্ৰথম যান্মাসিকৰ ছাত্ৰী। নতুনকৈ কলেজীয়া জীৱনৰ আৰম্ভণি আৰু জীৱনত তাই প্ৰথম প্ৰেমৰো আৰম্ভণি বুলিব পাৰি। বুজিব নোৱাৰাকৈ ৰিণীৰ দেহত এক অবুজ শিহৰণে জোকাৰি গ'ল। সঁচাকৈ ৰিণীয়ে পলাশক হিয়া উজাৰি দি ভাল পায় আৰু পলাশেও প্ৰথমে ৰিণীক বহুতেই ভাল পায়, যদিও দুয়োৰে প্ৰেম চিৰযুগমীয়া নহ'ল।

ৰিণীয়ে পঢ়া একেখন কলেজতে পলাশেও কলেজীয়া জীৱনৰ পাতনি মেলিছিল। বয়সত পলাশ ডাঙৰ হ'লেও দুয়োৰে মাজত বন্ধুত্ব সম্পৰ্ক গঢ় লৈ উঠিছিল আৰু সেই বন্ধুত্ব সম্পৰ্কই এদিন দুয়োৰে মাজত প্ৰেমৰ সূত্ৰপাত ঘটায় আৰু তেনেদৰেই দুয়োৰে মাজত ভালপোৱাৰ সম্পৰ্ক গঢ় লয়। এই প্ৰেমৰ আৰম্ভণিয়ে দুয়োৰে মাজত সম্পৰ্ক বেছি দৃঢ় কৰিছিল আৰু ৰিণীয়েও ক'ব নোৱাৰাকৈ পলাশক প্ৰাণ ভৰি ভাল পাই পেলাইছিল। কিন্তু পঢ়াৰ প্ৰতি বেছি ধাউতি নথকা পলাশে কলেজ এৰি আন ব্যৱসায়তহে মন দিছিল। পলাশৰ প্ৰতিটো কামত, প্ৰতিটো কথাত ৰিণীয়ে একমাত্ৰ সাহস দি আছিল। সেইদৰে ৰিণীৰ সাহসতে পলাশেও জীৱনত বহুখিনি আগবাঢ়িব পাৰিছিল।

কিন্তু... সদায় দিনবোৰ একেদৰে নাযায়। সময়ৰ কোবাল সোঁতে দুয়োকে পাহৰণিৰ বুকুলৈহে টানি নিলে যেন লাগে, কাৰণ ৰিণীৰ জীৱনৰ ক্ষেত্ৰতো থিক তেনেকুৱাই হ'ল।

নিষ্ঠুৰ সময়বোৰে ৰিণীৰ জীৱনলৈও আউসীৰ অমনিশাহে নমাই আনিলে। ৰিণীয়ে সঁচা বুলি ভাবি লোৱা সেই প্ৰেম হৈ পৰিল এক ধূসৰ ছাঁয়া। সঁচাকৈ খুব কম দিনৰ ভিতৰতে ৰিণীয়ে পলাশক অন্তৰ ভৰি ভাল পাই পেলাইছিল, কিন্তু পলাশে সেই প্ৰেমৰ মূল বুজি নাপালে। দুয়োৰে মাজত কিছুমান ভুল বুজা বুজি হোৱাত পলাশে মনত বেয়া পালে আৰু কোনো দিনেই লগ নকৰাকৈ সি ৰিণীৰ জীৱনৰ পৰা আঁতৰি গ'ল। কিন্তু এনেদৰেই পলাশে আঁতৰি যাব বুলি ৰিণীয়ে অলপো অনুভৱেই কৰা নাছিল, তাই ভাবিছিল পলাশে পুনৰ তাইৰ জীৱনলৈ উভতি আহিব। ক'ত দিন, ক'ত মাহ পাৰ হৈ যোৱাৰ পাছতো ৰিণীয়ে পলাশক লগ পাবৰ বাবে বহুত চেষ্টা কৰিছিল। কাৰণ পলাশক লৈ ৰিণীয়ে বহুত সপোন ৰচিছিল আৰু সেইবাবে তাই প্ৰকৃত প্ৰেম কৰাৰ কথা ভাবি লৈছিল। পলাশ পুনৰ ঘূৰি আহিব বুলি ভাবি তাই বহুতদিন অপেক্ষা কৰিছিল দিনে-ৰাতিয়ে কেৱল পলাশ ঘূৰি অহাৰ চিন্তাত নিশা উজাগৰে কটাইছিল। এনে প্ৰেমৰ যন্ত্ৰণাত ছট্‌ফট্‌াই ৰিণীয়ে নিজৰ পঢ়াৰ জীৱনৰ প্ৰতিও অমনোযোগী হৈ পৰিছিল। মনটো ভাল লাগিবৰ বাবে ৰিণীয়ে লগৰ বান্ধৱী কেইজনীৰ আগতো মনৰ কথাবোৰ প্ৰকাশ কৰিছিল, আনকি ৰিণীৰ মনৰ গোপন কথাবোৰ ৰিণীৰ মাকেও বুজিব পাৰিছিল। সেইয়ে তাই মনটো ভাগি নপৰিবলৈ সকলোৱে ৰিণীক বহুত বুজাইছিল, সাহসেৰে পৰিস্থিতিৰ সৈতে যুঁজ কৰিবলৈ, ধৈৰ্য্য ধৰিবলৈ প্ৰেৰণা যোগাইছিল। তথাপিও ৰিণীৰ মনে কেৱল পলাশকহে বিচাৰি আছিল। তাইৰ মনত কেৱল এটা কথাই দোলা দিছিল যে - 'পলাশ মোলৈ মনত পৰিলে তুমি নিশ্চয় এদিন ঘূৰি আহিবা আৰু মোক লগ কৰিবা।' কিন্তু কালৰ গতিত সকলো বিলীন হ'ল। পলাশে কোনো দিনেই ৰিণীৰ ওচৰত ধৰা দিবলৈ ঘূৰি নাহিল। সেইবাবে তাই অসুখী অনুভৱ কৰে, তাইৰ এটা ডাঙৰ দুখ থাকি গ'ল যে- কিছুমান ঘৰুৱা সমস্যাৰ বাবে পলাশৰ প্ৰতি থকা আন্তৰিক মৰম ভালপোৱাবোৰ নীৰৱে ৰাখিবলগীয়াত পৰিছিল। কিন্তু কালৰ পৰিণামত হেৰুৱা অতীতে কেতিয়াও ধৰা দিবলৈ নাহিল।

সঁচাই, প্ৰেম যেন এছাতি মলয়া বতাহহে; ই মলয়া হৈ হৃদয়ক জুৰণি দিয়ে সচাঁ। কিন্তু ধুমুহা হৈ মুহূৰ্ততে সকলো শেষ কৰি পেলায়।'— ৰিণীৰ জীৱনতো প্ৰেমৰ নামত এনে এছাতি দুখৰ ধুমুহাই জোকাৰি গ'ল। তাইৰ দেহ-মন সকলো অৱশ হৈ পৰিল, তাইৰ মনত এনে লাগিছিল, জীয়াই থাকি যেন এটা ডাঙৰ অপৰাধহে কৰিলে। কাৰণ যিটো কামৰ ক্ষমা কৰি দিওঁতা কোনো নাই, সেইবোৰ দুখতে তাই মানসিক কষ্টত ভুগিছিল। মনৰ দুখত নীৰৱে চকুলো সৰিছিল, ৰিণীয়ে ভাবিছিল, 'মানুহ ইমান নিষ্ঠুৰ হ'ব পাৰেনে? ইমান কটোৰ হৃদয়ৰ মানুহ থাকিব পাৰেনে? এনেদৰেই কাৰোবাৰ মৰমক নেওচা দি আঁতৰি যাব পাৰে।'

এনেদৰে মনৰ কষ্টত তাই দুবছৰ অতিবাহিত কৰিলে, ইতিমধ্যে তাইৰ কলেজীয়া জীৱনেও মেলানি পেলোৱাৰ সময় পালেহি। সেই দুবছৰতো তাই কেৱল পলাশক লগ পোৱাৰ হেঁপাহত অপেক্ষা কৰি আছিল, কিন্তু সেইয়া কেতিয়াও সম্ভৱ হৈ নুঠিল। কাৰণ, কাৰোবাৰ জীৱনৰ পৰা হেৰাই যোৱা এটা জীৱনক সহজে পোৱাটো সম্ভৱ পৰ নহয়। এনেদৰেই কিছুদিন সুখ-দুখৰ মাজেৰে দিনবোৰ পাৰ হ'ল। লাহে লাহে ৰিণীৰ জীৱনলৈ নামি অহা দুখৰ চকুলোবোৰ সুখৰ চকুলোলৈ পৰিণত হ'ল, কলিতে মৰহি যোৱা ফুলৰ পাহিটি নিশাৰ নিয়ঁৰৰ টোপালত সজীৱ হোৱাৰ দৰে তাইৰ মনটো জোনাকী পৰুৱাৰ দৰে জিলমিলাই উঠিল।

প্ৰেম সাধনাৰ বস্তু, ইচ্ছানুসৰি মনে বিচৰাটো সহজে পোৱাটো কঠিন। কপাঁলত যি লিখা থাকে সেইটোহে পোৱা যায়। যদিও প্ৰকৃত প্ৰেমৰ বাবে লাগিব ধৈৰ্য্য, বিশ্বাস, ক্ষমা আৰু ত্যাগ। ৰিণীৰ জীৱনতো এইবাৰ প্ৰকৃত প্ৰেমে ধৰা দিলোহি, তাইৰ জীৱনৰ পৰা হেৰাই যোৱা হাঁহিটি পুনৰ ঘূৰি আহিল। কিন্তু সেইজন পলাশ নহয়, সেইজনে আছিল ৰিণীৰ ল'ৰালি একেলগে উমলি-জামলি, হাঁহি আৰু ধেমালিৰ মাজেৰে দিন অতিবাহিত কৰিছিল। সেই হাঁহি-ধেমালিবোৰ লাহে লাহে প্ৰেমলৈও ৰূপান্তৰিত হৈছিল, কিন্তু দুৰ্ভাগ্যবশতঃ জোনাকৰ দেউতাকে চাকৰিৰ সূত্ৰে দূৰণিত গৈ থাকিব লগীয়া হোৱাত সিহঁতৰ ল'ৰালিৰ বন্ধুত্ব সম্পৰ্কবোৰ হেৰাই গৈছিল। তেনেদৰেই বহু বছৰ পাৰ হ'ল, ৰিণীয়ে হয়তো জোনাকক পাহৰি পেলাইছিল। কিন্তু জোনাকে ৰিণীক কেতিয়াও পাহাৰিব পৰা নাছিল আৰু সদায় জোনাকৰ অন্তৰত ৰাখিছিল। জোনাকৰ ৰিণীৰ প্ৰতি ভালপোৱা ভাৰ সৰুৰে পৰাই আছিল বাবে ৰিণীক পুনৰ লগপোৱাৰ অপেক্ষাত জোনাকে বাট চাই আছিল। ঘৰমুৱা পক্ষীটি সন্ধিয়া নিজৰ বাঁহলৈ ঘূৰি অহাৰ দৰে জোনাকৰ দেউতাকৰ চাকৰি শেষ হ'লত জোনাকহঁত পুনৰ ৰিণীহঁতৰ নিজা গাঁৱলৈ ঘূৰি আহিল। গাঁৱৰ ঘৰলৈ আহিয়েই জোনাকে ৰিণীৰ খবৰ সুধি তাইৰ ঘৰত ওলালগৈ, বহু বছৰৰ মূৰত দুয়ো দুয়োকে দেখা পাই আচৰিত হ'ল। ৰিণীৰ দুচকুৰে দুধাৰি চকুলো বৈ আহিল আৰু লৰালিৰ মধুৰ স্মৃতিবোৰে মনত দোলা দিব ধৰিলে। বহু সময় ধৰি দুয়োৰে মাজত কথোপকথন আৰম্ভ হ'ল, ৰিণীয়ে জীৱনত ঘটি যোৱা সকলো কথা জোনাকৰ আগত প্ৰকাশ কৰিলে। ৰিণীৰ জীৱনত হোৱা দুখ বেথাবোৰ জোনাকেও বুজি উঠিলে আৰু জোনাকে কৈ উঠিল 'তোমাৰ জীৱনলৈ পুনৰ হাঁহিবোৰ, ঘূৰাই আনিবলৈ মই উভতি আহিছোঁ ৰিণী। তুমি মোৰ প্ৰস্তাৱত সন্মত হ'বা নে?" — জোনাকৰ প্ৰস্তাৱটো ৰিণীয়েও সহজতে গ্ৰহণ কৰিলে আৰু দুয়োৰে মাজত যুগ্ম জীৱনৰ আৰম্ভণি হ'ল। এনেদৰেই ৰিণীৰ জীৱনলৈ, জোনাক নামি আহিল।

বৰ্তমান জোনাক আৰু ৰিণীৰ এখন সুখৰ সংসাৰ; দুয়ো এতিয়া নিজৰ নিজৰ কামত ব্যস্ত থাকি তেওঁলোকৰ সপোনৰ ঘৰখন ৰঙীনকৈ সজাই তুলিছে। তথাপি হেৰাই যোৱা অতীতক পাহৰিবও তো নোৱাৰি, মাজে সময়ে ৰিণীৰ মনত হেৰাই যোৱা প্ৰেমৰ স্মৃতিবোৰে আমনি দি থাকে। কিন্তু ৰিণীৰ মনত এতিয়া কেৱল জোনাকৰ চিন্তা, ৰিণীৰ জীৱনক সুখ-দুখৰ সমভাগী বুলিবলৈ আছে কেৱল জোনাক। জোনাকৰ অবিহনে বা জোনাকে নজনাকৈ ৰিণীয়ে একো কামত কৰিব নিবিচাৰে কাৰণ জোনাকক এতিয়া তাই মনে-প্ৰাণে ভাল পায়। ৰিণীৰ সকলো বুলিবলৈ আছে কেৱল এমুঠি জোনাক। কথাবোৰ ভাবি থাকোঁতে কেতিয়ানো নিশা ২-৩০ বাজিল ৰিণীয়ে গমকে নাপালে, সময়টো চাই ৰিণীয়ে কাষতে শুই থকা জোনাকৰ মুখত মৰমেৰে এবাৰ হাতখন ফুৰাই মৰমেৰে সাৱটি ল'লে আৰু সপোনৰ কোলাত ঢ়লি পৰিল।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

# এপ্ৰিল ফুল

প্ৰসেনজিৎ দাস
স্নাতক তৃতীয় ষান্মাসিক


ক্ৰিং...ক্ৰিং...ক্ৰিং...

আবেলি সময়ত ফোনটো বাজি উঠাত ৰূপমে ফোনটো উঠাই ল'লে। ৰাজাই ফোন কৰিছে; পিছদিনা ৰাজাৰ জন্মদিন। সেয়েহে সি ৰূপমক তাৰ ঘৰলৈ মাতিছে।

ৰাজা ৰূপমৰ মাহীয়েকৰ ল'ৰা। পিছদিনা সি ৰাতিপুৱাতে ৰাজাৰ ঘৰলৈ ওলাল। ঘৰ পাই সি আচৰিত হ'ল কাৰণক সেই সময়ত ৰাজা আৰু তাৰ বাহিৰে ঘৰত আন কোনো নাছিল। ৰূপমে মাহীদেউ নাই নেকি বুলি সোধাত ৰাজাই ক'লে যে সি তাৰ এই জন্মদিনটো ৰূপমৰ সৈতেহে কটাব বিচৰাত আন কোনো মানুহ ঘৰত নাই আৰু সি আন বন্ধু-বান্ধৱীকো নিমন্ত্ৰণ কৰা নাই। কথাটোত ৰূপম সিমান আচৰিত নহ'ল। ইমানপৰে ৰাজাই কথাখিনি কৈ কৈ কেকটোৰ পৰা এচকল কাটি আনি ৰূপমৰ সন্মুখত দি খাবলৈ অনুৰোধ কৰিলে। ৰূপমে হাতেৰে কেকডোখৰ দাখি মুখত ভৰাই দিলে। খাই থাকোতেহে সি আচৰিত হ'ল। কাৰণ সেই চকল কেক নহয়, মাটিহে আছিল। ৰাজাই হাঁহি হাঁহি ৰূপমৰ সন্মুখত কেলেণ্ডাৰখন দাঙি ধৰাতহে ৰূপমে গম পালে যে সেইদিনা আছিল এপ্ৰিল মাহৰ প্ৰথম দিন বা এপ্ৰিল মাহৰ এক তাৰিখ, অৰ্থাৎ এপ্ৰিল ফুল।'

# নিষ্ঠুৰ সময়

নিকিতা চেতিয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক



"নিয়ৰৰে ফুল এপাহ ফুলিল
এপাহ সৰিল কেনি....?"

জুবিনৰ এই সুমধুৰ গীতটো হঠাৎ মধুমিতাৰ চেল ফোনত বাজি উঠিল।

ফোনটো ৰিচিভ কৰি 'হেল্ল' বুলি কোৱাৰ লগে লগে সিফালৰ পৰা এজন পুৰুষৰ কণ্ঠস্বৰ ভাহি আহিল, 'হেল্ল'

'হয়, কোনে কৈছে?' মধুমিতাই সুধিলে।

সিফালৰ পৰা পুৰুষজনেক ক'লে, 'মই সিমাংশুৰ স্কুলৰ প্ৰধান শিক্ষকে কৈছো। আপুনি সিমাংশুৰ মাক নহয়নে?'

মধুমিতা, 'হয় হয়। বাওঁকচোন কিয় ফোন কৰিলে?'

প্ৰধান শিক্ষকজনে গহীনভাৱে উত্তৰ দিলে, 'হয় মই এটা খবৰ দিবৰ বাবেহে আপোনালৈ ফোন কৰিলোঁ। সিমাংশুৱে শ্ৰেণী কোঠাত শিক্ষকে পঢ়াই থকাৰ অৱস্থাত হঠাৎ অচেতন হৈ বহাৰ পৰা মাটিত পৰি গ'ল। আমি তাক তৎক্ষণাত দাঙি আনি অফিচ ৰুমতে অলপ অচৰপ প্ৰাথমিক চিকিৎসা কৰি চাইছিলোঁ। কিন্তু কোনো ফল নিদিয়াত আমি তাক দুজন শিক্ষকৰ সৈতে ডিব্ৰুগড়ৰ মেডিকেল কলেজলৈকে পঠাই দিলোঁ। এইসমূহ ব্যৱস্থা কৰি থকাৰ কাৰণে আপোনাক এতিয়াহে খবৰটো দিব পাৰিলোঁ। আপুনি অতি সোনকালেই মেডিকেললৈ যাওঁক। এতিয়া ৰাখো।'

কথাকেইযাৰ কৈয়েই প্ৰধান শিক্ষকজনে ফোনটো ৰাখি দিলে। মধুমিতাই কিন্তু ফোনটো ৰাখিবলৈকে পাহৰিলে। তাইৰ হাতৰ পৰা ফোনটো মাটিত পৰি গ'ল আৰু কিছুসময় তাই তাতেই জঠৰ হৈ ৰ'ল।

তাই যেন সকলো ফালে অন্ধকাৰ দেখিছে; চকুৰে একো মনিব পৰা নাই। দুচকুৰে দুধাৰি চকুলো বাগৰি আহিল। কিছু পৰ এনেদৰে থকাৰ পিছত তাই হঠাৎ চেলফোনটো হাতত তুলি লৈ ভিতৰলৈ সোমাই গ'ল আৰু সিমাংশু আৰু তাইৰ কাপোৰ কানি কেইটামান এটা বেগত ভৰাই ল'লে আৰু নিজেও পিন্ধি ল'লে। তাৰ পিছত পাক ঘৰলৈ গৈ দুটামান খোৱা বস্তু বেগটোত ভৰাই ল'লে আৰু ততাতৈয়াকৈ ঘৰৰ পৰা ওলাই আহি ডিব্ৰুগড়ৰ গাড়ীৰ উঠি মেডিকেল লৈ বুলি ৰাওনা হ'ল।

ওৰে বাটটোত তাইৰ মনত সিমাংশুৰ মুখখনলৈ ভাঁহি থাকিল।

'ডিব্ৰুগড় মেডিকেল....'

'ডিব্ৰুগড় মেডিকেল....'

বাছখনৰ কণ্ডাক্টৰজনৰ মাততহে তাইৰ সম্বিত ঘূৰি আহিল। তাই ততাতৈয়াকৈ বাছৰ পৰা নামি মেডিকেললৈ





সোমাই গ'ল আৰু পোনে পোনে সিমাংশুৰ ওচৰ পালেগৈ। সিমাংশুক তেতিয়া ডাক্তৰে পৰীক্ষা কৰি আছিল আৰু বাহিৰৰ বাৰাণ্ডাতে শিক্ষক দুজনে কিবা কিবি কথা খুব গম্ভীৰভাৱে আলোচনা কৰি আছিল। মধুমিতা পোনে পোনে তেওঁলোকৰ ওচৰলৈ গ'ল। তাইক দেখি শিক্ষক দুজনে তাইৰ ফালে চালে আৰু এজনে মাত লগালে, 'অ' মিছেছ হাজৰিকা। আপুনি যে সোনকালে আহি পালেহি ভালেই হ'ল। প্ৰধান শিক্ষকে নিশ্চয় আপোনাক খবৰটো দিছে। সিমাংশুক বৰ্তমান ডাক্তৰে পৰীক্ষা কৰি আছে। তেওঁ আমাক জনাইছে যে সিমাংশুৰ বৰ্তমান চেতনা ঘূৰি আহিছে। কিন্তু সি বৰ দুৰ্বল হৈ আছে। আমি আপুনি ইয়ালৈ আহি থকা বুলি ক'লো। তেওঁ আপুনি আহি পালেই তেওঁক জনাবলৈ কৈছিল। আপুনি অলপ ৰ'ব আমি তেওঁক খবৰটো দি আহোঁ।'

মধুমিতাই অতি উত্তেজনা আৰু অশ্ৰু-সিক্ত নয়নেৰে শিক্ষক জনৰ ফালে চাই সুধিলে, 'সিমাংশু এতিয়া কেনে আছে? সি ভালে আছে নে? তাৰ একো নাই হোৱাতো? মই তাক লগ কৰিব বিচাৰোঁ। মই তাক চাব বিচাৰো। মোক তাৰ ওচৰলৈ লৈ বলক।' তাই কান্দি পেলালে। শিক্ষকজনে তাইক সান্তনা দি ক'লে, 'ৰ'বচোন মিছেছ হাজৰিকা। আপুনি ইমান অধৈৰ্য্য নহ'ব। এই সময়ত আপুনি ইমান অধৈৰ্য্য হ'লে কেনেকৈ হ'ব। আমি আপোনাৰ দুখ বুজিছো। কিন্তু আপুনি ধৈৰ্য্য ধৰিব লাগিব। ৰ'ব আমি ডাক্তৰজনৰ ওচৰৰ পৰা আহোঁ। তেতিয়ালৈ আপুনি এই বেঞ্চখনতে অলপ বহি লওঁক।'

শিক্ষক দুজন গুচি গ'ল। মধুমিতা বেঞ্চখনতে বহি পৰিল। দহ মিনিটমানৰ মূৰত শিক্ষক দুজনৰে সৈতে ডাক্তৰ প্ৰহ্লাদ বৰুৱা ওলাই আহিল। মধুমিতা তেতিয়াও বেঞ্চখনতে কিবা এটা চিন্তা কৰি অন্যমস্কভাৱে বহি আছিল।

ডাক্তৰ বৰুৱাই মতাতহে তাই বাস্তৱ জগতলৈ ঘূৰি আহিব। ডাক্তৰ বৰুৱা, 'মিছেছ হাজৰিকা আপুনি মোৰ লগত মোৰ চেম্বাৰলৈ আহকচোন। আপোনাৰ লগত মোৰ বিশেষ কথা আছে।'

মধুমিতাই ডাক্তৰ বৰুৱাৰ পিছে পিছে গৈ তেওঁৰ চেম্বাৰ পালে গৈ।

ডাক্তৰ বৰুৱা, 'বহক মিছেছ হাজৰিকা। মই এতিয়া এটা বৰ গুৰুত্বপূৰ্ণ কথা আপোনাক ক'বলৈ লৈছোঁ আপুনি ধৈৰ্য্য ধৰি কথাবোৰ শুনি যাব আৰু উত্তৰ দিব।'

মধুমিতা, 'কওঁক ডাক্তৰ বৰুৱা কি কথা?'

ডাক্তৰ বৰুৱা, 'সিমাংশুৱে বাৰু আগতেও মাজে মাজে এনেদৰে অচতেন হৈ মাটিত পৰি যায় নেকি আৰু তাৰ মাজে মাজে প্ৰচণ্ড মূৰৰ বিষ হয় নেকি?'

মধুমিতা, 'নাই তেনেকুৱাই হোৱা নাই। কিন্তু কেতিয়াবা মূৰটো বৰকৈ বিষাইছে বুলি কয়। ডাক্তৰ তাৰ কি হৈছে মোক ভাঙি পাতি কওঁক?'

ডাক্তৰ বৰুৱা, 'কথাযাৰ শুনি আপুনি হওঁতে মনত প্ৰচণ্ড আঘাত পৰে; কিন্তু সত্যটো মই ক'বই লাগিব। মিছেছ হাজৰিকা, সিমাংশুৰ ব্ৰেইন টিউমাৰ হৈছে। সি আৰু বেছি দিন জীয়াই নাথাকে। এই পৃথিৱীত সি মাত্ৰ কেইদিন মানৰহে হয়তো কিছু সময়ৰহে অতিথি।'

'কি? কি কৈছে আপুনি এইবোৰ? নাই, নাই এইয়া কেতিয়াও হ'ব নোৱাৰে, কেতিয়াও হ'ব নোৱাৰে।'

কথাযাৰ শুনাৰ লগে লগে মধুমিতাৰ মূৰত যেন আকাশখন খহি পৰিল। তাই একো ক'ব নোৱাৰা হৈ অচেতন হৈ মাটিত পৰি গ'ল। ডাক্তৰজনে নাৰ্চ এগৰাকী ৰে সৈতে তাইৰ দাঙি আনি বিছনাত শুৱাই দিলে আৰু তাইক চিকিৎসা কৰিবলৈ ধৰিলে।

কিছু সময়ৰ পিছত মধুমিতাৰ চেতনা আহিল আৰু তাই পাগলৰ দৰে একো নাই হৈ কান্দিব ধৰিলে।

আজি ইমান দিনে তাই অতীতৰ সকলো দুখ-বেদনা, ঘাত-প্ৰতিঘাতবোৰ পাহৰি একমাত্ৰ সিমাংশুৰ মুখলৈ চাই জীয়াই আছিল। নহ'লে তাই হয়তো কেতিয়াবাই মৰি গ'ল হেঁতেন। অতীতৰ ঘটনাবোৰ তাইৰ মনত আজি এটা এটাকৈ ভাঁহি আহিবলৈ ধৰিছে।

তেতিয়া তাই স্নাতক তৃতীয় বৰ্ষ ছাত্ৰী। তাইৰ ঘৰ মৰাণত। মাক, দেউতাক, ভায়েকৰ সৈতে সিহঁতৰ ঘৰখন বৰ সুখেৰে চলি আছিল। তাই তেতিয়া গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত পঢ়ি আছিল আৰু ভায়েক প্ৰীতমে স্থানীয় এখন হাইস্কুলত দশম শ্ৰেণীত পঢ়ি আছিল। মধুমিতা কলেজ হোষ্টেলত থাকিয়েই পঢ়িছিল। প্ৰতি সপ্তাহৰ দেওবাৰে হোষ্টেলৰ টেলিফোনৰ পৰা ঘৰৰ সৈতে কথা পাতিবলৈ দিয়া হৈছিল।

কিন্তু এদিন হঠাৎ বৃহস্পতিবাৰে তাইলৈ এটা ফোন আহিল। যি তাইলৈ কঢ়িয়াই আনিছিল এটা দুঃসংবাদ যে তাইৰ মাক-দেউতাৰ বোলে এক্সিডেণ্ট হৈছে। যোৰহাটত থকা তাইৰ মাহীয়েকৰ ঘৰৰ পৰা ফুৰিবলৈ গৈ সেইদিনা তেওঁলোক এখন বাছেৰে ঘৰলৈ বুলি আহি থাকোতে মাজ বাটটে এখন ট্ৰাকেৰে সৈতে গুৰুত্বৰ ভাৱে সংঘৰ্ষ হোৱাত বাছখনৰ সহ সংখ্যক যাত্ৰীৰে ঠাইতে মৃত্যু হ'ল তাৰ ভিতৰত তাইৰ মাক-দেউতাকো দুজন।

এইয়াই আছিল তাইৰ জীৱনলৈ নামি অহা প্ৰথম কালৰাত্ৰি। তাই একো ভাবি পোৱা নাছিল যে এই পৃথিৱীত তাই আৰু ভায়েক মাক-দেউতাক অবিহনে কেনেদৰে কাৰ লগত জীয়াই থাকিব? কেনেদৰে দেউতাক মাক অবিহনে জীৱনত আগবাঢ়ি যাব? কিদৰে পঢ়া-শুনা কৰিব? মাক-দেউতাক অবিহনে এই পৃথিৱীত কেনেদৰে জীয়াই থকা হয় একমাত্ৰ তাই আৰু প্ৰীতমেহে অনুভৱ কৰিছিল।

কিন্তু মধুমিতাই ভায়েক প্ৰীতমৰ মুখলৈ চাইয়েই ভাগি পৰা নাছিল। মনত সাহস গোটাইছিল জীয়াই থাকিবলৈ, জীৱনৰ সৈতে সংগ্ৰাম কৰিবলৈ। প্ৰীতমে সেই বছৰ মেট্ৰিক পৰীক্ষা দিব। ঘৰৰ খুৰাক-খুৰীয়েকৰ সৈতে সেই বছৰটো যেনে-তেনে থাকি পৰীক্ষা দিলে আৰু মধুমিতাইয়ো স্নাতক তৃতীয় বৰ্ষৰ পৰীক্ষা দি হোষ্টেলৰ পৰা ঘৰলৈ গুচি আহিল। কিন্তু খুৰাক-খুৰীয়েক হঁতেওঁ দিনে-দিনে সিহঁতকক দেখিব নোৱাৰা হৈ পৰিছিল আৰু টেঙা তিতা মাত দিবলৈ ধৰিছিল।

এনেদৰে সিহঁতে অশান্তিতে কিছুদিন পাৰ কৰিলে। খুৰাক-খুৰীয়েকে মধুমিতাক বিয়া দি মূৰৰ বোজা আঁতৰোৱাৰ সিদ্ধান্ত কৰিলে আৰু শিৱসাগৰৰ টাউনতে এখন হায়াৰ ছেকেণ্ডেৰীত শিক্ষকতা কৰা ঋষিকেশ হাজৰিকালৈ তাইক বিয়া দিলে।

ঋষিকেশ মানুহজন অন্তৰৰ পৰা আৰু বাহিৰৰ পৰা খুব ভাল আছিল। তেওঁ মধুমিতাক কেতিয়াও দুখ দিয়া নাছিল। আনকি প্ৰীতমে মেট্ৰিক ষ্টাৰ মাৰ্কসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত তেওঁ সকলো খৰচ পাতি কৰি তাক যোৰহাটৰ জে.বি. কলেজত বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰি দিছিল আৰু হোষ্টেলত থৈ আহিছিল। তাৰ পিছত এমাহ কি দুমাহ নহওঁতেই মধুমিতালৈ প্ৰীতমৰ হোষ্টেলৰ পৰা খবৰ আহিল যে হোষ্টেলৰ চাদৰ পৰা তলত পৰি প্ৰীতমৰ মৃত্যু হৈছে। জানিব পৰা মতে ৰেগিঙত তাক হোষ্টেলৰ চিনিয়ৰ ল'ৰাই চাদলৈ লৈ গৈছিল আৰু গোটেই ৰাতিটো তাত থিয় হৈ থাকিবলৈ কৈছিল। কিন্তু কোনোবা চিনিয়ৰ ল'ৰা এটাই আহি তাক পিছফালৰ পৰা ঠেলি দিলে আৰু হোষ্টেলৰ চাৰি মহলাৰ ওপৰৰ পৰা তলত পৰি তাৰ মৃত্যু হ'ল। পুলিচে তদন্ত চলাইছে কিন্তু কোনো প্ৰমাণ পোৱা নাই আৰু দোষীক উদ্ধাৰ কৰিব পৰাই নাই। আৰু এক কালৰাত্ৰি নামি আহিছিল তাইৰ জীৱনলৈ। আৰু এচপৰা ক'লা ডাৱৰ তাইৰ মূৰৰ ওপৰেৰে পাৰ হৈ গৈছিল।

'কিয় ইমান নিষ্ঠুৰ এই সময় যে আজি তাইৰ একমাত্ৰ ভায়েককো তাইৰ বুকুৰ পৰা কাঢ়ি লৈ গ'ল। কিয়?' নিজে নিজে প্ৰশ্ন কৰিছিল তাই। কান্দি কান্দি ভাগৰি পৰিছিল তাই। কান্দোনৰ প্ৰকোপত যেন তাই বুকুখন ফাটি যোৱাৰ উপক্ৰম কৰিছিল। বহুত ভাল পাইছিল, মৰম কৰিছিল তাইৰ ভায়েকক ঋষিকেশ তাইৰ লগৰ সমনীয়াবোৰে বহুত বুজোৱাত তাই ধৈৰ্য্য ধৰিছিল - কান্দোন বন্ধ কৰিছিল।

এদিন দুদিন কৰি এনেদৰে বিয়াৰ দুবছৰৰ মূৰত সিমু অৰ্থাৎ সিমাংশুৰ জন্ম হ'ল। সি মধুমিতাৰ ভাগি যোৱা হৃদয়খন আকৌ মৰমেৰে উপচাই তুলিলে আৰু তাইৰ সংসাৰ খনলৈ আনি দিলে অফুৰন্ত আনন্দ উল্লাস। তাৰ ফুটা নুফুটা মাতত, তাৰ থুনুক থানাক খোজৰ তাই পৃথিৱীৰ সমস্ত সুখ পাইছিল আৰু পাহৰি পেলাইছিল। তাইৰ জীৱনৰ সমস্ত দুখ।

কিন্তু সেইকণ সুখো চাগে সময়ে সহিব পৰা নাছিল। এদিন দুপৰীয়া তাই সিমুক বিচনাতে লৈ শুৱাই থাকোতে ওচৰেৰে এজন মানুহ আহি খবৰ দিলেহি যে কোনোবা অস্ত্ৰধাৰী এটা দুবৃত্তৰ দ'লে বোলে ঋষিকেশক মাৰি স্কুলৰ গেটৰ সন্মুখতে পেলাই থৈ গুচি গ'ল। জানিব পৰা মতে ঋষিকেশক কোনো এটা অস্ত্ৰধাৰী দুৰ্বৃত্তৰ দলে বহুত দিনৰে পৰা ধন দাবী কৰি আছিল। কিন্তু সি ধন দিবলৈ অমান্তি হৈছিল। ঋষিকেশ আজিও নিদিওঁ বুলি ফোনত কোৱাত তেওঁক স্কুল চলি থকা অৱস্থাতে বাহিৰলৈ মতোৱাই আনি গেটৰ সন্মুখত মানুহৰ আগতে মাৰি পেলাই থৈ গ'ল। কোনেও একো কৰিব নোৱাৰিলে কাৰণ সিহঁতৰ ওচৰত বন্দুক আছিল। খবৰটো পোৱাৰ লগে লগে তাইৰ যেন ভৰিৰ তলৰ মাটি লৰিবলৈ ধৰিলে। তাই বাস্তৱ জগততে আছে নে সপোনৰ জগততে আছে ধৰিবই পৰা নাছিল। 'কিয় কিয় ইমান নিষ্ঠুৰ ভগৱান, কিয় ইমান নিষ্ঠুৰ এই সময় তাইৰ ওপৰত? কি পাপ কৰিছিল তাই ভগৱানে যে তাইকহে দুখৰ উপৰি দুখ দিছে। ইমান দুভাৰ্গ্য নে তাইৰ? কি অপকাৰ কৰিছিল তাই মানুহক? কাকোতো তাই একো অপকাৰ কৰা নাছিল। তেন্তে কিয় কিয় এই নিষ্ঠুৰতা তাইৰ প্ৰতি? কেনেদৰে জীয়াই থাকিব তাই এতিয়া সিমুক লৈ ঋষিকেশৰ অবিহনে?' নিজকে নিজে প্ৰশ্ন কৰিলে তাই।

তেতিয়াই তাই মৰি যাবলৈ মন গৈছিল কিন্তু একমাত্ৰ সিমুৰ মুখলৈ চাই, তাৰ ভৱিষ্যতৰ কথা ভাৱিয়েই তাই এই কাম নকৰিলে। সেই দিনাই বুকুত বান্ধি প্ৰতিজ্ঞা কৰিছিল যে সি এদিন পঢ়ি শুনি এজন আদৰ্শৱান ব্যক্তি হ'ব আৰু সি গোটেই সমাজৰ পৰা দুৰ্নীতি, ধৰ্ষণ, লুণ্ঠন, অবিচাৰ, সন্ত্ৰাস আঁতৰাব।

এই আশা বুকুতক বান্ধিয়েই তাই জীয়াই থাকিবলৈ ল'লে আৰু ওচৰৰে এখন এল.পি.স্কুলত শিক্ষয়িত্ৰী পদত সোমাই পৰিল। সামান্য দৰমহাৰে তাই তাইৰ সৰু পৰিয়ালটোক পোহ পাল দিবলৈ ধৰিলে। তাই আশা কৰা মতে সিমু গঢ় লৈ উঠিছিল আৰু সি পঢ়া-শুনা, খেলা-ধূলা সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈ গোটেই স্কুলখনৰ ভিতৰতে আটাইতকৈ মেধাসম্পন্ন ছাত্ৰ হিচাপে চিহ্নিত হৈছিল। কিন্তু আজি হঠাৎ কি হৈ গ'ল। তাইৰ হিচাপ-নিকাচত কিয় আকৌ মেলি-মেলি হৈ গ'ল। তাইতো ভৱা নাছিল কেতিয়াও এনে হ'ব বুলি। তেন্তে কিয় ভগৱানে তাইৰ বুকুৰ পৰা সিমুক কাঢ়ি নিব বিচাৰিছে। সকলোতো কাঢ়ি নিলেই এতিয়া একমাত্ৰ আশা সিমুকো কাঢ়ি নিব বিচাৰিছে। কেনেদৰে জীয়াই থাকিব তাই সিমুৰ অবিহনে? কি অৰ্থ আছে এনেদৰে জীয়াই থকাৰ?' ভগৱান তাইৰ প্ৰতি ইমান নিদাৰূণ নে?' নিজকে প্ৰশ্ন কৰিলে তাই। কান্দি কান্দি ভাগৰি পৰিছিল তাই।

এনেতে ডাক্তৰ বৰুৱাই আহি মধুমিতাকে জনালেহি যে সিমুৰ ইতিমধ্যে মৃত্যু হৈছে। শুনাৰ লগে লগে মধুমিতা জঠৰ হৈ পৰিল। তাই কান্দিবলৈকো পাহৰিলে। প্ৰায় এক ঘণ্টামান তাই এনেদৰে বহি থাকিল। তাৰ পিছত হঠাৎ তাই বিচনাৰ পৰা নামি আহিল আৰু পোনে পোনে সিমাংশুৰ ওচৰ পালেগৈ। সিমাংশু বৰ শান্ত ভাবে শুই আছে। তাৰ মুখত এটা প্ৰশান্তিৰ ছাঁ। সি যেন এইয়া গভীৰ নিদ্ৰাত মগ্ন। মধুমিতাই সিমাংশুৰ কপালত আলফুলকৈ এটা চুমা আঁকি দিলে আৰু তাৰ ওচৰৰ পৰা বাহিৰলৈ ওলাই আহি পোনে পোনে এখন দোকানলৈ আহিল আৰু আকৌ সিমাংশুৰ ওচৰলৈ গ'ল। তাৰ কাষত বিচনাত বহি তাৰ মুখলৈ একেথৰে চাই ৰ'ল যেন তাক বহুত দিন দেখা নাই। ৰুমটোত তেতিয়া তাই আৰু সিমাংশুৰ বাহিৰে আন কোনো নাছিল।

ডাক্তৰ বৰুৱা আৰু শিক্ষক দুজনে লগ লাগি বাহিৰত কিবা কিবি কথা আলোচনা কৰি আছিল। কিছু সময়ৰ পিছত তেওঁলোকে সিমুৰ মৃতদেহটো নিবলৈ বুলি ৰুমলৈ আহিল আৰু দুৱাৰ মুখ পোৱাৰ লগে লগে তিনিও অবাক হৈ যায়।

সিমু বিচনাত পৰি আছে আৰু তাৰ ওচৰতে মাকে মাটিত বহি বিচনাত মূৰটো থৈ পৰি আছে। তাইৰ সোঁহাতৰ ওচৰতে এখন তেজেৰে ৰক্তাক্ত ছুৰী কটাৰী পৰি আছে আৰু বাওঁহাতৰ পৰা ধাৰাসাৰে তেজ ব'বলৈ ধৰিছে। তেওঁলোকৰ আৰু বুজিবলৈ বাকী নাথাকিল। তেওঁলোকে ততাতৈয়াকৈ মধুমিতাক ডাঙি নি অন্য এখন বিচনাত শুৱাই দিলে আৰু ডাক্তৰ বৰুৱাই কিন্তু কোনো ফল নাপালে। ইতিমধ্যে প্ৰচণ্ড ভাৱে দেহৰ পৰা তেজ বাহিৰ হৈ যোৱাত তাইৰ মৃত্যু ঘটিছিল।

ডাক্তৰ প্ৰহ্লাদ বৰুৱাই দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে।

মধুমিতাই আজি সময়ৰ ওচৰত হাৰ মানি দিলে। আজি তাইৰ জীৱনৰ সকলো দুখ, ঘাট-প্ৰতিঘাট তাই লগতে শেষ হৈ গ'ল। নিষ্ঠুৰ সময়ে তাইৰ জীৱনৰ পৰা সকলো কাঢ়ি নিলে। শেষত তাইৰ জীৱনটোও বাদ নপৰিল।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

# জীৱনৰ ৰং আৰু প্ৰশ্ন

কাজল গগৈ
স্নাতক চতুৰ্থ যান্মাসিক

দৰদীয়ে আজিও বুজি নাপালে তাইক কিয় মানুহবোৰে অৱহেলা কৰে। পাৰহৈ যোৱা কিছুমান ঘটনাই বৰ্তমানক সঁচাকৈ বৰ বেয়াকৈ আঘাত কৰে। যি আঘাতে কোমল কলিজাত থকা সবকাকৈ গুলীবৰ্ষণ কৰে। তাই প্ৰায়ে গাঁৱৰ চিনাকী মানুহবোৰৰ ফুচফুচনি শুনিবলৈ পায়। যিটো অৱশ্যে, গাঁৱলীয়া তিৰোতাবোৰৰ স্বভাৱগত ৰীতি। অৰ্থাৎ পৰচৰ্চা।

দৰদী গগৈ। সোনাৰি মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। বৰ ধুনীয়া নহ'লেও এটা মৰম লগা চেহেৰাৰ ছোৱালী দৰদী। বহুতে কয় তাই হেনো দুচকুৰে হাঁহে, ধেমালিতে দুষ্ট প্ৰকৃতিৰ বুলিও কয়, অৱশ্যে তাই বেয়া নাপায়। অতি কম সময়তে সকলোৰে লগত মিলিব পৰাটো তাইৰ এটা ভাল গুণ। তাইৰ এই গুণটোৰ বাবেই হয়তো কলেজৰ বেছিভাগ সহপাঠীয়েই লগৰেই তাইক ভাল পায় আৰু আনবোৰতকৈ আপোন বুলি ভাৱে। ওঠৰ টা বসন্তই গৰকা দৰদীয়ে আজিলৈকে অভাৱ কি চিনি পোৱা নাই। কিন্তু ক্ৰমে তাই জীৱনৰ এটা বহুত ডাঙৰ অভাৱৰ বশৱৰ্তী হৈছে যিটো অভাৱে তাইক বাৰুকৈয়ে দুখ দিয়ে। তাই সৰুৰে পৰা ককাকৰ ঘৰত থাকিয়েই ডাঙৰ হৈছে, মাকৰ সান্নিধ্য তাই কোনোদিনেই পোৱা নাই। সৰুতেই এদিন মাকে তাইক ককাকৰ ঘৰত থৈ গৈছিল আৰু সেইদিনাৰ পৰা আজিলৈকে ককাকৰ ঘৰ খনকে আপোন বুলি ধৰি লৈছে। তাইৰ নিজৰ ঘৰখনত মাক, দেউতাক আৰু এটা সৰু ভায়েক। কোনোমতে মৌলিক প্ৰয়োজনখিনি পুৰন কৰি জীয়াই থাকিব পৰা সুখী পৰিয়াল।

সময়ে বেগাই উৰা মাৰিছিল অতীত, বৰ্তমানক চেৰ পেলাই কেৱল আগলৈ। সৰুতে বুজি পোৱা নাছিল তাই, তাইক লৈ মানুহে কিয় গোপন আলাপ কৰে, লুকাই চুৰকৈ কটু দৃষ্টি নিক্ষেপ কৰে। কিন্তু এতিয়া ডাঙৰ হৈছে সকলোবোৰ বুজি পাইছে। অথচ, এইটো বুজি নাপালে, 'ভুল কাৰ গাত!'

প্ৰেমে নামানে বয়সৰ সীমা, প্ৰেমে মাথো জানে প্ৰেমৰ ঠিকনা। এককথাত এয়া হয়তো ভুল; হ'লেও মানুহে জীৱনত প্ৰেমৰ উত্তাল ঢৌত উটি ভাহি যাওঁতে কৰবাত নহয় কৰবাত নিষ্ঠুৰ বাস্তৱৰ মুখামুখি হ'বলগীয়া হয়। এয়া দৰদীৰ মাকৰ এটা অবাঞ্ছনীয় অতীত আছিল।

কুমাৰিকা বৰুৱা। দৰদীৰ দৰেই বুকুত অজস্ৰ। সপোন লৈ যৌৱনৰ দুৱাৰ ডলিত প্ৰথম খোজ পেলাইছিল। তেতিয়াই বাস্তৱৰ প্ৰেমত পৰিছিল কুমাৰিকা। প্ৰথম অৱস্থাত সকলোবোৰ ঠিকেই আছিল। সপোনৰ, অনাগত ভৱিষ্যতৰ পাঠ পঢ়াইছিল তাইক। গোটেই জীৱনৰ সুখে-দুখে লগত থকাৰ কথা দিছিল। সেই তেতিয়াই কুমাৰিকাই ভুলটো কৰিছিল, যিটো ভুলৰ পৰিণাম এতিয়া হ'লগৈ অবাস্তৱ। প্ৰেম-প্ৰণয়ৰ জোৰত, সুখৰ সংসাৰ গঢ়াৰ মানসেৰে তাই বাস্তৱৰ সতে বিবাহপাশত আৱদ্ধ হ'ল। দিন বাগৰিলে... আকৰ্ষণ কমি আহিল অকাৰণত। তাই কথাটো লক্ষ্য কৰিছিল কিন্তু ধৰি লৈছিল মাজে মাজে তাৰ এইবোৰ অভিমান। কুমাৰিকা অন্তঃসত্বা হ'ল। কথাটো কেনেকৈ বাস্তৱৰ আগত কব; সি ছাগে কথাটো শুনি আনন্দত আত্মহাৰা হৈ পৰিব; আনদিনাৰ দৰে কোলাত লৈ কেইপাক যে ঘূৰাব... আৰু ক'ত কি। কিন্তু সম্পূৰ্ণ বিপৰীত হ'ল। সি তেনে কোনো উৎসাহ নেদেখুৱালে বৰঞ্চ তাইৰ কথাটোত অকণো গুৰুত্ব নিদি আঁতৰি গ'ল। আশাত চেঁচাপানী পৰিল দৰদীৰ। যিজন মানুহে তাইৰ প্ৰতিটো সুখ-দুখৰ মুহূৰ্তত লগৰী হৈছিল



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ

সেইজন তাহানিৰ তাইৰ প্ৰেমিক এতিয়াৰ দৰে নহয়। সম্পূৰ্ণ বিপৰীত অন্য এজন বাস্তৱ তাইৰ স্বামী। ৰাতি দেৰিকৈ ঘৰ সোমোৱা, মুখত উৎকট মদৰ গোন্ধ আৰু তাইক দুবাহুত সোমোৱাই মৰম কৰা হাত দুখনো আজি ধাৰ থকা এখন চোকা অস্ত্ৰ হৈ পৰিল। ক'ত কি হ'ল তাই ভাবি পাৰ নোপোৱা হয়। বহুত নিশা ঘৰ সোমোৱা, মদৰ নিচা আৰু অসহনীয় অত্যাচাৰ এইবোৰ কুমাৰিকাৰ জীৱনৰ নিত্য নৈমিত্তিক ঘটনা হৈ পৰিল। যিটো সময়ত তাইক সংগ দিয়াটো তাৰ দায়িত্ব আৰু কৰ্তব্য আছিল সেয়া তাৰ বিবেকে ঢুকি নোপোৱা হৈছিল। ফলত তাই মানসিকভাৱে বহুত ভাগি পৰিছিল। হয়তো কেতিয়াবা নিজকে শেষ কৰি দিবৰ মন গৈছিল, কিন্তু গৰ্ভৰ সন্তানটি...।


অৱশেষত, অত্যাচাৰ সহিব নোৱাৰি তাই মাকৰ ঘৰলৈ ঘূৰি অহাৰ সিদ্ধান্ত ল'লে। তেতিয়াও তাই এটা শেষ আশা মনত পুহি ৰাখিছিল, সি বুজি পাব তাৰ ভুলৰ কথা আৰু সি তাইক বিচাৰি আহি কবহি মোক ক্ষমা কৰি দিয়া। মই তোমাক আৰু কেতিয়াও ইমান কষ্ট নিদিওঁ। মই তোমাক ভাল পাওঁ। কিন্তু নাহিল...। দুদিনমানৰ পিছতে বাস্তৱে দ্বিতীয় বিবাহ কৰালে। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিলে। এয়া কুমাৰিকাৰ কাৰণে অসহনীয়, অবিশ্বাস্য আছিল অথচ একেবাৰেই সত্য। সেইদিনাই তাইৰ বুকুলৈ এজনী কন্যা সন্তান আহিছিল। তাই হাঁহিব নে কান্দিব বুজা নাছিল। পাৰহীন ভাৱনাত পিয়াহ খুৱাবলৈও পাহৰি গৈছিল তাই। প্ৰত্যেকজনী ছোৱালীৰ দৰে তায়ো এদিন মাতৃ হোৱাৰ সপোন দেখিছিল আৰু হাঁহি হাঁহি তাই কোলাত থকা কেচুৱাটিক পিয়াহ খুৱাব। এগৰাকী নাৰীৰ আটাইতকৈ ব্যক্তিগত সুখৰ পল সেয়া। কিন্তু তাইৰ মুখৰ হাঁহি কলৈ গ'ল। কোনে কাঢ়ি নিলে সেই হাঁহি কেঁচুৱাটিয়ে কেতিয়াবা বৰ আমনি কৰে হয়তো দেউতাকৰ স্পৰ্শ বিচাৰে। সকলো পাহৰি কুমাৰিকাই তাইৰ সন্তানটিক মানুহ কৰাৰ প্ৰচেষ্টা হাতত ললে। আৰু সেই দুৰ্ভগীয়া শিশুটিয়ে আছিল দৰদী।

দুখন ঘৰৰ সন্মতিক্ৰমে কুমাৰিকাৰ পুনৰ বিবাহ হ'ল। এজন ভাল মানুহৰ লগত, যিয়ে তাই আৰু দৰদীক নিৰাপত্তা দিবলৈ সক্ষম। দৰদী আৰু কুমাৰিকা মাক-জীয়েক হ'লেও কেতিয়াবা মাকে কয় 'সপোন দেখিবি কিন্তু কিছুমান সপোন বাস্তৱ হ'লেও বৰ কষ্টকৰ হয় আৰু এই বাস্তৱৰ লগত যুঁজ কৰাটো অসম্ভৱ।' তাই জানে মাকে এতিয়াও নিৰলে কান্দে। কিন্তু কৰিব কি! মাকৰ জীৱনটো আন্ধাৰ হ'লেই, লগতে সেই আন্ধাৰে লাহে লাহে যেন তাইকো গ্ৰাস কৰিব ধৰিছে।

ইমানবোৰ হৈ গ'ল, সকলো মানুহেই বুজি পালে ক'ত কি ঘটি গ'ল। কিন্তু আওপকীয়াকৈ দোষাৰোপ কৰিলে দৰদী আৰু তাইৰ মাক কুমাৰিকাক। বাস্তৱ কলৈ গ'ল, তাৰ দোষবোৰ মানুহে দেখিও কিয় নেদেখাৰ ভাও জুৰিলে? সকলোৱেই কিয় নাৰী জাতিটোকে দোষ দিয়ে? এই প্ৰশ্নবোৰৰ কোনো উত্তৰ নাই। দৰদীয়ে সেয়ে শুনিবলৈ পায় সেই ফুচফুচনিবোৰ। কিন্তু নাজানে তাইৰ দোষ কোনখিনিত। যিবোৰ মানুহে তাইক অৱহেলা কৰে তেওঁলোকক তাইৰ কেতিয়াবা চিঞৰি চিঞৰি সুধিবৰ মন যায়— মোক তোমালোকে কিয় আন দহজনী ছোৱালীৰ সমকক্ষত থিয় হ'ব নিদিয়া? মোক কিয় কথাৰ শৰ মাৰি বধিৰ কৰি তোলা? মোক কিয় গোপন আলাপৰ বিষয়বস্তু কৰি লোৱা? সকলো জানিও তোমালোকে মোক কিয় জাৰজ নাম দি বিচাৰা... ইত্যাদি অলেখ প্ৰায়।

তাই জীৱনটো নতুন কৈ সজাব খুজিও থমকি ৰয়। কাৰণ তাইক এই প্ৰশ্নবোৰে পংগু কৰি তোলে। অথচ এনেকুৱা মুহূৰ্ততো তাই অলপ সহাঁৰি বিচাৰে। যাৰ সহাঁৰিত তাই এই প্ৰশ্নবোৰক নেওচি আগলৈ যাব পাৰে। কেৱল আগলৈ...

দৰদীয়ে কেতিয়াবা কিয় — 'জীৱনটো শূন্য হৈ গ'লেও চেলেকি আস্বাদ লৈ থকাৰ অভ্যাস হৈ যায়। জীৱনৰ পৰা পোৱা সামান্যখিনিয়েই শূন্য সুগন্ধি সুবাস হৈ যায়। এই সুবাসৰ আমেজত আশাৰ গঁজালি মেলে। সেইবাবেই জীৱন ৰহস্যময় আৰু বিচিত্ৰ...।



# হৃদয়ৰ স্বপ্নত আছুতীয়া কোণত

জুপিতৰা
স্নাতক দ্বিতীয় ষান্মাসিক

পূৰ্ণিমাৰ জোনৰ পোহৰে চাৰিওফালে পোহৰ বিলায় এক নিৰ্মল জোনাক কৰে। জোনৰ শীতলতাই যেন ডাৱৰৰ মাজে মাজে লুকা-ভাকু খেলে। কুঁৱলীৰ টোপালবোৰে চেঁচা কৰি ৰাখিছে এই অনিন্দ্যময় সুন্দৰ পৃথিৱীক। কিন্তু চেঁচা পেলাব পৰা নাই পলাশৰ হৃদয়খনি।

এন্ধাৰ কোঠাটিৰ এচুকুত একান্তমনেৰে বহি আছে সি। একেৰাহে চাই আছে আকাশৰ জোন, তৰালৈ। আজি তাৰ বৰ মনত পৰিছে অতি মৰমৰ কুঁহিজনীলৈ; ৰাতি বহুখিনি সময় সি সাৰে আছে।

সোণ তইচোন শুৱাই নাই। আজি তোৰ কি হ'ল? এইদৰে অকলশৰে নীৰৱে এন্ধাৰত বহি আছ কিয়?

মা তুমি শুৱাগৈ, মোৰ কথা চিন্তা কৰিব নালাগে। মোৰ এতিয়া টোপনি ধৰা নাই। টোপনি ধৰিলে শুম নহয়। তুমি মোৰ কথা ভাবি থাকিব নালাগে।

সোণ, তোৰ কিবা হ'লে মোৰ জানো কষ্ট নহয়? তই এতিয়া শো। মোৰো টোপনি ধৰিছে বুলি কৈ মাকে শোৱাৰ কোঠাত সোমাল।

ৰাতিপুৱা পলাশে শুই উঠি দেখে যে ঘড়ীত ৮ বাজি ৩০ মিনিট হ'ল। ল'ৰা-লৰি কৰি সি কলেজলৈ ওলাল। তাৰ আজি মনটো বৰ ভাল নহয়। তাৰ বন্ধু মানসে আহি লগ কৰিলে। আন দিনাৰ দৰে পলাশে আজি স্ফূৰ্তি কৰি যোৱা নাই। দুয়োটাই আজি শান্ত মনেৰে কলেজত সোমাল। হঠাতে পলাশৰ চকু পৰিল এজনী ধুনীয়া ছোৱালীলৈ। তাইৰ কঁকাল পাৰ হোৱা দীঘল চুলি, সুন্দৰ মুখমণ্ডল, কাৰোবাৰ হৃদয় আকৰ্ষিত কৰিব পৰা দুনয়ন। গোলাপী ৰঙৰ ওঠ দুটি, ধেনুভিৰীয়া, চেলাউৰি, বুকুত কঁপি কঁপি উঠা হৃদস্পন্দন বিলাকৰ গান, আৰু মৰম সনা মধুৰ কোমল মাত। এনেকুৱা এজনী ছোৱালীৰ প্ৰেমত কোনে নপৰিব। পলাশে তাইক দেখোতেই তাৰ সপোনৰ হৃদয়ত স্থান দিছিল। পলাশ বৰ ভাল ল'ৰা। আনৰ প্ৰতি থকা মৰম আৰু দুখ-কষ্ট পোৱা মানুহক সহায়ৰ হাত আগবঢ়ায়। সেইকাৰণে সকলোৰে প্ৰতি দয়ালু। কিন্তু এইদৰে যে কাৰোবাৰ প্ৰেমত পৰি নিজকে পাহৰি যাব সি ভাবিয়ে পোৱা নাছিল। ক্লাছত মন দিব পৰা নাই পলাশে। গোটেই সময়খিনি তাইলৈকে চাই থাকিলে, ভাবিলে, এইয়ে হ'ব তাৰ চিৰজীৱনৰ লগৰী। সেইকাৰণে পলাশে তাইৰ লগত চিনাকী হ'বলৈ বাধ্য হ'ল।

'তোমাৰ নাম কি? প্লিজ ক'বানে?'

'অ' মোৰ নাম কুঁহি বৰুৱা আৰু তোমাৰ নাম?' লগে লগে কুঁহিয়ে সুধিলে —

'কম নিশ্চয়, মোৰ নাম পলাশ দত্ত।'

কুঁহিয়ে পুনৰ প্ৰশ্ন কৰিলে — 'কিবা দৰকাৰ আছিল তোমাৰ মোৰ ওচৰত, মই কিবা সহায় কৰিব লাগে নেকি?'

'নাই নালাগে, ধন্যবাদ। তোমাৰ লগত চিনাকী হৈ মোৰ ভাল লাগিব। কিন্তু তোমাক কথা এটা কম বুলি ভাবিছিলোঁ। এতিয়া নকওঁ। কেতিয়াবা নিশ্চয় ভাল দিন এটা আহিব সিদিনা কম।'

এইদৰে এদিন-দুদিন কৰি সময়বোৰ পাৰ হৈছে। পলাশে মনৰ কথা কুঁহিৰ আগত ক'ব পৰা নাই। কুঁহিৰ সদায় পলাশৰ কথাটো শুনিবলৈ মনতো উত্তাৱল হৈ থাকে। পিছে বেচেৰীয়ে নো কৰে কি? আনৰ মনৰ কথা সুধিবও নোৱাৰে। দিন বাগৰি যোৱাত কুঁহিয়ে পলাশক পাহৰিব ধৰিলে। কিছুদিনৰ পাছত কুঁহিৰ মানসৰ লগত ভাল বন্ধুত্ব হ'ল। লাহে লাহে এই বন্ধুত্ব প্ৰেমৰ মধুৰ সম্পৰ্কত গঢ় ল'লে। পলাশে গমেই নাপালে। দুয়োটা লগতে থাকে অথচ মনৰ কথা কোনেও নকয়। এদিন মানস আৰু কুঁহিৰ বিয়া হোৱা প্ৰস্তাৱত দুয়ো সন্মত হ'ল। কলেজীয়া শিক্ষা শেষ কৰি কালক্ৰমত কুঁহিৰ বয়সো পাৰ হৈছে। ছোৱালীৰ বাবে বয়সে কেতিয়াও ৰৈ নাথাকে। গতিকে বিয়াৰ দায়িত্ব আহি পৰিল।

এই বিয়াৰ কথা পলাশৰ কাণত পৰিল। সি আৰু কি কৰিম, কি নকৰোঁ বুলি ভাবি ভাবি পাৰ নোপোৱা হ'ল। পলাশে মনৰ কথা কাহানিও তাইৰ আগত প্ৰকাশ নকৰিলে। তাৰ বাবে পলাশেই দায়ী।

ইমান দিনৰ কথা মনত সপোনহে যেন হৈ পৰিল। সি অন্তৰত বৰ আঘাত পালে। তাৰ বন্ধু মানসেও যে এনেকুৱা কৰিব সি জনাই নাছিল। তাৰ এই কথাটোৱেই হৃদয়ৰ কোনোবা কোণত চেপি পেলাইছে। তাৰ চকুৰ পানী দুগালেদি বৈ আহিল। এদিন সঁচাকৈয়ে কুঁহিয়ে তাৰ হৃদয় ভাঙি গুচি গ'ল। সি নিজকে ক'লে মানুহৰ জীৱন এনেকুৱাই। নিজে কেতিয়াবা কিবা কৰোঁ বুলি কৰিবতো নোৱাৰে। সকলোবোৰ নেদেখা জনেই কৰায়। তাৰ জীৱনটো কিমান দুখৰ হ'ব পাৰে। বৰ কষ্টৰে সময়বোৰ পাৰ কৰালে। কুঁহি যদি মানসৰ লগত সুখী হ'ব পাৰে হওক।

তাকেই সি আশা কৰে। এইদৰে থাকিব, সি কুঁহিক ভালপোৱা বুকুত সাৱতি। সঙ্গী নিবিচাৰে কেতিয়াও।

নিসংগতা, মৌনতা, নীৰৱতাই তাৰ আজিৰ পৰা সঙ্গী। তাতকৈ আৰু একো নালাগে। সি কুঁহিৰ হৃদয়তে তাৰ জীৱন দান কৰিলে। তাৰ জোনাকবিহীন জীৱনটো যেন এন্ধাৰে আৱৰি ধৰিলে। এনেকৈয়ে জীৱনটো আধৰুৱা হৈ পৰিল। তাৰ সপোনবোৰ। কুঁহিৰ কথা ভাবি ভাবি ৰাতি আকাশলৈ চাই চাই সি অবাক হৈ ৰ'ল।

# সু-খবৰ

দীপাংকৰ গগৈ
স্নাতক ষষ্ঠ যান্মাসিক

দিবাকৰ কলেজখনলৈ নতুনকৈ আহিছে। তেওঁ এইবাৰ কলাশাখাৰ তৃতীয় যান্মাষিকৰ ছাত্ৰ। মানে সি এবছৰ মাৰ্ঘেৰিটাৰ কলেজ এখনত পঢ়ি আছিল। দেউতাকৰ চাকৰি বদলি কৰা সূত্ৰে সোণাৰি কলেজত নামভৰ্তি কৰিছে। অৱশ্যে এই নতুনকৈ বদলি হোৱাৰ কথা তাৰ বাবে কোনো নতুন কথা নহয়। বাপেকৰ ফৰেষ্টৰ চাকৰিৰ বাবে বদলি হ'ব লগা হয় আৰু সেই সূত্ৰে তাৰ পঢ়াৰ স্কুল কলেজো বদলি হৈ আহিছে।

কলেজীয়া জীৱনত সি ৰোমাণ্টিক সপোনৰ ছাঁ টোকে নেদেখিলে। কৃষ্ণচূড়া, ৰাধাচূড়া এইবোৰ তাৰ জীৱনলৈ নাহিল। অৰ্থাৎ হায়াৰ চেকেণ্ডাৰী দুবছৰ আৰু ডিগ্ৰীৰ এবছৰ তাৰ বাবে সম্পূৰ্ণ 'ড্ৰাই'। অন্যাৰ্থত পঢ়া শুনাৰ প্ৰতি উৎসৰ্গিত আছিল তাৰ কলেজীয়া জীৱন। হুঃ কলেজীয়া জীৱনৰ ৰুটিন মাফিক নতুনত্বহীন জীৱন। জীৱন মানে তাত ক্লাছ, লাইব্ৰেৰী, হোষ্টেল, কেণ্টিন, ছেমিনাৰ, গ্ৰুপ ডিছকাছন আদি। যেতিয়া সি দেউতাকক চাকৰি বদলি কাৰণে নতুন বেলেগ এখন কলেজলৈ যাবলগীয়া হ'ব পাৰে বুলি শুনিবলে তেতিয়া তাৰ মনটো আৰু বিষাদেৰে ভৰি পৰিল। সি পঢ়ি থকা তিনিবছৰৰ কথা তাৰ মনলৈ আহিল। ঠাকুৰ হোটেলৰ সন্মুখত এৰি অহা সিহঁতৰ পুৰণি আড্ডালৈ মনৰ পৰিল, মনত পৰিল তাৰ পুৰণি বন্ধুকেইজনৰ সৈতে অতি আগ্ৰহৰে বলিউডৰ নায়ক-নায়িকা সকলৰ বিষয়ে আলোচনা কৰা, ক্ৰিকেটৰ বিষয়ে আলোচনা কৰা, নতুনকৈ মোডী চৰকাৰৰ যি ঐতিহাসিক জয় লাভ কৰাৰে পৰা আৰম্ভ কৰি কোনজনী ছোৱালীৰ ফিগাৰটো কেনেকুৱা, হোষ্টেল আৰু কেণ্টিনৰ আড্ডাবোৰ ইত্যাদি। যুগ...... তাৰ মনৰ পৰি যায় সি পঢ়ি অহা বিখ্যাত নাট্যকাৰ আলিভাৰ গল্ড স্মিথৰ নাটক টি ষ্টুপচ টু কংকুৱাৰ প্ৰথম সংলাপটিৰ কথা য'ত মিঃ হাৰ্ডকেচেলে কৈছিল ঃ আই লাভ এভ্ৰিথিং দেৰ ইজ অল্ড অল্ড ফ্ৰেইণ্ডজ, অল্ড বুকৰ...। কিন্তু এতিয়া বাপেকৰ সমস্যাটোৱে তাৰ সঞ্চিত সমস্ত হিচাপ-নিকাচ ওলট-পালট কৰি পেলালে। যেন সৰ্বনাশ হৈ গ'ল। তথাপিও সি এৰি আহিব লাগিব সেই পুৰণি বন্ধুবোৰ, পুৰণি দিনবোৰ আৰু বহু ভাল পোৱাৰ দুখ, হেৰুৱাই পেলোৱাৰ দুখ, এই দুখবোৰেই তাৰ জীৱনৰ আপুৰুগীয়া সম্পদ।

অৱশ্যে নতুন কলেজখনলৈ আহি তাৰ কোনো লোকচান হোৱা নাই আৰু বেয়াও লগা নাই। বৰঞ্চ লাভহে হৈছে। কাৰণ সি নতুন নতুন ভাল লগবোৰ পাইছে আৰু হোষ্টেলত থাকি তাৰ খুব ভাল লাগিছে। তাৰ ৰাতিপুৱা খুব সোনকালে শুই উঠাৰ অভ্যাস। সি ৰাতিপুৱাৰ পৰিবেশটো খুব ভাল পায়। সেই কাৰণে সি ৰাতিপুৱা দাঁত ব্ৰাছ মাৰি কলেজৰ ভিতৰলৈ সোমাই কলেজৰ ভিতৰত থকা গছ-গছনিৰে ভৰা পৰিৱেশটো উপভোগ কৰে। কেইদিনমানৰ পৰা পুৱা শুই উঠি ব্ৰাছ মাৰি কলেজৰ ভিতৰলৈ সোমাই যোৱাৰ অভ্যাস দিবাকৰৰ এমান্বয়ে অভ্যাস হৈ পৰিছে। অৱশ্যে এই অভ্যাসৰ নেপথ্যত অন্য এটি কাৰণ নথকা নহয়। সি যেতিয়া সোনকালে শুই উঠি দাঁত ব্ৰাছ মাৰি কলেজৰ একুৰিয়াম ফিল্টাৰৰ মুখ ধুবলৈ যায় তেতিয়া সদায় নিৰ্দিষ্ট সময়ত গ্ৰাৰ্লচ হোষ্টেলৰ এজাক ছোৱালী পানী নিবলৈ একুৰিয়াম ফিল্টাৰলৈ আহে। তাৰ ভিতৰৰ এজনী ছোৱালী তাৰ খুব পছন্দ হয়। কেতিয়াবা হালধীয়া চুৰিদাৰ। আকাশ নীলা চুৰিদাৰ আকৌ কেতিয়াবা ৰঙা চুৰিদাৰ। প্ৰায়ে তাৰ সেই ছোৱালীজনীৰ চকুৱে চকুৱে পৰে আৰু নেদেখা হোৱালৈকে একেথৰে চাই ৰয় সি। কিবা যেন এক যাদু আছে ছোৱালীজনীৰ মুখমণ্ডলত। সেই বনৰীয়া হৰিণীৰ নিচিনা চকুযুৰি আৰু সেই ধ্ৰুৱক হাঁহিটি আৰু ... আৰু... এক তীব্ৰ বাসনাই পীড়ন কৰে তাক, সি তাইৰ মুখামুখি হ'ব খোজে। খোজৰ অপৰূপা ছন্দ তুলি তাই প্ৰায়েই পানী নিবলৈ আহে। সি ক'ব নোৱাৰাকৈ অতি সংগোপনে ছোৱালীজনীৰ প্ৰতি তাৰ হৃদয়ত এক অন্তহীন আত্মীয়তা গঢ়ি উঠিছে।

এখন খৰস্ৰোতা পাহাৰী নৈৰ দৰে সময় পাৰ হৈ যায় ক্ৰমশঃ। নিশা জোনৰ পোহৰত, তৰাৰে ভৰা মুকলি আকাশত তাৰ মনত হাজাৰ হাজাৰ সোণোৱালী সপোনে সাৰ পাই উঠে। প্ৰশ্ন আৰু প্ৰেমৰ কাৰেং নিৰ্মাণৰ ব্যস্ত হৈ পৰে সি।

কোনো মাল্টিনেচনেল কোম্পানীৰ ব্যস্ত একজিকিউটিৰ নিচিনাকৈ সঠিক সময়ত দিবাকৰ হাজিৰ হয়ই একুৰিয়াম ফিল্টাৰটোৰ ওচৰত; আৰু লাহে লাহে দাঁত ব্ৰাছ মাৰি ওচৰতে থকা পকাৰ শ্লেপটোত বহি পৰে সি। ধ্যানমগ্ন হৈ পৰে সি প্ৰেমৰ তপস্যাত। এক ক্লান্তিহীন অন্তহীন অপেক্ষাত ৰয় চাৰে পাঁচ বজালৈ। প্ৰায়ে চাৰে পাঁচ বজাতেই আহি পাব বহু প্ৰতীক্ষিত স্বাগতম্ নাৰী মূৰ্তিটি। সেই মুহূৰ্ততেই অল্প অকল্পনীয় দ্ৰুতগতিৰ পঢ়ি যাব তাৰ হৃদস্পদন। হয়তো হৰিণীৰ নিচিনা চকুযুৰিয়ে তাৰ ফালে চাবও পাৰে, নাচাবও পাৰে। কোনো বাধ্যবধকতা নাই। কিন্তু চকুৱে চকুৱে পৰিলে? চাৰিশ চল্লিছৰ হাই ভল্টেজৰ বৈদ্যুৎতিক প্ৰবাহ পাৰ হৈ যাব তাৰ শৰীৰেদি। হাইড্ৰ'জেনৰ দৰে পাতল হৈ যাব তাৰ মন, শৰীৰ।

ক্ষন্তেকতে অন্ত পৰে তাৰ অধীৰ প্ৰতীক্ষা। হাঁহি হাঁহি কথা পাতি ছোৱালী এজাক ফিল্টাৰটোৰ সন্মুখত ৰয়হি। ছোৱালী জাকৰ মাজত সি তাইক দেখে। তাই কথা পাতি পানী ভৰোৱাত ব্যস্ত। এবাৰ তাৰ চকুৱে চকুৱে পৰাত সঁচাকৈয়ে চাৰিশ ভল্টেজৰ বৈদ্যুৎতিক প্ৰবাহ শৰীৰেদি পাৰ হৈ যোৱা যেন লাগিল। ক্ৰমশ ছোৱালীজাক আগবাঢ়ি হোষ্টেলৰ দিশলৈ আতৰি যায়। কি নাম বাৰু তাইৰ? মনময়ুৰী, কবিতা, পল্লৱী? নাই নহয়। নে শেষত জ্যোতি, মণি লগা।

বাৰু লামা, সেই যে হালধীয়া চুৰিদাৰ পিন্ধি ছোৱালীজনী জাকৰ মাজত গৈ আছে চিনি পোৱা নেকি?

দাঁত ব্ৰাছ মাৰি হাত-মুখ ধুই ঘূৰি আহোঁতে হোষ্টেলৰ গেটৰে আড্ডা মাৰি থকা লামাক দেখি .... এই প্ৰশ্নটি দিবাকৰৰ ওঠত ওলমি ৰয়।

হায়াৰ ছেকেণ্ডাৰী চেকেণ্ড ইয়েৰৰ ছাত্ৰ কৃষ্ণ লামা তেতিয়া লগৰ এজনক লগত কথা লতাত ব্যস্ত। তাৰ কথাত যতি পৰাত স্বাভাৱিকতেই সি বিৰক্ত হৈ উঠে।

লামা ঃ দাদা কিবা কৈছিল?

দিবাকৰে পুনৰ ব্যস্ত হৈ পৰে হালধীয়া চুৰিদাৰৰ চেহেৰা বৰ্ণোৱাত।

প্ৰথমবাৰৰ বাবে পৰাজিত হ'ল লামা। নাই, সি কোনো উত্তৰ উলিয়াব নোৱাৰিলে। ৰাতিপুৱা পানী অহা সকলো ছোৱালীকে সি চিনি পায়। চাৰা ........ সি জানে। এই আকৌ কোন আহিল? চিন্তাত কুঞ্চিত হৈ পৰে তাৰ কপাল। জিলিকি উঠে মুখমণ্ডলত ক্ৰিকেট খেলত শূন্যত আউট হৈ অহা বেট্‌চমেনৰ অসহায় ভাব। জোৰ কৰিও সি মনত পেলাব নোৱাৰে, তাই কোন? তাই কোন বাৰু?

ঃ ঐ দীপু, দীপু চাওঁ, এইফালে আহচোন। একেলগে পঢ়া লামাই চোৰাংটোক চিঞৰি মাতে। তাৰ পিছত দিবাকৰৰ ফালে চাই নিম্নস্বৰে সি কৈ উঠে দাদা আচল খবৰ এই দীপুৱেহে দিব পাৰিব। ইয়াৰ একেবাৰে নেটৱৰ্ক থ্ৰী-জী। বহুত নেটৱৰ্ক তাৰ। খবৰো ৰাখে সি ঢেৰ।

ঃ কি হ'ল ৰাতিপুৱাই এই দীপুক য়াদ কৰিলি যে। কিবা হ'ল নেকি আকৌ। মুখত তাৰ দুষ্টালিৰ হাঁহি।

ঃ নহয় অ' খবৰ এটা লাগে। এই যে অলপ আগতে পানী নিবলৈ অহা চৰাইজাকৰ মাজৰ হালধীয়া চৰাই এটা পাৰ হৈ গ'ল, তোৰ কিবা জান পেহচান আছে নেকি?

ঃ কি হ'ল সোণটো? সেই হালধীয়া চৰাইটোৱে তোৰ কি বাওধান ডৰা খাই গ'ল নেকি?

ঃ কথা সেইটোৱেই। হালধীয়া চুৰিদাৰ পিন্ধি যোৱা ছোৱালীজনী কোন? জান নেকি?

ঃ ৰাতিপুৱাই ছোৱালীৰ নাম লৈ মোৰ টেমাটো গৰম নকৰিবি। সেইবোৰ তোৰ মোৰ দৰকাৰ নাই। কোন ক'ত যায়? চাল্লা পৰীক্ষা পালেহি পঢ়িব নোৱাৰ। প্ৰস্থান কৰিবলৈ উদ্যত হয় সি।

ঃ নহয় দীপু। তই মিছাকৈয়ে খং খাইছ। খবৰটো আচলতে এই নতুন দাদাকহে লাগে— আঁতৰত থকা দিবাকৰক দেখুৱাই দিলে লামাই।

ঃ কি?? বিস্মিত হয় দীপু।

ঃ দাদা, মুঠেই বেয়া নাপাব। ই সদায় এনে কিছুমান কথা কৈ মোক আমনি কৰি থাকে। সেয়ে খঙতে ক'লো। বেয়া নাপাব দাদা।

ঃ নাই নাই। বেয়া কিয় পাম? সেইয়া তোমোলোকৰ কথা। মই জানো, সেইবোৰ ধেমালি বুলি। বাৰু, এতিয়া আচল কথালৈ আহাচোন।

ঃ সেই ছোৱালীজনীক দেখা দহ পোন্ধৰদিনমান হৈছে। হয়তো নতুনকৈ কলেজলৈ আহিছে কি জানি। আগতে দেখা মনত নপৰে। নতুনকৈ আহিছে যেতিয়া হায়াৰ ছেকেণ্ডাৰী ফাৰ্ষ্ট হায়াৰ বা ডিগ্ৰীৰ ফাৰ্ষ্ট চেমিষ্টাৰৰ হ'ব। ছোৱালীজনী বেছিকৈ কলেজত ওলাই ওলোৱা সোমোৱা কৰি নাথাকে। হয়তো অলপ লাজুকীয়া, ক্লাছ কৰে আৰু হোষ্টেল যায়গৈ। কিন্তু বিশেষ খবৰ লাগিলে মই আনি দিব পাৰিম দাদা। ৰ'ব কালিলৈ খবৰ আনিমেই।

দীপুৰ প্ৰতিশ্ৰুতিয়ে দিবাকৰৰ মনলৈ বহুতো ৰং কঢ়িয়াই লৈ আহে। লগে লগে অন্নপূৰ্ণা ৰেষ্টুৰেণ্টৰ তিনিটা স্পেচিয়েল কফি অৰ্ডাৰ দিয়ে সি।

পিছদিনা দীপুৱে তাৰ প্ৰতিশ্ৰুতি ৰাখিলে। খবৰ আনিলে ছোৱালীজনীৰ।

ছোৱালীজনীৰ পৰিয়ালটি নতুনকৈ ইয়ালৈ আহিছে। আচল ঘৰ শিৱসাগৰত। নাম তাইৰ অন্তৰা ফুকন। দেউতাকে অৰুণাচল চৰকাৰৰ কোনোৱা এটা বিভাগৰ ডিৰেক্টৰ। তাই এইবাৰ হায়াৰ ছেকেণ্ডৰী পাছ কৰি কলা শাখাৰ বুৰঞ্জী মেজৰ হিচাপে লৈছে।

দিবাকৰে খবৰখিনি ঠিকেই পালে। কিন্তু তাৰ বাবে সমস্যা হ'ল তাইৰ লগত কেনেকৈ চিনাকি হ'ব। কেনেকৈ কথা পাতিব। তাৰ উপৰি চিন্তা হ'ল তাৰ সি বাৰু অন্তৰালৈ তাৰ প্ৰেমৰ প্ৰস্তাৱটি কেনেদৰে পঠিয়াব।

দিবাকৰৰ সিমানখিনি সাহসো নাই যে ঘৰত গৈ অন্তৰাৰ মাক-দেউতাকৰ আগত তাৰ প্ৰেমৰ দাবীটি উত্থাপন কৰিব পাৰিব। "মই অন্তৰাক সদায় কলেজত ৰাতিপুৱা পানী নিবলৈ আহোতে দেখিছো। মোৰ তাইক পচন্দ হৈছে আৰু মই এজন চৰিত্ৰবান ডেকা ল'ৰা। মই নিচা জাতীয় কোনো দ্ৰব্য সেৱন নকৰো। মই অন্তৰাক ভৱিষ্যতে বিয়া কৰাব খুজি আপোনালোকৰ ওচৰত প্ৰস্তাৱ দিছোঁ। এইধৰণেও সি ক'ব নোৱাৰে। কাৰণ অন্তৰাৰ যদি জুড়িয়া ককায়েক আছে, তেন্তে ধূলাই খোৱাৰ ভয়।

পিছদিনা সি অন্তৰাক বাটতে লগ কৰাৰ সিদ্ধান্ত ললে।

কলেজৰ ভিতৰৰ ফিল্টাৰটোৰ ওচৰৰ আমলখি গছজোপাৰ ওচৰত ৰৈ থাকিল সি। সি কুৰি মিনিটমান কৰা প্ৰতীক্ষাৰ পিছত ছোৱালীজাকক পানী নিবলৈ অহা দেখা পালে আৰু অন্তৰাক দেখা পালে। কিন্তু সি মাতিব নোৱাৰিলে। সাহস নহ'ল তাৰ।

এনেদৰে বহুত দিন বাগৰিব ধৰিলে। ক্লাছৰ লগৰবোৰ আৰু হোষ্টেলৰ সকলোৱে তাৰ কথাটো জানিব পাৰিলে। ছোৱালীজনীক দেখিলেই লগৰবোৰে তাৰ নাম ধৰি জোকাব ধৰে। বহুতবাৰ সি তাইক মনৰ সকলো কথা কম বুলি ভাবিও ক'ব নোৱাৰিলে। এনেদৰে ব্যস্ততাৰ মাজেৰে তাৰ দিনবোৰ যাবলৈ ধৰিলে।

অৱশেষত এটা দিন আহিল। যিটো দিনত সি তাইৰ আগত মনৰ সকলো কথাবোৰ কম বুলি আগতীয়াকৈ মনতে বুদ্ধি বনালে। সেই দিনটো হ'ল কলেজত ছাত্ৰ একতা সভাৰ গঠনৰ কাৰণে নিৰ্বাচনৰ দিনটো। কাৰণ সেই দিনটোৰ ক্লাছ নহয় আৰু কলেজত এক উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হ'ব।

অৱশেষত সেই দিনটো আহিল। সেই দিনটোৰ কাৰণে সি নিজকে সাজু কৰি তুলিলে। কুৰি মিনিট মানৰ সধৈৰ্য্য প্ৰতীক্ষাৰ পিছত তাইক লগৰ এজনীৰ লগত আহি থকা দেখা পালে। দিবাকৰে আজি তাইক খুব ধুনীয়া দেখা পাইছে। তাই একোটা ৰাৱাৰে চুলি বন্ধা ষ্টাইলটো আৰু ককাললৈকে পৰি থকা ঘন কলা চুলিখিনিয়েই তাইক অপূৰ্ব সৌন্দৰ্যৰ অধিকাৰী কৰি তুলিছে।

ঃ হেল্লোও, এক্সাকিউজ মি— সি আগবাঢ়ি যায়। কলিজাত তেতিয়া তাৰ ৰাজধানী এক্সপ্ৰেছৰ গতি।

তাইৰ লগৰ ছোৱালীজনী চমকি উঠিল। কিন্তু তাই চমকি নুঠিল। তাই ৰ'ল। তালৈ চালে- সেই দৃষ্টিৰ বিৰক্তি, ঘৃণা, ক্ষোভ একো নাই। এক মুহূৰ্ত সি তাইৰ আগত নিশ্চুপ হৈ থিয় দি ৰ'ল আৰু লগৰ ছোৱালীজনী তাইক এৰি আঁতৰি গ'ল।





ঃ তুমি ডিগ্ৰীৰ ফাৰ্ষ্ট চেমিষ্টাৰত পঢ়া?

— খুউব স্পষ্টভাৱে দিবাকৰে সুধিলে।

— তাই শলাগিলে। নীৰৱে।

ঃ ভোট দিলা?

— হয় এক স্পষ্ট উত্তৰ।

ঃ তোমাৰ লগত অলপ কথা পাতিম বুলি ভাবিছিলো। আপত্তি আছে নেকি বাৰু?

ঃ নাই। সুৰীয়া শব্দ এটি উৰি আহিল। শব্দত কোনো কঠিন পদাৰ্থ নাই।

ঃ ক'লৈ যোৱা তুমি?

ঃ কেণ্টিনলৈ।

ঃ অ, বলা ময়ো কেণ্টিনলৈ যাওঁ। তাত কফি একাপ একাপ খাই কথা পাতিম। নিৰ্দ্ধিধাৰে সি প্ৰস্তাৱ কৰিলে।

ঃ ক্ষমা কৰিব, এইদৰে অচিনাকী ল'ৰা এজনৰ সৈতে মই যাব নোৱাৰিম। তাৰ উপৰি কেণ্টিনত কথাপাতি মই ভাল নাপাওঁ। অৱশ্যে আপোনাক মই মোক লক্ষ্য কৰি থকা বহুৱাৰ দেখিছো। কিন্তু এই ৰোমিঅমূলৰ কাৰবাৰ বিলাক মই একেবাৰে পচন্দ নকৰো। মোক আপুনি আশা নকৰিব।

— অকপট ভংগীৰে তাই ক'লে।

তেতিয়াই দিবাকৰে অনুভৱ কৰিলে তাৰ বুকুৰ ভিতৰখন চিৰাচিৰ হৈ গৈছে। বুকুৰ মাজৰ পৰা হাহাকাৰ ধুমুহাৰ দৰে কিবা এটা যেন বাহিৰ ওলাই আহিব খুজিছে। অন্তহীন ক্লাতি, অৱসাদ আৰু অন্ধকাৰে ঢাকি ধৰে তাৰ শৰীৰ। নিজৰ ভৰিৰ ওপৰতেই সি থিয় দি থাকিব নোৱাৰে, যেন মাটিৰ পিনে খহি পৰিব খোজে তাৰ শৰীৰ। ক্ষন্তেকতে তাৰ সমস্ত সপোন আৰু ৰঙ অদৃশ্য হৈ পৰে। সি আঁহত গছজোপাৰ তলত আহত হৃদয় লৈ থিয় দি ৰয় সি। অন্তৰা আঁতৰি গ'ল। মঞ্চৰ বহুৱা চৰিত্ৰৰ দৰে তাক তিলমানো গুৰুত্ব নিদিলে তাই।

অপমান আৰু ক্ৰোধত বিপৰ্যস্ত হৈ পৰিল সি। তীব্ৰ এক মানসিক সংঘাত আৰু অনুতাপে তাক দহাই আনিলে এফালৰ পৰা। জীৱনৰ কি যে কুলক্ষণত অন্তৰাক সি প্ৰথমবাৰ দেখিছিল। সি মনত পেলাবৰ চেষ্টা কৰে। কিহৰ ভূতে পাইছিল বাৰু তাক অন্তৰাৰ সৈতে কথা পাতিবলৈ। নিজৰ ওপৰতেই আদালত বহুৱাই নিজৰেই বিচাৰ আৰম্ভ কৰি দিলে সি। যুগবৎ তাৰ মনত পৰি গ'ল তাৰ অপৰিসীম সীমাবদ্ধতা। ক'ত সাধাৰণ ফৰেষ্টৰ চাকৰিয়াল ল'ৰা আৰু ক'ত ডিৰেক্টৰৰ দুহিতা অন্তৰা। কি যে আকাশ পাতাল পাৰ্থক্য। প্ৰেমৰ কি যে বৈপৰীত্য।

তাৰ এই ঘটনাটো হোষ্টেলৰ লগৰ কেইজনে গম পালে। তাৰ অৱস্থা দেখি সকলোৱে তাক বুজাবলৈ ধৰিলে। তাক বুজাবলৈ তিনিমহলীয়া চাইন্স বিল্ডিংলৈ লৈ গ'ল, য'ত ভালদৰে বুজাব পাৰিব। তাত সকলোৱে বুজাবলৈ ধৰিলে— যে তই এইবোৰ বাদ দে। পঢ়া-শুনাৰ মন দে। আৰু মাত্ৰ দুটা চেমিষ্টাৰ, গতিকে ভালকৈ পঢ়।

সি কথাৰ মাজতে চাদ খনৰ চুক এটাত চকু মুদি দুহাৰ মেলি— সি যেন তাইক শেষবাৰৰ কাৰণে স্মৰণ কৰি আৰু কেতিয়াও স্মৰণ নকৰো বুলি দুহাত মেলি মনতে প্ৰতিশ্ৰুতি লৈছে।...

হঠাতে দুটা সবল বাহুৰ চেপাৰ দিবাকৰ উচপ খাই উঠিল।

ঃ অই দিবাকৰ। তোৰ ইমান সাহস। আমাৰ সন্মুখতে চুইচাইড কৰিবলৈ ওলাইছে। অবিনাশে তেতিয়াও সাজোৰে ধৰি তাক খঙেৰে ক'লে।

ঃ চুইচাইড! মই!

ঃ চাল্লা সাধাৰণ ছোৱালী এজনীৰ কাৰণে তই চুইচাইড কৰিবলৈ ওলাইছ। আকাশে ধৰি আহি তাক ক'লে। দিবাকৰৰ লাজ লাগিল, ভীষণ অপ্ৰস্তুত হ'ল।

ঃ চাওঁ এৰি দে। মই নমৰোঁ।

ঃ কেলেই, বিল্ডিংৰ তললৈ হাত মেলি দিছিল?

অনুৰণে দৌৰি আহি চাদৰ মাজলৈ ধৰি আনি তাক সুধিলে।

দিবাকৰে কি উত্তৰ ভাবি নাখালে। জোৰেৰে লগৰ কেইজনৰ বাহু বন্ধনৰ পৰা মুক্ত হৈ ক'লে—

ঃ টাইটানিক চাইছ, টাইটানিক?

ঃ চাইছো, চাইছো। তিনিওৱে একেলগে ক'লে।

ঃ জাহাজৰ আগত নায়ক-নায়িকাই সাগৰ আৰু আকাশলৈ হাত মেলি দিয়া দৃশ্যটো দেখিছিলিনে? ময়ো তেনেকুৱাই অনুভৱ কৰিব খুজিছিলো। মোৰ মুডেই নষ্ট কৰি দিলি তহঁতি।

ঃ আমি কি জানো? তই চুইচাইড কৰিবলৈ লৈছ বুলিহে। আজিকালি ল'ৰা-ছোৱালীবোৰে অকণমান কথাতেই নদীৰ জাপ দিয়ে। বিল্ডিঙৰ পৰা জপিয়াই দিয়ে— কেনেকৈ জানিম যে তইও এয়া কৰিব খোজা নাই। আকাশে ক'লে খুব স্পষ্টভাৱে।

হঠাতে লগৰ কেইজনক আৰু ভাল লাগি গ'ল দিবাকৰৰ। অভিভাৱকসুলভ অভিমানী অভিযোগ। দিবাকৰে লগৰ আটাইকেইজনৰ ওচৰত আঠুকাঢ়ি ক'লে— মোক ক্ষমা কৰি দে তহঁতে। এনেকুৱা সময়ত এনে পৰিস্থিতি কৰাৰ বাবে ময়েই দায়ী। প্লীজ তঁহতি বেয়া নাপাবি।

এইকেইদিন তাৰ মনটো একেবাৰে বেয়া আৰু হয়তো বেয়া হ'বলগীয়া কথাও। কাৰণ সি পচন্দ কৰা ছোৱালীজনীয়ে তাক একেবাৰে গুৰুত্ব নিদিলে। পিছে সি ধৈৰ্য্য ধৰি পঢ়াত মন দিব ধৰিলে আৰু খেলা-ধূলাত মন দিব ধৰিলে। কিয়নো এনেই থাকিলে তাইৰ কথা তাৰ বৰকৈ মনত পৰে। কিয়নো জীৱনত আটাইতকৈ আপোনজনে মনত আঘাত দিলেও পাহৰিব পৰা নাযায়। সেয়ে সি সকলো সময়তে নিজকে ব্যস্ত কৰি তুলিলে।

ইতিমধ্যে ফাইনেল পৰীক্ষা পাবৰ সময় হৈছে। মাজত মাত্ৰ দুসপ্তাহ।

দিবাকৰৰ ঘৰৰ পৰা খবৰ পালে দেউতাকৰ অসুখ। সোনকালে যাব লাগে সি। বন্ধু চন্দনেও খবৰ দিলে। বায়েক উৰ্বশীৰ বিয়া। অহা সপ্তাহত। নগ'লে বেয়া পাব।

ঘৰৰ ল'ৰা ঘৰলৈ যাবলৈ প্ৰস্তুতি চলালে। প্ৰথমতে দেউতাকক ভাল হস্পিতালত দেখুৱালে আৰু দেউতাকোও আৰাম পালে। পিছত সি চন্দনৰ বায়েকৰ বিয়ালৈ গ'ল। তাৰ বাল্য কালৰ বন্ধু চন্দনৰ ঘৰত নিজৰ ঘৰৰ দৰেই অনুভৱ কৰে। চন্দনৰ মাকেও তাৰ নিজৰ সন্তানৰ দৰে মৰম কৰে। সি বিয়াৰ ঘৰত উঠি পৰি কামত লাগিল আৰু অসাৱধানতাত সি মবাইলটোও হেৰুৱাই পেলালে। প্ৰথমতে তাৰ ম'বাইলটো হেৰুৱাৰ মনত দুখ পাইছিল কিন্তু তাৰ পিছত তাৰ ভালহে লাগিল। কাৰণ এতিয়া কোনো বস্তুৱে তাক আৰু আমনি নকৰে।

কমেও দুসপ্তাহ মানৰ পিছত দিবাকৰ হোষ্টেললৈ আহিছে আৰু আগৰ কথাবোৰ পাহৰি এক নতুন উদ্দেশ্য লৈ আহিছে।

এনেতে কৃষ্ণ লামা তাৰফালে দৌৰি আহিছে। ফোপাই ফোপাই কোনোমতে কৈছে— 'দাদা আপোনাৰ বাবে চিঠি এখন আছে। অ' আপোনাৰ ম'বাইল চুইছ অফ্ যে বাৰে বাৰে ট্ৰাই কৰি আছোঁ।

ঃ মোৰ মবাইলটো হেৰাল। দুখেৰে ক'লে দিবাকৰে।

ঃ অ', হয় নেকি? সেই কাৰণে চুইছ অফ।

ঃ চাওঁ চিঠিখন।

ঃ এসপ্তাহমানৰ আগতে মোক অন্তৰাই চিঠিখন দিছিল আপোনাক দিবলৈ। কাকো এইবোৰৰ বিষয়ে ক'ব কোৱা নাছিল। কেৱল আপোনাকহে দিবলৈ কৈছিল। তাতে আপুনি নাই। আকৌ মবাইলো চুইছ অফ।

অন্তৰাৰ চিঠি? কি কাৰণে অন্তৰাই তাক চিঠি দিছে। বিস্মিত হৈ পৰে সি। চিঠিৰ খামটো বহুসময় লুটিয়াই বগৰাই চাই ৰয় সি, যাক সি সম্পূৰ্ণৰূপে পাহৰি পেলালে। তাই তাক চিঠি দিছে। সেইজনী ছোৱালীয়ে তাক চিঠি দিছে যিজনী ছোৱালীক সি প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াবলৈ যাওঁতে কোনো গুৰুত্বই নিদিলে। উত্তেজনাত তৎক্ষণাৎ ফালি পেলায় সি খামটো। উদ্ভাসিত হৈ পৰে বহু আকাংখিত, সপোনৰ নামটো। অন্তৰা। অন্তৰা ফুকন।

বিস্ময়েৰে চিঠিখন পঢ়ি যায় সি।

দিবাকৰ দা

জীৱনৰ বহুত মানুহক লগ পোৱা যায়। কিন্তু কিছুমানৰ স্মৃতি মনৰ অজ্ঞাতেই ৰৈ যায়। দেখাৰ দিন ধৰি আপুনি মোৰ মনৰ মাজতেই আছে। কিছুমান কাৰণত মই আপোনাক গ্ৰহণ কৰিব পৰা নাছিলো। ব্যক্তিগত ভাৱে কবলৈ সাহস নহ'ল, সেয়েহে চিঠিৰ যোগেদি জনালোঁ। আপোনাৰ প্ৰেম ভালপোৱা প্ৰস্তাৱ গ্ৰহণ কৰিছো মই।

ইতি

আপোনাৰ অন্তৰা

চিঠিখন খামুচি ধৰে থাকে সি। এসপ্তাহৰ পুৰণি চিঠি সেইখন তথাপি বহু নতুন খবৰ কঢ়িয়াই আনিলে চিঠিখনে তাৰ বাবে। সি তৎক্ষণাত সিদ্ধান্ত ললে অন্তৰাক লগ কৰাৰ।





# মমতাৰ টুকুৰা জীয়া ঘা

মৌচুমী দেউঘৰীয়া
অসমীয়া বিভাগ

মমতা ....

ঠিকেই নাম ৰাখিলে তাইৰ ককাদেউতাকে। মানুহে কয় মানুহৰ নামটোৱেই মানুহৰ প্ৰথম পৰিচয়। মমতাৰ নামটোৰেই যেন সীমাবদ্ধ তাইৰ নিষ্কলুষ মমতা। কিমান দিন, কিমান বছৰ তাই কঢ়িয়াই লৈ ফুৰিছে মমতাৰ এটুকুৰা শুকান ঘা। সেই ঘা ডোখৰে তাইৰ শৰীৰক নহয় মনকহে তীব্ৰ বিষত জৰ্জৰিত কৰি তোলে। কণ-কণৰ সমবয়সীয়া ৰণৰ মৰমে তাইক শাঁত পেলালেওক ৰণৰ মাজতে তাই কণ কণক বিচাৰি হাবাথুৰি খায়। তাই ভাবে ৰণ আহিব। হঠাৎ পাছফালৰ পৰা মাত লগাব 'মা' মোক এবাৰ সাবটি লোৱানা' এনে মূহুৰ্তত মমতাই পাহৰি যায় নিজক।

ৰণক পোৱাৰ আগতে বহুকেইটা ৰজনী তাই উজাগৰে পাৰ কৰিছিল। দুপৰ নিশা তাই চিঞৰি উঠিছিল কণ কণ মোক এৰি নাযাবা, তুমি নহ'লে মই কেনেকৈ থাকিব সোণ। উভটি আহা, উভটি আহা এবাৰ মোৰ বুকুৰ মাজলৈ আহা। দিনে নিশাই পত্নীক শুশ্ৰূষা কৰা মমতাৰ স্বামী মনজিত বৰুৱা চক খাই উঠে আৰু পত্নীক প্ৰকৃতস্থ কৰাৰ প্ৰয়াস কৰে। মমতাৰ মুখত এটাই বাক্য মন তাক ঘূৰাই আনা তাক ঘূৰাই আনা। তাক কোৱা তাৰ মৰমৰ মাই সি নহালৈকে কান্দিয়েই থাকিব। একো নাখায়। কোৱানা তুমি! মই কান্দি থকাটো সি নিবিচাৰে সি ঘূৰি আহিব মন, সি আহিব মোৰ কাৰণে, তোমাৰ কাৰণে, আমাৰ দুয়োৰে বাবে সি আহিব লাগিব।

পত্নীৰ এনে ব্যৱহাৰত মনজিৎ অসহায় হৈ পৰে কিদৰে সান্ত্বনা দিব। তেওঁ পত্নীৰ এনে ব্যৱহাৰতো মনজিতে মমতাক অকলশৰীয়া কৰা নাই। কাৰণ তেওঁক পত্নীৰ বেদনাক হৃদয়ংগম কৰিব পাৰে। বুজিব পাৰে তাইৰ বুকুৰ যন্ত্ৰণা।

সুখ-দুখৰ সংমিশ্ৰণেই জীৱনৰ সংজ্ঞা। মমতাৰ জীৱনটো সুখ-দুখৰ প্ৰবল অগা-ডেৱা। কলেজীয়া জীৱনত যৌৱনৰ বসন্তময়ী প্ৰবাহে মমতাৰ হৃদয়ৰ আঁচলতো তোল পাৰ লগাইছিল। তাই যাক জীৱনসংগী কৰাৰ সপোন দেখিছিল সেই সপোন আছিল একেবাৰেই লেহুকা। দুৰ্বাৰ প্ৰেমত উটি ভাহি তাই নিজৰ পছন্দ নিজে ভালপোৱা সকলো পাৰ্থৰ। সি ভালপোৱামতে থাকিবলৈ লৈছিল। সি তাইক কৰা অনাহক সন্দেহবোৰো তাইৰ প্ৰতি থকা মৰম, ভালপোৱা বুলি ভাবিছিল। কিন্তু ধৈৰ্য্যৰো এটা সীমা থাকে। যেতিয়াই সি তাৰ সীমা অতিক্ৰম কৰিছিল তাই উভালি পেলাইছিল প্ৰেমৰ শিপাডাল। লাহে লাহে তাই তাক সহ্য কৰিব নোৱাৰা হ'ল। প্ৰথমে তাইৰ দুখ লাগিছিল যদিও তাৰ আচৰণ তাৰ ব্যৱহাৰে তাইক তাৰ প্ৰতি থকা বেয়া পোৱাবোৰ ঘৃণালৈ পৰিবৰ্তন কৰিছিল। তাৰ সতে কটোৱা সময়বোৰৰ কথা ভাবি তাই নিজলৈয়ো ঘৃণা উপজিছিল। তাই এনে এজন লৰাক ভাল পাইছিল যাৰ ওচৰত তাইৰ ভালপোৱা বেয়া পেৱাৰ কোনো মূল্যই নাছিল। প্ৰেমৰ প্ৰতি থকা তাইৰ বিশ্বাস নিমিষতে থান-বান হৈছিল যদিও তাই তাৰ পৰা আঁতৰি আহি বহুত সুখী হৈ পৰিছিল। তাই ভাবিছিল জীৱনত মানুহৰ বহুত ভুল হ'ব পাৰে, কিন্তু একেটা ভুলকে দুবাৰ কৰিব নালাগে। আৰু প্ৰেম শব্দটোৱে তাইৰ হৃদয়ৰ দুৱাৰ কেতিয়াও যেন বিচাৰি নাপায়। এয়াই হওঁক তাইৰ প্ৰথম আৰু শেষ ভুল।

কোনো পিতৃ-মাতৃয়েই নিজৰ একমাত্ৰ সন্তানক আবিয়ৈ হৈ থকাটো নিবিচাৰে। সেয়ে মমতাৰ মাক-দেউতাকেও তাইৰ বাবে প্ৰাৰ্থী বিচৰাত লাগিল। তাই কৰা

ভুলবোৰে মাক-দেউতাকক বহুত কষ্ট দিছিল। ওৰে ৰাতি তাইৰ সহজ সৰল মাকজনীয়ে তাইৰ কথা ভাবি চকুলো টুকিছিল। প্ৰথমে তাই বিয়াত আপত্তি কৰিছিল যদিও মা-দেউতাকৰ তাইৰ প্ৰতি থকা মৰমক নেওচিব নোৱাৰি তাই বিয়াত সন্মতি দিছিল। সকলোৱে নিজৰ সন্তানৰ জীৱন সংগী হিচাপে এনে এজন মানুহক বিচাৰে যি তেওঁলোকৰ সন্তানক কেৱল ধন সোণৰ শিকলিৰে নহয়, বিশ্বাস বান্ধোন আৰু মৰমৰ শিকলিৰে ৰান্ধি ৰাখিব পাৰে। অদৃষ্ট জনৰ কৃপাত মমতাৰ মাক-দেউতাকৰ ইচ্ছা পূৰণ হৈছিল। মমতাৰ সপোন কোঁৱৰজন মনজিৎ হে আহিছিল। তাই মনজিৎক তাইৰ জীৱনৰ সকলো কথা কোনো আৱৰণ নৰখাকৈ খোলাখোলিকৈ কৈছিল। তাই কৈছিল, 'এই কথাবোৰ শুনাৰ পাছত তুমি মোক জীৱন সংগী কৰা নকৰাটো তোমাৰ কথা। কাৰণ নতুন সম্পৰ্ক মিছাৰ আশ্ৰয়ত কৰাটো মই নিবিচাৰোঁ। আনৰ পৰা শুনাতকৈ ময়েই তোমাক সকলো ক'লোঁ। এতিয়া সিদ্ধান্ত তোমাৰ। তুমি যিটো সিদ্ধান্ত ললেও তাত মোৰ কোনো আপত্তি নাই।

মমতাই ভাবিছিল ইমানখিনি শুনাৰ পাছত মনজিতে কেতিয়াও বিয়াত সন্মতি নিদিব। কিন্তু তাইক আচৰিত কৰি মনজিতে তাইক বিয়া কৰোৱাত সন্মতি দিলে। তাই মনজিৎক পুনৰ কৈছিল 'তুমি মোক পুতৌ কৰি বিয়াত সন্মতি দিছা নেকি? মোক বিয়া কৰায় তুমি তোমাৰ জীৱন ধ্বংস নকৰিবা। মই বহুত বেয়া; তুমি মোতকৈয়ো বহুত ভাল ছোৱালী পাবা।' সেই মুহূৰ্তত মমতাৰ আচৰণে মনজিৎক খঙাল কৰি তুলিছিল। 'তুমি এনেকুৱা কিয় কৰিছা মমতা। অতীতৰ কথাখিনিকে তুমি বৰ্তমানত থৈ কিয় জ্বলি আছা। সকলোৱে জীৱনলৈ প্ৰেম আহে। তেনেকৈ তোমাৰ জীৱনলৈ প্ৰেম অহাটো স্বাভাৱিক কথা। আৰু শুনা, মই তোমাৰ অতীতকলৈ নহয় তোমাৰ বৰ্তমানক লৈহে ভৱিষ্যতৰ সপোন দেখিছো। তোমাৰ অতীতক তুমি দুস্বপ্ন বুলি পাহৰি যোৱা, পাহৰি যোৱা মমতা। মনজিতৰ আৱেগসনা কথাই মমতাৰ চকুপানী বাধা দিব নোৱাৰিলে। মনজিত এজন ভাল মানুহ বুলি তাই জানিছিল কিন্তু ইমান ভালনে? বিয়াৰ পাছত তাই মনজিতক আৰু জানিছিল। তেওঁ কেৱল ভাল মানুহেই নহয়, কৰ্তব্যপৰায়ণ আৰু দায়িত্বশীল স্বামী, এজন ভাল পথ প্ৰদৰ্শক হয় মনজিৎ। দুয়োৰে সাংসাৰিক জীৱনতো কোনোদিনেই সন্দেহৰ; হাই-কাজিয়াৰ আৱৰণ নাছিল। আছিল বিশ্বাস, বান্ধোনৰ এনাজৰী। দুয়োৰে মিলা-প্ৰীতি সকলোৰে ঈৰ্ষাৰ বিষয় আছিল। তেওঁলোকৰ মাজলৈ অহা কণমানি সন্তান কণ-কণ এ তেওঁলোকৰ আনন্দ দুগুণ কৰি তুলিছিল। কিন্তু ইমান আনন্দ, ইমান সুখ হয়তো অদৃষ্টজনৰো সহ্য নহ'ল। হঠাৎ কলীয়া ডাৱৰক চপৰা খহি পৰিল মনজিৎ আৰু মমতাৰ সুখৰ সংসাৰত। মাতৃত্বৰ মমতাৰ আৱেশেৰে বুৰাই ৰখা কণ কণ এটা সামান্য জ্বৰতে হেৰাই গৈছিল পৃথিৱীৰ পৰা। তেতিয়াৰ পৰা মমতায়ো যেন এক প্ৰকাৰ হেৰাই গ'ল। কিন্তু মনজিতে কেতিয়াও মমতাক দুখ দিয়া নাই। নিজৰ চকুপানী কঠোৰতাৰে ঢাকি ৰাখিছে যদিও মমতাক বুজাবলৈয়ো যেন হেৰাই গৈছে তেওঁৰ ওঁঠৰ ভাষা। ডাক্তৰী চিকিৎসায়ো মমতাক ভাল কৰিব পৰা নাছিল। সেয়েহে পত্নীৰ দুখ সহিব নোৱাৰি তুলি আনিছে অনাথালয়ৰ পৰা কণ-কণৰ সমবয়সীয়া এটি সন্তান ৰণক।

ৰণক কাষত পাই মমতাই লাহে ধীৰে সুস্থিৰ অৱস্থালৈ আহিব ধৰিলে। কোনো কলুষতা নৰখাকৈ মনজিৎ আৰু মমতাই হিয়া-উজাৰি নিজ সন্তানৰ দৰে মৰম দিছে ৰণক। মা-মা কৈ ৰণেও মমতাক সংগ দিছে। দুয়ো খেলিছে, ফুৰিছে খাইছে। তথাপিও এটুকুৰা শুকান যা ই মমতাৰ কলিজাত আজিও গোপনে থিতাপি লৈ আছে। কোনেও নজনাকৈয়ে....।





# নিশাৰ সপোন

**অঞ্জন বুঢ়াগোহাঁই**
**স্নাতক দ্বিতীয় ষান্মাসিক**

চিৰ্চিৰ্পিয়া বৰষুণজাক কণমানি খিৰিকীখনেৰে বৰকৈ এছাৰকনি পেলাইছে; মোৰ নহয়, নিশাৰ কিতাপবোৰৰ ওপৰত। গল্প বা উপন্যাসৰ কিতাপ নহয়; তাইৰ সপোন সাৰ্থক কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বাবে পঢ়া কিতাপ সেইবোৰ। তাইৰ অতি প্ৰিয়, যিবোৰৰ ৰস শুহি শুহি তাই চাগে পাইছিল বৰ সোৱাদ। কিন্তু আজি তাই সেই বৰষুণৰ এছাৰকনিয়ে সেমেকাই পেলোৱা কিতাপবোৰ সংৰক্ষণ কৰিব খোজা নাই। বিচাৰি হাবাথুৰি খালেও, বিচাৰি নেপায় তাই আজি সেইবোৰৰ মূল্য। দেউতাক সুৰেণে গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনৰ চকিদাৰ; ভোকে-পিয়াহে নাথাকে যদিও নিশাই অভাৱ কি সৰুৰে পৰা উপলব্ধি কৰিছিল। মাক-দেউতাকে তাইক সঁচাই ইমান ভাল পায়। কিন্তু কিয়??? কি দিব পাৰিব নিশাই মাক-দেউতাকক বা তাইৰ স্বৰ্গীয় ককায়েক প্ৰাণিত্যক তাৰ বিনিময়ত? তাই নিজৰ নিৰৰ্থকতাক প্ৰতি পলে অনুভৱ কৰে।

মাকে তাইক বাৰে বাৰে পাকঘৰৰ পৰা পঢ়া টেবুলৰ ওচৰৰ খিৰিকীখন জপাবলৈ কৈছে। কিন্তু তাই সেয়া কৰিব নোখোজে। তাই বৰষুণৰ পানীৰ লগত উটাই পেলাব খোজে তাইৰ জ্বলি থকা দুখবোৰ; তাইৰ আৰ্তনাদবোৰ। আজিৰ পৰা কিছু বছৰৰ আগতে অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল তাই হাইস্কুল শিক্ষান্ত পৰীক্ষা প্ৰথম বিভাগত, উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা প্ৰথম বিভাগতে। লংকাক সোণাৰ গাঁৱৰ বাবে সেই কথা কম গৌৰৱৰ নাছিল। ক'বলৈ হয়তো নিশাই সংকোচ নকৰিব যে সেই গাঁৱত বৰ্তমানেও বিজুলীৰ পৰশ পৰা নাই।

প্ৰতিবছৰে কিন্তু নিৰ্বাচনৰ সময়ত বিভিন্ন দলৰ নেতাই গাওঁবাসীক বিজুলী যোগানৰ আশ্বাস দিয়াত কৃপনালী নকৰে। তাৰ বিনিময়ত তেওঁলোকে গাঁওবাসীৰ পৰা নামমাত্ৰ ভোট এটি হে বিচাৰে। ইয়াৰ বাবে তেওঁলোকে কষ্টও কৰিব নালাগে। কেৱল গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনলৈ গৈ নিৰ্দিষ্ট প্ৰতীক চিহ্নত ভোটদান কৰিলেই হ'ব। সঁচাকৈ আজিকালিৰ নেতাই সহজেই টুপি পিন্ধাব পাৰে। কাৰণ বিজয়ী হোৱাৰ পাছত তেওঁলোকৰ ছাঁটোকো সোণাৰ গাঁৱত দেখা পোৱা নাযায়। তেনে এখন গাঁৱত ইমান সুনাম কঢ়িয়াই অনা নিশা সোণোৱেই আছিল প্ৰথম সন্তান। কিন্তু কিয় নামি আহিল তাইৰ জীৱনলৈ এই অমানিশা??

বহুত সপোন সাৰ্থক হোৱাৰ পাছত নিশাই এইবাৰ আগবাঢ়িছিল নিজৰ সপোন বাস্তৱায়িত কৰাৰ স্বাৰ্থত। অৱশেষত ভাগ্যক সাৰথি কৰি তাই ২০০৮ চনত ভাৰতীয় প্ৰশাসনিক সেৱা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। কাৰণ তাই

দেখিছিল এক স্বৰ্গীয় সপোন; মুৰত এটা অশোক স্তম্ভ থকা টুপি, দেহত এযোৰ খাকী পোছাক। এগৰাকী নিষ্ঠাৱান প্ৰশাসনিক বিষয়া হোৱাৰ সপোন আছিল তাইৰ। তাইৰ এতিয়াও সেই স্মৰণীয় দিনটো মনত পৰে যিদিনা তাইৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ খবৰ উজ্বলিছিল বাতৰি কাকতত। 'দেউতাকে হাতত বাতৰি কাকতখন লৈ ঘৰলৈ উভতি আহোতে পাহৰিয়েই পেলাইছিল, তেওঁৰ চাইকেলখন থাকিয়েই আহিল বুলি। কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। তাইৰ জীৱনলৈ অমানিশা কঢ়িয়াই অনা সেই দিনটো তাই কেনেকৈ বাৰু নিজৰ স্মৃতিৰ পৰা মোহাৰি পেলাব!!

*দুৱাৰখনত দেউতাকৰ টোকৰত তাই হঠাৎ বাস্তৱলৈ ঘূৰি আহিল। হয়, দেউতাক আহিছে; বৰযুণজাক কমিছে। আজি যে ককায়েকৰ বছৰেকীয়া আছে!! হয়, আজিৰ দিনটোতে তাইৰ ককায়েকে ইহ-সংসাৰৰ পৰা বিদায় মাগিছিল অতি অপ্ৰত্যাশিত ভাবে...। হুইলচেয়াৰৰ চকা ঘূৰাই তাই দৰজাৰ ফালে গতি কৰিলে। আজি নিশাও পংগু হৈ পৰিল। সেই অভিশপ্ত দিনটোত তাই হেৰুৱালে তাইৰ ককায়েক আৰু তাইৰ ভৰি দুখন। তাই বাহিৰ পায়হি মানে দেউতাকৰ লগতে এজন দুজন ভকতৰ আগমন ঘটিছিল।*

সেই দিনটো ৩০ অক্টোবৰ, ২০০৮ আছিল তাই গৈছিল ককায়েক প্ৰাণিত্যৰ লগত গণেশগুৰিৰ আৰক্ষী থানাত এ.পি. ই যোগ দিবলৈ। ককায়েকে তাইক গোটেই ৰাস্তাত কৈ যোৱা সকলো কথা, যে তাই এগৰাকী হ'বলৈ চেষ্টা কৰিব লাগিব। কথাষাৰ এতিয়াও তাইৰ কাণত লাগি আছে। হঠাৎ তাইৰ সন্মুখত এটা বিশাল শব্দ কৰি কিবা বিস্ফোৰিত হৈছিল। তাই ভাবিবলৈ নৌপাওঁতেই পুনৰ এটি বিকট শব্দ হোৱা তাই শুনিবলৈ পাইছিল। তাই চকুৰে ধুঁৱলী-কুঁৱলী দেখা পাইছিল। তাইৰ অনুভৱ হৈছিল তাইৰ ককায়েক বহুত দুৰৈত ছিটিকি পৰিছিল। তাইও ঢলি পৰিছিল বহু দূৰত, অনেক দূৰত।

দুৱাৰখনত দেউতাকৰ টোকৰত তাই হঠাৎ বাস্তৱলৈ ঘূৰি আহিল। হয়, দেউতাক আহিছে; বৰষুণজাক কমিছে। আজি যে ককায়েকৰ বছৰেকীয়া আছে!! হয়, আজিৰ দিনটোতে তাইৰ ককায়েকে ইহ-সংসাৰৰ পৰা বিদায় মাগিছিল অতি অপ্ৰত্যাশিত ভাবে...। হুইলচেয়াৰৰ চকা ঘূৰাই তাই দৰজাৰ ফালে গতি কৰিলে। আজি নিশাও পংগু হৈ পৰিল। সেই অভিশপ্ত দিনটোত তাই হেৰুৱালে তাইৰ ককায়েক আৰু তাইৰ ভৰি দুখন। তাই বাহিৰ পায়হি মানে দেউতাকৰ লগতে এজন দুজন ভকতৰ আগমন ঘটিছিল।

জীৱনৰ বাটত নিশাই ৰ'দৰ ৰঙা ৰং বিচাৰি তেজৰ ৰঙা ৰঙৰ লগতহে হেতালি খেলিব লগা হ'ল। ৩০ অক্টোবৰ ২০০৮ৰ দিনটোত নিশাৰ দৰে বহুলোকে হেৰুৱাইছিল নিজৰ আপোনজন বা নিজৰ প্ৰাণ। সমাপ্তি কেতিয়া ঘটিব এনে দিনবোৰৰ আমাৰ জীৱনৰ পৰা?





# মোৰ অনুভৱত সোণাৰি মহাবিদ্যালয়

কেশৱী ভূঞা
স্নাতক ষষ্ঠ ষান্মাসিক

নতুন বাটৰ সন্ধান কৰি নতুন জীৱনৰ পাতনি মেলাৰ আশাৰে ভৰি দিছিলো সোনাৰি মহাবিদ্যালয়ত। সঁচাকৈয়ে উপলব্ধি কৰোঁ এই মধুৰ সময়খিনি। উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ ২০১২ চনৰ জুলাই মাহত সোনাৰি মহাবিদ্যালয়ত প্ৰথম ভৰি দিওঁ। আশা জীৱনত লাভ কৰা বহুতো ৰঙীন অভিজ্ঞতাৰ লগতে মনৰ জগতখনক জীপাল কৰিব সোনাৰি মহাবিদ্যালয়ৰ অভিজ্ঞতাই।

নতুন কলেজ, নতুন ক্লাছ, নতুন বন্ধু-বান্ধৱী তথা নতুন পৰিৱেশ... আদি কথাবোৰে মনটো পুলকিত কৰিছিল। এনেদৰে লাহে লাহে পাৰ হৈছিল এটাৰ পিছত এটাকৈ চেমিষ্টাৰ।

সময়বোৰ..., ব্যস্ততাবোৰ..., বাঢ়িল। কলেজীয়া জীৱন আৰম্ভ হৈছিলহে মাথোঁ, কিন্তু লাহে লাহে সমাপ্তিৰ ফালে আগবাঢ়িল। ৰোমন্থন কৰোঁ পাৰ হৈ যোৱা দিনবোৰ...

কলেজৰ গেটখনেৰে সোমাই আহিয়েই এক প্ৰশান্তি অনুভৱ হয়। কলেজৰ চৌপাশে কেৱল সেউজীয়া আৰু সেউজীয়া। কলেজৰ সম্পূৰ্ণ পৰিবেশটো ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ সমাৱেশেৰে সজীৱ হৈ উঠে।

পূৱা ৮-৪৫ বজাৰ পৰা আবেলি ২-৪৫ বজালৈকে ক্লাছৰ হেঁচা, মাজে মাজে বিৰতি। কেতিয়াবা ছেমিনাৰ, গ্ৰুপ ডিছকাচন আৰু অন্যান্য কামবোৰ। কেৱল পঢ়া আৰু পঢ়া। জীৱন গঢ়াৰ ভেটি সুদৃঢ় কৰাৰ লক্ষ্য। কেতিয়াবা এক বজাৰ লগে লগে কোনো কোনোৰ দুৰ্ভেদ্য গড় ভেদি সোমোৱাৰ দুঃসাহস।

ক্লাছ আৰম্ভ হোৱাৰ লগে লগেই আৰম্ভ হয় ছাৰ-বাইদেউসকলৰ মৰমৰ বুজনি, অলপ কঠোৰতা, লগতে পঢ়া-শুনাৰ অলপ চাপ। কেতিয়াবা কেতিয়াবা প্ৰশ্নোত্তৰ দিয়াৰ ভয়ত তলমূৰ কৰিব লগাটোও এক অনাবিল অনুভৱ। বেল পৰাৰ লগে লগে পুনৰ আনটো ক্লাছলৈ



অপেক্ষা। কেতিয়াবা মেজৰ আৰু কেতিয়াবা পাছ'কৰ্ছৰ ক্লাছ। মেজৰ ক্লাছত অতি সচেতন। কেৰিয়াৰ, জীৱনৰ লক্ষ্য গঢ়াত সফল হোৱাৰ প্ৰচেষ্টা অসমীয়া বিভাগৰ ছাত্ৰী হিচাপে এটা কথা ক'ব লাগিব যে আমাৰ বিভাগৰ ছাৰ বাইদেউসকলে আমাক অতি সুন্দৰ পাঠদান দিয়ে আৰু বিভিন্ন ক্ষেত্ৰত আমাক উৎসাহ আৰু প্ৰেৰণা যোগাই আহিছে।

ক্লাছৰ বিৰতিত কেণ্টিন, চানাৱালা, পিলাৰত বহি আড্ডা মৰা, হোটেলত চাহ, চিংৰা, পৰঠা খোৱা, বান্ধৱীৰ আহ্বান, 'মোৰটো আজি তয়েই দিবিচোন, কাইলৈ, তোৰটো দি দিম। তাৰ পিছত পুনৰ আকৌ কলেজলৈ দৌৰ। কেতিয়াবা চানাৱালাৰ ওচৰত এজাক বান্ধৱীৰ সৈতে আলু, বাদাম, আলু-মুড়ি আদিৰ সোৱাদ লোৱা... তাৰ সোৱাদেই বেলেগ।


কেতিয়াবা ক্লাছৰ বিৰতিত লাইব্ৰেৰীত কিতাপৰ অনুসন্ধান কৰা, এক সুন্দৰ অনুভৱ। অফ পিৰিয়ডত কেতিয়াবা কমন ৰুমত গৈ বান্ধবীৰ সৈতে আড্ডা মৰা। ক্লাছৰ শেষত লগৰীয়াৰ পৰা বিদায় লোৱা সময়ত ঐ বাই হা। কাইলৈ আহিবি দেই। নাহিলে মোক জনাবি। ঠিক আছে এনেকৈয়ে এটাৰ পিছত এটা দিন পাৰ হৈ যায়।

সময়ৰ উদ্দাম গতি পলকতে উৰা মাৰিলে পাঁচটা ষান্মাসিক। এতিয়া আহি উপস্থিত হলোঁহি শেষৰটো ষান্মাষিক। উঃ বুকুখনচোন বিষাই উঠে। কলেজৰ প্ৰথম দিনটোৰ কথা মনতেই আছে। হাঁহি-ধেমালি, অভিমানেৰে পাৰ কৰিলোঁ সময়বোৰ। এই কেইটা ষান্মাসিকত বহুতকে পালো বহুতক হেৰুৱালোও। বহুত আপোন হ'ল, বহুত আঁতৰি গ'ল, মনত দকৈ সাঁচ বহুৱায় আৰু মাত্ৰ তিনিটামান মাহ তাৰ পিছতেই আমি বিচ্ছিন্ন হৈ যাম বন্ধু-বান্ধৱীৰ পৰা। নাভাবো বুলি ভাবিলেও মনটোৱে ভাবিবলৈ বাধ্য কৰে এনেকৈ এৰি যাম লগৰবোৰক। সুখে-দুখে যোৰ সমভাগীসকলক এৰি কেনেকৈ কটাম ভৱিষ্যতৰ সুখ-দুখৰ মুহূৰ্তবোৰ। কিন্তু এয়াই তো সত্য। এনেকৈয়ে আমি জীৱনটোক বুজাবুজিৰে আগুৱাব লাগিব। জীৱনৰ বাটত হয়তো আকৌ কৰোৱাক লগ পাম। পুনৰ হেৰুৱাম কোনোবা আপোনজনক।

সময় গতিশীল। গতিশীল সময়ত পিছলৈ উভতি চোৱাৰ অৱকাশ নাই কাৰো। সময়ৰ কেলেণ্ডাৰ বোলে কোনোদিন পুৰণি নহয়। গতিকে চেষ্টা কৰিম মোৰ জীৱনৰ সেউজীয়া অনুভববোৰ চিৰ সেউজ কৰি ৰাখিবলৈ। সময়ৰ বোকোচাৰ উঠি এদিন উভতি চাম মোৰ অনুভৱৰ অতীতৰ পৃষ্ঠা।








# চিঠি এক অবুজ শিহৰণ

চয়নিকা বৰগোহাঁই
স্নাতক চতুৰ্থ যান্মাসিক

"ভাবিছিলো লিখো বুলি চিঠি তোমালৈ, মই নাপালো যে কথা বিচাৰি।" চিঠি দুটি বৰ্ণৰ এটি মিঠা শব্দ। চিৰসেউজ এই শব্দ দুটিৰ মাজৰেই লুকাই আছে দুখন নিভাঁজ হৃদয়ৰ অফুৰন্ত প্ৰেম আৰু ভালপোৱাৰ সঁচা উপলব্ধিৰে ভৰপূৰ একাঁজলি বিশ্বাস আৰু প্ৰেৰণা। এই 'চি.ঠি. শব্দটোৱে কেতিয়াবা আমাৰ মনত সুখ আৰু দুখৰ সং মিশ্ৰণ ঘটায়। চিঠিয়ে কঢ়িয়াই আনে সুখ-দুখৰ বন্যা। লিহিৰী হাতৰ কোমল পৰশলগা নীলা নীলা আখৰৰ এখনি মায়াসনা চিঠিয়ে উমাল কৰি তোলে প্ৰিয়জনৰ নিভৃত হৃদয়। হৃদয়ৰ গভীৰৰ পৰা গভীৰতমলৈ জীপাল হৈ উঠে ভালপোৱাৰ সাকোঁ। আপোনজনৰ এখনি মৰমসনা চিঠিৰ বাবেই ডাকোৱাল ককাইটিলৈ আকুলতাৰে অপেক্ষা কৰি থকা প্ৰেয়সীৰ হৃদয়ত ঝংকাৰিত হৈ উঠে হেজাৰ বাঁহীৰ সুৰ। কলিজাৰ সচাঁ তেজৰ ভাষাৰে কলমৰ কাপেদি নিগৰি অহা মিঠা মিঠা শব্দবোৰে চিঠিৰ ভাঁজত বহুৰঙী জাল তৰে। আকলুৱা হৃদয়ত সংগোপনে জোৱাৰ তোলে প্ৰেমৰ সেউজীয়াবোৰে। কিন্তু বৰ্তমান যান্ত্ৰিকভাৱে ভৰা এই পৃথিৱীত মিঠা মিঠা ভাষাৰ হৃদয়স্পৰ্শী চিঠিবোৰ আৱদ্ধ হৈ পৰিছে বিলাসী ম'বাইলৰ ৰং বিৰঙৰ পৰ্দাত জিলিকি উঠা এটা সৰু এছ এম এছৰ মাজত। চিঠিৰ অনামী মাদকতাবোৰৰ বৰ্তমান প্ৰতিযোগিতামূলক এছ এম এছে বহু পৰিমাণে হ্ৰাস কৰি পেলাইছে। তথাপিক এছ এম এছৰ কোবাল সোঁতৰ তুলনাত উমাল হৃদয়ৰ এখনি সেউজসনা চিঠিৰ স্বকীয় গৰিমা বহু উৰ্ধ্বত। কাৰণ, হিয়াৰ সঁচা মৰমে আলফুলে এখনক মৰম সনা চিঠিকে চিৰদিন সাঁচি ৰাখিব পাৰে হৃদয়ৰ মণিকোঠাত। কিন্তু যান্ত্ৰিকতাৰ পৰশত মোবাইলৰ এটি সৰু এছ এম এছে চিৰযুগমীয়া কৰিব নোৱাৰে মৰম ভালপোৱাক। সময়ৰ দ্ৰুত পৰিবৰ্তনে মোবাইলৰ পৰ্দাৰ পৰা সৰু সৰু এছ এম এছক নিশ্চিহ্ন কৰি পেলালেও যাউতিযুগীয়া হৈ ৰয় এখনি নীলা খামৰ চিঠি।

আহকচোন আমি প্ৰত্যেকজনেই মৰম, ভালপোৱাৰ আন্তৰিকতাৰে বিনিময় কৰো কেঁচা মাটিৰ চিনাকি চিনাকি সুৱাসেৰে উপচি থকা একোখনি নীলা খামৰ মাদকতাপূৰ্ণ চিঠি। যাৰ মিঠা অনুভৱবোৰে প্ৰত্যেকৰে হৃদয়ত আলফুলে বোৱাই দিব সানাৰ প্ৰেমৰ বন্যা।




# হোষ্টেলৰ এটা মিঠা অনুভৱ

নিহাৰীকা গগৈ
স্নাতক পঞ্চম ষান্মাসিক

ৰঙীন আশাৰে ভৰা অযুত কল্পনাৰ এটা সোধ নাম সোনাৰি মহাবিদ্যালয়ৰ 'সাতসৰী ছাত্ৰী নিৱাস'। কোনে নিৰ্মাণ কৰিছিলে অলেখ পখীৰ কাকলিৰে সজীৱ কৰি ৰাখিব পৰাকৈ এই সৌধটো। নাজানো...।

সেই দিনা আছিল ২০১২ চনৰ ৫ আগষ্ট দেওবাৰ। হাজাৰ আশা-আকাংক্ষা লৈ খোজ পেলাইছিলো তোমাৰ বুকুত...।

'সাতসৰী ছাত্ৰী নিৱাস' বুলি ক'লেই বহুতো প্ৰাণ চঞ্চলা, সেউজীয়া হৃদয়ৰ ছাত্ৰীৰ আৱাসথলী। সোনাৰি মহাবিদ্যালয়ত নাম ভৰ্তি কৰি মই হৈ পৰিলো 'সাতসৰী ছাত্ৰী নিৱাসৰ' এগৰাকী আৱাসী।

হোষ্টেলৰ নিয়ম অনুশাসনৰ মাজত আমি সোমাই পৰিলো প্ৰথম দিনাৰ পৰাই। প্ৰথমে এই নিয়মৰ মাজত অতিষ্ঠ হৈ পৰিছিলো। কিন্তু লাহে লাহে সকলো সহজ হৈ পৰিছিল। হোষ্টেলৰ সকলো নীতি-নিয়মত অভ্যস্ত হৈ পৰিছিলো আমি। ৰাতিপুৱাৰ লগে লগে বাজি উঠে চাহৰ ঘণ্টা। দিনটোৰ ব্যস্ততা আৰম্ভ হয়। সন্ধিয়াৰ সময়ত প্ৰাৰ্থনাৰ বেল বাজি উঠে আৰু তাৰ পাছত সকলোৱে চাহ খাই পঢ়াৰ টেবুলত বহে।

'সাতসৰী ছাত্ৰী নিৱাস' যাৰ সান্নিধ্যত সকলো আৱাসীয়ে লাভ কৰে স্বকীয় অনুভূতি। হোষ্টেলৰ নিত্য-নৈমিত্তিক কামবোৰৰ মাজতো আছে এক সুকীয়া আমেজ। দেওবাৰৰ দিনটোত আৱাসীসকল এক প্ৰকাৰৰ ব্যস্ত হৈ পৰে। ৰাতিপুৱাই হোষ্টেলত কামৰ ঘণ্টা। Shopping কৰা, ভিজিটৰ চোৱা, ভিজিটৰে অনা বিভিন্ন ধৰণৰ সুৱাদৰ জুতি লোৱালৈকে... মুঠতে এটা ব্যস্ত দিন। Study hour মেইনটেইন নকৰি আড্ডা দি থাকোতে চুপাৰ চাৰৰ গালিবোৰে অলপ সময়ৰ বাবে হাঁহিবোৰ ম্লান কৰে যদিও সৰু সৰু ধেমেলীয়া কথাত সকলো পাহৰি পুনৰ হাঁহি দিয়ে সকলোৱে।

আমাৰ হোষ্টেলত অনুষ্ঠিত হোৱা উৎসৱবোৰে আমাৰ আৱাসীসকলৰ মাজত একতাৰ এনাজৰী ডাল অধিক দৃঢ় কৰে। নৱাগতা আদৰণী সভাৰ পৰা আৰম্ভ কৰি জন্মাষ্টমী, কাতি বিহু, দীপান্বিতা, সৰস্বতী পূজা আদি সকলো





উৎসৱ আৱাসীসকলে মিলা-প্ৰীতিৰে সুন্দৰভাৱে সমাপন কৰে।

ভিন ভিন ঠাইৰ পৰা আহি 'সাতসৰী ছাত্ৰী নিবাস'ৰ পৰিয়ালত চামিল হোৱা আৱাসীসকলৰ মৰম, স্নেহ, এগৰাকীৰ আন গৰাকীৰ প্ৰতি থকা মৰমৰ মান অভিমানবোৰ দেখিলে এনেকুৱা অনুভৱ হয় যে তেজ-মঙহৰ সম্বন্ধতকৈ বহুত ওপৰত এই সম্বন্ধ। হোষ্টেলৰ প্ৰত্যকগৰাকী আৱাসীৰ মৰম চেনেহবোৰ অকৃত্ৰিম।

আমাৰ আৱাসৰ পঢ়াৰ বাবে এটা সুন্দৰ পৰিৱেশক আছে। যাৰ ফলস্বৰূপে প্ৰত্যেক বছৰে আমাৰ আৱাসীসকলে সুন্দৰ সুন্দৰ ফলাফলেৰে মহাবিদ্যালয়ৰ লগতে আমাৰ আৱাসলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিক্ষাৰ লগতে সাংস্কৃতিক ক্ষেত্ৰতো আগবঢ়া আৱাসীসকল।

'সাতসৰী ছাত্ৰী নিৱাসে আমাৰ জীৱনৰ সুন্দৰ পল অনুভৱ আৰু উপভোগ কৰাৰ সুযোগ প্ৰদান কৰিলে। এই বছৰৰ পাছত সাতসৰীৰ পৰা যোৱাৰ পাছত, ইয়াত কটোৱা সুন্দৰ সুন্দৰ মুহূৰ্তবোৰ ৰোমন্থন কৰাৰ বাহিৰে যেন উপায়হীন আমি। এই আৱাসলৈ অহা প্ৰথম দিনটোত ঘৰৰ আপোন মানুহৰ পৰা আঁতৰত থকাৰ কথা ভাবি যিমান দুখ লাগিছিল, তাতকৈ হাজাৰ গুণ দুখ লাগিব যেতিয়া সাতসৰীৰ পৰা চিৰ বিদায় ল'ব লাগিব। মৰমৰ বান্ধৱী সকলক, ভণ্টিসকলক হেৰুৱাৰ সময়ত ভাগি পৰিম আমিবোৰ...। মই 1st Semester ত প্ৰথম আহি যেতিয়া কান্দিছিলো তেতিয়াই S.N. চাৰে কৈছিল "এতিয়া কান্দিছ কিন্তু যেতিয়া এই হোষ্টেলখন এৰি যাবিগৈ তেতিয়া বেছি কান্দিবি।" সঁচাকৈয়ে এই কথাষাৰ পলে পলে অনুভৱ কৰি থাকো। এই মায়াৰ বান্ধোন এই 'সাতসৰী'খন।

'সাতসৰী'ৰ প্ৰত্যক গৰাকী আৱাসী তোমালোক আগুৱাই যোৱা দিগন্তৰ পৰা দিগন্তলৈ বহুতো সেউজীয়া সপোনে অপেক্ষা কৰি আছে তোমালোকৰ বাবে।

সচাঁকৈয়ে এই সাতসৰীখন জীৱনৰ অন্য এক ৰূপ। বহুত শিকালে এই খনে মোক। প্ৰত্যকজনী ছোৱালীৰ হৃদয়ত সাঁচ বহুৱাব পৰাকৈ ইয়াৰ এক অদ্ভূত শক্তি আছে যি নিগাজীকৈ বাহৰ পাতি লয় প্ৰত্যেকৰে হৃদয়ত।

# জীৱন জীয়াই থকাৰ মন্ত্ৰ হওঁক

পূজা দেব
স্নাতক পঞ্চম ষান্মাসিক

জীৱনৰ গভীৰতাৰ ফালে আমি যিমানে ধাৱমান হৈ গৈ থাকো বিচাৰি গৈ আছো সিমানে ক'ব নোৱাৰোকৈয়ে আমি এজনে আন এজনৰ ছাঁ হৈ পৰো। চৈয়দ আব্দুল মালিক ছাৰৰ এটা লেখাত পঢ়া মনত পৰে। অপত্য স্নেহতকৈ গভীৰতাৰ বোধ পৃথিৱীত একোৱেই নাই। সেয়ে চাগে ইমান অসূয়া অপ্ৰীতি, হিংসা বিদ্বেষৰ মাজতো আমাৰ জীৱনটো মায়াময়। সমাজখনৰ মানৱতাৰ সঁচাৰ কাঠীডাল কৰবাত যেন সোলোক ধোলোক হৈ পৰিছে। আজি কালি গঢ়ি উঠা কিছুমান সংস্কৃতিয়ে অপসংস্কৃতিৰ জন্ম দিছে। আগৰ দৰে আজিৰ দিনবোৰ হৈ থকা নাই। মানুহৰ ভিন ভিন ৰুচিবোধৰ হেতু যেনে খাদ্যাভাস, সমাজপাৰ, কথা-বাৰ্তা সকলোতে এটা বিৰাট পৰিৱৰ্তনে দেখা দিছে। শীত কালৰ সন্ধিয়াবোৰত কুচি মুচিহৈ সোমাই থকা জুহালখন ক্ৰমাৎ আমাৰ পৰা হেৰাই যাবলৈ ধৰিছে।

এখন সুস্থ সমাজেহে এটা সুস্থ জাতিৰ জন্ম দিব পাৰে। তাৰ বাবে আমাৰ প্ৰয়োজন ইচ্ছা আৰু আকাংক্ষাৰ। ইচ্ছাবোৰেৰত আকাংক্ষাৰ জন্ম দিয়ে। যিবোৰে জীৱনলৈ প্ৰবল আশাৰ্বাদ কঢ়িয়াই আনে। আমাৰ সকলোৰে বাবে জীৱনৰ ৰংবোৰ সদাচয় সেউজীয়া। কেৱল ইয়াৰ ভাগবোৰহে বেলেগ বেলেগ। মানুহৰ জীৱনৰ ৰংবোৰ, সঁচাকৈয়ে বিচিত্ৰ। সুখবোৰ কেতিয়াও কাৰো বাবে জোনাক হৈ নাহে। বসন্তৰ বতাহৰ দৰে আমাৰ চকুত সলনি হয় কিছুমান নিয়ম ভঙাৰ নিয়ম। সেয়ে জীৱনৰ প্ৰকৃত ৰং ৰূপ ৰসবোৰ উপলব্ধি কৰিবলৈ, চুই চাবলৈ প্ৰতিটো ক্ষণতে নিজকে সাজু ৰাখিব লাগে। কেৱল ক্ষন্তেকীয়া সুখবোৰকে আমি জীৱনৰ সৰ্বোচ্চ বুলি ভাবিব ধৰো, কিন্তু কেতিয়াবা আমি অনুভৱ কৰিছোনে জোনাকৰ স্নিগ্ধতা?

আমাৰ জীৱন দুদিনীয়া আৰু ক্ষণস্থায়ী। জীৱনৰ চলমান গতিকৰোধ কৰাৰ সাহস আমাৰ হয়তো নাই। তথাপি অলপমান মানবীয় চিন্তাৰে যদি হাঁহিবোৰ আনৰ পৰা একাগ্ৰচিত্তে উজাৰি দিব পাৰো, তেতিয়া হয়তো হৃদয়ৰ স্তূপীকৃত ৰংবোৰ সাতোৰঙী সুবাসেৰে ভৰি পৰিব। যিবোৰে আমাক আন্দোলিত কৰি ৰাখিব প্ৰতি পল প্ৰতি ক্ষণ...। এইবাবে জীৱন সদায় সুন্দৰ আৰু ইয়ে হওঁক সকলোৰে বাবে জীয়াই থকাৰ মন্ত্ৰ।





# কবিতাৰ বাবেই জীয়াই আছোঁ

কাজল গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক

এটা কবিতাৰ বাবেই জীয়াই আছোঁ মই
যাৰ ছাঁয়াত মোৰ দুখবোৰ নিতাল মাৰে;
হৃদয়ৰ গভীৰতাত জোৱাৰ তুলি
মোৰ সুখবোৰে আলয় সাজে।
এখুজি দুখুজি সপোনবোৰে
যেতিয়া মোক লৈ যায়
দুৰ-দিগন্তৰ সীমনাৰ পাদ দেশলৈ
তেতিয়াও মই সাৰে থাকো।
জীৱনৰ প্ৰতিটো মুহূৰ্তৰ অভিজ্ঞতাৰে
নিজেই আকোঁ নিজৰেই প্ৰতিচ্ছবি,
ভাৱলেশহীন বাৰ্তালাপেৰে
পূৰাই দিও হৃদয় স্পন্দন...
পাৰহৈ যোৱা অতীতৰ
পোৱা নোপোৱাৰ হিচাপ-নিকাচেৰে
আকোঁ বাস্তৱ জীৱনৰ স্কেছ; আৰু
এয়াই মোৰ আৰু কবিতাৰ সম্পৰ্ক।

# প্ৰেমৰ বিশ্বাস

নমিতা থাপা
স্নাতক চতুৰ্থ ষান্মাসিক

ক'ত গ'লানো তুমি
সেইদিনা ৰাতি মই কান্দিছিলো
তুমি কৰা অৱহেলাৰ বাবে
হঠাৎ তোমাৰ ফোন...
জানি উঠিছিলো বহুত দুৰলৈ যাবাগৈ
দূৰাভাষৰো সুবিধা নাই
জানানে...
তেতিয়া ভাবিছিলো সেই দিনবোৰৰ কথা
মই যে তোমাক ক'ত কি যে কৈ পেলাইছিলো
তুমি নাজানা
কিমান যে তোমাক হেৰুৱাৰ ভয়ত মই...
ভয় লাগিছিল
ইমানবোৰ কোৱাৰ পাছত কিজানিবা তুমি...
কিন্তু
মোৰতো ইমান দুখ নাছিল
তুমি ক্ষমা কৰিব পাৰিলাহেঁতেন
বহু দিনৰ পিছতো
মই আশাৰে বাট চাই আছো তোমালৈ...
যাক বিশ্বাস বুলিব পাৰি
প্ৰেমৰ বিশ্বাস।

# সপোন

জয়িতা চক্ৰৱৰ্তী
স্নাতক ষষ্ঠ যান্মাষিক

মোৰ সপোন, মোৰ শক্তি,
মোৰ সাফল্যৰ প্ৰেৰণা ও চাবিকাঠি।
সপোন দেখো মই ৰঙীন দিনবোৰলৈ...।
আশাবোৰে মোৰ পূৰ্ণতা লভে,
লক্ষ্যই যত মোৰ সান্নিধ্য মাগে
ব্যৰ্থতাত ভাগৰুৱা মনটোক জুৰ পেলাবলৈ...।।
'সপোন'... এক যাদুকৰি অনুভৱ।
সপোনে মোৰ আন্ধাৰ অমানিশা ভেদী
পূৰ্ণিমাৰ জেউতি বিলায়।
সেই আলোকত মই বাট বুলিব পাৰোঁ,
এখোজ-দুখোজ কৰি আগবাঢ়ি যাওঁ মই
মোৰ সাধনাৰ গন্তব্য স্থানলৈ...
সপোন দেখোঁ মই সোণালী বাস্তৱলৈ...।।
হাঁহি-কান্দোন, সুখ-দুখৰ দোমোজাত
ভাগৰুৱা পথিক মই,
সুখৰ পিয়াহত, প্ৰেমৰ আৱেগত
তীব্ৰ ব্যাকুল মই।
সপোনে আহি মোক কোলাত লয়,
পানী হৈ মোৰ কণ্ঠইদি বয়,
যাৰ মোহ পাশত মন মোৰ জিৰণীময়।।
নোপোৱাৰ প্ৰাপ্তিলৈ, হেৰুৱাৰ সন্ধানত...
সপোনে লৈ যায় মোক স্বৰ্গীয় দিগন্তলৈ...।
সপোন দেখোঁ মই পূৰ্ণ দিঠকলৈ,
সপোন দেখোঁ মই সপোন হ'বলৈ...।।



# জীৱন

জুপিতৰা বড়া
স্নাতক দ্বিতীয় যান্মাষিক

জন্মই হৈছে জীৱনৰ আৰম্ভণি
মৃত্যুয়ে ইয়াৰ শেষ,
জীৱন সেই...
এটি জীৱন।
নদীৰ সোঁত বোৱাৰ দৰে
সময়ৰ পৰিস্থিতিৰ লগত
মিলি যোৱা...
এই পৰিস্থিতিত জীৱন হয়
কৰুণাময় আৰু আনন্দময় কাহিনী।
কাহিনীৰ মাজত লুকাই থাকে
কাৰোবাৰ আশা-নিৰাশা মনৰ ভাৱ
য'ত দেখা পায়, সপোন-দিঠকৰ
ভাল লগা ছবি।
চকুলো নিগৰি বয়
কেতিয়াবা বেদনাত,
সাগৰ নীলা দুচকুৰে
কোনেনো বুজিব, শুনিব
মানৱ জীৱনৰ দুখৰ কথা।
জীৱন জীৱন মাথোঁ দুদিনৰ
তথাপিয়ো কিয় বাৰু...
সকলোৰে জীৱনটোক
সুন্দৰকৈ সজাই তোলে।





# তোমাতেই

নৱজ্যোতি চেতিয়া
স্নাতক দ্বিতীয় যান্মাষিক

তোমাতেই বিচাৰি পাওঁ
হৃদয়ৰ সেউজীয়া অনুভৱ
তোমাতেই বিচাৰি পাওঁ
জীৱনৰঙী উদিত সূৰ্যৰ বহুৰঙী ৰামধেনু
জীয়া জীৱনৰ মাদকতা আৰু সপোনৰ বাস্তৱিকতা
তোমাতেই অৰ্পণ কৰি জুখি চাওঁ হৃদয়-সীমান্তৰ গভীৰতা।

তোমাৰ হাঁহিত জিলিকি উঠে
মোৰ মন কহুৱা বননিৰ অলেখ ফুল
জাতিস্মাৰ হৈ পৰে মোৰ চৌপাশে
বহুদিন তৃষ্ণাতুৰ পথিকৰ দৰে
মই হৈ পৰো ফুলৰ সন্ধান বিচাৰি মন পখিলা হৈ।

কাঁইটীয়া জীৱনৰ বাটত
খোজ দিছো, দহিছে পুৰিছে উত্তাপে
শীতৰ নাই অনুভূতি
তোমাৰ হাতৰ স্পৰ্শত পুনৰায় সজীৱ হৈ উঠো
আগুৱাই যাওঁ তোমাক লগত লৈ
যিমানলৈকে জীৱন মৃত্যুলৈ আগুৱায়।

আশাৰে, বহু হেঁপাহেৰে
ৰৈ আছো তুমি অহালৈ
অপেক্ষাৰ অন্ত পেলাই তুমি এদিন আহিবা
যেতিয়া পৃথিৱীৰ বুকুত এটি স্বপ্ন সেউজীয়া হয়।

# অনুভৱৰ কবিতা


দ্বীপশিখা গগৈ
স্নাতক দ্বিতীয় যান্মাষিক

ফাগুনী বতাহজাক দি যোৱা
উন্মনা অনুভৱবোৰে
আমনি কৰে; তুমি যেতিয়া
আঁতৰি যোৱা কাষৰ পৰা
সপোন গধুৰ হেঁপাহবোৰে
তোমাক বিচাৰি ফুৰে
বৰদৈচিলাৰ দৰে উৰি যায় মন
ৰিঙা ৰিঙা এটি গান হৈ
হেৰাই যোৱা সপোনটিত
নতুন ৰূপেৰে সজীৱ হয়
তোমাৰ অনুভৱৰ
গোপন উন্মাদনাত।

# তুমি মোৰ চিৰসখী

মনালিচা কোঁৱৰ
স্নাতক চতুৰ্থ ষাণ্মাষিক
শিক্ষা বিভাগ

গ্ৰীষ্মৰ শীতল বতাহজাকে
সোঁৱৰাই দিয়ে তোমাৰ প্ৰতিচ্ছবি
কিন্তু আজি পছোৱা বলিছে,
ফাগুণৰ দৰে পছোৱা...
তোমালৈ বৰকৈ মনত পৰিছে
মোৰ ভাৱনাত।
হয়তু তুমি উপভোগ কৰি আছা
ৰংঘৰৰ বাকৰিৰ সেই উদ্যানখন
বতাহত নাচি থকা শাৰীখনৰ ফাঁকেৰে
তোমাৰ দেহত বিৰিঙি উঠিছে যৌৱনৰ উন্মাদনা
নিলাভ দুচকুত উজ্জ্বলি উঠিছে
সত্যৰ অন্বেষণ...
কোমল দুহাতেৰে স্পৰ্শ কৰিছা
এপাহ সতেজ ফুল!
আৰু লগে লগে দুটি ওঁঠে বাগৰি আহিছে
ভালপোৱাৰ এটি মুগ্ধ হাঁহি...!
সমীৰণৰ প্ৰকোপত তোমাৰ বেণীয়া চুলিতাৰিয়ে
ঢৌ খেলি নাচিছে
বৰষাৰ টোপালে তোমাৰ কপালত
মোৰ ফুৰিয়া ওঁঠৰ চুমা যাচিছে
বতাহৰ হুৰ-হুৰণিত তোমাৰ আঁচলেও যেন
তোমাৰ মোৰ বন্ধুত্বৰ গীত জুৰিছে।
এছাতি বতাহে দুয়োখন হিয়াক মৰমৰ এনাজনীৰে
আঁতি আঁতি বান্ধোতেই
দুয়োখন হৃদয়তে একেলগে স্ফুৰ্তি উঠিছে
'তুমি মোৰ চিৰসখী' ....।



# টোপনিত চহৰখন

অনিমা বৰগোহাঁই
স্নাতক দ্বিতীয় ষাণ্মাষিক

ৰাতিৰ বুকুত মুৰ গুজি টোপনিত
লালকাল এখন চহৰ
চৌদিশে কেৱল নিৰ্জনতাৰ কোলাহল
বহু দূৰত...
কাৰোবাৰ উচুপনিত,
দিচাংৰ সিপাৰে...।
দূৰণিৰ সেই উচুপনিৰ মাজত
উচুপনিৰ সেই প্ৰতিধ্বনিৰ মাজত
একান্ত সংগোপনে বৈ আছে
মোৰ দুখৰ দিনবোৰৰ সংস্কাৰণ।
বিষন্নতাৰ হেঙুলি বেলিৰ
আচলেৰে আবৃত
নাহৰ জোপাৰ সতে ভগাই ল'ম
আধৰুৱা কবিৰ জীৱনৰ কবিতা।






# কন্যাৰ বিননি

পল্লবী নায়ক
স্নাতক দ্বিতীয় ষাণ্মাষিক

মা,
মোক আপুনি শুনি পাইছে নে?
মই আপোনাৰে কন্যা।
মোৰো ল'ৰাৰ দৰে
জীয়াই থকাৰ আছে অধিকাৰ
আপুনি মোৰ জীয়াই থকাৰ অধিকাৰ
মোৰ পৰা কাঢ়ি ল'ব বিচাৰে কিয়?
মই অকণমানিজনী
আপোনাৰ কি কৰিম অনিষ্ট?
মইতো
আপোনাৰে এক অংশ
আপুনি মোক কৰিব বিচাৰে ধ্বংস?
মই অন্য কেঁচুৱাৰ দৰে
আপোনাক দিগদাৰি নকৰিম,
ডাঙৰ হ'লে মই ঘৰৰ সকলো কাম কৰিম।
মোৰ পঢ়াৰ বাবে
নালাগে খৰচ কৰিব,
মই
দাদাৰ কিতাপৰ পৰা
ঘৰতেই পঢ়িম।
মই চিৰদিন আপোনালোকৰ ওচৰতেই থাকিম।
আপোনালোকৰ বাৰ্দ্ধক্যৰ
কনাৰ লাখুটি হ'ম।
দয়া কৰি মোক
এই পৃথিৱীখন এবাৰ চাব দিয়ক
মই এই পৃথিৱীত জীয়াই থাকিব বিচাৰো।
মই আপোনাৰ মুখখন
হেঁপাহ পলুৱাই চাব বিচাৰো।
মই আপোনাক আকৌ এবাৰ অনুৰোধ কৰিছোঁ
মোক এই পৃথিৱীখন চাবলৈ দিয়ক
মোক এই পৃথিৱীত জীয়াই থাকিব দিয়ক
মোক জীয়াই থাকিব দিয়ক।



# এয়েতো জীৱন

মৌচুমী বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাষিক


জীৱনৰ বিভীষিকাময় পথৰ যাত্ৰী আমি
সময়ৰ শ্লোগানটো মানিবই লাগিব।
পোৱা নোপোৱাৰ মাজতেইটো
এই জীৱন যাত্ৰা...।
যদিহে, উকা হৃদয়ৰ গৰাকী তুমি
তথাপিও সংগ্ৰাম কৰি যোৱা
দুচকুৰেদি বৈ পৰা তপত অশ্ৰুধাৰিক
সময়ৰ কোবাল সোঁতত মিলি যাবলৈ দিয়া।
জীৱন পথৰ সকলো ধুমুহা নেওচি
সংগ্ৰামৰ পিছত কেৱল সংগ্ৰাম কৰি যোৱা
দেখিবা...
এদিন সুখৰ বতৰাবোৰে তোমাক যোগাব
হাঁহিৰ খুৰাক
এয়েতো জীৱন...।

# ভালপোৱাৰ প্ৰতিবিম্ব

অশ্বিনী গগৈ
স্নাতক প্ৰথম যান্মাষিক

এদিন প্ৰেমে আহি মোৰ মনৰ খিৰিকিত টুকুৰিয়াইছিল
সংগোপনে এটি আলসুৱা আশা হৈ...
ফুলি উঠিছিল মোৰ বুকুটো
যিদৰে হাজাৰ জনী ষোড়শীৰ বুকুত ফুলি উঠে
স্বৰ্গৰ শুভ্ৰ পাৰিজাত ফুল...
মনে প্ৰাণে কল্পনা কৰিছিলো, সেই প্ৰেম
হওঁক কল্পনাৰো অধিক...
সেই প্ৰেম হওঁক, বিচ্ছেদিত প্ৰেমৰ
মিলনৰ পৰিধিৰ অগ্নিশিখা...
যি পোহৰাই তুলিব
ভগ্ন হৃদয়ৰ আলসুৱা আশা...
সেই প্ৰেমৰ আলেঙে আলেঙে ঘূৰি ঘূৰি
হ'লো মইও সেই প্ৰেমৰ প্ৰিয়া...
পিয়াহ আতুৰ পক্ষীৰ দৰে...
ময়ো পিলো সেই প্ৰেমৰ অমৃতসুধা
সেই প্ৰেমৰ বাবে ৰচি গ'লো
মিলনৰ হাজাৰটা কবিতা...
কেৱল অকলে অকলে
তোমাক বিচাৰি পোৱাৰ বাবে
জীৱনৰ এই মধুৰ ক্ষণত...
নিৰলে গণিছো আকাশৰ তৰা
জুখিব খুজিলো জোনবাই দেশলৈ কিমান দূৰ...
তথাপি নাজানিলো... জানা আজিও নাজানিলো
মোৰ এই প্ৰেম কিয় হ'ল আধৰুৱা অনাদৃতা?





# এটা নতুন দিনৰ ঠিকনা

দিপল শইকীয়া
স্নাতক প্ৰথম যান্মাষিক

কোনো এটা নিজম দুপৰীয়া
নৈৰ পাৰৰ গৰাত বহি
কান্দিবৰ মন গৈছে হুৱাহোৰে
যেন বালীমাহী চৰাই ঠোঁটত গুজি দিম ঈশ্বৰলৈ
দুখৰ চিঠি...
নদীৰ সোঁতত লৈ যাব দিম
ৰিক্ত হৃদয়
তিয়াই ৰাখিম হিমচেঁচা নিয়ৰত
ফাগুনৰ ওঁঠ।
আনকি জেঠৰ প্ৰখৰ ৰ'দত জাহ যাবলৈ দিম
বুকত গজি উঠা অপতৃণবোৰ।
তাৰ পিছত গ্ৰীষ্ম ৰ'দত মেলি দিম,
পুৱা-সন্ধিয়া বুকুৰ উম দিম
হাজাৰ বীজৰ সম্ভাৱনাক
হয়তো সৃষ্টিৰ প্ৰসৱ বেদনাতে গজি উঠিব
এটা নতুন দিনৰ ঠিকনা...







# মা

মৌচুমী দেউঘৰীয়া
পঞ্চম যান্মাষিক

অনন্যা তুমি
সহনশালী ধৰিত্ৰী তুমি
মোৰ জন্মদাত্ৰী তুমি।
তুমিয়েই স্ৰষ্টা মোৰ
নতুন পৃথিৱীৰ
য'ত আৰম্ভ হয়
মোৰ জীৱনৰ
প্ৰথম ৰেঙনি।
মোৰ কান্দোন, তোমাৰ নিচুকণি
সেয়া হয়তো তোমাৰ জীৱনৰ
নৱ অধ্যায়ৰ আগমণি।
মোৰ অসুস্থ শৰীৰ
তোমাৰ নিদ্ৰাহীন ৰজনী
কত শুশ্ৰূষা, কত উচুপনি
কোনেও কাঢ়ি নিব নোৱাৰাকৈ
মই তোমাৰ,
উমাল বুকুৰ আৱেষ্টনীত
মা, মা, বুলি তোমাৰ আঁচলত ধৰি থকা
তোমাৰ কণমানি
এতিয়া যৌৱনেৰে সেউজময়ী
তথাপিও তোমাৰ মমতাৰ আৱেশ
প্ৰতিটোপাল ৰক্ততে প্ৰবাহময়ী।

# কবিতা


পল্লৱী ফুকন
একাদশ শ্ৰেণী

তুমি আকৌ আহিছিলা
স্নিগ্ধ শৰতৰ হাঁহিৰ মুকুতা লৈ
ঘন কুঁৱলীৰ প্ৰাচীৰ আঁতৰাই
দুবৰিৰ দলিছাত খোজ পেলাই
তুমি আকৌ আহিছিলা...
হৃদয়ৰ নিভৃত আসনত
বিশ্ৰাম ল'বলৈ।
মোৰ হৃদয় ব্যাকুল হৈ পৰিছিল
মন দাপোনত তোমাৰ ছবি দেখি।
পুনৰ বিলীন হৈ গৈছিলো
এবুকু স্বপ্নৰ সন্ধানত...
আশাভৰা সূৰুযৰ ৰাঙলী আভাই
মনটো ৰঙীন কৰি তুলিছিল।
পাইয়ো হেৰুৱাৰ বেদনা, উপশম ঘটিছিল।
বাধা দিব পৰা নাছিলো মোৰ
অশ্ৰুসিক্ত নয়নেৰে বাগৰি অহা
তপ্ত অশ্ৰুধাৰা।
তুমি আকৌ আহিছিলা...।

# মোৰ সেই প্ৰিয় সখী

পবিত্ৰ গগৈ
স্নাতক প্ৰথম ষাণ্মাষিক

... আজিও অস্তযোৱা আবেলিৰ এটি মুহূৰ্তই
মোৰ অন্তৰখনক ভাগৰুৱা কৰি তুলিলে
মাথো অশ্ৰু-নিগৰি নিগৰি বৰখোজে
হৃদয়ৰ একোটি ভাষা হৈ...
ভাগৰুৱা দেহাটি বিচনাত জিৰাব খুজিলেই
হৃদয়ত মৃদু মৃদু আঘাত হানিব ধৰা
সেই স্মৃতিয়ে অশ্ৰুৰ নিজৰা বোৱাব খোজে।
বন্ধু, সিদিনা যে তোমাক কৈছিলোঁ...
হয়তো এতিয়াও মনত পৰা নাই,
কেলৈ... তুমি, মই দুয়ো যে পাতিছিলো
কলেজৰ শিলছটাত বহি...
পাহৰিলা ছাগে...
আছে যদি মোৰ বাবে তোমাৰ এটি ক্ষণ
তেন্তে, শুনাত কিবা আপত্তি...
কিনো ক'ম, স্মৃতিৰ মানসপটত
ভাহি আহিলেই প্ৰায় এটা দশক অতীতৰ
হৃদয়ৰ কোনোবা কোণত পঁচা কাঠ যেন
ছন্দহীন ভাষাবোৰে উকা কাগজত
বন্যাৰ অনুকম্পা অনুৰণিত কৰে,
দুচকুৰ পটাত নক্ষত্ৰ উজ্জ্বলি উঠে,
আঘোণৰ দুবৰি বনত মুকুটাই নাচে
লাহে লাহে দুধাৰে বন্যা কঢ়িয়াই আনে।



# পিয়ানুত ভাঁহি অহা বিষাদৰ সুৰ

বনশ্ৰী গগৈ
স্নাতক প্ৰথম ষাণ্মাষিক

ক'ৰবাৰ এৰাপৰীয়া কোণৰ পৰা
স্তব্ধ ৰজনীত শুনিছোঁ কাৰোবাৰ বিননি
শ্ৰৱণৰ একাগ্ৰতাৰ সতে একাত্ম সেইক্ষণ
পাহৰিব পৰা নাই।
শুকান পাতৰ মৰমৰণিত মই শিহৰিত হৈ উঠো
পিয়ানুৰ সেই কৰুণ সুৰ।
বিষাদৰ সুৰেৰে কাৰোবাৰ আগত ক'ব বিচাৰিছে
তেওঁৰো এখন অন্তৰ আছে, য'ত
অকণমান জিৰণি লাগে।





# ৩০ অক্টোবৰৰ কলা দিনটো

সোণমণি পেগু
স্নাতক প্ৰথম ষাণ্মাষিক

পৰিলে মনত আজিও
গা নোম শিয়ৰি উঠে
কঁপাই তুলিছিল অজস্ৰ জনতাৰ হৃদয়
কঁপাই তুলিছিল সমগ্ৰ অসমৰ
আকাশ বতাহ।
৩০ অক্টোবৰ কলা দিনতো
আছিল হৃদয় বিদাৰক
সৃষ্টি কৰিছিল আৰ্তনাদৰ
চাৰিওফালে বিয়পাইছিল
মাথো বাৰুদৰ ধোঁৱা
সকলোতে পৰিছিল এটুপি দুটুপি
তেজৰ চেকুৰা।
বহুজনৰ বুকুভেদি আনিছিল
এটা অন্ধকাৰে আকোঁৱালি লোৱা
কৰুণ পলে কৰিছিল বহু
মাতৃৰ উদং কোলা।

# শূণ্যতা

অভিনৱ কলিতা

যিমান দূৰলৈ বিয়পে তোমাৰ
যৌৱনৰ সুবাস
সিমান দূৰত্বত থাকিও মই তোমাক
ওচৰত দেখা যেন পাওঁ।
তুমি যি গীত ভাল পোৱা
কথা দিলো সেই গীতকেই মই গাম
সুৰেৰে ভৰাই তুলিম তোমাৰ
অভিমানত শুকাই যোৱা বুকুৰ সাগৰ।

এডাল গুল্মৰ দৰে
মেৰিয়াই ধৰিম তোমাক আৰু
বুৰ যাম তোমাৰ প্ৰেমৰ প্ৰাচীনতাত
এই যে তোমাক দেখা নেদেখা
বুজা নুবুজা ভাবৰ আকুলতা খিনি
ঠিক তোমাৰ পুৰাতন হাঁহিটোৰ দৰেই
সজীৱ আৰু সেউজীয়া।

দেখিছানে...
দেখিছানে তুমি...?
তোমাৰ মোৰ সম্পৰ্কৰ ভগ্নাংশ
হাতত তুলি শূন্যতাৰে কেনেকৈ কটাকটি কৰিব বিচাৰিছোঁ
নিজেই নিজক
য'ত জীৱনৰ ভাগফল মাথো শূণ্যতা।

# জীৱন

এনিশা শৰ্মা
স্নাতক প্ৰথম ষান্মাষিক

জীৱন তুমি অনুপম
আনন্দ-বিষাদৰ এখনি ধূসৰ প্ৰতিচ্ছবি।
তোমাৰ নামতেই হেজাৰজনৰ সপোন
তুমি অনুভৱী ৰাগৰ কুঁহিপাত।
তোমাৰ নামতেই বহুজনে চকুলো টোকে
আৰু বহুজনে হাঁহিৰ মাধুৰ্য্য সিঁচে।
তুমি কিয় ঘাত-প্ৰতিঘাতৰ
বেদনাৰে আত্মাঘাতী হোৱা?
প্ৰাণৰ মৌ-মিঠা পৰশ দিও
কাঢ়ি নিয়া অজস্ৰ কল্পনা।
তোমাৰ স্পৰ্শ স্বৰ্গীয় প্ৰতিদান,
তুমি এবাৰ চোৱা তোমাৰ মমতাময়ী দুচকুৰে।
দেখিবা প্ৰত্যকজন মানৱ দুখৰ বিপৰীতেও সুখী
কাৰণ, সন্মুখত তুমি।
ধন্য জীৱন, তোমাৰ সৃষ্টি
মোৰ ক্ষুদ্ৰতম হৃদয়ত তোমাৰ এভুমুকি।
এদিনটো যাবই লাগিব এৰি
তোমাৰ পৰা বহু নিলগলৈ আঁতৰি।
সেইদিনা স্মৃতিৰ টোপালত লৈ যাম
তুমি দিয়া অনেকবোৰ নষ্টালজিয়া
মাথোঁ বাট চাম,
তুমি যেন আকৌ আহা উভতি।






# ভাল লাগে ফাগুন আহিলে

অমল হাতীমূৰীয়া
বিজ্ঞান শাখা

ফাগুন আহিলে
মনটো নাচি উঠে
উৰিব খোজে
কমোৱা তুলাৰ দৰে
পলাশ আৰু মদাৰৰ স'তে
নিবিড় আত্মীয়তাৰ সম্পৰ্ক গঢ়োঁ।
ফাগুন নামি আহে
ৰঙা-নীলা সপোনবোৰ
ভাৱনাৰ আকাশত উৰি ফুৰে
ফাগুনী পছোৱাজাকৰ স'তে
গুচি যাব খোজো
অন্য এখন জগতলৈ
য'ত হেঁপাহে পাখি মেলে
য'ত ফাগুনে আবিৰ মানে...।






# তাই এই ৰাষ্টাটোৰেদি

নৱজিৎ চেতিয়া
স্নাতক প্ৰথম ষান্মাষিক

তাই এই ৰাষ্টাটোৰেদি
অহা-যোৱা কৰিছিল কলেজলৈ
এই ৰাষ্টাটোৰেদি তাই নিজক লুকুৱাই
সেউজীয়া হৈ ভৰিৰ খোজ দিছিল আগলৈ।

এই ৰাষ্টাটোৰেদি তাই মনতে ভাবি যায়
মনৰ বহু কথা
ভাবি যায় পৃথিৱীৰ মানুহৰ কথা
কথাবোৰ তাই ভাবে আৰু পাগুলি থয় মনৰ মাজত
কোনেও নেদেখাকৈ।

ৰাষ্টাটোৰ লগত মোৰ অতীতৰ চিনাকি
তাৰ লগত মোৰ প্ৰগাঢ় বন্ধুত্ব আৰু আন্তৰিকতা
সি বুজে মোৰ মনৰ কথা, মই বুজো তাৰ কথা
তাক মই 'অচিনাকী' ছোৱালীজনীৰ কথা সুধিলো
সিদিনা আছিল জোন পৰি অমাবস্যা হোৱাৰ দিনা।




সি কৈ গৈছিল অচিনাকীৰ কথা,
কৈছিল তাইৰ দৈনন্দিন ভাৱে অতিবাহিত জীৱনৰ কথা
মই তাক ক'লো - 'তুমি তাইৰ অন্তৰখনৰ কথা সুধিবাচোন।'
দুদিনৰ পাছত মই সুধিলো
সি ক'লে —'মই ব্যৰ্থ, মনৰ অন্তৰৰ পৰা পঢ়াত
মোৰ নিজস্ব চিনি পোৱা শব্দৰ বাহিৰে অইন
একোকে নাই।'
ভাবিলো, এদিন সুধিম মই তাইক তাইৰ মনৰ কথা।
এই ৰাষ্টাটোৰেদি তাই এদিন আহিছিল আৰু গ'লগৈ
যাওঁতে তাইৰ উচুপনিবোৰ ৰাস্তাটোৰে শুনিছিল
ৰাস্তাটোৰে কৈছিল পঢ়িব নোৱাৰা, বুজিব নোৱাৰা ভাষাত
তাই কান্দি-কান্দি কিবা কৈছিল,
সিতো ব্যৰ্থ বুজিবলৈ, তাৰ শব্দ জ্ঞান তেনেই সীমিত
মই দেৰি নকৰি তাই যোৱাফালে আগুৱালো
যিমান পাৰো সিমান গতিৰে
কিন্তু তাই অচিনাকী হালধীয়া জোন হৈ
পূৰ্ণিমাৰ দিনৰ পৰা অমাৱস্যাৰ
চকা মকা পোহৰত নাইকীয়া হ'ল
দি থৈ গ'ল সময়ৰ অবুজ ভাষাৰ
বহু কবলগীয়া সেউজীয়া কথা।

# নদী হৈ বৈ যাম

আৰতি কছাৰী
স্নাতক চতুৰ্থ ষান্মাষিক



মই বৈ যাম
মই নদী হৈ বৈ যাম
তোমাৰ বাবে
তোমাৰ মৌনতাই
দগ্ধ কৰিলে মোক
হয়তো কথা ক'লেও
উত্তৰ দিব নোৱাৰিলোহেঁতেন
কিন্তু মই জানো?
নীৰৱতাৰো যে আছে ভাষা।
তোমাৰ নীৰৱতাই মোৰ শূন্যতাত ওলমি ৰোৱা
উদাসীন মুখখনিত দি যায়
সুকোমল বা।
শূন্যতাত হেঁচি দিয়া তোমাৰ বুকুৰ স্পন্দনে
বিদীৰ্ণ হৃদয়ৰ পথাৰখনিত সিঁচি যায়
সোণোৱালি শইচ।
তুমি কোন?
ক'ত আছা?
মই নাজানো
কিন্তু,
খুলি ৰাখো মোৰ হৃদয় দুৱাৰ
তুমি আহিলেই জীপাল হয়
অনুভূতিৰ জোৱাৰ।
তোমাৰ বাবেই
মোৰ অন্তহীন অপেক্ষা।
সৌন্দৰ্য্য সাগৰত স্নান কৰি
অনুভৱৰ সুতাৰে শব্দৰ মালা গাঁথো
অনুৰ্বৰ পথাৰতো
সিঁচি দিও আশাৰ প্ৰদীপ
উজ্জীৱিত হয় ন-ন সপোন,
তোমাৰ বাবেই
মই বৈ যাম
নদী হৈ বৈ যাম
তোমাৰ বাবে।

# সোঁৰৰণি

ৰশ্মি চাংমাই
স্নাতক চতুৰ্থ ষান্মাষিক

নিয়ন লাইটৰ পোহৰত খোজ দি
বৈ যাওঁ যান্ত্ৰিকতাৰ মায়ানগৰীত
কিজানি শুনো আকৌ,
সেই চিনাকি বাঁহীৰ সুৰ
কিম্বা সেই চৈ দিয়া গৰু গাড়ীখন
আৰু ঐনিতমৰ সুৰ
উভতনিৰ নাওঁবোৰত
মন মোৰ উৰি যায়
সোণালী শৈশৱৰ সেই সেউজীয়া
দিনবোৰলৈ...
এতিয়া সেইবোৰ ক্ৰমশঃ এটি ভাল লগা
মিঠা মিঠা বেদনাৰ সপোন।
শীতৰ এজাক অবাঞ্চিত বৰষুণত
তিতাৰ মাদকতা
আহ! কি ভাল লগা
ভাল লগা সোণালী শৈশৱৰ
সোঁৰৰনিৰ দিনবোৰ
ঘূৰি নহা অতীতবোৰ...।





# সেউজীয়াৰ আক্ষেপ

নীলিমা গগৈ
স্নাতক চতুৰ্থ ষান্মাষিক

হালধীয়াতো নহয় মই
নহয় সোণাৰু ফুল
তোমাৰ কবিতাৰ ছন্দত
জোনাকৰ মেলা পাতিবলৈ
নাই মোৰ শব্দ মুকুতাৰ ঢল।

নহওঁ মই শৰতৰ শেৱালি
সুবাসিত কৰিবলৈ তোমাৰ পদুলি,
সেউজীয়া মোৰ বৰণ
নিয়ৰৰ টোপাল দেখিছা যদিও
চোতালৰ দুবৰিত পাবা বিচাৰি।

সোণৰ দৰে নহয় সোণালী
নকৰে তোমাৰ ডিঙি শুৱনি,
অলংকাৰ মই আঘোণৰ
পথাৰেই মোৰ সংগী
ৰং আনন্দ জীৱন যৌৱনৰ।



# শৰৎ

লভিতা হাজৰিকা
স্নাতক চতুৰ্থ ষান্মাষিক

শৰতৰ সন্ধ্যা
শেৱালীৰ সুবাসত, চৌদিশ আমোল মোলাইছে
সেই সুগন্ধই তোমাৰ সতে কৰা
প্ৰতিটো অনামী কথা
উমাল কৰি তুলিছে
স্মৃতিৰ জলঙা ফালি ওলাই যাব খোজে
মধুময় স্মৃতিবোৰ...।
সখী তুমি আহিবানে পুনৰ ঘূৰি...
মই বৈ আছো
অধীৰ অপেক্ষাৰে...
এক অবুজ উৎকণ্ঠাৰে...
তুমি আহিলেই
সেই স্মৃতিবোৰক পুনৰ
সজীৱ কৰিম আমি
পদুলি মুখৰ শেৱালি জুপিৰ
তলত বহি।
একেলগে কৰিম মধুৰ আলাপ
য'ত বিয়পি থাকিব শেৱালিৰ সুবাস...।

# জীপাল অনুভূতি


চিমি গগৈ
স্নাতক চতুৰ্থ ষান্মাষিক

এদিন তুমিয়ে আহি
মোৰ মনৰ উকা পথাৰত
সিচিলা প্ৰেমৰ কঠিয়া
নদী হৈ জীপাল কৰিলা
মোৰ হৃদয়ৰ ঘাঁহনি ডৰা
আজি তুমি বোৱতী নদী হৈ
বৈ গলা আৰু...
সাগৰক সাৱটি ললা।
আঁতৰি গলা তুমি
মইয়ো আহিলো আঁতৰি
নিজা নিজা বাটেৰে নোপোৱাবোৰ বিচাৰি
তুমি তোমাৰ বাটেৰে বিচাৰি পাইছা
মই মোৰ বাটেৰে
অনুভূতি, অনুভূতি মাথো
একেপাহ ফুলৰ পাপৰি
মাত্ৰ তুমি পোৱা এক হাঁহি হাঁহি
আৰু মই পাওঁ কান্দি কান্দি।

# বন্ধুলৈ অনুভৱ

শান্ত চাংমাই
স্নাতক দ্বিতীয় ষান্মাষিক

সুৰে মাতিছে।
গানেৰে মাতিছে।
তুমি চোন নামাতা মইয়ে যাম
কত যে বন্ধু পালোঁ মই
কত যে হেৰুৱালোঁ মই
পাই যে হেৰালো তোমাক
ঔ কিনো দুখ কৰিলো
ঐ মোৰ চেনাইটি
কিয় মোক নামাতা চোন
কিয় এনেখন কৰিছা মোক।
সুখৰ লগৰী বন্ধু তুমি আছিলা।
দুখত যে আছিলা তুমি।
হেৰাই যোৱা হাঁহি তুমি আহি দিলাহি
সংসাৰৰ কথা চিন্তা কৰি গ'লা তুমি মোক পাহৰি।
সুখে-সুখে জীৱন লগৰী।
নাযাবা বন্ধু মোক পাহৰি।







# মোৰ অনুভৱৰ উপদেশ

প্ৰেৰণা শইকীয়া
স্নাতক চতুৰ্থ ষান্মাষিক

জীৱনৰ সেউজীয়াবোৰ পাবলৈ
হাত মেলিছা
দুখন বালিচা ৰঙা কৰি
তোমাৰ আৰু তেওঁৰ
ভাবি লৈছা এইয়ে শেষ
শেষ বুলিবলৈ একো নাই
যত শেষ হয়
তাতেই পুনৰ আৰম্ভও হয়।



# দুবৰিৰ দেহত মুকুতা


প্ৰাঞ্জল নেওগ
স্নাতক দ্বিতীয় ষান্মাষিক

আহিনক আহি কোনে জোকালে আজি
ঠেহ পাতি মৰিলে শেৱালি।
আহিনৰ অভিমান ভাঙিলে কোনে।
নৈৰ পাৰৰ কহুঁৱা বনে
তেলটুপি চৰাইক মাতিলে কোনে
শাৰদী শৰতে...।
শাৰদী শৰতে আহিনক জোকালে
দুবৰিৰ দেহত মুকুতা মৰিলে।

# হৃদয়

নিতু চাংমাই
স্নাতক ষষ্ঠ যান্মাষিক

পৃথিৱীৰ বুকুত জীয়াই থাকিবলৈ
মোক এখন হৃদয় দিয়া
শান্তিৰ হৃদয়
য'ত নিৰৱচ্ছিন্নতাৰে বৈ থাকিব
শান্তিৰ নৈ আৰু য'ত থাকিব
মুকলি আকাশৰ চিকমিক তৰাবোৰ।
মোক এখন হৃদয় দিয়া
মানুহে মানুহৰ প্ৰতি কৰা
এখন সজ আচৰণৰ হৃদয়,
য'ত হিংসা, দ্বেষ, দুৰ্নীতি আদি
ইয়াৰ বাবে এক অপ্ৰয়োজনীয় বিষয়
কেৱল মানুহে মানুহৰ প্ৰতি কৰা
হিংসা দুৰ্নীতিহীন
প্ৰেম ভালপোৱাৰ হৃদয়।
মোক এখন হৃদয় দিয়া...।



# ব'হাগ আহিছে চোৰা

কবিতা জৰাধৰা
স্নাতক ষষ্ঠ যান্মাষিক

কুলিৰ মুখত তোমাৰ আগজাননী
চতুৰ্দিশে পাতিছে ৰঙৰ মেলা
তোমাৰ লাহী পৰশৰ বাবে
বৃষ দেবতাইও নকৈ হাঁহিছে চোৰা।
ফুলৰ ৰাণীয়েও মলয়া জাকৰ তালে তালে
তুমি অহাৰ জাননী বিলাইছে।
ব'হাগ আহিছে চোৰা
তোমাৰ খোজৰ পৰশ পাবলৈ
আই বসুমতী আছে অধীৰ হৈ
আকাশত মেঘেও মাদল বজায়
তোমাক জনাইছে স্বাগতম
নদ-নদী, জান-জুৰিৰ কুলু-কুলু মাতেৰে
তোমাক আহ্বান কৰিছে সিহঁতৰ মাজলৈ।
ব'হাগ আহিছে চোৰা
সাজু হোৱা আদৰিবলৈ
প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বন্তি এগছি লৈ
ঢোল-পেঁপা-গগণাৰ মাতেৰে
নাচনীৰ ককাঁলৰ ছেৱে ছেৱে
ৰান্ধনীৰ আখলৰ পিঠা-পণা লাড়ুৰে
আদৰিছো তোমাক আমি
এটি নতুন বছৰৰ আৰম্ভণিৰে।





# তোমালৈ বুলি

দধি গগৈ
স্নাতক দ্বিতীয় যান্মাষিক

'মোৰ মৰমৰ' সেই নীলা চিয়াঁহীৰে
উকা কাগজত লিখা শব্দ কেইটা।
আজিও মোৰ মনৰ পৰা আঁতৰি যোৱা নাই
হয়তো ধুসৰিত হৈ পৰিছে
সেই অনাক্ষৰী আখৰৰ পৃষ্ঠাবোৰ।
কোনোবা দিগন্তত হেৰাই গ'ল চাগে
অচিনাকী অতিথি হৈ।
আজি তুমি নাই,
কিন্তু তোমাৰ সেই চিঠিবোৰ
মোৰ বাবে নতুন যেনেই লাগে।
এদিন ফাগুনৰ পছোৱা বা-বলিছিল
তাত তুমি উন্মনা হৈ হেৰাই গ'লা
বহু দিন বিচাৰিলো তোমাক
ক'তোৱেই নাপালো।
অ' কবলৈ পাহৰিছিলোৱেই
এদিন তুমি যে কৈছিলা
মোৰ ৰুগীয়া পিতাইক মাত এবাৰ দিম বুলি।
কথাটো দেউতাক মই বৰ উৎসাহেৰে ক'লো
দেউতাইও আগ্ৰহ দেখুৱাইছিল;
কিন্তু তুমি নাহিলা
তুমি; তুমি নহা দেখি দেউতাই
অভিমানেৰে কয় মিছলীয়া বুলি।
তথাপি দেউতাই 'মই লক্ষ্য কৰিছো'
কাৰোবাব আপেক্ষাত যেন বৈ আছে।
আকৌ তোমাক অনুৰোধ কৰিছো
য'তেই আছা এবাৰ আহি যাবাদেই
অন্ততঃ দেউতাৰ হিয়াজুৰ পেলাবলৈ
এই চিঠিখনেৰেই তোমাক।
শেষত কি বুলি কম
মোৰ নমনীয় শব্দবোৰ শেষ হৈ আহিল
ইতি
তোমাৰ ভাগৰুৱা পথিক বন্ধু।

# তোমাৰ অবিহনে

ঋতুপৰ্ণা লাহন
স্নাতক দ্বিতীয় যান্মাষিক

তুমি মোক এৰি গ'লা
ইয়াত দুখ তোমাৰ নাই
দুখ মোৰেই
বুজিব নোৱাৰিলো চাগৈ
তোমাৰ হৃদয়ক।
সুখী হোৱা মোৰ অবিহনে
এইয়াই মোৰ হৃদয় কামনা
পূৰণ হওঁক তোমাৰ সপোন
মই হৈ যাওঁ এখন ভঙা দাপোণ।
মনত যদি কেতিয়াবা মোলৈ
তোমাৰ পৰে মনত,
সাহসেৰে কবা 'এইয়া আছিল এক সপোন
এইবাৰেই যি ভুল হ'ল যৌৱনত
দুনাই আৰু নহয় কেতিয়াও।'
কান্দি থাকিম তুমি নাকান্দিলেও
সদায় নিজাৰ নিজানিত
কিয়নো, পাহৰি গ'লেও
তুমি থাকিবা সদায় এই
কেঁচা দুখীয়া প্ৰেমিকৰ হৃদয়ত।

**২০১৩-১৪ বৰ্ষৰ ৮ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে সোণাৰী মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা আয়োজিত ঠাইতে লিখা কবিতা আৰু শ্ল'গান প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত কবিতা আৰু শ্ল'গানৰ সম্ভাৰ ঃ**

**প্ৰথম স্থানপ্ৰাপ্ত কবিতা**

## 'নাৰী'

**ৰিতুপৰ্ণা শৰ্মা**
**স্নাতক ষষ্ঠ যান্মাষিক, শিক্ষা বিভাগ**

তাই,
মা বুলি কান্দিলি
মা বুলি মাতিলি
চোতালত যিদিনা চেঁচুৰ খান্দিলি
পথাৰত বুটলিলি সোণগুটি লেচেৰি
বুকুৰ পদুমত থাপিলি লখিমী, সৰস্বতী আই
মালতী ফুলে গোন্ধালে গাত
জোনাক হৈ খেদিলি আন্ধাৰ
নিজলৈ চপালি বেজাৰ
পাত পাই ভৰি মেলি দিয়াৰ দিনা
উচুপিলি বাৰে বাৰে
'দেউতা অ' দুৰলৈ নিদিবি মোক
